# শিকাৰ-নিকাৰ

প্ৰসন্নলাল চৌধুৰী

## ॥ মুখবন্ধ ॥

'শিকাৰ-নিকাৰ' শিৰোনামাৰে এয়া এক ৰোমাঞ্চকৰ চিকাৰ কাহিনীৰ বিচিত্ৰ সমষ্টি। কাহিনীমালাৰ ৰচক কবি, নাট্যকাৰ, অভিনেতা প্ৰসন্নলাল চৌধুৰী। তেখেত যে এগৰাকী সুদক্ষ চিকাৰীও আছিল তাৰেই দৃঢ় স্বাক্ষৰ আঁকি থৈ গৈছে বৰ্তমান প্ৰকাশিত এই 'শিকাৰ নিকাৰ' পুথিখনিৰ পাতে পাতে।

নিচেই ল'ৰালি কালৰপৰা তেখেতে তেখেতৰ পিতৃদেৱ পলাশবাৰী, ছয়গাঁওৰ তহশীলদাৰ শ্যামলাল চৌধুৰীক হাতী, বাঘ, হৰিণা চিকাৰত লিপ্ত থকা দেখিছিল। তেতিয়াৰপৰাই তেওঁৰ মনত মৃগয়াৰ প্ৰতি আকৰ্ষণ সৃষ্টি হৈছিল। সেইকাৰণে ১৯২৪ চনত কলিকতাৰ চেণ্ট পলছ কলেজৰ ছাত্ৰ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ Territorial force ৰ সামৰিক বাহিনীৰ শিক্ষাৰ্থী প্ৰসন্নলালে Lyon and Lyon কোম্পানীৰ দুনলীয়া বন্দুক এটা আৰু পাঁচজাইগুলী ভৰা Chamber থকা ৰাইফল এটা কিনি লয়। তাৰ পিছৰপৰাই নানা চিকাৰ অভিযানত তেওঁ নামি পৰিছিল; জীৱনৰ শেষ পৰ্বলৈ অৰ্থাৎ প্ৰায় আধা শতিকা পিছলৈও তেওঁ চিকাৰ অভিযানত অংশ লৈছিল। জীৱনৰ শেষ দিনলৈ এই বন্দুক আৰু ৰাইফল দুৰ্জয় সাহসী চিকাৰী প্ৰসন্নলালৰ প্ৰিয় সহচৰ আছিল আৰু তেওঁৰ বিছনাৰ মূৰ শিতানত আদেশৰ অপেক্ষাত উৎকণ্ঠিত চন্তৰীৰ দৰে বন্দুক আৰু ৰাইফলটো দণ্ডায়মান হৈ ৰৈ আছিল।

তেখেতৰ বিছনাৰ গাৰুৰ কাষতে আটোমটোকাৰিকৈ থোৱা আছিল ৰবীন্দ্ৰনাথৰ 'সঞ্চয়িতা', দ্বিজেন্দ্ৰলাল ৰায়ৰ 'চাহজাহান', 'মেবাৰ পতন', বনফুল ৰচিত 'মধুসূদন', 'বিদ্যাসাগৰ', জীৱনানন্দ দাশৰ 'বনলতা সেন', লক্ষ্মীনাথ বেজবৰুৱাৰ 'কাকতৰ টোপোলা', 'ভাবৰ বুৰবুৰণি'। এনেকৈয়ে তেওঁৰ নিভৃত শয়ন কক্ষত কবি প্ৰসন্নলাল আৰু চিকাৰী প্ৰসন্নলালৰ সম্মিলন হৈছিল।

তেখেতে কলেজীয়া ছাত্ৰ হৈ থাকোঁতেই বন্দুক আৰু ৰাইফল কিনাৰ অন্তৰালত অলিখিত ক্ষুদ্ৰ কাহিনী এটাও আছে। কলিকতীয়া ছাত্ৰ জীৱনত বিপ্লৱী প্ৰাণ প্ৰসন্নলাল বংগদেশৰ বিপ্লৱবাদী 'অনুশীলন সমিতি' আদি সংগঠনৰ সৈতে যুক্ত হৈছিল। এই সংক্ৰান্ততে এগৰাকী বিপ্লৱবাদী বঙালী ষোড়শীৰ সৈতে তেওঁৰ গভীৰ আৰু পবিত্ৰ আত্মীয়তা গঢ় লৈ উঠিছিল। সেই ষোড়শী কন্যাৰ অনুপ্ৰেৰণাতেই তেওঁ বিদ্ৰোহী আৰু দেশাত্মবোধক কবিতা ৰচনা কৰিবলৈ লয়। সেইগৰাকী অগ্নিকন্যাই হেনো তেওঁক কৈছিল যে অহা দহ বছৰত ১৯২৪ চনৰ পিছৰপৰা ভাৰতত বিপ্লৱীসকলে সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰিব। গতিকে

সকলোৰে বিপ্লৱৰ বাবে আগতীয়াকৈ অস্ত্ৰ-শস্ত্ৰ যোগাৰ কৰাত গুৰুত্ব দিব লাগে। এই ইংগিত পাই ৰোমাণ্টিক বিপ্লৱী প্ৰসন্নলালে বন্দুক আৰু ৰাইফল কিনিলে।

অৱশ্যে বহু প্ৰত্যাশিত সেই ব্যাপক বিপ্লৱ গঢ়ি নুঠিল; কিন্তু চট্টগ্ৰাম অস্ত্ৰাগাৰ লুণ্ঠনৰ ঘটনা ঘটিল। বিপ্লৱৰ ৰোমাণ্টিক স্বপ্ন কবি প্ৰসন্নলালৰ বুকুত শুই থাকিল—; আৰু অসমলৈ উভতি অহা তৰুণ প্ৰসন্নলালৰ বুকুত বিপ্লৱবাদী কন্যাগৰাকীৰ বেদনা-বিধুৰ স্মৃতিকণ্টকৰাশি মাত্ৰ পাৰি থাকিল; —ঠিক্ যেন "কুশৰ অংকুৰ সম ক্ষুদ্ৰ দৃষ্টি অগোচৰ তবু তীক্ষ্ণতম।"

তেওঁৰ বন্দুকটো আৰু ৰাইফলটোত অতীতৰ সোণালী জিলিকনি একণ মাত্ৰ বৈ গ'ল। প্ৰসন্নলাল 'বিদায় অভিশাপ'ৰ কচৰ ভূমিকাকেই মানি ললে।

অসমলৈ উভতি আহি ৰাজনৈতিক কাম-কাজৰ সৈতে ছেগা-চোৰোকাকৈ যুক্ত হ'ল যদিও তেওঁ বংগদেশৰ বিপ্লৱী কাৰো সৈতে কোনো সম্পৰ্ক গঢ়িব নোৱাৰিলে। হাতত বন্দুক লৈ ৰাইফল লৈ হাবিয়ে বনে চিকাৰীৰ বেশত সময়ে সময়ে ঘূৰি ফুৰিবলৈ আৰম্ভ কৰিলে। এনেকৈ ঘূৰি ফুৰোঁতে অসমৰ নদী, বন, পৰ্বত, পাহাৰৰ মাজেদি ৰূপ লৈ উঠা প্ৰকৃতিৰ উগ্ৰ ৰুদ্ৰ আদিম ৰূপৰ সৈতে তেওঁৰ একাত্মীয়তা গঢ়ি উঠিছিল। বন্য প্ৰকৃতিয়ে তেওঁৰ কবি মনত সৌন্দৰ্য হৈ ধৰা দিলেহি। অবিভক্ত কামৰূপ জিলাৰ বিভিন্ন অংশত আৰু বিশেষকৈ বৰপেটাৰ চৌদিশে ব্যাপি থকা অৰণ্যানীত, বেঁকী আৰু মানাহৰ ভাজে ভাজে চিকাৰী প্ৰসন্নলালৰ অবাধ বিচৰণ ক্ষেত্ৰ আছিল। বেঁকী আৰু মানাহ নদীৰ আকৰ্ষণত তেওঁৰ কল্পনাৰ পখিলাই পাখি মেলি উৰিছিল। কবিতা লিখিছিল তেওঁ—'নদী নাই—নদী নাই—বেঁকীৰ সমান নদী নাই।'

তেখেতৰ 'চানেকি কবিতা' শীৰ্ষক কবিতা সংকলনত 'ষাটি বছৰৰ পাছে' কবিতাটোত তেওঁৰ চিকাৰী আৰু ৰোমাণ্টিক সৌন্দৰ্য সন্ধানী মানসৰ কল্পলোকৰ অনিন্দ্য সুন্দৰ ৰূপ-চিত্ৰ দেখা যায়।

> "সৌ সিদিনাও দেখো দুৰূহ দুৰ্গম
> ভুটানৰ চালত বগালোঁ
> খোজ কাঢ়ি আন্ধাৰ নিশাত
> কান্ধত বন্দুক লৈ, উঠি নামি জংগলত
> পিতাপিতকৈ কৈ।"

মানাহাৰ অভয়াৰণ্যত তেওঁৰ চিকাৰ অভিযানৰ কথা গদ্যৰ ভাষাৰেও তেওঁ বিৰবিছে। কবিতা ৰূপতো তাৰেই কাহিনী শুনা যায়।

> "সেয়াচোন মানাহৰ গেমৰ ৰিজাৰ্ভ
> সোমাইছো বেআইনী চোৰাং ভাবেৰে

আছে সংগী 'অলিভাৰ' ফিৰিঙ্গি পোৱালি
বাটৰ সহায় বন্ধু 'জং বাহাদুৰ'
কবতীয়া 'গুণো', 'গন্ধো', 'পুটুৰাম', 'প্ৰফুল্ল ভাঙুৰী'
কঁকালত আছে বন্ধা শিকাৰীৰ ছুৰী
সুতীক্ষ্ম খুকুৰীখনো ;
'ফোৰ নট্ ফাইভ ৰিপিটাৰ ৰাইফল'
চেম্বাৰ ভৰাই আছে,—চিন্তা নাই কোনো ।"

এই চিকাৰ অভিযানত তেওঁৰ কল্পনাপ্ৰৱণ মনলৈ নামি আহিছিল অৰণ্যবাসী ৰোমাঞ্চকৰ দস্যু ডকাইতৰ দুৰ্দ্ধৰ্ষ চৰিত্ৰৰ চিত্ৰ ।

"আমিতো 'ৰবীন হুদ' 'মগ্নিগৰ' ৰদাৰিক ধু'
মানসিং ৰাজা, ৰূপা, লাখন ঠাকুৰ,
অৰণ্য দুৰ্গত থাকো নিৰ্ম্মম নিষ্ঠুৰ ।"

তেখেতৰ ল'ৰালি কালৰ আপোন ঠাই আৰু জন্মস্থান পলাশবাৰী অঞ্চলতো চিকাৰ অভিযান কৰাৰ অভিজ্ঞতা আছে । দক্ষিণ কামৰূপৰ পাহাৰী অঞ্চলতো তেওঁ আনন্দ মনেৰে বিচৰণ কৰিছিল ।

"নাইবা, ওলোৱা চাওঁ-ৰাণীৰ পাহাৰ
চকৰুদ, বন্ধ্যাঘুলি, পাটগাঁও, জিৰাংফৰেষ্ট
আছে হাতী কীৰ্ত্তি বৰুৱাৰ
লগত 'তন্তৰা' আছে মাউত পুৰণি
মদ খাই টং কিন্তু অতি সাৱধানী ।

*　　*　　*

ৰাণীৰ শালনি ঘন পাহাৰ গহীন
বৰাগিনী নিজৰাৰ ঝিন ঝিন বীণ ।
চিকাৰী নাৱত জোনাকৰ স্তব্ধ ৰাতি
মৰা মানাহেদি নিশব্দে মাৰা ভাটি
মৈষালী গীতৰ ধ্বনি উঠে দোতাৰাত
নৈত শুইছে জোন ল'ৰা নাই পাত,
ম'হ পালে ছবি যেন শিং থিয় কৰি
গীতৰ মদিৰা পীয়ে বায়ু উঠে ভৰি
অলপ ভাটিতে ওখ গৰাৰ কানত
হৰিণ হৰিণী দুয়ো বিমুগ্ধ গানত ।"

কোৱা বাহুল্য যে এইবোৰ দৃশ্য চিকাৰী প্ৰসন্নলালৰ চাক্ষুস অভিজ্ঞতাৰ বৰ্ণনা মাত্ৰ ।

১৯৭১ চনত ( যেতিয়া প্ৰসন্নলালৰ বয়স ৭৩ বছৰ ) তেওঁ ভুটান পাহাৰৰ চালত হাতীৰ পিঠিত থিয় হৈ বন্দুক লৈ চিকাৰলৈ ওলায়। তাতেই আকস্মিকভাৱে এটি দুৰ্ঘটনাৰ সম্মুখীন হয় আৰু তেওঁ মুৰত আঘাত পায়। সেই আঘাতৰ পৰিণতি স্বৰূপেই শেষত তেওঁৰ মগজুৰ সন্যাস ৰোগ ( Cerebral Thrombosis ) হৈ জীৱন সংকটাপন্ন হৈছিল। চিকিৎসাৰ ফলত যদিও তেওঁ আৰোগ্য হ'ল—, তথাপি তেওঁ সম্পূৰ্ণ সুস্থ হৈ নুঠিল। এই দুৰ্ঘটনাৰ এটি পৰিবেশ তেওঁ 'শেষ চিকাৰ' আধ্যায়ত বিৰবিছে।

দূৰ অতীতত এদিন এগৰাকী বিপ্লৱবাদী অগ্নিকন্যাৰ প্ৰভাৱত তেওঁ বন্দুক আৰু ৰাইফল হাতত তুলি লৈছিল আৰু প্ৰায় অৰ্দ্ধ শতাব্দী পিছত দুগৰাকী প্ৰিয়ছাত্ৰী আৰু স্নেহৰ পাত্ৰীৰ বাধা আৰু অনুৰোধত তেওঁ বন্দুক ৰাইফল লৈ চিকাৰ কৰাৰ অভিযান পৰিত্যাগ কৰিছিল। বাধা আছিল বয়সৰো— আৰু ৰুগ্ন শৰীৰৰো।

'শিকাৰ-নিকাৰ' কাহিনীমালাত কবি প্ৰসন্নলাল এগৰাকী শ্ৰেষ্ঠ কথা শিল্পী নাইবা উন্নত গদ্য লিখক ৰূপে উদ্ভাষিত হৈছে। এই ৰচনামালাৰ পাতে পাতে মধুৰ কাব্যিক বাৰ্ণনা, গল্পৰ দৰে মনোমুগ্ধকাৰী ভংগীত দেখা দিয়া চৰিত্ৰবোজিৰ প্ৰৱেশ আৰু প্ৰস্থান, আৰু সূক্ষ্ম উচ্চ ৰুচিবোধসূচক 'উইট' ( wit ) হাস্যৰসৰ ধাৰা পৰ্বতীয়া নিজৰাৰ দৰে বাগৰি আহি আছে। কোনো কোনো পাঠত নাটকীয় সংলাপেও চমক খুৱাই গৈছে।

চিকাৰৰ কাহিনীৰ বৰ্ণনা দিবলৈ গৈ তেখেতে আমাৰ অসমৰ গাঁৱে-ভুঞে প্ৰচলিত হৈ থকা আৰু বৰ্তমান হেৰাই যোৱা চিকাৰৰ প্ৰাচীন সংস্কৃতি, প্ৰাচীন পদ্ধতি, পুৰাণিকলীয়া ৰীতি-নীতি আদিৰো চুম্বক আভাষ দিছে। এই বিৰল বৰ্ণনা অসমীয়া সংস্কৃতিৰ ইতিহাসৰ সোণসেৰীয়া সম্পদ।

সাম্প্ৰতিক কালত আমাৰ দেশত জৰ্জ অৱৱেল, জিম্ কৰবেট্, কৰ্ণেল জে এইচ পেটাৰছন আদিৰ চিকাৰ কাহিনী জনপ্ৰিয় হৈ উঠিছে। অসমীয়া সাহিত্যত চিকাৰ কাহিনী ৰচনাৰে ৰস সৃষ্টি কৰোঁতা শ্ৰেষ্ঠ কথা শিল্পী আছিল দেশভক্ত তৰুণৰাম ফুকন। তেখেতৰ পিছত একাধিক চিকাৰীয়ে চিকাৰ কাহিনী লিখি প্ৰকাশ কৰিছে— ; কিন্তু বিনা দ্বিধায় কব পাৰি যে এই ক্ষেত্ৰত ফুকনৰ ৰচনা অদ্বিতীয় 'শিকাৰ-নিকাৰ' ৰচনামালা এই সন্দৰ্ভত এক বিৰল সংযোজন। সকলো সাহিত্যিক গুণৰাজিৰে পৰিপূৰ্ণ প্ৰসন্নলালৰ 'শিকাৰ-নিকাৰ'ৰ ৰচনা সমষ্টি দেশভক্ত ফুকনৰ চিকাৰ-কাহিনীৰ সমগোত্ৰীয় আৰু সমকক্ষ বুলি ক'লে বিশেষ ভুল কৰা নহব নিশ্চয়। সেই বিচাৰ পাঠক আৰু ৰসগ্ৰাহীলৈ আমি এৰিছোঁ।

চিকাৰ কাহিনীৰ এই ৰচনাবাজি ১৯৭৮ চনৰ বছৰটোত ধাৰাবাহিকভাৱে 'প্ৰকাশ' আলোচনীত ওলাইছিল। সেই সময়ৰ 'প্ৰকাশ' আলোচনীৰ সম্পাদক শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ উদ্যোগতেই এই ৰচনাৱলী প্ৰকাশিত হৈছিল। তেখেতলৈ আমাৰ শ্ৰদ্ধাৰ শৰাই আগবঢ়ালোঁ।

দুখৰ বিষয় এয়ে যে কবি গৰাকীৰ জীৱন কালত এই পুথিখন ছপা হৈ নোলাল এই পুথিখনিয়ে ছপাশালৰ যন্ত্ৰৰ যন্ত্ৰণা ভুগি থাকোঁতেই কেবাবছৰো অতীত হৈ গ'ল। সদাশয় ব্যক্তি আৰু 'বাণী প্ৰকাশৰ' ঘাই পুৰোধা শ্ৰীযুত অম্বিকাপদ চৌধুৰীৰ যত্নত সম্প্ৰতি পুথিখন প্ৰকাশৰ বাটলৈ ওলাইছে। কিন্তু 'শিকাৰ-নিকাৰ' পুথিখনিয়ে সাজি পাৰি ওলাই অহা চাবলৈ চিকাৰী প্ৰসন্নলাল বৈ নাথাকিল। মহাকালৰ নিষ্ঠুৰ আহ্বান তেওঁ অমান্য কৰিব নোৱাৰিলে।

আজিৰ এই অভাজন মুখবন্ধ লিখক আৰু এই অভাজনৰেই সৰুভাই শ্ৰীঅঞ্জনলাল চৌধুৰী—দুয়ো লগ লাগি চিকাৰ-কাহিনীৰ সম্পাদনাৰ ভাৰ লৈছিলোঁ। আমাৰ হাততেই পুথিখনিৰ সকলো স্বত্ব সংৰক্ষিত হৈ থাকিব। আশা কৰোঁ অসমৰ ৰাইজে পুথিখনি মৰমেৰে হাতত তুলি লব।

বৰপেটা
১ জুন, ১৯৮৭ ইং

শ্ৰীবিজনলাল চৌধুৰী

## ॥ সূচীপত্ৰ ॥


| | | |
|---|---|---|
| ১। | শিকাৰ-নিকাৰ ... | ১ |
| ২। | পূৰ্ব্বাণ দিনৰ চিকাৰ ... | ১৫ |
| ৩। | মাছৰ শিকাৰঃ বশিতপুৰা ... | ২৫ |
| ৪। | মন্দিয়াৰ বাঘ ... | ৩৫ |
| ৫। | কল্পনাৰপৰা বাস্তৱলৈ ... | ৪৯ |
| ৬। | পাঠশালাত চিকাৰৰ স্মৃতি ... | ৬৮ |
| ৭। | সোণালী পহুৰ সন্ধানত ... | ৮০ |
| ৮। | চোবাং চিকাৰ ... | ৮৬ |
| ৯। | শেষ চিকাৰ ... | ১১৬ |

# শিকাৰ-নিকাৰ

আজিকালি আমি 'চিকাৰ' বোলা হৈছোঁ বাহিৰৰ প্ৰভাৱত পৰি। অন্ততঃ ত্ৰিশবছৰ আগতো এই শব্দটো উচ্চাৰণ কৰিছিল 'শিকাৰ' বুলি। 'শ' টোৰ অসমীয়া উচ্চাৰণ কৰা অসমীয়া শিকাৰীৰ লগত মই ফুৰিছোঁ।

আগৰ কালত মানুহে এফালে যেনেকৈ দুৰ্গম হাবিত বিপদক বিপদ নুবুলি জন্তু চিকাৰ কৰি পেটৰ ভোক গুচাইছিল, আনফালে তেনেকৈ সাহ দেখুৱাবলৈ বাঘ আদি জন্তু মাৰি আত্ম-প্ৰসাদ লাভো কৰিছিল। ই শক্তি প্ৰকাশৰ কাৰণেই স্বাভাৱিক প্ৰেৰণা আৰু আদিম প্ৰকৃতিৰ আকৰ্ষণ। ই বহুসময়ত মানসিক অৱসাদ গুচাবৰ আৰু অপূৰ্ব আনন্দ দিবৰ উপায়। অথচ তাৰ-কাৰণে দৈহিক কষ্ট আৰু বিপদৰ সম্ভাৱনা কম নহয়। এইকাৰণেই দেশভক্ত ফুকনে লোকেল বোৰ্ডৰ কৰ্তৃত্বৰ বোজা সোধাই দি চকবৰদলৈ উৰা মাৰিছিল বনৰীয়া গুণ্ডা হাতী বিচাৰি ; অথচ হাতী অখাদ্য ; কিন্তু হত্যাৰ আনন্দ আৰু বিপদৰ মাজেদি সৰ্বাক যোৱাৰ দুৰন্ত মাদকতা। হাতী চিকাৰৰ পুৰস্কাৰ নামমাত্ৰ ৫০ টকা মান বা বৰ বেছি হ'লে ২০০ বা ২৫০ টকা। কেতিয়াবা মাত্ৰ দাঁতযোৰ আৰু কেতিয়াবা আকৌ মখনা এটা মাৰি নিদিয়ালৈকে দ'তালৰ বাবে পুৰস্কাৰ দিয়া নহয়। ইপিনে হাতী চিকাৰৰ অশেষ বিপদ, শাৰীৰিক কষ্ট আৰু খৰচতো আছেই। আনহাতে হাতী অসমীয়া মানুহৰ বৰ আদৰৰ আৰু সন্মানৰ জীৱ।

গ্ৰীচৰ বীৰবিলাক সেইকাৰণে অলিম্পিক খেলত পৌৰুষ দেখুৱাবলৈ বহুমাইলজোৰা মাৰাথান বেচৰ দৰে দুঃসাধ্য খেলতো

জয়ী হৈ মাত্ৰ অলিভ পাতৰ মুকুট এটা আৰ্জিবলৈ আগবাঢ়িছিল। ৰোমান গ্লেডিয়েটৰসকলে খেলমাটিত মৃত্যুপণ কৰি যুঁজ কৰিবলৈ পাছ নোহোঁহকে। এই শক্তি প্ৰাচুৰ্যৰ কাৰণে এতিয়াও এভাৰেষ্ট আৰোহণ আদি অসাধ্য কামলৈ অগৰগাণ্ডিয়া (এডভেন্সাৰাছ) মানুহৰ অভাৱ নহয়। আনকি ৰকেটত সোমাই মহাকাশেদি চন্দ্ৰলোক পৰিভ্ৰমণৰ কল্পনাতীত কামলৈ আগবাঢ়িবলৈ মাইকী মানুহেও আগবাঢ়ি আছে!

এনে শক্তি প্ৰকাশৰ কাম অসমৰ ঠায়ে ঠায়ে বৃটিছ যুগৰ এশবছৰ মানলৈকে নানা বিধৰ কামৰ ভিতৰেদি প্ৰকাশ পায়েই আছিল। যদিও সেইবোৰৰ লগত কিছু পৰিমাণে লাভৰ উদ্দেশ্যও মিহলি আছিল।

বৰপেটা অঞ্চলটো বছৰেকীয়া বানপানীয়ে ধুই নিয়ে একোবাৰ। এতিয়া বানপানী আহিলেই বাতৰি কাকতত 'প্ৰলয়ংকৰী' বা 'অভূতপূৰ্ব' এনে ধৰণৰ বিশেষণ এটা আছেই। যদিও এতিয়াতকৈ তেতিয়া বানপানীৰ প্ৰাবল্য যথেষ্ট বেছি আছিল, তথাপি ৰিলিফ কমিটিৰ প্ৰয়োজন নহৈছিল। বৰং বান যিমান ডাঙৰেই নহওক সি আনন্দৰ বান বুপেহে আহিছিল।

কম বয়সীয়াবোৰে নাওৰ খেলত বা সাঁতোৰত মতলীয়া হৈ উঠিছিল আৰু বয়সস্থবোৰে চিকাৰলৈ উন্মুখ হৈ উপযুক্ত সময়লৈ বাট চাইছিল। সেই চিকাৰ অৱশ্যে এতিয়া চিকাৰ বুলিলে যি বুজা হয় তাতকৈ বহুত বেলেগ আছিল। এতিয়া চিকাৰৰ বাবে বহু ভাল ভাল শক্তিশালী বন্দুক, ৰাইফল, টৰ্চ আদি আমদানি হৈছে। '৪৭৫ ব'ৰৰ কৰ্ডাইট ৰাইফল এটাৰে নাইবা ৬০০ ব'ৰৰ নাইট্ৰো-এক্সপ্ৰেছ ৰাইফলেৰে একোটা দাঁতাল বা মখনা হাতী বা গঁড় একে জাঁইতে কটি-ঠেকেচা খুৱাই বখাত বেছি অসুবিধা নহয়। নতুবা উইনচেষ্টাৰ নাইবা জাৰ্মান মোজাৰ ৰিপিটাৰ বা তেনে ৰাইফল একোটাৰে পহু বা বাঘ মৰা যথেষ্ট সহজ হৈ গৈছে। তাৰ উপৰিও

হাওদাৰ চিকাৰে এইবিলাক কাম ৰাজকীয় বিলাসত পৰিণত কৰিছে। এনেবিলাক সুবিধাৰ কাৰণে বনৰ শোভা এই জন্তুবিলাক কিছু পৰিমাণে নিৰ্মূল হৈ গ'ল।

যিহওঁক পুৰণি চিকাৰ এটা বেলেগ বস্তু আছিল। নতুন চিকাৰো এতিয়া নোহোৱা হ'ল বনবিলাকত চৰুৱা বহিবলৈ দিয়াৰ বাবে আৰু জমিদাৰী উচ্ছেদ কৰাৰ বাবে।

বাৰিষা যেতিয়া নতুন পানীৰ ধল উপচি আহে আৰু দিনে একহাত বা ছয় আঙুলকৈ পানী বাঢ়িবলৈ ধৰে তেতিয়া আসুৰিক শক্তিসম্পন্ন চিকাৰীসকল সাজু হৈ উঠে। ৰ'দ-বৰষুণলৈ ভ্ৰূক্ষেপ নাই। মাত্ৰ চিকাৰ হব লাগে। চিকাৰী নাও যাৰ আছে তেওঁ নিশ্চয় অৱস্থাপন্ন গিৰি হবই, আৰু তেওঁৰ ম'হ থকাটো নিশ্চিত। এই অঞ্চলত ম'হৰ কাৰণে প্ৰত্যেক মানুহৰে একোটা টান থাকেই। অকলে ম'হ ৰাখিব নোৱাৰিলেও কেবাজনেও লগ হৈ দুই এটাকৈ ম'হ বা এখন খুঁটি চলাব। এনে এটা মোহনীয় বস্তু ম'হ!

চিকাৰী নাওবিলাক শাল কাঠৰ। সেইবোৰ আচলতে খেলনাও আৰু যথেষ্ট মজবুত। ই দীঘলে ৩০।৩৫ হাত হ'ব। বাৰবিলাক[১] চাৰি আঙুলমান ডাঠ। এজাৰ বা গমাৰী কাঠৰ বাহিৰে আন কাঠ লগোৱা নহয়। আচল নাওখন শালৰ বাহিৰে আন কাঠৰ হ'ব নোৱাৰে। বাৰবোৰত ম'হে শিং মাৰি নাইবা বাঘে কামুৰি একো কৰিব নোৱাৰে। নাৱৰীয়া লাগে একুৰি আঠজনমান, যাৰ গাৰ মাংসপেশীবোৰ তীখাৰ দৰে টান আৰু ৰ'দ বৰষুণ একোৰে একো কৰিব নোৱাৰে; তদুপৰি চিকাৰৰ দুঃসাহসিক কামতো চতুৰ অথচ সাৱধানী।

নাওৰ আগৰ কড়ি বা টিঙৰ ওপৰত যাৰ ঠাই তেওঁ হ'ল আগুৱাল। তেওঁ দীৰ্ঘকায় বলিষ্ঠ পুৰুষ। হাতত পিতলৰ চুলা লগোৱা বোলা কাঠৰ কাঠি বৈঠা। টান চাবত বেতৰ দৰে

১। বাৰ—নাওৰ কাণৰ ওপৰ খণ্ড

ভাজ লাগে ; কিন্তু ভাঙিব নাজানে। তেওঁৰ পাছতে ঠাই লব পাঠকে। তেওঁ বিবিধ অংগী-ভংগীৰে নাম লগাই দিব আৰু তালে তালে আনবোৰে বৈঠা চলাব। তেওঁৰ কাষতে আন এজন থাকিব শংখবাদক। তেওঁ তাল বুজি শংখধ্বনি কৰি যায়। এওঁলোকৰ পাছৰপৰা গুৰাই গুৰাই[২] দুজনকৈ জোৰান বহি চুটি হাতে বৈঠা মাৰি যায়। বাৰটামান গুৰাত একুৰি চাৰিজনকৈ মানুহ বহে। এওঁলোকৰ ভিতৰত যথেষ্ট সংখ্যক লোকে কোল, খাপাৰ[৩] চলাব জানে। কিন্তু কোল আৰু চিপ যেয়ে সেয়ে চলাব নোৱাৰে। তাৰ-কাৰণে বেলেগ শিক্ষা আৰু অভ্যাস থাকিব লাগে। গোটেই গুৰিৰ ফালে শেষৰ কড়িটোৰ ওপৰত থাকে গুৰিয়াল। এওঁৰ ওপৰতেই ইমানবোৰ বৈঠাৰ বেগত চলা নাওখনৰ কৰ্তৃত্ব। তেওঁৰ সামান্য ভুলতে নাও বুৰি যাব পাৰে। তেওঁৰ আগত থাকে কণাকাটা। কৰ্ণধাৰ শব্দই এই ৰূপ লোৱা যেন অনুমান হয়। এওঁ নাওখনৰ পালি গুৰিয়াল। এওঁলোক দুয়োৰে হাতত আগুৱালৰ দৰে বৈঠা। আগৰ কড়িৰ ঠিক পাছৰ অকণমান খুটি গুৰাৰপৰা পাছৰটো গুৰালৈ এখন মজবুত পাট আছে। তাক গলেৰ পাট বোলে। গুৰিৰ ফালৰ কড়িৰ আগতো তেনে এখন পাট থাকে। কণাকাটাৰ ঠাই তাৰে ওপৰত। নাওখনৰ বাহিৰৰ তলুৱাৰপৰা কড়িৰ ফালে ক্ৰমান্বয়ে উঠি যোৱা ভাগটোক গলে বোলে। এই ভাগটোৰ নিৰ্মাণ কৌশলৰ ওপৰত নাওখনৰ বেগ বহু পৰিমাণে নিৰ্ভৰ কৰে। ইয়াক এনে সমানুপাতিকভাৱে তুলি নিয়া হয় যে, নাও চলিলে তাত পানীৰ হেঁচা নপৰে, বৰং পানী পাতলকৈ দুফাল হৈ যায়। আগুৱাল আৰু গুৰিয়ালে নাৱৰ গলেৰ পাটত গুৰি মাৰি, দুটা এটা ইংগিত-মূলক শব্দ কৰি নাও পৰিচালনা কৰে।

এই আয়োজন মাত্ৰ খেলৰ সময়ৰ বাবেহে।

---

২। গুৰাই-গুৰাই নাওখনৰ পঠালিকৈ লগোৱা কাঠবোৰ

৩। খাপাৰ— বৰ্শা

চিকাৰ যাত্ৰাত সাধাৰণতে সম্পূৰ্ণ নাৱৰীয়া নিয়া নহয়। তাত অস্ত্ৰ চলাব পৰা মানুহহে সৰহ, কেইজনমান মাত্ৰহে নাৱৰীয়া ভাগৰ মানুহ থাকে। আগে-গুৰিয়ে মানুহ একেই থাকে। প্ৰত্যেকেই কিন্তু নাওচলোৱাত পাকৈত হ'ব লাগে।

গলেৰ পাটৰ ঠিক পাছতে পৰিপাটিকৈ সজোৱা থাকে বেলেগ আকৃতিৰ খাপাৰ্বিলাক, দা কেইপাতমান, কোল কেইপাতমান ফৈলেঠি[8] আৰু ভলুকা টোকোন, কেইডালমান চিপ, দুডালমান ডাঙৰ ফৈ[5] আৰু দহডালমান কোটোহা বাঁহৰ পুৰঠ চৰি[6] বা লগী ইয়াৰ আগত সাফৰ দিয়া নাৱত ব্যৱহাৰ কৰাৰ দৰে, মুখত কাঁপি[7] দিয়া নহয়, অৰ্থাৎ এডোখৰ তিনি-কোণীয়া কাঠ সুমুৱাই দি বহল কৰা নহয়, খুটাৰ কাণ কাটি দিয়াৰ দৰে কাটি দিয়া হয় মাত্ৰ।

কল বা যন্ত্ৰৰপৰাই বোধহয় কোল শব্দ হৈছে। এবেগেততকৈ অলপ দীঘল গোটা কাঠ এডোখৰত বৰশীৰ দৰে শুং থকা তীখাৰ জোং এডাল বেঢ়ি লগাই দা শালি দিয়াৰ দৰে শালি দিয়া হয়। কাঠডোখৰৰ ঠিক মাজতে টান পাকৰ দুডাল জৰী এবাৰ নোৱৰা কৰি বান্ধিব। কাঠডোখৰৰ গুৰিৰ ফালে এটা মাপ কাটি সেই-ডোখৰ এডাল নতুন মোকাল বাঁহৰ গোটা পুৰঠ আগলিৰ গুৰিৰ ফালে খাজ খুৱাই বহুৱাই লয় আৰু তাৰে ঠিক মাজতে কাঠত লগোৱা জৰী দুডাল আনি এনেকৈ টানি বান্ধি লোৱা হয় যে, অলপ জোতা-পোটা হলেই বাঁহৰপৰা কাঠডোখৰ এৰা দিয়ে। জন্তুৰ গালৈ কোলপাত বেগেৰে মাৰি দিয়ে, জোংডোখৰে গাত লাগি ধৰে, আৰু বাঁহৰ কুৰাডাল এৰা দিয়ে, কিন্তু জৰী দুডোখৰে বাঁহডালৰ

৪। ফৈলেঠি—একোডাল চাৰিসিৰীয়া টাঙোন

৫। ফৈ—শকত জৰী

৬। চৰি—নাও বোৱা দীঘল বাঁহ

৭। কাঁপি—চৰিবোৰৰ আগফালি তিনিকোণীয়াকৈ কাঠ এচটা ভৰাই গজাল মাৰি দিয়া হয় যাতে মাটিত পোত নাযায়

মাজত ধৰি থাকি লৰংফৰংকৈ পলাব খোজা জন্তুটোৰ গতিত বাধাৰ সৃষ্টি কৰে।

নতুনকৈ গজা ভলুকাৰ পকি উঠা সৰু বাঁহ এডালৰ গুৰিৰ ফালৰ ৫ ফুটমান কাটি আনক। গাঁঠিবিলাক সাৱধানে ৰাখি, ঘূৰণীয়াকৈ কাটি দিয়ক। পিছত সেইডাল কেঁচাই কেঁচাই গোবৰৰ দ'মত পুতি থওক। বাঁহডালত যেতিয়া গোবৰৰ ৰং ধৰে তেতিয়া উলিয়াই আনি ধুই-পখালি ধোঁৱা-চাঙত তুলি থৈ দিয়ক। তাতে যেতিয়া বাঁহডোখৰ শুকাই উঠিব, তেতিয়া নমাই আনি মিঠাতেল ঘঁহি আকৌ ধোঁৱা খাবলৈ দিয়ক। পিছত যেতিয়া সুন্দৰ বাদামী ৰং ধৰি উঠিব তেতিয়া তাক টোকোন হিচাপে ব্যৱহাৰ কৰক। কেবা পুৰুষলৈ সি এপাত পৰম নিৰ্ভৰযোগ্য অস্ত্ৰ হৈ থাকিব—যদি ব্যৱহাৰ কৰোঁতাৰ বুকুত সাহ বোলা গুণটি থাকে। সেয়ে ভলুকা টোকোন।

ভলুকা টোকোনৰ সমানেই দীঘল ফলীয়াথি টোকোন। ই চাৰিসিৰীয়া আগৰ ফালৰ ক্ৰমে ডাঙৰ হৈ যোৱা আৰু গুৰিৰ ফালে হাতেৰে ভালকৈ মুঠি মাৰি ধৰিব পৰা। ইয়াৰ পিঠিটো চাৰি আঙুলমান আৰু ঠেকটো পিঠি তিনি আঙুলমান হ'ব। এই টোকোনৰ বাবে নাহৰ, সোণাৰু আৰু খৈৰা কাঠৰ পুৰণিৰ সাৰভাগ লাগে। বুঢ়া চাউ-তামোলৰ গুৰিৰ বাকলিৰপৰাও বহুত সময়ত কৰা হয় আৰু তেল খুৱাই চক্‌চকীয়া ক'লা আৰু টপটপীয়া গধুৰ অৱস্থালৈ অনা হয়। ডাঙৰ ফালটো থিয়কৈ লৈ সৰু ফালটো আক্ৰান্ত জন্তুৰ গাত পৰাকৈ মাৰ মৰা হয়। বলবান হাতত এই কোবত বাঘ, পহু আদিৰ মূৰ ভাঙি যায়, ভালুকৰ হাতোৰা অচল হয়।

চিপ নামৰ সঁজুলি বিধৰ ব্যৱহাৰ এতিয়া থকাৰ কথা আৰু নাই। নতুন ভলুকা বাঁহৰ পুৰঠ আগলি এডাল ভিতৰত ফোপোলা নথকা চাই সাত আঠ হাতমান দীঘলকৈ কাটি আনি ছাঁত শুকাই

লয়। বাঁহডোখৰ এনে হব লাগে যে ববশীৰ চিপ এডাল যেন লেৎকেলেকীয়া হৈ থাকে। সৰু গাঁঠিবোৰ কাটি তেনেই সমান কৰি পেলাৰ নালাগে। ভালবো ভাল মৰাপাটৰ এডাল দীঘল ছোটাৰি জৰী (ছয় গুণ থকা) কাটিব লাগিব এফালে ক্ৰমে সৰু হৈ অহাকৈ। এতিয়া জৰীৰ এই সৰু ফালটো বাঁহডোখৰৰ আগখণ্ডত দুহাতমান এনেকৈ বিশেষভাৱে গুঁথি নিয়ে যাতে হাজাৰ টনা-আজোৰাতো সুলকি নাযায়। আগফালে বাকী থকা জৰীৰ গুৰিডোখৰত তেতিয়া এটা ফাচ লগোৱা টানমৰা গাঁঠি লগায়। এই জৰীডোখৰৰ দৈৰ্ঘ্য ক্ৰমে হব লাগিব যাতে ফাচটো বাঁহৰ আগলৈ উজাই টানি আনিলে সাত হাতমান থাকে। অৰ্থাৎ চিপৰ জৰীৰ সাধাৰণতে দীঘলে ১৪ হাতমানত হব। চিপ বিশেষকৈ ম'হ ধৰাত ব্যৱহাৰ কৰে। পহুৰ মুৰতো কেতিয়াবা ব্যৱহাৰ কৰা হয়। যেতিয়া পহুটো কিবা কাৰণত জীয়াই জীয়াই ধৰাৰ প্ৰয়োজন হয়। চিপ চলোৱা বিশেষজ্ঞই ফাচটো বাঁহডালৰ আগলৈ টানি ডাঙৰ কৰি লৈ এনে হিচাপত জন্তুৰ মুৰলৈ মাৰি দিয়ে যে ফাচটো কোঁচখাই গৈ গৈ ঠিকভাৱে লাগি ধৰে। সেইডাল টানি আনি নাৰৰ গুৰাত পেচ লগাই বান্ধি দিয়া হয়। জন্তুটো আৰু পলাব নোৱাৰে। (গুৰা-নাৰৰ ইটো বাৰৰপৰা সিটো বাৰলৈ লগাই লোৱা সমান্তৰাল কিছুমান চটা কাঠ। ইয়াতেই দুটাকৈ নাৰৰীয়া বহি হাতবৈঠা মাৰে ) অস্ত্ৰৰ সম্ভাৰ সাধাৰণভাৱে ইমানেই। ইয়াৰ উপৰি কচ থাকে। এইবিধ শুং লগোৱা তিনিডাল জোঙৰ সমষ্টি। কুড়া বা নালত লগোৱা থাকে। খাপাৰ নানা ওজনৰ থাকে। দুই এপাতৰ ওজন ইমানো থাকে যাক কোনোমতে তুলি জন্তুৰ গাত লগাই অলপ হেঁচি দিলেই সহজে সোমাই যায়। ডাঙৰ ম'হ মাৰিব লগা হ'লে নতুবা গঁড় মাৰিব লগা হলেহে ইয়াক প্ৰয়োগ কৰা হয়।

চিকাৰৰ অভিযান চাৰি-পাঁচদিন ব্যাপিও হব পাৰে। গতিকে

ভোজনৰ ব্যৱস্থাৰ প্ৰয়োজন। সম্ভাৰ থাকিব মাত্ৰ বুট, মুগ, কল, কুঁহিয়াৰ, কঁঠাল আদি আৰু বোকাচাউলৰ গুৰি আদি। ভাতৰ ব্যৱস্থা অসম্ভৱ। চিৰা আদিও হ'ব নোৱাৰে। তাত চুৰা-ভালৰ লেঠা আছে। চিকাৰ হ'ল বুলিতো আৰু চুৰাই ভালে লেটি-পেটিকৈ খাব নোৱাৰি! সুবিধা হলে দৈ গাখীৰৰ সম্ভাৰো যাব পাৰে লগত। নাভাবিব যে নাৱৰ তেলেঙনিত ই জোলোকা খাই পৰি যাব। এনে খাম বন্ধা দৈ গাখীৰ যে নাও যিমানেই নাচি-বাগি যাওক পাত্ৰৰপৰা একো ওলাই নাযায়। তামোল ধঁপাত অপৰিহাৰ্য, এটা কেৰাহীত জুইৰ ব্যৱস্থা থাকেই। ভাঙো অৱস্থাবিশেষে লগত যাব পাৰে। নিয়মিতমতে যদিও এইবিধ সুৰা অচল, তথাপি তাক ৰাম নামেৰে শুদ্ধি সংস্কাৰ কৰি লোৱা হয়। চিকাৰীৰ লগত খাপ খাই ধৰাকৈ চুটি চোলা একোটা থাকিব পাৰে। গামোচা এখন কিন্তু থাকিবই। গোটেইখিনি সাজ-পাৰ ৰ'দে-বৰষুণে সমানে চলিব। শুকাব গাতে, যদি তিতে। জাপি দুটা থাকিব। তাবে গলেৰ পাটৰ তলত থকা ভোজনৰ বস্তু ঢাকি ৰাখিব লাগে। নহলে ভৰিৰ ধুলা আদি পৰি নষ্ট হব পাৰে।

এতিয়া যাত্ৰা আৰম্ভ। নাৱৰ আগৰ কড়ি কেঁচা এৰাঁ-গাখীৰেদি ধুই, তাৰ আগত কীৰ্তন ঘৰৰ মালা আৰু নিৰ্মালি আদি দি কোনো শুভক্ষণত, সকলো নাৱৰীয়া গোট খাই একেলগে হাত-ভৰি ধুই, হৰিধ্বনি কৰি নাৱত উঠিব কাৰণ 'নাৱৰ বুকে মাৰৰ বুকে সমান' বুলি এটা কথা আছে। তাৰ পিছত নাও মেলি দিব। মালা নিৰ্মালিও দিয়া হয়, বিশেষকৈ ম'হ আদি ধৰিবলৈ যোৱাত। সাধাৰণ চিকাৰত সেইটো নহয়। বাটত দলং আদি থাকিলে ওপৰলৈ পানী ছটিয়াই শুদ্ধ কৰি লোৱা হয়। পিছতহে তলেদি নাও চলাই নিয়া হয়। কাৰণ নানা ৰকমৰ মানুহে ভৰি ধূলি এৰি যায়। গতিকে চিকাৰৰ দৰে পবিত্ৰ কামলৈ ওলোৱা নাও তলেদি যায় কেনেকৈ? বাটত যাতে কোনো দ্বিজ জাতিৰ মানুহ চকুত নপৰে

তাৰকাৰণে সকলো সাৱধান হয়। চিনাকি হলেও তেওঁৰ ফালে কেৰে চাব নোৱাৰে, তলমূৰাকৈ নেদেখা-ভাওজুৰি যাব লাগিব। পানী আনিবলৈ যোৱা তিৰোতা মংগলসূচক। যাত্ৰা আৰম্ভ হলে পাছতে কোনেও মাত দিব নোৱাৰে। দিলে সকলোৱে বিশ্বাস কৰে, যাত্ৰা নিষ্ফল। যদি শিয়াল পণ্ডিতত চকু পৰে বা পানীৰ তলত দুবা দেখে তেন্তে আৰু আগ নাবাঢ়িব ঘূৰিয়ে আহক।

নাৱৰ বস্তু-বেহানি ঠিক হৈছে নে নাই পৰীক্ষা কৰি উঠি পদ লগাই দি হৰিধ্বনিৰে নাও চলাব ধৰিব। নাওখনে প্ৰথমে ইকাটি-সিকাটি কৰিব কাৰণ এই নাও এনেই বাগৰে ; কিন্তু গীতৰ তালে তালে বঠাৰ চাব পৰিব ধৰিলে সুস্থিৰ গতিৰে গহীনহৈ চলে। লগে লগে শংখবাদকে শংখ বজায় আৰু আগুৱালে গলেৰ পাটত গোৰমাৰি গম্ভীৰ শব্দ কৰি নাৱৰীয়াৰ উৎসাহ বঢ়াই দি থাকে। নাৱৰ মাজেদি বা কাষেদি যাওঁতেহে আড়ম্বৰ কৰি নাও মাৰি যায় ; কিন্তু চিকাৰৰ সম্ভাৱনা থকা ঠাই পালেই সকলো গীত-পদ বন্ধ কৰি চিকাৰৰ অধিষ্ঠাতা বাখোৱাল গোসাঁইলৈ উদ্দেশ্য কৰি এটা তামোলপাণ পানীত পেলাই দিয়ে—পাৰিলে বুপৰ বটাৰপৰা, নহলে কলৰ সৰু দোনাৰপৰা। সকলো প্ৰাণীৰে এজন বাখোৱাল আছে, তেৱেঁই সকলোকে চলাই লৈ ফুৰে। তেওঁৰ অনুগ্ৰহতে মানুহৰ ভোগ মিলে, আৰু চিকাৰৰো মৃত্যুযোগ মিলে। তালে মানে আগত পেলাই দিলে হয়।

এতিয়াৰপৰা নাৱৰ গতি সাৱধান হয়। আগুৱাল আৰু গুৰিয়ালে ওখ কড়িৰপৰা দূৰলৈ তীক্ষ্মদৃষ্টি কৰি বঠা মাৰি যায় যদি কিবা চকুত পৰে, তৎক্ষণাত ভৰিৰে নাৱত এটা দোপনি দি, আঙুলিৰে নিৰ্দেশ কৰে। অপূৰ্ব উত্তেজনাৰ ভিতৰেদি নীৰৱে নাও চলিব ধৰে। নাৱৰ বঠা লাগি শব্দ কৰিব নোৱাৰে, আৰু পানীতো বঠাৰ কোবত যেন শব্দ নহয়। এনেকৈ বঠা মৰাক চোৰ-বঠা মৰা বোলে।

এতিয়া নাও আহি সাগৰৰ দৰে ফাহাল[৮] পানীত পৰিছে। নল-খাগৰিৰ আগ তল গৈছে, ওখ তাৰি বা বাৰি ঠাইবিলাকত মাত্র কোনো প্রকাৰৰ হাবি-জংগল সৰু সৰু দ্বীপৰ দৰে দেখি। বাঘ, পহু আগতে ভাগিছে; ম'হ শেষলৈকে আছে; কিন্তু সিহঁতেও তাৰপৰা ওখ ঠাইলৈ যাবলৈ পালসমন্বিতে সাঁতোৰ মেলিছে। ক'লা ক'লা বিন্দুৰ দৰে সিহঁতে চিকাৰীৰ দৃষ্টি পথত পৰি গ'ল। দেখোঁতাজনে নিমাতে যদি দুয়োহাতৰ দহোটা আঙুলি মেলি নিজৰ মেলা মুখৰ দুয়োফালে ধৰে, বুজিব লাগিব ববমুৰা বা বাঘ। হাতৰ আঙুলি মেলি মূৰৰ ওপৰলৈ তুলি ধৰে তেন্তে পহু, আৰু দুয়োবাহু মেলি মূৰৰ ওপৰলৈ তুলি দি চপাই নিয়ে তেন্তে ম'হ। বাঘৰ চিকাৰত এই ইংগিতৰ কেতিয়াবা তাৰতম্য হয়।

এতিয়াও ম'হৰ পালেই চকুত পৰিছে। ধৰিব লাগে। পূর্ণ-বয়সীয়া ম'হ ধৰা অসাধ্য। ধৰিলেও তাৰপৰা কাম নহয়। ভাল চেউৰী ধৰাতেই কথা। টানকৈ বাইচা মাৰি ম'হৰ কাষ চাপিব লাগিব। ম'হেও সেইদৰে সাঁতুৰিব। চিপ মৰা মানুহ সাজু হ'ল। কিন্তু চিপ লগায় কোনটোক? যদি পেৰা হয়? বিফল হব অভিযান। এতিয়া আৰু সাৰ-সুৰ মাৰি থকা নহয়। কোনোৱে কব আগৰটো কোনোৱে কব পাছৰটো—চিপ মৰাজন বিবুধি।

এই অৱস্থাত মৰসাহ কৰি এজনে লাহেকৈ নাৱৰপৰা নামি ম'হৰ ওচৰলৈ ডুব মাৰি অদৃশ্য হব। ম'হে গম নোপোৱাকৈ তেওঁ পানীৰ তলে তলে গৈ পালটোৰ মাজত সোমাব। সিহঁত অত্রাহি হৈ পলোৱাত ব্যস্ত, ভৰিৰ মাজতে যে শত্রুচৰ, এই গম নাপায়, গোন্ধো নাপায়। মানুহজনে উশাহ বন্ধ কৰি অতি বেগাই চান্দি যোৱা অকলশৰীয়া ম'হটো মতা নে চেউৰী হাতেৰে খেপিয়াই অংগবিশেষত অনুভৱ কৰি, হাত উলিয়াই ইংগিত দিব। যদি মতা হয় তেন্তে আন এটা পৰীক্ষা কৰি ইংগিত দিব। এই কর্তব্য

৮। ফাহাল— মুকলি বা বহল

সম্পাদন কৰিহে তেওঁ পালৰ মাজৰপৰা পাছুৱাই আহি নাৰত উঠি উশাহ লৈ অন্যকামৰ বাবে সাজু হ'ব।

এতিয়া চাবৰ সময় নাই। অন্ততঃ দুটা চিপ সাজু কৰি দেখুৱাই দিয়া ম'হজনীৰ গলত পেলাব লাগিব। কোনোমতে যেন ভুল নহয়। এডাল কিবা প্ৰকাৰে ব্যৰ্থ হলেও আন এডাল ফাঁস বান্ধি জয় নিশ্চিত কৰি পেলাব লাগিব। পালৰ ম'হ ভয়ত আগুৱাই যায় সাধাৰণতে ; কিন্তু মাকজনীয়ে নাইবা দলৰ পেৰা-টোৱে ভবিষ্যতে পাক মাৰি আহি নাৰৰ লগত ফুক দিয়ে। তেতিয়া আৰু অন্য কথা নাই হয় খাপাৰৰ হানত ঘাইল হৈ পৰিব নতুবা বৰ খাপাৰৰ আগত প্ৰাণ বিসৰ্জন দিব। পৰাপক্ষত নাৰৰীয়াই প্ৰাণ হানি কৰিব নোখোজে। ধেমালি কৰি খুচি দি খেদি দিবলৈকে চেষ্টা কৰে। কাৰণ সিহঁতৰ বংশ বৃদ্ধিৰ প্ৰয়োজন আছে।

তেতিয়া বন্দিনী ৰাজকুঁৱৰীক ভালকৈ নাৰৰ কাষলৈ চপাই আনি ফাঁসৰে কটকটীয়াকৈ বন্ধা হয়। কিন্তু দুখ পোৱাকৈ নহয়। ইয়াতো যথেষ্ট বিপদ আছে। জৰীডাল ইফালৰপৰা সিফাললৈ নিবৰ কাৰণে এজনে পানীত নামি ডুবিয়াই ডুবিয়াই বৰ সাৱধানে এই কাম কৰে। ম'হজনীয়ে যেন খুব থাউনি পানীলৈ আহিব নোৱাৰে। 'খুব থাউনি' মানে খুৱাৰে মাটি লাগ পোৱা পানীৰ গভীৰতা। এইবোৰ কাম অথাউনি পানীতে হব লাগিব। তাই পূৰ্ণ বয়স নাপালেও এনে শক্তিমতী যে নাওখন তুলি আফালিয়াই এৰে সেইবাবে নাও বুৱাৰ সম্ভাৱনাত আগে-গুৰিয়ে দুজনমান পানীত পৰি থাকে, যাতে নাৰৰ বোজাও পাতলি থাকে আৰু ইফালে ডুবিব খুজিলেও তুলি ধৰি নুডুবাকৈ ৰাখিব পাৰে।

এতিয়া নাৰৰ চিকাৰ অন্ত হ'ল। পহু আদি আগত পৰিলে সাধাৰণভাৱে চাব চেষ্টা কৰি আৰু হয়তো কৃতকাৰ্য হব। কিন্তু বাঘ আদি হলে আগ নাবাঢ়ে। কাৰণ নাৰৰ গতি বিশেষভাৱে

সীমাবদ্ধ হৈ গৈছে। নাও সাপ যোৱাদি নিশব্দে চলিব ধৰে। তেতিয়া সকলো ঘৰ চাপিবৰ কাৰণেই ব্যগ্ৰ হৈ পৰে। ম'হজনীক সেই কষ্টকৰ অৱস্থাত বেছি সময় ৰখাত তাই অনাহকত কষ্ট পায়।

কেতিয়াবা এনেকুৱা হয় যে আপোনাৰ অভিপ্ৰেত চিকাৰ চকুত নপৰিল। কোনো এটা তাৰিত[১] ঘূৰি ঘূৰি চোৱাত কাষত কোনো জন্তু উঠা খোজ দেখিলে : কিন্তু নামি যোৱা খোজ নাই। জানিব, পহু কিম্বা ম'হ বা বাঘ আছে। তেতিয়া সেই তাৰিটোৰ চাৰিওফালে নাও ঘূৰাই খাপ লৈ থাওক। ৰাতি হওঁক বা দিন হ'ক, ৰ'দ হওক বা বৰষুণেই হ'ক। জোনাকত হ'ল যদি ভালেই আন্ধাৰত হলেও কথা নহয়, নাথাকিল কি হ'ল টৰ্চ, চকুতো আছে, কাণটো আছে। কিন্তু একেবাৰে নিঃশব্দে। বনৰ আগৰ পোক-পিপৰা, জংগলৰ জোক, মহ, ডাঁহে জীৱন অতিষ্ঠ কৰি তুলিব। তোলক। হাতেৰে পিহি যি মাৰে মাৰিব। থপৰিয়াই শব্দ কৰিব নোৱাৰে। শিকাৰ-নিকাৰ। আনৰ মাংস খাব খুজিলে নিজৰ মাংস দিব লাগিব। হাঁচি কাঁহ বন্ধ কৰিব লাগিব। যদি কেনেবাকৈ তেনে শব্দ আহিলহে, তেন্তে ফুচফুচীয়া মাতে গালি শুনিবলৈ আপুনি সাজু হওঁক। "সেইটোৰ ভকলা হৈ গৈছে। মৰিব আহে কিয় ?" ভকলা গৰুৰ গলত হোৱা এবিধ কাঁহ ভকৰ-ভকৰকৈ শব্দ উঠে। আপুনি সহি থাকিব লাগিব। এইটো আইন।

পানী যদি বাঢ়ি থাকে ম'হে এক আঠুমানলৈ বাট চাৱ তাতে। পিছত তাতকৈ বাম ভাবিলৈ সাঁতোৰ মাৰিব। সিঁহতে জানে সেই তাৰি ক'ত বা কিমান দূৰত আছে। আপুনিও পাছ লওক শব্দ নকৰাকৈ। ম'হে উদ্দেশ্য কৰা ওখ তাৰিটোৰ কথা আপুনিও জানিব লাগিব। বনৰ ম'হে জানে চিকাৰীয়ে নাজানিলে চলিব কিয় ? যদি সেই ঠাই ওচৰত আছে তেন্তে আন পাকেদি গৈ নাও

১। তাৰি—পানীৰ মাজৰ একোডোখৰ বাম ঠাই

মাৰি ম'হৰ পাল ঘূৰাই আকৌ দ চুলিয়নি পানীলৈ আনিব লাগিব। চুলিয়নি পানীৰ অৰ্থ বনৰ আগ তল গৈ চুলিৰ দৰে ওলাই আছে য'ত, সেই গভীৰতা। ৰাতি যদি এই কথা হয় তেন্তে পুৰালৈ ম'হপাল ঘূৰাই ৰাখিব লাগিব। এনেকৈ ম'হক ভাগৰ লগাব পাৰিলে ধৰাৰ কাৰণে কিছু সহায় হয়। পহু হলে ৰাতিও কোল মাৰি নতুবা চিপ লগাই কাম সমাধা কৰা হয়। বাঘক ৰাতি জোকোৱা সম্পূৰ্ণ নিষেধ।

এটা প্ৰশ্ন হ'ব পাৰে। ইমান লটি ঘটি হৈ দেখা যমৰ মুখত জীৱনটো সমৰ্পণ কৰি যমৰ বাহন বনৰীয়া ম'হ ধৰি কি লাভ? তাতকৈ ভাটীৰ ফালৰ বাঙৰ ম'হ কিনি ললেই ভালচোন। চাৰিৰ-বান্ধিৰও ভাল। বিপদ-বিঘিনিও একো নাই।

ইয়াৰ উত্তৰ কেৰা ফালৰপৰা দিব পাৰি। প্ৰথমে মানুহৰ মনৰ অভিমান। ইয়াতেই আমাৰ আগতে টিঘিল-ঘিলাই, বিৰাট শিং জোকাৰি ফুৰিব, সময়ত খেতি খাই নোদোকা হৈ সুশোভন ৰূপধাৰ আমাক ৰঙা চকু দেখুৱাব, আৰু আমি ভাটীৰ ফালৰ 'ঘেগাবাঙৰ' কিনি আনি চিৰিকচিৰিককৈ গাখীৰ উলিয়াই খাম! এনে হব নোৱাৰে। (ঘেগা মানে নিস্তেজ) গাখীৰ খালে এই দপদপনি মৰাহঁতৰে খাম। ম'হ যদি পোহোৱেই তেন্তে মানুহে ভয় কৰা ম'হহে পুহিম, নহলে গৌৰৱ ক'ত? দ্বিতীয়তে গুৱাল-গৰখীয়াই বাঙৰ ম'হ ভাল নাপায়: সিহঁতৰ কথা ছাগলীৰ পাল চাৰি সুখ নাই। তেজীয়ান ম'হক সাধন লগাই লব নোৱাৰিলে ম'হপাল কি হব? তৃতীয়তে কাচৰ ম'হে বৰ পানীতো ডুবিয়াই খাব, খাই চৰ পাব পাৰে, বেমাৰ-আজাৰত নোভোগে। চতুৰ্থতে ইয়াৰ গাখীৰ-ঘিউ-মাখন আদিৰ তুলনা নাই। গাখীৰ এনে ঘন, মিঠা আৰু সৰযুক্ত যে মুখত লাগিলে পাহৰিব নোৱাৰি। কম কথাত ইয়াক 'কটাৰি কটা' গাখীৰ বোলেনে? লাগিলে ধৰিবলৈ যাওঁতে প্ৰাণৰ সংকটেই হ'ল বা যিয়েই নহ'ল।

তাৰ পিছত ম'হৰ আঁতিগুৰি জনা চৰ্দাৰ লগতে আছে, ম'হধৰাই যেতিয়া যাত্ৰাৰ লক্ষ্য হয়। তেওঁ যথাবিহিত মন্ত্ৰ মাতি বনৰ ক্ষেত্ৰ গুচোৱা আলনীয়া বন্দিনীৰ গলত বান্ধি দিব, গা বন্ধা আলনীয়া-ডালো আতে কোনো প্ৰকাৰ দৈৱিক, আধিদৈৱিক অপায় অমংগলে চুব নোৱাৰে।

তেতিয়া পাঠকে পৰম উল্লাসমনে গীত লগাই দিব কইনা ফুলেশ্বৰীৰ। লগে লগে বাকীবোৰে মৃদু তালে 'জলধৰ গৰ্জিত ঘোষ সুস্বৰ নিন্দিত'' কণ্ঠে গাব ধৰিব—

এহে ফুলে একি !
ফুলে চমৎকাৰ,
কইনা ফুলেশ্বৰী এ—
ফুলৰে কংকণে
বাজু হেম হাৰ।
কংকালতে লবে কইনা
ফুলৰ চন্দ্ৰহাৰ,
কইনা ফুলেশ্বৰী এ—

বাঘ বা ম'হৰ চিকাৰত এই গীত নিশ্চয় গাবই। এনেকৈ নাম দি শংখ বজাই বজাই বনৰ কুঁৱৰীক মানুহৰ মাজলৈ আদৰি অনা হব।

ইয়াৰ পিছৰ কৰ্তব্য হব এই শক্তিমতীক নাৰৰপৰা বান্ধ এৰুৱাই শালত তুলি পোহ মনোৱা। সেইটো এটা মস্কিলৰ কাম। সেইটো এটা বেলেগ কাহিনী। □

# পুৰণি দিনৰ চিকাৰ

আদিম যুগত মানুহে আত্মৰক্ষা আৰু ক্ষুধা নিবৃত্তিৰ বাবে চিকাৰ কৰিব লাগিছিল। প্ৰকৃতিয়ে উপযাচি দিয়া পাত, ফল-মূল ইত্যাদি আৰু মাংসই একমাত্ৰ আহাৰ। সময়ৰ লগে লগে সভ্যতা বিকাশৰ সৈতে এই চিকাৰ হৈ পৰিল ব্যসন। বন্য মানুহে যেতিয়া জাকত জিলিকা জন্তু মাৰে, তেতিয়া স্বাভাৱিকতে আনন্দ-উল্লাসত মতলীয়া হৈছিল। সেই প্ৰবৃত্তিয়েই এতিয়া ব্যসন ৰূপে লৈছে।

এই ব্যসন বা চিকাৰৰ পদ্ধতিবিলাক সংস্থানভেদে, মানুহৰ প্ৰকৃতি আৰু শক্তিভেদে, প্ৰাকৃতিক অৱস্থাভেদে আৰু শিল্প নিপুণতাৰ কাৰণে বেলেগ হৈ পৰে। দৈহিক শক্তিৰ অৱনতি আৰু বুদ্ধি-কৌশলৰ উন্নতিৰ কাৰণে নানা প্ৰকাৰ আগ্নেয়াস্ত্ৰৰ আৱিষ্কাৰ হোৱাৰ লগে লগে চিকাৰৰ ক্ষেত্ৰত বিপদৰ মাত্ৰা কমি আহিল। নিৰ্বিচাৰে জন্তু বধ হবলৈ ধৰিলে, বহু জীৱ-জন্তু পৃথিৱীৰপৰা লুপ্ত হৈ গ'ল। এইটো বাধা দি ৰাখিবৰ কাৰণে বহুতো বিধি-নিষেধ আৰোপ কৰিবলগীয়া হ'ল, অভয়াৰণ্যৰ সৃষ্টি হ'ল। দুৰ্ভাগ্যক্ৰমে সেইবিলাকৰ অসমীয়াত নাম হ'ল, 'মৃগয়া বন,' অৰ্থাৎ যেন সেইবোৰ চিকাৰৰ বাবেহে সংৰক্ষিত ক্ষেত্ৰ। হব লাগিছিল হয়তো মৃগ বনহে। চিকাৰক হত্যাৰ আনন্দৰপৰা বেলেগ কৰিবলৈ এতিয়া চিন্তাশীল লোকসকলে কেমেৰাৰ চিকাৰৰ কথা প্ৰচাৰ কৰিব লাগিছে। অৰ্থাৎ প্ৰাকৃতিক অৱস্থাত বেলেগ বেলেগ জন্তু কেনেকৈ থাকে, শক্তিশালী কেমেৰাৰদ্বাৰা তাৰে ছবি লোৱা ব্যৱস্থা। ইয়তো চিকাৰৰ উদ্দীপনা, বিপদৰ আনন্দ আদি সকলো আছে।

নাই মাত্র জিভাৰ তৃপ্তি আৰু হত্যাৰ আনন্দ। কিন্তু প্ৰকৃতিৰ বৈচিত্ৰ্য উপভোগৰ সুবিধা যথেষ্ট আছে।

বৰপেটা অঞ্চলত পুৰণি কালত চিকাৰ ব্যসনৰ উপৰিও এটা নিত্য নৈমিত্তিক কথাই আছিল বুলিব লাগে। বনে-জংগলে, বিলে-নৈয়ে, পৰ্বতে-ভৈয়ামে ভৰপূৰ এই দেশ চিকাৰৰ স্বৰ্গই আছিল বুলিব লাগে। এই চিকাৰ পানী আৰু থলৰ এই দুই ভাগত ভগাব পাৰি। অসমৰ সাহসী আৰু কষ্ট সহিষ্ণু চিকাৰীবিলাকে সেই বুলি মাছ-কাছ মৰাক চিকাৰৰ ভিতৰত গণ্য নকৰিছিল। বিদেশী-সকলে কিন্তু বৰশীৰে মাছ ধৰাকো চিকাৰেই বোলে। আমাৰ চিকাৰ আছিল পহুমৰা, গঁড়মৰা—খাদ্যৰ কাৰণে; বাঘমৰা বিচিত্ৰতা আৰু আত্মৰক্ষাৰ কাৰণে; ম'হ চিকাৰ আছিল ম'হ ধৰি পোহনীয়া কৰি গাখীৰৰ যোগান ধৰিবলৈ। অৱশ্যে সেই কাৰ্যত কেতিয়াবা পেৰা বা পেৰী ম'হে মাৰাত্মক বাধা দিলে খাপাৰেদি হানি মাৰি পেলোৱাও হৈছিল। কাৰণ তেতিয়াও বন্দুকৰ ব্যৱহাৰ চিকাৰত হোৱা নাই। ইয়াৰ ব্যৱহাৰ আধুনিক কালত হোৱাই বুলিব লাগে। আৰু সিও এক বা দুই নলী খাজি মৰা বন্দুকহে। বৃটিছ অধিকাৰ গজগজীয়া হোৱাৰ পিছতহে জমিদাৰ আদি ধনী শ্ৰেণীয়ে 'ৰাইফল' ব্যৱহাৰ কৰিবলৈ পাইছিল। মাছ-কাছ আদি মৰা চিকাৰক তেওঁলোকে বুলিছিল মাছ মৰা, বন্তি পুৰা, কাছ বা দুৰা হানা। চৰাইৰ চিকাৰৰ ক্ষেত্ৰ সংকীৰ্ণ আছিল। তাত ফান্দপাতি হাঁহ ধৰা, দৰিক ধৰা, ধেনু-কাঁড়েৰে মৈৰা চিকাৰ কৰা, নাৰেৰে কৈৰা খেদা ইত্যাদি কামক সাধাৰণ বুলিয়েই গণ্য কৰা হৈছিল। কাৰণ তাত পুৰুষালি কম আৰু বিপদ-বিঘিনিৰ কথা নাছিলেই প্ৰায়।

পহুৰ চিকাৰ আছিল অতি জনপ্ৰিয়, কাৰণ তাত বিপদৰ শংকা কম অথচ উত্তেজনা বেছি। জিভাৰ তৃপ্তিৰ বাহিৰেও শিং আৰু ছাল স্মৃতিচিন হিচাপে নয়নানন্দদায়ক। এটা প্ৰবচনেই আছে "পহু দেখিলেই আগবাঢ়ে, বাঘ দেখিলে পাছ পৰে।" দল বা নল

হৰিণা একোটাৰ শিঙত ওঠৰটালৈকে আখনা আছিল। আখনা মানে শিঙৰ শাখা-প্ৰশাখা। সম্প্ৰতি ই নিৰ্বংশই হৈছে বুলিব পাৰি। কাজিৰঙাত এটা মাত্ৰ জাক দেখা মনত পৰে।

বন্দুকৰ আমদানিৰ আগতে নাৰেৰে বা বামেৰেহে চিকাৰ কৰা হৈছিল। মাটিৰে হলে—খৰালি কালতে জাল চিকাৰ, ডাল চিকাৰ, ধনু পাতা। পানীৰে হলে বাৰিষা নাৰেৰে। এইবিলাক চিকাৰ ৰাজহুৱা নহলে অসম্ভৱ। পঘা একোডালৰ সমান ডাঙৰ মৰাপাটৰ জৰীৰে ২০।২৫ হাতলৈকে দীঘল আৰু চাৰি হাতমান পুতল একোখন একোখন জাল, পাহবোৰ আঠ ইঞ্চি মানলৈ বহল। খেতিৰ কাষত বা আন ঠাইত পহু থকা গম পালে সেই হাবিত সন্তৰ্পণে জাল পতা হয়। তাৰ আগতে অভিজ্ঞ চিকাৰীয়ে খোজ চাই কেতিয়া পহুৰে চলা-ফিৰা কৰিছে, কোনফালে গৈছে, ক'লৈ আহিছে সকলো কথাৰ গম লয়। খাৰ গাঠিৰ সমান পানীৰ তলত হলে খোজ পৰীক্ষা কৰি এই কথাৰ বুজ লয়। জালখনত দুইমূৰে দুটা খুটি নাম মাত্ৰকৈ পুতি তাৰপৰা দুডাল জৰী টানি নি মাটিত টানকৈ লাগি থকা খুটি দুটাত বান্ধি দিয়া হয়। তলফালটো মাটিত লগ লগাকৈ থাকে। জালখন দীঘলে দীঘলেহে টানি দিয়া হয়। জালৰ দুইমূৰে দুই-চাৰিজন সাৱধানী লোকে খাপাৰ লৈ সাজু হৈ থাকে। তাৰ পিছত কেবাজনো মানুহে শাৰী পাতি সশস্ত্ৰ বা নিৰস্ত্ৰ হৈ জালৰ ফালে পিঠি দি জালৰ মুখৰপৰা পাতলকৈ হেঃ! হেঃ ! আদি শব্দ কৰি আগুৱাই যাব ধৰে। অজলা পহু। সি যদি আগে আগে লৰ মাৰে তেন্তে তাক কোনে পায়! কিন্তু সি আহে উচপ খাই ওলোটা মুখে অৰ্থাৎ জাল আৰু মানুহৰ মুখলৈ চেকুৰ মাৰি। আহিয়েই পোনে পোনে লাগি যায় জালত। লগে লগে জালৰ মূৰত থকাকেইজনে জালৰ জৰীৰ দুয়োমূৰ এৰি দিয়ে। পহুৰ লৰৰ বেগত সেইখনে মেৰিয়াই ধৰে। তেতিয়া খাপাৰেদি হানি ধৰি আৰু

ফৈলেঠি টাঙোনেদি কাৰ্য শেষ কৰা হয়। সাধাৰণতে পহু আহি জালত পৰেই, তাৰ কাৰণে প্ৰশংসা পায় জালৰ মূৰৰ মন্ত্ৰসিদ্ধ বুলি খ্যাত ওজাজনে। তেওঁহে মন্ত্ৰ মাৰি পহুক জালৰ মুখে টানি আনে। যদিস্যাৎ পহু ফাইল কাটি জাল এৰি গুচি যায়, তেন্তে হয় ওজাৰ বদনাম নাইবা কোনোবাই কুমন্ত্ৰ কৰাৰ সন্দেহ।

পহুক এনেয়ে খেদক, সি আপোনাক নেজডালেৰে বুঢ়া আঙুলি দেখুৱাই পৱন সঞ্চাৰে গুচি যাব। বায়ু বজাৰ বাহন! কিন্তু জালৰ ক্ষেত্ৰত বিপৰীত, সি মানুহৰ মুখেহে খেদি আহিব। কিয়? জন্তুৰ প্ৰকৃতিবিদসকলে কি কয় কওক! চিকাৰীসকলে কয়, তাৰ পূৰ্বৰ শাপ। শহা, বৰা আদিৰ ক্ষেত্ৰতো অবিকল একেই ব্যৱস্থা আৰু একেই ফল। কিন্তু বাঘৰ ক্ষেত্ৰত নহয়।

এইবাৰৰ জাল দীঘল হলেই ভাল। লাগিলে দুই-তিনিখন জোৰা লগাই লওক। জাল পতা হৈ গলে চাক দিয়া অৰ্থাৎ আগুৰা কাৰ্য আৰম্ভ কৰক। এইবাৰ খেদিব লাগিব দূৰৰপৰা বৃত্তাকাৰে জালৰ পিনলৈ, জালৰ আগত কোনো বাধা থাকিব নোৱাৰে, বাঘখেদা সকলে দা, টাঙোন ললেই হ'ল। বাঘে খেদি আহি নাখায়, অন্ততঃ মই তেনে কৰা শুনা নাই। বাঘ যদি ঠিকমতে আগুৰা হয়, সি লাহে লাহে জালৰ পিনেই আগুৱাই থাকিব। মানুহ ফালি নাযায়। ওচৰত গছ থাকিলে তাৰপৰা চোৰাংচোৱাই হাবিৰ চালি চাই বাঘৰ গতি নিৰ্দেশ কৰি থাকিব। যেনে 'পূবে গৈছে', 'পশ্চিমে গৈছে' ইত্যাদি আৰু সেই অনুসৰি চাক দিয়া মানুহ সাৱধান হয়। বৃত্ত সৰু হৈ যোৱাৰ লগে লগে উত্তেজনা বাঢ়ি আহিব। শেষত বাঘে জালখন দেখাৰ লগে লগেই বিজুলিসঞ্চাৰে এটা জাঁপ মাৰি সেই-খনত থাপ মাৰি ধৰিব আৰু 'কোনে বোলে ক'ক যায়!' জাল উফৰি বনৰজাক হেঁচি ধৰিব, তেওঁ যিমানে লুটি বাগৰ দি উঠিবৰ চেষ্টা কৰে সিমানে সেই আপদীয়াখনে বেছিকৈ জপটিয়াইহে ধৰিব। জাল ৰখীয়াহঁতে তৎক্ষণাৎ চোকা খাপাৰেদি হেঁচি বনৰ সৌন্দৰ্যক মৃত্যু

শয্যাত শুৱাই দিব। ইচ্ছা কৰিলে বাঘে জালখনৰ ওপৰেদি জঁপিয়াই অনায়াসে পাৰ হৈ যাব পাৰে, কিন্তু সেই অপকৰ্ম তেওঁ কেতিয়াও নকৰে কিয়? সেই একে উত্তৰ, পূৰ্বৰ শাপ। পিছে এদিন পাইছোঁ, এটা নাহৰ ফুটুকী বাঘে জালখন দাঁতি তলেদি সৰকি গৈছে। মানুহৰ গাত লাগিব বুলি গুলী মৰা নহ'ল, জালৰ মুৰত থকা মানুহে হানেইবা কি সাহেবে? বাঘটো জালত পৰা নাই, ওচৰ চাপিলে খাই মাৰিব। বাঘ গলেই। কিয় গ'ল? কুমন্ত্ৰ নহলে এনে নোহোৱা নোপোজা কথা হব পাৰে নেকি?

ঠাই সুবিধাজনক হলে, জালৰ সংখ্যা বেছি হলে, বিশেষকৈ ঢেকীয়াপতীয়াৰ ক্ষেত্ৰত বেঢ়াজালৰ ব্যৱস্থা হয়। বহু ঠাই আগুৰি জাল দিয়া হয়। প্ৰথমে ইখন জালৰপৰা সিখন জাললৈ মানুহেই শাৰীপাতি লৈ ক্ৰমে জালৰ বেৰ চপাই চপাই আনি পিছলৈ জালৰ মুৰে মুৰে লগলগাই দিয়া হয়। বাঘ তেতিয়া আনুষ্ঠানিকভাৱে জালত পৰি গৈছে, কাৰণ গছত উঠি চকু দিয়া সকলে তেওঁক নজৰ কৰি আছে। ঘোৰ জালি দিয়া ঠাইডোখৰত অৰ্থাৎ জালৰ বৃত্তৰ ভিতৰত মাজে মাজে মুকলি থাকিলে বাঘ চোৰা মানুহৰ ধাৰ ধৰে। বাহিৰত ঢেকি দি অৰ্থাৎ নাদৰ পানী তোলাত ব্যৱহাৰ কৰা ঢেকিৰ দৰে ভলুকা বাঁহ বান্ধি আগত এটা ধামা (টিন) ঘণ্টাৰ দৰে বাঘ সোমাই থকা জোপোহাবিলাকৰ ওপৰেদি চোঁচোৰাই ঘটং ঘটং লগাই দিয়া হয়। বাঘ মহাশয় অগত্যা ওলাই আহে অভদ্ৰতাত ক্ষিপ্ত হৈ। তেতিয়া মানুহে চায়। এই অৱস্থাত জাল আৰু আলতীয়া কৰি ৰখা নহয়। খুটি টানকৈ পুতি লগোৱা থাকে। ইফালে চাৰি-ওফালে সশস্ত্ৰ চিকাৰী থাকেই। এখন ওখ চাং কৰি কিঞ্চিৎ দক্ষিণলৈ দৰ্শকক বাঘৰ সম্পূৰ্ণ মূৰ্তিটো দেখুৱা হয়। পিছে এই ব্যৱস্থা বাঘ নেদেখা দিনত হৈছে। আগেয়ে বাঘ বন্দী হোৱাৰ লগে লগে হানি মাৰি পেলোৱা হৈছিল।

মাটিৰ চিকাৰ আৰু এবিধ আছিল, ডালাঘাটা বা ডালা চিকাৰ।

ই আন্ধাৰ ৰাতিৰ কৰ্ম। ইয়াৰ প্ৰধান সঁজুলি ডালাখন, অৰ্থাৎ বাঁহেৰে সজা এখন দোনৰ আকৃতিৰ ঘোৰখোৱা ডলা, মাজত জাপিৰ দৰে এটা খোল। এই খোলটোত মাটিৰ টেকেলি এটা বদনাৰ নিচিনা নলা এটাৰে সৈতে বন্ধা থাকে। তাত মিঠাতেল ভৰাই নলটোৰে ডাঙৰ সীহা এডাল লগাই, ডালাখনৰ খোলটোৰ ভিতৰত নলটো আগলৈ কৰি জ্বলাই দিয়া হয়। এই কামৰ প্ৰধান পুৰুষ দুজন, তেওঁলোক ওজা। মন্ত্ৰসিদ্ধ পুৰুষ। প্ৰথমজনে ডলাখন একহাতেৰে আগমুৱাকৈ মুখৰ আগত ধৰি, আন হাতেৰে এটা ঘণ্টা লয়, তেওঁৰ পাছতে দ্বিতীয় এজনে বলিকটা ধৰণত দীঘল দা এখন লয়। লগত কেইজনমান পালি-পহৰীয়া ওলায়। চিকাৰৰ ঠাই পোৱাৰ লগে লগে প্ৰথমজনে বিবিধ ভংগীৰে হালি জালি নাচি নাচি, তালে তালে ঘণ্টা বজাই আগবাঢ়িবলৈ ধৰে। ফলত ভৰিৰ শব্দ জন্তুৰ কাণত নপৰে অথচ ঘণ্টাৰ নিৰবচ্ছিন্ন শব্দত ভোল গৈ বন্তিৰ ফালে অবাকহৈ চাই ৰয়। ডলাখনৰ আঁৰে আঁৰে যে আন্ধাৰত শত্ৰুদল গৈছে কবই নোৱাৰে। ঘণ্টাৰ বিবিধ তাল আছে তাৰে প্ৰথমজনে সংগীহঁতক, জন্তু দেখাৰপৰা কেতিয়া কেনেকৈ চলিব লাগে সংকেত দি থাকে। বাঘৰ ভয়েই বেছি। সি পালে লগেই নেৰে, তাৰ কঁকালত দাৰ ঘাপ মাৰে কোন ওজাই? পহুত ভয় নাই। পিছত বিস্ময় বিমুগ্ধ চিকাৰে ডলাৰ ওচৰলৈ আগুৱাই, আহিব ধৰে, ওজাও গৈ থাকে। শেষত চৰম মুহূৰ্ত। ওজাই ডলা লাহে লাহে ঘুৰাই পহুৰ গাত আন্ধাৰ পেলাই দিয়ে। বেচেৰা তেতিয়া বন্তিৰপৰা ৪।৫ হাত দূৰত। সেই পৰম ক্ষণত ঘণ্টাৰ এক ইংগিতত দা ধৰাই পানীকঁকলিৰ (কঁকালৰ) ওপৰ ভাগত পূৰ্ণ-হতীয়া ঘাপ বহুৱায়। পহুৰে জাঁপ মাৰে, লগে লগে নাড়ী-ভুৰু ওলাই যায় নাইবা বাজহাড়ডাল ছিঙি যায়। চিকাৰ শেষ হয়। জন্তু ইমান ভোল যায় কিয়? উত্তৰত ওজাই কয়, "জন্তুৱে ভাবে, কৈলাশৰ মহাদেৱ-পাৰ্বতী আহিছে। তেওঁতো পশুপতি। মন্ত্ৰৰেই

বল।'' কেতিয়াবা পহু ইমানো ভোল যায় যে সেইটো কি ভালকৈ চাবব কাৰণে শেষত আঠুকাঢ়ি দিয়ে। তাবউপৰি হাবি-জংগল অঘৈয়া হুলত কাবো একো ক্ষতি নহয়, ওজাব মন্ত্রব গুণত নহয় যদি কি ?

আব এবিধ আছে ধনুব চিকাব। ই বিশেষভাৱে বাঘব ক্ষেত্রত। পুবঠ ভলুকা বাঁহৰ এখনি বলিষ্ঠ ধনু এপাত চোকা বিহ লগোৱা কাঁড় আবু তিনিডাল দীঘল জবী। এয়েই সম্বল। তীক্ষ্ণ পর্যবেক্ষক চিকাৰীয়ে নজৰ কৰিব, হাবিবপবা কোনটো বাটেবে বাঘ ওলাই গাঁৱলৈ আহে। এই বাটটোক চিকাৰীৰ পৰিভাষাত 'দেৰ', ম'হৰ ক্ষেত্রত 'থুৰ', হাতীৰ 'দণ্ডী', সাপৰ 'পটি' বুলি কয়। এই চিকাৰীও মন্ত্রসিদ্ধ। য'ত ধনু পাতিব তাবপবা কিছু দূবত যিফালৰপৰা মানুহ-গৰু অহাৰ সম্ভাৱনা সেইফালে পথালিয়ে পথালিয়ে এডাল মিহি জৰী টানি ৰাখে, মানুহৰ বুকু সমান ওখকৈ। মানুহ গলে তেওঁৰ বুকুত জৰীডালে বাধা দিব। সমুখত ধনু আছে বুলি জানি তেওঁ ঘূৰি আহিব লাগিব। তাব কিছু আগতে আৰু এডাল চাপৰকৈ বন্ধা জৰী থাকিব। গৰু, ম'হ গলে গলত লাগি সেই বাটে যোৱাত বাধা দিব। এই দুডাল ধর্মৰ জৰী। ইয়াক নামানি গৈ থাকিলে মৰিবৰ ভয়। তাৰ কাৰণে চিকাৰীৰ পাপ নহব। শেষত থাকিব এডাল অতি মিহি জৰী বাঘ যিফালৰ পৰা আহে সেইফালে, সিও দেখা-নেদেখাকৈ। ইয়াৰ নাম যমজৰী। ইয়াৰ দুহাতমান আগতে ৩০।৪০ ডিগ্রী ওখকৈ আগটো তুলি বিষাক্ত কাঁড় লগাই ধনুখন ভিৰাই টানি 'দেৰ'ৰ মুখত পতা থাকিব আৰু বিশেষ কৌশল খটুৱাই যমজৰীৰ লগত সংযোগ কৰি ধনুখন এনেকৈ 'ফিট' কৰি ৰখা হব যাতে যমজৰীত হেঁচা পৰিলেই কাঁড়-পাত সম্মুখৰ ফালে ছুটি নির্ঘাত বাঘৰ বুকুত লাগিব। বাঘৰ খোজৰ পৰিমাণ চাই সি কিমান ওখ চিকাৰীয়ে কব পাৰে। এই কূট-কৌশলবিলাক বনৰ আগেদি ঢাকি অদৃশ্যভাৱে যিমান সম্ভৱ ৰখা

হয়। কাঁড়ে বিন্ধি বাঘক বগৰাব নালাগে। আঁচোৰ লাগি তেজ ওলালেই হ'ল। বিহৰ প্ৰভাৱত অলপ দূৰতে মৰি পৰি থাকিব।

এই বিহ এটা সাধাৰণ বস্তু। কাঁড়পাত এডাল গছত তিনিদিন মান ফুটাই থলেই সি মাৰাত্মক হৈ উঠা বুলি কয়। গছৰ নাম মই জানো, কিন্তু ওজাৰ আগত শপত খাইছোঁ, নকওঁ।

গঁড়ৰ সংখ্যা প্ৰচুৰ থকা দিনত পবিত্ৰ মাংস বুলি তাকো নিৰ্বিচাৰে বধ কৰা হৈছিল। ইয়াৰ এটা স্বভাৱ আছে; ই একে ঠাইতে কিছুদিন ধৰি শৌচ কৰে, গোবৰ দ'মহৈ টিকাত লগালৈকে। সেইদেখি সদায় অহা-যোৱা কৰোঁতে এটা বাট হৈ পৰে। চিকাৰীয়ে সেই বাটত কম পৰিধিৰ এটা দ গাঁত খানি ওপৰত নল-খাগৰি পাতি ঘাঁহ-বনেৰে ঢাকি থয়। অসন্দিগ্ধ গঁড় আহি আহি হঠাতে সেই খালত পৰি যায়, উঠিব নোৱাৰে। তেতিয়া চিকাৰীয়ে আহি ডেৰহাত দুইহাত জোং থকা দুৰ্জয় খাপাৰেদি হানি মাৰি পেলায়।

বাৰিষা নতুন ধল অহাৰ লগে লগে পানীৰ চিকাৰৰ উন্মাদনাই দেখা দিয়ে। চিকাৰী নাৱেৰে অঠাউনি পানীত বাম তাৰিৰ আশ্ৰয় বিচাৰি যোৱা পহুক খেদি মাৰি বা চিপ লগাই ধৰি জন্তু মৰা বৰ ৰঙৰ চিকাৰ। খেদাত ৰ'ব নোৱাৰি অসহায় হৰিণে কেতিয়াবা চিকাৰী নাৱৰ বাৰত গল পাতিও জিৰাবৰ চেষ্টা কৰে, কিন্তু নিৰ্দয় চিকাৰীয়ে তেতিয়াই 'অকৰ্ণিশিৰাত' অৰ্থাৎ দুই শিঙৰ মাজৰ সন্ধিস্থানত ফৈলেঠি টোকোনেৰে মাৰ মাৰি, খাপাৰেদি হানি পানীত জুবুৰিয়াই ধৰি তাৰ অনন্ত বিশ্ৰামৰ দিহা কৰে। কেতিয়াবা অৱশ্যে নাৱত ঠাই থাকিলে বান্ধি জীয়াই জীয়াই তুলিও আনে।

বাঘৰ বেলিকা সুসজ্জিত নাৱত বহু পৰিমাণে ঔ নাইবা হিদালৰ ঠানিৰ ফমুটি আৰু মৰাপাটৰ মুঠি লগত নিয়ে। তাৰিৰ-পৰা বাঘ মহাশয় ওলাই আহি যুদ্ধ দিব নোখোজে। কিন্তু কৌশলী চিকাৰীয়ে তাৰিৰ চাৰিওফালে নাও ঘূৰাই ধাৰাসাৰে ঔ দলিয়াই, ফমুটি মাৰি আৰু নানাৰকম অভদ্ৰ শব্দ কৰি ৰজাৰ খং

তুলি দিয়ে। পৰাপক্ষত তেওঁ পথালি চকুৰাৰ আগলৈ আহিব ভাল নাপায় বা লাজো কৰে। তেওঁ গোৰ-গোৰাব ধৰে। তেতিয়া নাৱখনব আধামানৰ মানুহ খালী কৰি পাছুৱাই আহি অতি হুঁচিয়াৰ হৈ কিছুমানে লগি মাৰি, নাৱখন বেগাই বামত তুলি দিয়ে। তুলিহে দিয়ে, কিন্তু কেইজনমানে ওলোটা খোঁচা ধৰি সাজু হৈ থাকে তৎক্ষণাৎ নাও পাছুৱাই আনিবলৈ। এনেখন উৎপাত কৰি থকাত হঠাতে এবাব বজাই খণ্ডত অধৈৰ্য হৈ খেৰব গাইনা অহাদি আহি নাওৰ কঁড়ত কামোব মাৰি ধৰে। তেতিয়া ওলোটা খোঁছা ধৰি থকা সকলে নাও দ পানীলৈ পাছুৱাই আনিব আৰু লগে লগে ফৈলেঠি টোকোনেৰে দুঃসাহসী বীৰ এজনে বাঘৰ মূৰত বজ্ৰ মুঠিৰে শোধাব মাৰ। বাঘব মূৰ কোমল, একে মাৰতে নাকেদি তেজ মিহলি ঘিউ ওলাই যায়। তেতিয়া আৰু বজাক নাৱৰ টিঙত উবুৰি কৰি পেলাই কইনা ফুলেশ্বৰীব গীত লগাই দিয়ে। কোৰামতে যদি সকলো হলেতো ভালেই, নহলে বাঘ হয় আকৌ তাৰিত উঠিব নতুবা বিজুলী সঞ্চাৰে নাৱলৈ খেদি আহি দ পানীত পৰি যাব। তেতিয়া এজনে মৰাপাটৰ মুঠিটো বাঘৰ মুখলৈ দলি মাৰি দিব। মূৰ্খ বন বজাই ভাবে এইটোৱেই পহিলা নম্বৰ শত্ৰু আৰু তৎক্ষণাৎ থাপ মাৰি খামোচ মাৰি পেলাব সেইটো। তেতিয়া এক মজাৰ দৃশ্য। মৰাপাটৰ আটিটো নখত জটপটকৈ লাগি ধৰি বপুৰাক সাঁতোৰাত বিষম বাধা দিব ধৰে। তেতিয়া আৰু দুই-এটা মৰাপাটৰ মুঠি প্ৰয়োজন বোধে আগত পেলাই দি বাঘৰ নাকে মুখে ঢোকে ঢোকে অপৰ্যাপ্ত পানী খোৱাব সহজ ব্যৱস্থা কৰি চিকাৰীয়ে নাও ঘূৰাই বাঘ আৰু তাৰিব মাজত সাৱধানে পাতি লয়, যাতে সি খুব থাউনি পানীলৈ আগুৱাব নোৱাৰে। বাঘে ক্ৰমে অথাউনিলৈ আগুৱাব লগাত পৰে আৰু শেষত পানী খাই লবেজান হ'লে, খাপাৰেদি হানি বজাৰ আতমাক পাতাল পুৰীলৈ পঠাই ভেলটো তুলি অনা হয়।

এই কাৰ্যত এটা বিশেষ সাৱধান হ'ব লাগে, যাতে বাঘে নাৱৰ বাৰত ধৰিব নোৱাৰে। ধৰিলে কাণচুচা দি কাক কি কৰে ঠিক নাই। কাণচুচা মানে নাৱৰ এটা বাৰেদি হাত দুখনেদি ঋগাই গৈ ঢুকি পোৱাবোৰক টানি অনা, সেইটো সম্ভাৱনা দেখিলে আম সবাদি চিকাৰীবোৰ বিপৰীত ফালে পানীত পৰি যায়। কেতিয়াবা নাও বুৰিও যায়। প্ৰলয়কাণ্ড নহয়নো কি!

এইবোৰ চিকাৰ এতিয়া অচল হৈ গৈছে,—চিকাৰৰ ক্ষেত্ৰলৈ বন্দুক, হাতী, মটৰ, টৰ্চ, চাং আদিৰ আমদানি হোৱাৰ লগে লগে। চিকাৰো নাইকিয়া হ'ল, হাবিও চাফা হ'ল। মানুহো বিলাসী হ'ল। চিকাৰ বুলি যি আছে অলপ, সিও ফৰেষ্টাৰৰ অনুমতি লৈ, বহু বাধা-বিঘিনি, নিয়ম-কাৰণৰ ভিতৰেদি। শ-তাক সাধাৰণে ঢুকি নাপায়। আৰু এবিধ আছে অৰণ্যে, চোৰাং চিকাৰ। তাৰ কথা নোকোৱাই ভাল। বৰ্তমান দিনত বাঘ সংৰক্ষিত জন্তু। তাক মাৰি পেলোৱাতকৈ বনৰ সৌন্দৰ্য ৰক্ষা কৰাহে উচিত। বাঘ ৰজাই দুই-চাৰিটা মানুহ বা গৰু-ম'হ খায় যদিও কথা নাই। ৰজাইতো লঘোনে থাকিব নোৱাৰে। □

# মাছৰ শিকাৰ ঃ 'বন্তিপুৰা'

মাছ মৰাটো আগেয়ে শিকাৰ বুলি গণ্য নহৈছিল। কিয় নহৈছিল কোৱা অনুমান সাপেক্ষ। হব পাৰে শিকাৰব দৰে জন্তুৰ ফালৰপৰা শিকাৰীৰ বিপদৰ ভয় সাধাৰণতঃ নাথাকে, মাছ অতি সহজ প্ৰাপ্য বস্তু, নহলে এই কথা কেনেকৈ হলহেঁতেন যে 'মাছ মৰীয়াই জুতি কৰি খায়, চৰাই মৰীয়াই সুদাভাত খায়।' মাছতকৈ মাংসৰ খাদ্য হিচাপে মৰ্যাদা বেছি ইত্যাদি নানা কাৰণ থাকিব পাৰে। কিন্তু চাহাববিলাকৰ চকুত কিন্তু সেইটো নহয়। মাছ মৰাও তেওঁলোকৰ এটা বৰ আনন্দদায়ক শিকাৰ। তাৰকাৰণে তেওঁলোকৰ মূল্যবান চামুচ লগোৱা বৰশী বহু কৌশল খটাই কৰা, ভিতৰত তীখাৰ তাঁৰ সুমুৱাই দিয়া চিপ, যাক আমাৰ দৰে ওপৰলৈ চিটিকা মাৰি তুলিব নালাগে, টানতো টান পেচ দিয়া সুতা লগাই চকাৰে টানিব লাগে। সেই বৰশীৰে আমাৰ কাছ মৰাৰ দৰে এবাৰ টানি এবাৰ ঢিলাই দি নানা কৌশলেৰে মাছৰ ভাগৰ লগাই কাষ চপাই টানি তোলা হয়। এইবোৰ মাছ শিকাৰ অৱশ্যে হয় শিলনিৰ ওপৰে বাগৰি কোবাল পৰ্বতীয়া নদীত, যেনে মানাহ, বেঁকী, ভৰলী ইত্যাদিৰ ওপৰ ভাগত। এইবোৰ শিকাৰক অৱশ্যে sports বা ব্যসন নুবুলি নোৱাৰি। চাহাব লোকে ইয়াৰ কাৰণে যিমান ধন খৰচ কৰে, আনন্দ লাভ কৰে আমাৰ বহুকষ্টে পহুমাৰি ভোজ খোৱা তাৰ সমতুল্য নহয়। তেওঁলোকে শিকাৰ কৰে সাধাৰণতে বৰ আনন্দৰ পৰিবেশত, খৰচক গণ্যই নকৰে। মাৰিব হয়তো কিছুমান জঙাতাৰা নাইবা ভুলুৰৌ। এইবোৰ সম্পূৰ্ণৰূপে পৰ্বতীয়া মাছ কিন্তু বৰ সোৱাদ। ভৈয়ামৰ নদীলৈ বৰ কমেই

আহে। তেওঁলোকৰ শিকাৰ অৱশ্যে জীয়া জাতৰ শিকাৰ। আনন্দজনক কৰি যেনেকৈ চিত্ত বিনোদন কৰে, অতি বিপদজনক-ভাৱে খোজ কাঢ়ি বনৰীয়া ম'হ, বাঘ, নাইবা হাতীও মাৰে সময়ত তেনেকৈ।

যিহক মাছ মৰাত আনন্দ নাই বুলি ক'ব নোৱাৰি। কথা হ'ল যেতিয়া মাছ, পহু, পখী আদি অশ্লাৰতী আছিল তেতিয়া ই সাধাৰণ শ্ৰেণীৰ আছিল আৰু কবলৈ গলে প্ৰাণী হিচাপে মাছ নিম্নখাপৰেই। কিন্তু কালৰ গতিত এতিয়া মাছমৰাটো শিকাৰৰ শ্ৰেণীত নধৰি উপায় নাই। মাছ মৰাত আনন্দ আছে সঁচা, কিন্তু এটা অভিনৱ প্ৰণালীৰে মাছ শিকাৰ সঁচাকৈ বৰ আনন্দদায়ক হৈ উঠিছে, বিশেষকৈ বৰপেটাৰ ওচৰে পাজৰে। ইয়াৰ নাম 'বন্তিপুৰা'। এই শব্দটোৰ অৰ্থটো অলপ পাকলগা। বন্তি মানেতো চাকি, সাধাৰণ অৰ্থত আমি কওঁ বন্তি জ্বলোৱাহে। আমি তেল পুৰো বা শীহা ডাল পুৰোঁ। হব পাৰে পূৰ্বকালত কোনোবাই এই প্ৰক্ৰিয়াটোক বন্তিপুৰা বুলিলে আৰু সেয়ে বৈ গ'ল। আচৰিত কথা ইংৰাজীতো এটা অৰ্থ প্ৰয়োগৰ কথা আছে To burn the waters আৰু তাতো এনেকৈ বন্তি জ্বলাই ডাঙৰ মাছ মাৰে। ইও এক প্ৰকাৰ জঙাতাৰা জাতীয়ই মাছ। আমাৰ অৱশ্যে ইয়াৰ অতি প্ৰাচীন বাপ জোৰ কটা। অৰ্থাৎ খাগৰিৰ এমুঠা জ্বলাই এক গাঠিমান পানীত দাৰে গৰৈ মাছ কাটিবলৈ খোজ কাঢ়ি ফুৰা। তাৰ পিছৰ কালত বন্তিপুৰাৰ প্ৰণালী আছিল বৰ লেতেৰা। শাল নাও এখনৰ আগৰ কাঢ়ি আগ ডোখৰত এসোপা নিকা মাটি থপথপীয়াকৈ লগাই দিয়ক। তাত এটা মাটিৰ টেকেলি বহুৱাই দিয়ক; টেকেলিৰ পেটটো ফুটাই এটা ডাঙৰ আঙুলিৰমান শলিতা বা শীহা লগাই দি ভিতৰত যথেষ্ট পৰিমাণে ৰঙা কেৰাচিন তেল ঢালি দিয়ক, যাতে শীহা ডালে যথেষ্ট পৰিমাণে তেলৰ যোগান পায়। সুবিধাৰ কাৰণে

কেটলিৰ দৰে নলা লগোৱা টেকেলিত কৰি লোৱা হৈছিল। এতিয়া টেকেলিৰ ওপৰত এটা মাটিৰ চৰু উবুৰিয়াই লগাই দিয়ক। কথাতো গম পাইছেই! টেকেলিৰ শীহাত জুই দিলে পোহৰ হব কিছু, ওপৰৰ চৰুটোৱে সেই পোহৰ তললৈ কৰিব তলৰ পানীখিনি পোহৰ কৰিব। কিন্তু ময়লা কেৰোচিনৰ ধোঁৱাই ওপৰৰ পিনে যি কৰিবৰ কৰিব আৰু। যিজনে এই উপায়ে মাছ হানিব, তেওঁক ইয়াৰ ভাষাত হানৰু মুঠিয়াৰ বা গাউবাল বোলে। তেওঁ এই অপূৰ্ব সঁজুলিটোৰ ওপৰত থিয় হৈ, কচ এপাট লৈ তলমুখে নিৰীক্ষণ কৰি থাকি দুৰা, কাছ, মাছ আদি পোহৰত পৰিলেই শালি পেলাব। ফলত বন্তিৰ ধোঁৱাই তেওঁৰ সৰ্বাংগ, নাকমুখ সমস্বিতে বিতোপন কৰা কৰি পেলাব। কিন্তু মাছ-কাছৰ নিচা আৰু শিকাৰো হৈছিল মাছৰ প্ৰাচুৰ্যৰ বাবে নাইবা চকুৰ শক্তিৰ বাবে। বন্তিৰ এই সঁজুলিটোৰ নাম আছিল তেতিয়া ঘাই ঘুৰণ। ঘাই মানে ধৰিব পাৰি, কিন্তু ঘুৰণ মানে কি? পাৰে যদি উলিয়াওক, নহলে যি শুনিছে তাতে সন্তুষ্ট থাওক। সেইবোৰ যি নহক, বহাগ জেঠত নতুন বানপানী উঠি আহিব লাগিছে. নদীৰ পাৰ বাগৰি ঠায়ে ঠায়ে পথাৰ মুখে গতি লব ধৰিলে। ইয়াৰ তাৰ মুখে শুনিছে, অমুকে অমুক দিনা দুটা ডাঙৰ ৰৌ, কেবাটাও কাছ হানিছেই। আপুনি বহি থাকে কেনেকৈ? আগৰ ঘাই ঘুৰণৰ যুগ পাৰ হৈছে, এতিয়া সৌখিন বন্তিপুৰাৰ যুগ। ইটো এক প্ৰকাৰ বিলাস। আপুনি যদি পৰিশ্ৰমী লোক হয় তেন্তে নাও বাওঁতে দৈহিক পৰিশ্ৰম হব কিছু, নাইবা কচ ধৰিলেও কিছু হব, কিন্তু উৎকট নিচাই আপোনাক সকলো পাহৰাই ৰাখিব। কিন্তু যদি মাছ শিকাৰৰ আনন্দ উপভোগৰ বাবে মাজত বহি থায়, খোৱা-লোৱাৰ যোগাৰ অৰ্থাৎ চাহ-জলপান আদিৰ দিহা ৰাখে তেন্তে আৰু কথা নাই। যোগালী জনে সময় মতে যোগাবই চাহ ধঁপাত। একমাত্ৰ অসুবিধা আছে

টোপনি খতি আৰু কেতিয়া কি আগত পৰে নপৰে তাৰে উৎকণ্ঠা। এই সুখৰ বাবে অৱশ্যে আপুনি সেই অভিযানৰ খৰচটো বহন কৰিবৰ সামৰ্থ্য থকা লোক হব লাগিব।

এতিয়া আপুনি প্ৰথম কথা এখন তিনিহাতমান পুতল আৰু দীঘলে ২২।২৪ হাত পাতল ধবণৰ নাও লওক। এনেকুৱা হলেই সকলোতকৈ সুবিধা আৰু, যদি আয়াস বিচাৰে তেন্তে অলপ বহল নাও লওক, যাতে তেলনি নাখায়, বহাতো অলপ সুবিধা আৰু ইচ্ছা কৰিলে সৰুকৈ ছৈ এখনৰ দিহা কৰিব পাৰে। টকৌ পাতৰ ছৈ নালাগে, সৰু ত্ৰিপাল এখন, ৬টা চুঙা আৰু ৩ডাল চিটকা। এই দুবিধ বস্তু বিশেষ একো নহয়। এডালৰ এক মুঠনৰ কম দীঘল গাঠি থকা বাঁহৰ গাঠিটোৰ এমূৰ তেনেই বাখি আন মূৰটোব দুয়ো কাষে কিছু অংশ গুচাই পেলাই দুই কাষে দুচটা বাঁহ এনেকৈ ৰাখি থক যাতে নাৰৰ বাৰত সেই ডোখৰ থিয়কৈ হেঁচি দিলে চুঙা থকা মূৰটো যেন ওপৰহৈ বৈ যায়, তলত বাকী থকা বাঁহ দুচটাই বাৰত কামোৰ মাৰি ধৰি থাকে। এনেকুৱা তিনিটা চুঙা এফালে আৰু আন তিনিটা বিপৰীত ফালে বহুৱাই লৈ তিনিডাল ডাঠ কামি ভাজ খুৱাই ঘোৰখোৱা কৰি দুয়োফালৰ চুঙাৰ মূৰে মূৰে বহুৱাই দিয়ক। এতিয়া এই কামি তিনিডালৰ ওপৰত ত্ৰিপালখন জুতি কৰি বহুৱাই লওক। এনেকৈ এখন সুন্দৰ, ঠাইতে চপাই নিব পৰা ছৈ কৰি ললে আপুনি। ইয়াৰ তলত খোৱা-লোৱাৰ সঁজুলি থওক, আৰু নিজেও সুবিধামতে আশ্ৰয় লওক। এনেকৈ আপোনাৰ নাও তৈয়াৰ হ'ল।

এতিয়া আচল সঁজুলি এটা ভাল পেট্ৰোমাক্স লওক। এই নামৰ জাৰ্মান লেম্প বোধহয় এতিয়া নাই, কিন্তু তাৰ দৰে ভাৰতীয় লেম্প পাব। 'ঘাই ঘূৰণ'ৰ পিছতে ১০০ বন্তিৰ লেমতে হৈছিল, কিন্তু প্ৰতিযোগিতাৰ বাবে এতিয়া ৩০০ কি ৫০০লৈকে আগবাঢ়িছে। বন্তি পুৱাৰ বাবে বহু নাও একে পথাৰতে গোট খালে যাৰ বন্তিৰ

ক্ষমতা বেছি, তাৰ আগত কম ক্ষমতাৰ বন্তিৰ ভাল পোহৰ নেদেখা যেন পায়। গতিকে সেইজোৰৰ আগত বাতিৰ পোহৰ পোহৰ। এই লেমটো নাৱৰ কড়িত খুৰাবলৈ আগৰ পাঠশালা স্কুলৰ এতিয়া স্বৰাজীনাম বুনিয়াদী বিদ্যালয়ৰ ল'ৰাৰ হাতৰ কামৰ নাঙলৰ দৰে কাঠৰ নাঙল এডাল কৰি এফালে কেইটামান খাপ কাটি লওক। ইয়াৰ চলতি নাম ঘোৰা। খাপ থকা মূৰটো ওপৰ মুৰাকৈ কড়িৰপৰা আগবঢ়াই দি, আনটো মূৰ কড়িৰ ওপৰত থৈ টানকৈ বান্ধি লওক। এতিয়া এই খাপ কেইটাত ওলোমাই দি লাইটটো সুবিধামতে নাৱৰ আগত ৰাখিব পাৰিব। লাইটৰ পোহৰ পানীত ভালকৈ পেলাবলৈ আৰু বন্তিৰ তলতেই আন্ধাৰ বাক্য বিফল কৰিবলৈ এখন কলাই কলাই কৰা শুধ বগা কাঁহীৰ মাজটো কাটি উবুৰি কৰি লেমটোৰ ওপৰত ভালকৈ খাপ খুৱাই দিয়ক। নাৱত ভালকৈ পাত পাৰি বহা বা পাৰিলে অলপ আউজি গাটো টঙাবৰো দিহা ৰাখিব পাৰিলে ভাল।

এতিয়া কথা হ'ল আচল অস্ত্ৰ কচ কেইপাট লৈ। কচ আপুনি অপৰিহাৰ্যভাৱে দুপাট লব লাগিবই আৰু সম্পূৰ্ণৰূপে বিশুদ্ধ তীখাৰ হব লাগিব আৰু চাৰি বা পাঁচপেটীয়া লাগিব। কেউফালে জোং আৰু মাজত এডাল; এইডাল কিন্তু আন কিডাল জোংতকৈ তিনি আঙুল দীঘল হৈ ওলাই থকা হব লাগিব। কচতো জানেই। গোটা জোংকেইডালৰ মুখে মুখে বৰশীৰ দৰে ওলোটা শুং থকা অস্ত্ৰ। মাজৰ জোংটো ওলাই থকাৰপৰা সুবিধা হয়, প্ৰথমে এইডালে গৈ মাছৰ গাত বিন্ধি ধৰি দকৈ বহি যায় আৰু অলপ চেষ্টাতে বাকীকেইটা জোঙে খামুচি ধৰে। এই বুধিটো নতুনকৈ খটোৱা, কুৰি বছৰ মানৰ বেছি নহব কিজানি। আগেয়ে হলে সমান জোঙৰ তিনিপেটীয়া কচৰেই কাম হৈছিল। ইয়াৰ কুড়া অৰ্থাৎ নালটো নতুনকৈ গজা মোকাল বাঁহৰ পুৰঠ চড়ি এডাল হাতৰ মুঠিৰে যুতিকৈ ধৰি ৰাখিব পৰা আকাৰৰ হব লাগিব। ই দীঘলে ৮

হাততকৈ কম বা বেছি হব নোৱাৰে। এইডাল অতি সাৱধানে অভিজ্ঞ লোকৰ হতুৱাই সেৰি পুনঃপুনীয়া কৰি লওক। দেখাত যদিও সৰু দেখা যাব তথাপি ডাঙৰ বৌ-বৰালীয়ো তাক ভাঙি পেলাব নোৱাৰে। ইয়াৰ ওপৰণ্ডি আৰু দুই এপাট লব পাৰে এনেকুৱাই আৰু এপাট লব এক পেটীয়া, সেইপাট বিশেষকৈ লাগিব পাৰে দুৰা আৰু কাছত। আগতে ইয়াক তেনেহে খটাইছিল। এতিয়া তাৰ ব্যৱহাৰ বিশেষ দেখা নাই। কাৰণ আগবাঢ়ি অহা কচৰ জোঙেই একপেটীয়াৰ কাম কৰি পেলায়।

নাও চলাবলৈ ওলাওক এজন কৌশলী গুৰিয়াল। তেওঁ নাও বাওতে পানীত বঠাৰ শব্দ হব নালাগিব, অথচ সাধাৰণভাৱে নিঃশব্দ সমান গতিৰে চলি থাকিব। আগৰ কাড়ত থিয় হৈ কচ লোৱা মুঠিয়াৰৰ হাতৰ ইংগিতত নাও সোঁৱে বাঁৱে চলাই যাব পাৰিব লাগিব। মুঠিয়াৰজনৰ ধৈৰ্য, তীক্ষ্ণদৃষ্টি, লক্ষ্য, ক্ষিপ্ৰতা, দৈহিক শক্তি আদিৰ ওপৰতে শিকাৰৰ বহুতখিনি নিৰ্ভৰ কৰে।

নাৱত যথেষ্ট পৰিমাণে খাদ্য বস্তুৰ যোগান নিবলৈ নাপাহৰিব। ৰাতিটোৰ বাবে হলে চাহ আৰু কিছু কিছু অনুপান, নতুবা কেবাদিনো যদি কটাব খোজে দুৰবলৈ গৈ, তেন্তে চাউল, দালি ইত্যাদি। লগতে চাফাতো চাফা কেৰাচিন তেল, তেল ভৰোৱা চুঙা, তেল চেকা কাপোৰ, স্পিৰিট, দিয়াচলাই, পিন, লাইটৰ অতিৰিক্ত মেণ্ঠল চিম্নি আদি নিৰাপদে থাকিব লাগিব।

সকলো যেতিয়া সুবিধামতে যোগাৰ হ'ল, তেতিয়া কোন পিনে যাব তাৰে ঠিক কৰক। যোৱাৰ সময় ঠিক কৰিব আন্ধাৰ ক'ত অৰ্থাৎ কৃষ্ণ পক্ষত। যিদিনা বতাহ নাই, এতৰ মুকলি লাগিলে মেঘ থাওক, পানীত ঢৌ নাই। তেনে সময়ত কৃষ্ণক চিন্তি ওলাব। য'ত নৈৰপনা পথাৰ মুখে পানী বাগৰিছে, কিন্তু ঘোলা বা মলিয়ন হোৱা নাই, সেই ফালে নাও মেলিব বৰষুণৰ লক্ষণ দেখিলে নাযাবই। পানী অতি কম হলে ২।৩ হাত আৰু বেছি হলে ৪।৫

হাত হলেই ভাল, কিন্তু তাতকৈ বেছি হলেও কথা নাই, যদি পানী ফটফটীয়া চাফা হয়। কিন্তু বেছি দ হলে এটা অসুবিধা আছে। মাছ দেখিব, কিন্তু কচৰ হান ঠিক ঠাইত পৰাৰ আগতে মাছ আগবাঢ়ি যাব পাৰে। পানীৰ তলডোখৰত যদি বেছি খাৰ বা জংগল থাকে তেন্তে কেতিয়াবা কেতিয়াবা মাছ ভালকৈ চকুত নপৰিবও পাৰে। তেতিয়া হলে পহু চিকাৰৰ দৰে চালি চাই হান মাৰিব লাগিব। চালি মানে বনৰ আগ লৰাব আণ্ডাজে আণ্ডাজে তলেদি যোৱা জন্তুটো চিনি উলিয়াই গুলী মৰা কার্য। ইয়াত হাতীৰ ওপৰৰপৰা হাবি লৰাৰ ৰকম দেখি সেইটো পহু নে গাহৰি নে বাঘ বুজিব পাৰি। সেইটো অৱশ্যে অভিজ্ঞ শিকাৰীৰ কাম। গাউৰালে যদি দেখে মাছ পোনে পোনে নগৈ সোঁহাতে বা বাওঁহাতে গৈছে তেতিয়া মাছত চকু ৰাখি হাতেৰে ইংগিত দিব, গুৰিয়ালে সজাগ হৈ থাকিলে তৎক্ষণাত নাৱৰ গতি ঘুৰাই দিব, কিন্তু বঠাৰ শব্দ বা পানীৰ শব্দ নুঠাকৈ। হাঁচি, কাঁহ, কথা যিমানে ফাচফুচীয়া নহওক হব নোৱাৰে। মাছ পানীৰ তলত থাকিলেও তৎক্ষণাত চক খাই উঠি ক'ত যে অন্তৰ্ধান হব কব পৰা নাযাব। মাছৰ ওপৰত হান মাৰিবলৈ উপযুক্ত ঠাই লক্ষ কৰিব পাৰিলে সুফল লাভ নিশ্চিন্ত বুলি ধৰক। মুৰৰ পাছডোখৰ সকলোতকৈ উত্তম ঠাই, নহলেও পিঠিৰ ওপৰৰ পাখিৰ ওপৰত, তাৰ পাছৰ পিনে হান পৰিলে একো ঠিক নাই, মাছ এৰাই যাব পাৰে। লক্ষস্থিৰ কৰাতো অলপ কথা আছে। জন্তু চিকাৰ কৰাও বহুত সময়ত চিকাৰক স্থিৰ অৱস্থাতে পাব পাৰে। তেতিয়া বন্দুক তুলি, নিচান ঠিক কৰি, আপুনি নিজেও স্থিৰ হৈ গুলী কৰিব পাৰে। ইয়াত মাছৰ ক্ষেত্ৰত তেনে সুবিধা পোৱা একপ্ৰকাৰ অসম্ভৱেই। ইয়াত আপুনিও চলি থাকিব, মাছেও চলি থাকিব, তাৰ মাজতে শব্দ নোহোৱাকৈ কচ চলাব লাগিব, এই চালনা হয় point blank। অভ্যাসৰ বলত হাত এনে সিদ্ধ হব লাগিব যে চকুৰে

চালেই হাতৰ অস্ত্ৰ লক্ষস্থানলৈ পোন হৈ যাব, আৰু নিক্ষেপ কৰিলে শিকাৰৰ গাত গৈ পৰিব। আগৰ ভাগ্যবান চিকাৰী ৰজা জমিদাৰ চাহাবসকলে এই শিক্ষা গ্ৰহণ কৰিছিল trap অব ব্যৱহাৰ কৰি। ই এবিধ স্প্ৰিংঅৰ যন্ত্ৰ। ইয়াৰে ঘনঘনকৈ মাটিৰ ঘূৰণীয়া টুকুৰা ওপৰলৈ মাৰি পঠোৱা হৈছিল। ট্ৰেপ এবিধ আছিল ঠিক কেটেলাৰ দৰে তাত মাটিৰ পিঠাবোৰ হাতেৰে মাৰিব লাগিছিল যেনেকৈ ল'ৰাই শিলগুটি মাৰে। শিক্ষাৰ্থীয়ে ওপৰলৈ গুলী মাৰি ভাঙি দিব লাগিছিল। অজস্ৰ কাৰ্টিজ খৰচ হৈছিল। কিন্তু তালৈ কেৰেপ কৰা নহৈছিল। তেতিয়া কাট্ৰিজৰ দাম শতকৰা ১৫ বা ২০ টকা। এই শিক্ষা সামান্যভাৱে আমাৰ ইয়াত হব পাৰিছিল উৰণীয়া হাঁহৰ জাকত গুলী মাৰি। স্নাইপ শিকাৰত তাৰ পৰীক্ষা হৈছিল। মাটিত লাগি থকা দীঘল ঘাঁহত গোল্ডেন স্নাইপ নামৰ সৰু সৰু চৰাইবোৰে জুপুকা মাৰি থাকে, মানুহ নিচেই ওচৰ চাপিলে ভুৰুং কৰে উৰা মাৰে, মানুহক চক খুৱাই এৰে। তেনে অৱস্থাত গুলী মাৰি বগৰাব লাগে, তাকো পাছফালৰপৰা। নিচান কৰিবৰ সময় নাই, কান্ধৰপৰা ১৬ নম্বৰৰ বন্দুকটো বাওঁহাতে পেলাই লৈ সোঁহাতে ঘোৰা টানিব লাগে চকুৰ নিমিষতে। সেয়ে point blank shot।

আমাৰ কথাত কণামূৰে বা সমাৰ্থ বেধিক উকা মূৰে হব লাগে। দশৰথৰ শব্দভেদী বাণ আছিল ইয়াকো দৃষ্টি ভেদীয়ে বোলক নতুবা নতুন ৰসাল শব্দ 'নয়ন বাণ' গ্ৰহণ কৰক।

যি হক কেতিয়াবা মাছৰ গাত কচৰ হান পৰা সত্বেও মুঠিয়াৰে তাক ৰাখিবলৈ টান পায়, কেতিয়াবা কচৰ খাঁটি বেঁকা কৰিও ওলাই যায়। তেনে সন্ধিক্ষণত মাছৰ মানুহ বা যোগালি জানে দ্বিতীয় কচ এপাট মাৰি মাছৰ বল নাইকিয়া কৰি চপাই আনি সাৱধানে নাৱত তুলি লব লাগে। তেতিয়াও জীয়াই থাকে মানে মাছে উজাৰ পিজাৰ কৰি থাকিব। তেতিয়া দাৰ গদিৰে মূৰত মাৰি তাৰ

জীৱনান্ত ঘটাব লাগিব, অৱশ্যে যাতে মূৰৰ ঘিউ ওলাই যাব নোৱাৰে তালৈ চাব লাগিব। ৰৌ, ভোকা আদি মাছে খুন্দা মাৰিলে মানুহক মাৰি পেলাব পাৰে, নাৱৰপৰা ওফৰাই দিয়াটো একো কথাই নহয়। দুৱা কাছৰ ক্ষেত্ৰত অৱশ্যে ওপৰৰ খোলাটোত হান পৰিলে ব'ব, কিন্তু চলংঅত হান পৰিলে ৰোৱাব আশা নাই। চলংফালি হলেও গুচি যাব। মাছৰ দৰে গলব ওচৰত হানিব পাৰিলে অতি সহজেই বব। তেতিয়া নাৱত তুলি ঠেং কেইখন ফুটাই বান্ধি দিলে তাৰ লৰচৰ নোহোৱা হৈ যাব। সিহঁতে পানীত চলিব যেন পানীৰ ওপৰে ওপৰে মাৰি দিয়া এডোখৰ কাণ খোলাহে, গতি ধৰিবই নোৱাৰি তথাপি হানিব লাগিব তাকে বোলে শিকাৰ। কেতিয়াবা অৱশ্যে বেগাই যোৱা মাছক দূৰতে কচপাট দলি মাৰি হানি ৰাখিব লাগিব। ইয়াক 'মেলা হান' বোলে। পাকৈত হাতৰ-পৰা মেলা হানো যথেষ্ট ফলপ্ৰদ। এই শিকাৰত উত্তেজনা আছে যথেষ্ট, যেতিয়া ভাল ভাল মাছ হানিব পৰা যায়। তেতিয়া ভাগৰ লাগিলে নাও ৰাখি উশাহ লই অলপ চাহ তামাখু খাই লওঁক বব আৰাম পাব। বহুত সময় মাত বোল বন্ধ কৰি থকা আমনিব পিছত প্ৰথম কথা কৈ উশাহ পাব তেতিয়া বোধ হব আপোনাৰ কথাবোৰ এটা নতুন ধৰণে ওলাই আহিছে কাৰণ সিমান পৰলৈ কাণ পাতে ক'তো সাৰি শব্দ নাই। তাৰ উপৰি ইমান পৰে মৌনব্ৰত পালন কৰি কাণ আৰু জিভাই এটা নতুনত্ব ভোগ কৰি থাকিব প্ৰতি মুহূৰ্তকে তেতিয়া মূল্যবান বোধ কৰিব। মাছ-কাছ যদি পাইছে আৰু পাবলৈ মন উদ্‌গ্ৰীব হব, পোৱা নাই যদিতো কবই নালাগে। মোৰ বোধেৰে বৰ ডাঙৰ দুৱা কাছ নহলে মনটো লক লকাই থাকিব এটা ডাঙৰ ৰৌ বা চিতললৈ। এইটো কিয় হয় কব নোৱাৰোঁ। সকলোৰে হয় নে নহয় কব নোৱাৰোঁ, এয়া মোৰ মনৰ ভাবহে কৈছোঁ।

এটা মন কৰিবলগা কথা। এই শিকাৰ গৰম দিনৰ। মাত্ৰ বেঁকী

বা মানাহত ইয়াৰ বিপৰীত। গৰমত বেঁকীৰ পানী প্ৰায়েই ঘোলা। জাৰতহে ফটিকৰ দৰে নিৰ্মল। তাৰ কথা মই কোৱা নাই। বৰপেটাৰ ওচৰে-পাজৰে যদি শিকাৰ নহয় তেন্তে যাব লাগিব শিলচী বা জাহানা বিলৰ ওচৰলৈ। ই ব্ৰহ্মপুত্ৰৰ ওচৰ। ওচৰতে বাঘবৰ পাহাৰ। এনেই ১২।১৪ মাইল বাৰিষা পানীৰে পোনাই প্ৰায় পাঁচ মাইল। তাত ডাঙৰ মাছ-কাছ পোৱাৰ সম্পূৰ্ণ আশা। যদি কাছ পায় তেন্তে কথা নাই। ইহঁত কেবাদিনলৈ জীয়াই থাকে। কিন্তু পানী মাছ হলে, অৰ্থাৎ সাধাৰণ অৰ্থৰ মাছ হলে কিয়া হৈ যাব পাৰে কেতিয়াবা ঘৰ আহি পায় মানে। গতিকে নাও কোবাল বেগত বাব লাগিব। কাছও মাছ জলজন্তু বুলি, সেইবুলি ঘৰিয়াল শিহু নপৰে এই শ্ৰেণীত। পানীমাছ হলে সি মাছেই আৰু।

এতিয়া কালৰ গতিত এই সুন্দৰ শিকাৰত অৰ্থনৈতিক ভেজাল সোমাইছে। কেতিয়াবা কোনো কোনোৱে কেবাদিনীয়াকৈ বন্তিপুৰিবলৈ ওলাই যায় আৰু যি মাছ পায় তাক তেতিয়াই তেতিয়াই মাছ বিকোতা ব্যৱসায়ীক বেচি দি অগ্নি মূল্য আদায় কৰে। যেনে— একোটা বৌ মাছত ডেৰকুৰি টকামানকৈ। এনেকৈ দিনে একোটাকৈ মাছ পালেও কিমান লাভ। এই বেপাৰটোৰদ্বাৰা যথেষ্ঠ পৰিশ্ৰম সিদ্ধি হয় বুলিব লাগে। যেনে—প্ৰথমে শিকাৰৰ আনন্দ, দ্বিতীয় ধনলাভ, তৃতীয় নৌকা বিহাৰ, চতুৰ্থত জাতিচ্যুত নোহোৱা।

এনেকৈয়ে এই শিকাৰ সম্পন্ন হয়। সময়ত বাৰিষা পানীৰ ওপৰত এই লাইটৰ সংখ্যা ইমান বাঢ়ি যায় যে যোৱা মহাযুদ্ধত ওপৰেদি যোৱা বিমানবিলাকে তললৈ তীব্ৰ পোহৰ পেলাই এই জোনালীময় হৈ থকা লাইটবোৰৰ কাম-কাজবিলাক নিৰীক্ষণ কৰিব যাবলৈ বাধ্য হৈছিল। □

# মন্দিয়াৰ বাঘ

শনিবাৰ। কিমান চনত তাৰিখ মনত নাই। বোধহয় ১৯৩২ চনমান হব। স্কুলৰপৰা আহি দুপৰীয়া বিছনাখনত কিয় জানো বাগৰি পৰিলোঁ। ভৰ বাৰিষা, মাহ জেঠেই হ'ব। নতুন পানী আহিছে। আকাশত উজ্জ্বল ৰ'দ। আধা ঘণ্টা মুকলি মূৰে বাহিৰত ফুৰক, প্ৰথমে নাক পিছত কপাল আদিৰ ছাল ক'লা পৰিব। পানীত নাৱৰ ওপৰত যাওক, বোধহয় সোনকালেই এই বৰণ সলোৱাটো হৈ উঠিব। তেতিয়াই, তেতিয়াই নহয়, দুই এদিন পিছত তাম বৰণ আপোনাৰ হবই হ'ব। পিছত লাহে লাহে ফাটি সেই মৰা মাখিছালখিনি উঠি যাব। তাৰপিছতহে আপোনাৰ পূৰ্বৰ চফেদ বগা বৰণ। কিন্তু সভ্য ভাষাত যাক কৃষ্ণবৰ্ণ বা মিঠা বৰণ বুলি কোৱা হয় তেওলোক বাদ ইয়াৰ কিছু পৰিমাণে। ৰ'দ বৰষুণৰ কোব নোপোৱা, বিশেষকৈ আহিন মাহৰ ক'লা খাব হেন চোকা ৰ'দ নোপোৱা লোকৰো ছাল মৰাহিব পাবে, পিছে ধৰা নপৰাকৈ। কিন্তু যিসকল পৰিশ্ৰমী লোকে মাছমৰা জাতীয় বৃত্তি বুলি লৈছে সেইলোকৰ একো নহয়। তেওঁলোকে শেষ ৰাতিতেই নাও লৈ দূৰ দূৰান্তত মাছ মাৰিব, দুপৰীয়াও মাৰিব। সেই ৰাতি ক'ৰবাত নাও ৰাখি শুদা গাবে ভাত বহাই খাবলৈ ওলাইছে, পিঠিত ঘাম বৈ গৈছে কিন্তু ছাল জিলিকি উঠিছে, যেন ক'লা ম'হৰ ৰ'দে ধৰা পিঠিহে। ছালৰ মৰাজীয়া একো নহয় তেওঁলোকৰ।

যিহক বতৰটোৰ বিষয়ে ইমানকে ক'লো। চিল-মিলকৈ তালকা আহিছেহে মাত্ৰ, খিৰিকীখনেদি কোনোবাই মতা গম পালোঁ। মোক কিছুপ্ৰকাৰ কামৰ বাবে কোনোৱে মাতিব আহিলে খিৰিকীখনেদি

মাতিব লাগে বুলি মোৰ সংগীসকলে জানে। কাৰণ কোনোবাই আহি সময়ে অসময়ে দুৰ্ভগীয়া ল'ৰাটোক বিপদ আপদৰ মুখলৈ আগবঢ়াই দিয়া কামটো মোৰ আইয়ে বৰ ভাল চকুৰে নোচোৱাটো জনা কথা আছিল। মই ধহমহকৈ উঠি বহিলোঁ। কি কথা! দুজন জোৱান খিৰিকীৰ মুখত। ২৫।৩০ হাতমান নিলগত এখন নাৱত আৰু চাৰিজনমান বলবান ডেকা আৰু আদহীয়া মানুহ। এটাই কেউজনেই মোৰ বিশ্বাসী 'লেফ্টেনেণ্ট'। লেফ্টেনেণ্ট নুবুলি পৰিচালক বোলাই ভাল। কাৰণ চিকাৰ আদি আনন্দৰ ক্ষেত্ৰত তেওঁলোকৰহে মই হাতৰ পুতলা। অৱশ্যে বন্দুকটো ময়েই চলাওঁ। তেওঁলোক মোৰ খাপাৰ আৰু ফৈলেঠি।

—কি সংবাদ হে?

—বাবু, বাঘ!

—"বাঘ!" অলপ তম্বিলো। বুঢ়া-বুঢ়ীৰ চাৰ-কথাই আছে নহয় "বাঘ দেখিলে পাছুৱা, পহু দেখিলে আগবঢ়া।"

"মস্ত বাঘ। হয় বাবু।"

ভাবিলোঁ, বাবৰ ফালে শনি, ভৰ দুপৰীয়া, কপালত বা বিধাতাই কি ভাল আঁক টানি থৈছে কোনে জানে? "বাঘ ক'ত আছে?" "বাবু মন্দিয়াত।" "মন্দিয়াত? হুঁ।" ভাবিলোঁ পুৱ দিশে নহয়, দক্ষিণ দিশেই হব। কাৰণ 'সোমে শনিয়ে পুবে যায়, দুটা চকুৰ এটা খায়' ডাকৰেই নে খনাৰেই বচন জানো? "এই আপাল পানীত বাঘ?" "হৈ দেৰক বাবু, মানুহক খাবাই ধৰ্ছিল ভাগ্যে সাৰিল, তেৰ নাৱৰ গলেৰ একহাত মান এইৰে নিছে।" ভাবিলোঁ, কথা ডাঙৰ। তথাপি দম ৰাখি সুধিলোঁ, "কেনেকৈ কাঠ এবুৰাই নিছে?" "হৈ দেৰক বাবু, সিহঁতে গৈছিল জাল মাৰবা। এটা তাৰিৰ উপাৰত আছিল বাঘটো ঘুমে। নাৱৰ কাঁড়িৰপে সিহঁতে বেম্নাৰ মাজত ৰাঙা দেখি পহু বুলি পাৰত নাৱ চাপে দিলাক। আৰ কায় বোলে কোক্ যাহ্। খেৰৰ গায়নাটু আহাদি একে চুঁচাই আহি নাৱৰ গলেৰ বাৰত

কামাৰ মাৰি ধৰিলাক্। একহাত মেন এৰি গেল। নাৰৈবাৰ হৈ হৈ আটাহত বাঘ যাই আৰো তাৰিত উঠিল।”

“মানুহৰ কি হ’ল ?” “আৰ কি হব ! দুয়ো জাঁপ দি পানীত পৰি ডুব মাৰিলাক্। তেহে ৰক্ষা। নাৱ মেথেন্ পাৰত ভাইঠে গেল পাছত সাথৰি আহি গাঁৱত খবৰ দিলাক্।” “পিছে এতিয়া বাঘটো আছেতো তাত !” “হোই আছে, চাইবো পিন্ধে পানী, কোক্ যাব। তাতে আছে সপা মাৰি।” “জংগল আছে নে নাই ?” “বেন্নৰা নল চাপা চুপি, এনে আৰো। নাৱৰ কড়িৰপৰাই বেটাক চকুতো পৰৰো।” “ওচৰত গছ নতুবা চাং বন্ধাৰ সুবিধা নাই ?” “গাছ আৰো তাত কোত পাব ?” “হুঁ, চাঙৰ দিহা হব পাৰেনে ?” “নহয় বাবু, চাং বান্ধে মানে হয় বাঘ পলবো, নহলি খেদি আইহ্বো।” “আচ্ছা, চাৰিওফালে পানী কিমান দ ?” “কোতো এক বুক্, কোতো কাছ থাউনি।” “বন্দুক আৰু কাৰ গৈছে ?” “কুনিও যাৱা নাই।” “বাবু নাম নাৰায়ণ মহাজনক ……।” “তেওঁৰ তাকেও এক থৰা মানুহ গেইছে, তেওঁক নিবই।” মই তৎক্ষণাৎ থিয় হলোঁ। কলো, “বাবু মই আহিছোঁ।” এই বুলি ভিতৰ সোমালোঁ। আই আছিল দুৱাৰৰ কাষতে থিয় হৈ কথা শুনি। মোক কলে, “তই অকলে যাব ওলাইছ কিয়, গিৰীশকো লগত লৈ যা। বাঘ চিকাৰ এলা উলা কথা নহয়।” মই কলো, “ইঃ গিৰীশহে যাব, সি সাজি-কাচি ওলায় মানে ফিচু ৰজা হব।” গিৰীশচন্দ্ৰ চৌধুৰী মোৰ পেহীৰ পুতেক। বন্দুক আছিল তেতিয়া। কিন্তু অত্যন্ত সাৱধানী চিকাৰত। বিশেষকৈ বাঘৰ ক্ষেত্ৰত চাং নহলে আগবঢ়াৰ কোনো সম্ভাৱনাই নাছিল। আইয়ে আৰু কলে, “বাপা বাঘৰ কথা মই জানো। মই বাধা নিদিওঁ। ওলাইছা যেতিয়া যা। কিন্তু মোৰে মূৰত লাথি মাৰাহ তই, হক্‌হক্‌কৈ আগবাঢ়ি হৈ নুফুৰিবি। সকলো ফালে চাই চিন্তিহে খোঁজ দিবি।”

মই লৰালৰিকৈ চিকাৰত পিন্ধা হাফ্‌পেণ্ট আৰু খাকী ড্ৰিলৰ

কামিজটো পিন্ধি গুলীকেইটা আৰু ডেগাৰ এখন ককালত বান্ধি ললোঁ। মানুহ কেইজনক সুধিলোঁ,—"হেৰা অলপ বহা, চাহ অলপ অলপ খাই লওঁ।" সিহঁতে কলে, "নাই দেৰক, নাই দেৰক, এথেন আৰো সময় নহব, বহু বাট আছে।" তেতিয়া ওলালো কৃষ্ণক চিন্তি। কিন্তু সাহ হৈছিল নাম নাৰায়ণ মহাজনৰ কাৰণে। তেওঁ ভীষণ বাঘ চিকাৰী। তেওঁ আমাৰ ঘৰৰ ওচৰত নাৰত উঠি বেতৰ জাহি (হাবি) একহাতে কাটি কাটি নাও সুমুৱাই দি একহাতে বন্দুক ধৰি বাঘ মাৰি অহাৰ কথা জানো। সেইবিধ জন্তু তেওঁৰ মনত এটা মেকুৰী নহলে হাপা। দেখাত তেওঁক তেনে প্ৰকৃতিৰ বুলি ধৰিব নোৱাৰি। কীৰ্তন ঘৰত নিয়মিতভাৱে নাম প্ৰসংগ কৰা, সাধাৰণভাৱে ধুতী গাৰে চাউল সিজোৱা গ্ৰহণ কৰা, ৰঙা বা সেউজীয়া কাপোৰ পিন্ধা, চোলা নিপিন্ধা মানুহজন। বয়স তিনি কুৰিৰ ওপৰ হব, কিন্তু ওখ, দীঘল হাত আৰু ভৰিৰ গঠন। মই ভাবিলোঁ তেওঁ আছে যেতিয়া খোঁজ কাঢ়িয়ে বাঘৰ সমুখ হম। তেওঁৰ ওপৰত ৰাইজৰ যেনে আস্থা, মোৰ ওপৰত আস্থা নোহোৱা নাছিল। তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই নাৱত উঠিলোঁ। অৱশ্যে বুকুৰ ভিতৰত কি হৈছিল সেই বিষয়ে বাহিৰত যাতে একো প্ৰকাশ নাপায় তাকেই কামনা কৰিছিলোঁ। কিন্তু সাধাৰণতে বন্দুক হাতত লৈ নিশ্চিত শিকাৰলৈ লক্ষ্য কৰি আগবাঢ়িলে গাত কিবা দেও চাৰি যায়। ক'ৰপৰা কি শক্তি আহি চলাই লৈ যায় কব নোৱাৰি। চকুৰ দৃষ্টি তীক্ষ্ণ হয়, খোজ দৃঢ় হয়, কাণ সজাগ হয়, মন একাগ্ৰ, বুদ্ধি স্থিৰ হৈ পৰে। শিকাৰটো চকুৰ আগত জিলিকি উঠে মনোৰম সৌন্দৰ্যৰে। দয়া-মৰম, ভয় বা বিপদ আদি অন্য একোৱে মনত নপৰে। গাৰ দুখ, কাঁইটৰ বিন্ধা, বনৰ পাতৰ আঁচোৰ, খাল ডোং একোলৈতো মনতে নপৰে। মোৰ কৰ্তব্য তেতিয়া শক্তিক সংহত কৰি লক্ষ্যস্থানত প্ৰয়োগ কৰা।

এজনে কলে, "বাটতে দক্ষিণৰ বাহাত সোমাই নলীয়া আতৈকো

খবৰ দি গলে কেনে ?''   আন এজনে কলে, "এঃ বাপাহেবে থো। সেইবোৰ জট নাবাঢ়াবি। পলম হৈ যাব। ববপেটাত আমাৰ পহুখোৰা আতালত থোৰা বন্দুকেহে ভৰি আছে। বাঘ দেখিলে কুনি অলবো।''  মই কলো, "আগেদি যাম যেতিয়া মাত দি যাওঁ, আতৈ যাব পাৰে।''  গতিকে নাও ঘাটত লাগিল, এজন উঠি গ'ল। আমি বাকীবোৰ উচপিচ কৰি আছোঁ। প্ৰায় দহ মিনিটমানৰ ভিতৰতে গুলীৰ মোনাখন লৰফৰকৈ লৈ বন্দুকেৰে সৈতে আতৈ ওলাই আহিল।

আতৈ কেৰলীয়া, বয়স অনুমান ৩৭ বছৰমান হব। কিন্তু বহুখিনি কাল তেওঁ মফচলতে ফুৰে। ধানৰ সময়ত ভিক্ষা কৰি ফুৰে। আনৰ দৰে ধন সোণ কিন্তু নাই। আন ঠাইত ভকত, গোঁসাই আদিয়ে ৰাজপয়োভৰে বন্দুক বাইফলেদি চিকাৰ কৰা শুনিছোঁ, কিন্তু ববপেটাত এই বিধৰ মানুহে বন্দুক ব্যৱহাৰ কৰাৰ প্ৰথা নাই। বন্দুকেৰে কৰিবলগীয়া কাম তেওঁলোকৰ একো নাই। হাঁহ, পাৰ, পঠা ইত্যাদি মাংসতো তেওঁলোকব লগত নচলে। পহুৰ অপৰ্যাপ্ত দিনতো হানি খুচি টঙানিয়াই মৰা পহুৰ মঙহৰ বাহিৰে গুলীয়াই মৰা পহু তেওঁলোকে চুৰা বুলি ধৰে। কাৰণ গুলীৰ লগত হেনো একুৰা জুই গৈ জন্তুৰ গাত লাগে। সাধাৰণ গিৰো বাহীয়েই ইয়াত মাছে জুয়ে একে হাতে নোচোৰে যদিও, আজিকালি বহুতে সেই বাধা নামানে। ভকতীয়াসকলে অৱশ্যে আগৰ কালত ভালাঘাটৰে পহু খাইছিল নে নাই কব নোৱাৰোঁ।

কিন্তু এনে দিনতো আমাৰ আতৈয়ে বন্দুক লৈছিল আৰু তাৰবাবে নিন্দিত হৈছিল, কিন্তু কোনে কাক পৰোৱাই কৰে। শিকাৰ কৰি একো খোৱা নাছিল বুলি কৈছিল। যিহ'ক তেওঁ কি খাইছিল নাখাইছিল তাৰ খবৰ লৈ লাভ কি ! মুঠতে তেওঁ আহি নাৱত উঠিল।

বাটত খবৰ ল'লো নাম নাবায়ণ মহাজনক লৈ নাও অলপ

আগতে গলেই। বিলম্বে অলম। বৰপেটাৰ সীমা চেৰাই নাও মুকলি পানীত পৰিল। চাৰিখন বঠা চলিল পূৰ্ণবেগে। পানী সাগৰৰ দৰে, ক'তো বন বাধা নাই। অলপ বতাহ ওলোটা ফালৰ-পৰা। গলেত পানী কটা শব্দ শুনি। বহু আগত মহাজনৰ নাও যোৰা চকুত পৰিল। কিন্তু বতাহৰ কোব বেছি হ'ল, ঢৌ উঠিব ধৰিলে। ডাঙৰ ঢৌ, তাৰ আগত মোৰ সৰু নাও অনায়াসে ডুবি যাব পাৰে। কিন্তু ঢৌ কাটি কাটি নাও যাব ধৰিলে। মাজে মাজে দুই চাৰি জোলোকা পানী নাৱত সোমাল। তথাপি নাৱৰীয়াৰ কৌশলত হালিজালি নাচি নাচি নাওখন জলকুঁৱৰীৰ দৰে আগুৱাই গ'ল। ওপৰত চোকা ৰ'দ। বতাহৰ বাবে গাত লগা নাই। ঘামো ওলোৱা নাই। প্ৰায় একে সময়তে দুয়োখন নাও বাঘ উঠা তাৰি পালোঁ। ঠাইডোখৰ ঘূৰিপাকি চালোঁ। এটা দীঘল মাজুলিয়ে বুলিব লাগে! একাষে নদীটো বৈ আছে। পুতলে কম কিন্তু চাৰিওফালে নাৰে ভৰি গৈছে। কাৰো মুখত শব্দ নাই। নাৰে নাৰে কচ, খাপাৰ সাজু হৈ আছে। কিন্তু আমি তিনিটাৰে যি বন্দুক। মই ভাবিলোঁ আমি এফালে তিনিটা বন্দুক লৈ নজৰ দিম, আনফালেও তিনিটা হলে ভাল আছিল। মহাজনৰ কাষলৈ নাও চপাই দিলোঁ। তেওঁ সুধিলে, "প্ৰসন্নও আইচাহ্ ?" মই বিনয়েৰে কলো, "হোই, নাহি কি কৰে।" "আগে বাঘ মাৰচাহ্ না নাই ?" মই কলো—"নাই মাৰা, কিন্তু খেদা খেদি হলি বহুত কৰ্চু।" "যদি তোক খেদি আহে ?" "বন্দুক।" "যদি বন্দুক মাৰ্বা সময় নাপঅ ?" কঁকালবপবা ডেগাবখন উলিয়াই কলো, "তেথেন আৰ এইখেন, হয় তাৰ একদিন নহয় মোৰে একদিন।" "সেইটো হয়, কিন্তু ভিতৰত আত্মাবাম থিক থাকিবতো ?" "তেথেন থাকা যি নাথ্কাও সেয়ে।" বন্দুকৰ কথাটো কওঁতে তেওঁ কলে, "এটা হলেও কথা নাছিল, এতিয়াতো আমি তিনিজন। কথা হৈছে বাপা বাঘক পানীত পেলাই লোৱা। ক'ত সাৰিব সি।" "কথা ঠিক", মই

কলো, "কি কৰিব লাগে আপুনি কৈ যাব, আমি আছোঁ লগত।" তেতিয়া নাওবোৰক তাঁৰৰ ভিতৰলৈ দলি ফৰ্মুটি মাৰিবলৈ দিহা দিয়া হ'ল। সেইবোৰ নাৰে নাৰে আছিলেই। প্ৰাপ্ত বয়স্কসকলৰ এইবোৰ কামত অভিজ্ঞতা আছিল। সেইবোৰে হোঃ হুঃ এনে একোটা হুটা শব্দ কৰে আৰু ফৰ্মুটি মাৰে। কোনোৱে আচল কাটি অন্য ফৰ্মুটি, কোনোৱে ঔ আৰু কোনোৱেবা মাছমৰীয়া নাৱৰ ওপৰত পাৰি লোৱা চাচ্লাৰ বাঁহৰ চটা। এইটো নাৱৰীয়াৰ পক্ষে ক্ষতি। কিন্তু সময়ত কোনে কাৰ কথা শুনে। সেইটো যে যুদ্ধৰ সময়, জয়ৰ আনন্দৰ ভাবনাত সকলো উন্মত্ত।

ফৰ্মুটি শেষ হ'ল। বাঘ কিন্তু নোলাল। খেদিও নাহিল আমালৈ, পলায়ো নগ'ল। মহাজনে উপায় দিলে, ঢামা জৰী দিয়া যাওক। ঢামা জৰী কি? ওচৰতে ভাটিয়ালীৰ নাও আছিল, সেইবোৰৰপৰা কেডালমান মোটা নাৰিকলৰ ফৈ আনি যোৰা দিয়া হ'ল। তাৰ মাজে মাজে কেইটামান কেৰাচিনৰ ঢামা গাঁঠি দিয়া হ'ল। সেইবোৰ এলা উলা ঢামা নহয়। মাজত একোডাল ডাংবাৰি ওলোমাই দিয়া আছেই। চৰুৱাহঁতে খেতিৰ মাজত সেই একোটা ওলোমাই দি, এডাল দীঘল জৰী লগাই বিছনাৰ কাষত বান্ধি থয়। আৰু মাজে মাজে জৰীডাল টানি ঘটং মটং শব্দ কৰি খেতিৰপৰা চৰাই আদি খেদে। তেতিয়া দুয়োকাষে দুখন নাৱে ঢামা কেইটা চুঁচৰি চুঁচৰি টানিব ধৰিলে। এনেকুৱা এটা অভদ্ৰ শব্দত জন্তুৱে উচপ খাই আগ গুৰি নাচাই আই ঔ খালে ঔ বুলি চিটিকি ওলাই অহাই কথা। ভাবি চাওকচোন আপোনাৰ কাণৰ কাষত যদি কোনোবাই হঠাতে চিঞৰি লাজ লগা মাত এষাৰি মাতি উঠে, আপুনি "নাক কাণ চুই শ্ৰীবিষ্ণু" বুলি নুঠিবনে? জন্তু হৈছে অগিয়ানী প্ৰাণী। সি চকু কাণ মুজি টিকা চোৱা লৰ দিয়াত বিচিত্ৰতা কি? পিছে আপুনি হৈছে দিনে দিনে উন্নতি কৰি যোৱা প্ৰাণী, এতিয়া চন্দ্ৰলোকলৈ ওলাইছে, আপুনি কাণত

আঙুলি নিদি শ্লীল অশ্লীলৰ কোনো ভেদাভেদ নাৰাখিব পাৰে। কিন্তু বেচেৰা জন্তুবোৰ! সিহঁতে সেই বোপা ককাৰ দিনৰ স্বভাৱটো এবে কেনেকৈ? সেইবোৰ যি নহ'ক দুয়ো মুৰবপৰা এই প্ৰচেষ্টা চলায়ো একো ফল নেদেখি কি কৰা যায় ভাবিছোঁ। এনেতে মহাজনে কলে, "ক'ত লুকাব বাপধনে, আহ নামি যাওঁ।" মই দেখিলোঁ এইবাৰহে ঘটনা ডাঙৰ। বাঘে মানুহৰ আন্দোলন দেখি টেপা খাই আছে ক'ববাত। কাৰণ বাঘনো লুকাবলৈ কিমান-খিনি বন লাগে। এতিয়া একে থাপে ধৰিব কাৰোবাক। তাতে গলেতো তিনিওটা বন্দুকেই যাব লাগিব। তেওঁক এৰি নাৰত কেনেকৈ থাকিম।

তাৰ পিছত আৰু এক মুহূৰ্তও নবৈ মহাজন উঠিলেই বামত। ময়ো তৎক্ষণাৎ নাৱৰপৰা জাঁপ দিলোঁ, আতৈয়ো নামিল। চাৰিও-ফালে মানুহ স্তব্ধ হৈ ৰ'ল। সভা চোৱা মানুহ। কিন্তু শব্দ নাই কাৰো মুখত।

আমি সম্মুখৰ ফালে সাৱধানে বন্দুক টোৱাই এফালে এটা 'কণ্ট্ৰেকটাইল' বুলেট আৰু এহাতে তিনি ইঞ্চিৰ এল. জি. গুলী ভৰাই শ্ৰবণত শৰণ দি জোকাই লোৱা বাঘৰ মুখলৈ আগবাঢ়িলোঁ। এবাৰ মহাজনৰ মুখলৈ পিৰিক্ কৰে চাই ললোঁ। নিৰ্বিকাৰ মুখ। গাত এটা গেঞ্জি চোলাই আছিল বোধহয়। বুকৰ কিবা শ্বাস প্ৰশ্বাস বুজাৰ সুবিধা নহ'ল। আতৈৰ ফালেও চালোঁ। দেখিলোঁ চকু ঠিকেই আছে, মুখ অলপ শেঁতা যেন। পিছে মোৰ? সাক্ষী অভাবে মোকৰ্দমা দিচ্মিচ্। চকুলৈ নজৰ কৰাৰ কাৰণ আছে। নহলে তেনে সময়ত চকু ঘূৰোৱা উচিত নহয়। এটা অভাবনীয় ঘটনা মই জানো। এদিন ৰাতি টৰ্চ লাইট জ্বলাই মোৰে চিনাকি এজনে পহু বিচাৰি গৈছিল। লগত দুজন অস্ত্ৰধাৰী, এজনে লাইট ধৰি গৈছে। হঠাৎ এযোৰ চকু পৰিল পোহৰত। ৰঙা কেৰো-চিনৰ চাকি যেন। সন্দেহত আগুৱাই গ'ল। লাইট নুমাই লৈ

ওচৰ পাওঁ পাওঁ হওঁতে লাইট দি দেখিলে, সেইটো বাঘ। সাহসী লগৰীয়াহঁতে আগবাঢ়িয়েই থাকিল এক খেলা খেলাই চাওঁ বুলি। শিকাৰী সোঁহাতে অলপ পাছৰপৰা কান্ধত বাওঁহাত দি ধৰি সোঁহাতেদি লাইট দি বন্দুকধাৰীক বলাই লৈ গৈ আছে। যেন দুয়োজনে একেটা মানুহ। বাঘৰ বিৰাট ঢামা যেন মুখ, বগা পিতলুৱা চকু, নাকৰ তল আৰু থুতৰিত ঠৰঙা লগা ডাঢ়ি গোফ্। ইবোৰ স্পষ্ট দেখা গৈছে আৰু। যিমানে লাইট ওচৰ পাইছে বাঘে বাৰে বাৰে দুই হাতোৰা তুলি ৰতৰতকৈ জ্বলা চকু দুটা মোহাৰিব ধৰিছে। মাজে মাজে দুই এটোপা চকুৰ পানীও সৰি পৰা যেন দেখি। সেইবোৰো যেন একোটা পপীয়া তৰা। বোধহয় এদিন এনে ঘোৰ মূৰ্তি ধৰি নৰসিংহ বাজ হৈছিল।

হঠাৎ বন্দুকৱালাৰ খোঁজ নচলা হৈ গ'ল। ঢালখাই পৰি গ'ল কান্ধত ধৰি থকা লাইটৱালাৰ গাত। বেচেৰা বেতত। ঘোৰ সংকট কাল। ধৈৰ্য আৰু প্ৰত্যুৎপন্নমতি লাইটৱালাই খোজত খোজ ধৰি যোৱা পাছৰ ৰক্ষী এজনক ভৰিৰে ইংগিত দি বাওঁখন হাতে বন্দুকৱালাৰ কাষলতিয়েদি হাত সুমুৱাই ধৰি তেওঁৰ মূৰটো নিজৰ কান্ধত পাতি ললে। মানুহজনে আগুৱাই আহি বন্দুকটো হাতত লৈ অৱশ মানুহজনক সাবটি ধৰিলে। লাইট জ্বলাই ৰাখি ৰাখিয়েই গোটেই কেইজন পাছুৱাই পাছুৱাই আহি কিছুদূৰ আহি লাইট নুমাই দি এঘৰ চৰুৱা ভিঠাত আউজি বহিল। বন্দুকধাৰীজনেই দলটোত একমাত্ৰ গুলী চলাব জানোতা। তেওঁৰেই বাঘ দেখি চন্দ্ৰস্থান হ'ল। ভাগ্যে বাঘ এখোজ দোখোজকৈ লাইট মুখে আগুৱাই নাহিল। কৈতিয়াবা বোলে আহেও তেনেকৈ।

এই ঘটনা সুঁৱৰিয়েই চকু ঘূৰালোঁ। বিশ্বাস হ'ল সকলো ঠিক আছে। লাহে লাহে আগবাঢ়িব ধৰিলোঁ পৰস্পৰপৰা তিনি-হাতমান অন্তৰে থাকি। কুৰি খোজমান আগবাঢ়োতে শুনিলোঁ খক্মক্ কৰে শব্দ এটা। চকু, কাণ, বুক চাঁক উঠিল। প্ৰথমে

দেখিলোঁ মহাজনে আগলৈ হালি কিবা তুলি ললে। ঘূৰি চাওঁতে তেওঁ আৰু এবাৰ হালি কিবা তুলি ললে ধুতীৰ আগত সামৰি। কি আচৰিত! সেই দুটা ঢেকীয়াপতীয়া বাঘৰ ছানা (পোৱালি)। বাঘৰ ছানা! বাপৰে···। চাই থাকোঁতে তেওঁ আৰু এটা তুলি ললে বাঘৰ ছানা।

সিহঁতেই খক্‌খক্ কৰিছিল। দেখিলোঁ মোৰ আগতে দুটা ছানা। ঈশ্বৰক চিন্তি ললো থাপ মাৰি তুলি কামিজটোৰ ওলোমা আগটোত। ছানা কেইটাৰ চকু ফুকাইছে। অলপ অলপ খোজ দিয়ে স্থিৰ হৈ। বোধহয় আমাক দেখি বাট এৰি দিব খুজিছিল। এনেতে ধৰি ললোঁ। ধুতীৰ লোচত ছানা তিনিটা সুমুৱাই লোৱাত মহাজনৰ অসুবিধা নহ'ল। বন্দুক লৈ হাত দুখন মুকলি হৈ থাকিল। মোৰ কামিজৰ আগত ওলোমাই ৰখাত ঘোৰ অসুবিধা। বন্দুক লৈ এখন হাত মাত্ৰই থাকে। ছানা ধৰাত আমি বৈছিলোঁ। তেওঁ ললে তিনিটা, মই ললোঁ দুটা। আতৈৰ ভাগত নপৰিল। মহাজনে কলে, "নাই বাঘ নাই, থাকিলে ছানা এৰি নাথাকে।" কথাটো মনত লাগিল। ছাঁওধৰীয়া বাঘিনী, সাক্ষাত যমৰ বুঢ়ীমাক। প্ৰথমে নাও কামুৰি উঠিয়েই ক'ৰবালৈ চোং বিচাৰি পলাইছে, নহলে ছানাৰ গুৰি পাবৰ আমাৰ সাধ্য নহলহেঁতেন এনে সহজে। আতৈয়েও কলে, "বাঘ নাই দিয়ক।" পিছে নাথাকাকেই ঠিক কৰি আলচ কৰি তিনিও নাওমুখা হলোঁ। বাঘৰ এটা কথা। বাঘ বুলিলেই বুলিবৰ নাই। বাঘিনীবোৰ ভীষণ ফুটিয়াল, ভয়ানক হিংসুক আৰু চয়তান। তাতোকৈ বিষম হৈছে ছাঁওধৰীয়া বাঘিনী ইয়াৰ তুলনা দিবলৈ পৃথিৱীত ঠাই নাই। মানুহে কিন্তু তত পোৱা নাছিল আমি ইতিমধ্যে তাত কি কৰি পেলাইছোঁ। সিহঁতে দেখিছে আমাক মুখামুখি হৈ কথা পতাহে। কি কথা একো কব নোৱাৰে। নাৱৰ কাষ চাপিলতহে সকলোৱে আনন্দত কিৰিলি পাৰি উঠিল। নাৱত বাঘ পোৱালি দুটা এটা

লগৰীয়াক গতাই দি প্ৰস্তাৱ কৰিলো, তাতে থাকি আকৌ বাঘিনীক বাট চাওঁ। ছানাৰ মোহত তাই আহিবই। এই পানীৰ ওপৰত আমাক কি কৰিব! নিজেহে মৰিব। মহাজনে কলে, "এই আপাল পানীত তাই চোং বিচাৰি বাঘবৰ পাহাৰ পাইছে, নহলে তাত বাঁৰ নাই। তাৰপৰা ঘূৰি আহে মানে আন্ধাৰ হৈ যাব। তেতিয়া কথা গুৰুতৰ হব। গতিকে এতিয়া ঘৰমুৰা হোৱাই ভাল।" বেলা তেতিয়া পৰিব গৈছে। সকলোৱে তাতেই হয়ভৰ দিলে। মই আৰু কি কম। নাওবোৰ দিহাদিহি গ'ল। আমাৰ লগৰ নাওবোৰ ঘৰপেটা মুৰা হ'ল। সকলোৰে মুখত হৰি হৰি টিক্ টিক্। কৈছে আজি বাঘিনী নাহিল। অহা হলে বৰ খেল এখন হ'লহেঁতেন। হায়! হায়! কোনোৱে কৈছে, "সকলোৰে ৰাখাল গঁহে এটা আছে নহয়,- সেয়ে সকলোকে চলাই লৈ ফুৰে। তাইৰো আয়ু চাউল টুটিব লাগে। আমাৰো ভাগ্যত থাকিব লাগে।" কোনোৱে কৈছে, "সেইবোৰ যাওঁক, মুঠতে আগত ওলাব লাগিছিল এবাৰ, যি হ'লহেঁতেন হ'লহেঁতেন।" ঘৰমুৰা সাৰা, বনমুৰা বাৰা। আনন্দত উৎফুল্ল হৈ ঘৰৰ কাষেই পালোঁ। নগৰৰ সীমাত দ্বাৰকাথেৰ বাৰী পাইছোঁহে, সূৰ্য অস্ত যায় যায়। হঠাৎ বুকু কঁপি গ'ল ভীষণ শব্দ। দূৰান্তৰ বজ্ৰধ্বনিৰ দৰে বাঘিনীৰ গৰ্জনে কাণত ধৰিবলে। শব্দ যেন ক্ৰমে ওচৰ চাপিছে। কাষত যেন ভোৰতাল বজাব ধৰিবলে। নতুবা ঢোল বজাব ধৰিবলে কোনোবাই। বুকু দগ্‌মগ্ কৰিব ধৰিবলে। তেন্তে বাঘিনী ছানা নিবলৈ ঘূৰি আহিল। হায়! হায়! ছানা হেৰোৱা বাঘিনী। বুপটো কল্পনা কৰিলোঁ। তাই যেন মাজুলীটো চলাপাত কৰি ঘূৰিব লাগিছে। আজি কাৰ কপালত কি আছিল বিধাতাইহে জানে। কোনোৱে কাৰো আগত নপৰিলো যে। আমি যমৰ মাকৰ বুকুৰপৰা পোৱালি সৰকাই আনিলো চোৰৰ দৰে আমাৰনো দোষ কি? বাঘিনী গৈছিল কিয় গুচি! থাকিব লাগিছিল তেহে। আধা ঘণ্টা আগেয়ে যদি

বাঘিনী আহিলহেঁতেন নতুবা আমি মূৰ্খহঁতে পোৱালিতে আত্মহাৰা নহৈ সেইখিনি সময় তাতে থাকিলোহেঁতেন। কপাল! কপাল! ইতিমধ্যে মহাজনৰ নাও আমাৰ লগ এৰি গৈছে। আন নাওবোৰো দিহাদিহি গৈছে। মহাজন থকা হলে ওচৰত কিজানি টৰ্চ লাইটেৰে এক চেষ্টা দিব পৰা গ'লহেঁতেন নেকি? কিন্তু নাৱৰীয়াবিলাকে সেই ৰাতি নাৰেদি সেই সংকটৰ সন্মুখ হোৱাত হেলা কৰিবলে। অৱশ্যে বাইজ মৰিলে মেধিয়েও চকু মুজিব লাগে। মুজিলো আৰু। হুমুনিয়াহ কাঢ়ি ঘৰ পালোঁ।

আই দিহা দিলে, ই কথাই কথা নহয়। দুপৰীয়াৰপৰা এই পোৱালিয়ে পিয়াহ খোৱা নাই। এতিয়াই দুদ্‌দানী আনি গাখীৰ খুৱাব লাগে। কোনোবা এটাক পঠোৱা হ'ল বজাৰলৈ দুদ্‌দানী আনিবলৈ। ইতিমধ্যে ফটা কাপোৰৰ মহলা কৰি আইৰ পৰি-চালনাত গৰুৰ গাখীৰত পানী মিহলাই পোৱালিক খুওৱাৰ দিহা কৰা হ'ল। আয়ে কলে এই পোৱালিৰ লগত বহুত লালট আছে। মানুহৰ কেঁচুৱাৰ দৰে ইয়াক প্ৰতিপাল নকৰিলে জীয়াই ৰখা টান হ'ব। কোনে কৰে এতিয়া! বাঘৰ পোৱালিয়ে দেখা গ'ল সিহঁতৰ শত্ৰু মানুহৰ হাতেৰে চপ্‌চপ্‌কৈ সিহঁতৰে জাতীয় খাদ্য গৰুৰ গাখীৰ স্বচ্ছন্দে খাব ধৰিলে। আশা হ'ল পোৱালি দুটা বাচিব। কিন্তু মই থাকিম স্কুলত, বাঘক গাখীৰ খুৱাব কোনে? আয়ে সিহঁতক হাতেৰে খামুচি ধৰি গাখীৰ খুৱাবলৈ ঘিণ কৰে। সিহঁতৰ প্ৰিয় খাদ্য যে গোমাংস। দেখা গ'ল সন্মুখত জাল দিয়া বাকচটোৰ আগত দুদ্‌দানী ধৰিলে পোৱালি দুটাই আগবাঢ়ি আহি চুহে। মীমাংসা হ'ল আয়ে সময়মতে গাখীৰ খুৱাব কিন্তু গৰু খোৱা জাতৰ জন্তুক হাতেৰে নোচোৱে। সেয়ে হ'ল।

বাঘিনীয়ে কিন্তু গৰ্জি থাকিল মাজ ৰাতিলৈ। ইফালে গধূলি কোনে জানো আইৰ কাণত পেলালে পোৱালি হেৰুওৱা বাঘিনীয়ে গোন্ধ লৈ লৈ পোৱালি বিচাৰি আহে। ক'তো ক'তো

ইয়াৰ প্ৰমাণ আছে। মোৰ কণাটো কাণত নালাগিল এইবোৰ কথা শুনি। কিন্তু পিছত ভাবিলো, কথাটো সঁচাও হব পাৰে। কাৰণ কোনে নাজানে ব্যাঘ্ৰৰ ব্যুৎপত্তি বি+আ+ঘ্ৰ+অ। সুঙিব পৰাৰ কাৰণেইতো তাৰ সেই নাম।

অগত্যা ঠিক কৰিলোঁ সাৱধানৰ বিনাশ নাই। কথাতে কয় বাচি খাবা, জাগি শুবা। খাই বৈ উঠি, কুকুৰ মেলি দিলোঁ। মোৰ প্ৰিয় কুকুৰ 'ইনকাল' ৰাতি কি দিন কি কালান্তক যম। ৰাতিও প্ৰায় শিকলিতে ৰাখোঁ, নহলে কাক কি কৰে ঠিক নাই। বাঘিনী যদি আহেহে তেন্তে সিয়েই হব মোৰ মুখ্য চন্তৰী। বন্দুক সজাই বিছনাতে ৰাখিলোঁ। সিদিনা মজিয়াৰ চুৰা মজিয়াতে ৰ'ল। চুৰনীত গৈ কোনে বাচন ধুব ? ৰাতি সজাগ হৈ ৰলোঁ। টোপনিৰ চেষ্টা নকৰিলোঁ। নিগনিটো লৰিলেই বন্দুকত হাত দিওঁ। এই অৱস্থা। কিন্তু ইফালে ইনকালে মুকলি হৈয়েই বাঘৰ পোৱালিৰ গোন্ধ পাইছে। আৰু ক'ত ৰক্ষা। গোটেই ৰাতি চিঞৰি-বাখৰি হুলস্থূল। গলৰ নলীডালো যেন বেটাৰ ভলুকা বাঁহৰ চুঙা। ঘৰত কাৰো ঘুমতি নহ'ল। এনেয়ে সন্দেহ তাতে আকৌ এই সুশ্ৰাব্য স্বৰ।

ৰাতি আৰু বাঘিনী নাহিল। বাৰে বাৰে মনত খুন্দিয়াৰ ধৰিলে, হায়! হায়! কি কৰিলোঁ। মন্দিয়াতে কিয় নৰলো। নাইবা বাঘিনীয়েই বা কিয় নাহিল। পুৱা বাঘৰ পোৱালি চাবলৈ ল'ৰা-ছোৱালী আহিল জাকে জাকে। বয়সস্থ বন্ধুবৰ্গও কিছু আহিল। কোনো কোনোৱে শুনালে মানুহক যেনে খেতিৰে পায়, বাঘৰ ছানাকো মানুহৰ খেতিৰে পায়। বাঘে মানুহক ভয় কৰে। পুৱা উঠিয়েই সূৰ্যলৈ চাই প্ৰাৰ্থনা কৰে। গতিকে চুৰা গাজাত নিয়ম মানি প্ৰভু পথালি চকুৰাৰ আগত যেন নপৰোঁ। মন্দিয়াৰ খবৰ পালো, গোটেই ৰাতি কোনো ঘৰেই শুব পৰা নাই বাঘিনীৰ আউৰণীত। কেৱল ঢামা কোবাইছে,

হোঁ-হোঁ হাঁ-হাঁ শব্দ কৰিছে। ভয়ত কোনোৱে চাকিটোও জ্বলোৱা নাই। জানোবা বাঘিনীয়ে খেদি আহে। মুঠতে সেই ৰাতি কাৰো খোৱা বোৱা নহ'ল। আজিৰ মতে হলেতো মন্ত্ৰীৰ ব্যৱস্থাত এদিন লঘোন দি চাউল বাহিৰ কৰাই হ'ল বুলিব লাগে।

কিন্তু ইমান কাহিনী যাক লৈ, সেই বাঘ পোৱালি দুটাৰ ডাক্তৰৰ মতে শাও পৰা ৰোগ হ'ল। হোমিওপেথি মতে ঔষধ দিলোঁ। কিন্তু একো নহ'ল। সিহঁতৰ মৃত্যু হ'ল। খবৰ পালোঁ মহাজনৰ কেইটায়ো সেই একে বাটেই লৈছে। □

# কল্পনাৰপৰা বাস্তৱলৈ

হিন্দু হৈ জন্মিছিলোঁ। কিন্তু ঈশ্বৰে কিয় জানো মনত কেইটামান হিন্দু আচাৰৰ প্ৰতি বিৰক্তিৰ বীজ বুই দিছিল কব নোৱাৰোঁ। সেই আচাৰ বা অধাচাৰ কেইটা দেখা দিয়ে বাৰিষাৰ আৰম্ভণিতে, হয় জেঠৰ শেষত নতুবা আহাৰৰ আৰম্ভণিতে এটা ; আনটো মাঘ বিহু বা ভোগালি বিহু বুলি আনন্দত বৰকৈ ঢোল পিটা পৰ্বতো। মোৰ ধাৰণাত সেইটো মাঘ বিহুহে। কেবাদিনো ধৰি চুৰিৰ প্ৰতাপত তোমাৰ মূৰ গৰম হৈ থাওক, বাৰীৰ কবি মূলাৰ শ্ৰাদ্ধ, আলুৰ বাতিয়ে বাতিয়ে অন্তৰ্ধান, খৰিৰ কাঠ, শাল কাঠ, খুটা-চতি, টিনপাত, বাৰীৰ চকোৰা চকী, মেজ, বেঞ্চ আদিৰ অপহৰণ ইত্যাদি। এইবোৰ অৱশ্যে 'বাপতি সাহোন' জাতীয় উৎসৱৰ অসমৰ বিশেষত্বৰ চামিলত যাব। আমতিৰ পৰ্ব যাব বিশেষকৈ বয়সীয়া লোকসকলৰ পৰাক্ৰমৰ ভিতৰেদি। হয়তো খাল-দোং, জান-জুৰি নতুন বা পুৰণি উপচি পৰিছে। তাতে ওপৰত কিন্‌কিনীয়া বা ধাৰাষাৰে বৰষুণ নামিছে। সেই সময়ত আমতিৰ শুদ্ধি আহিছে। নৈষ্ঠিক বিধৱা ভাওনী আই-সকলৰ আৰু ফলাহাৰ চলিছে। চোতালে ঘৰে আমৰ বাকলি, কঁঠালৰ বাকলি পৰি আছে। তাকে আকৌ উদঙীয়া গৰুৱে খাব ধৰিছে। য'তে ত'তে হাগিছে, এনেকুৱা দুৰ্যোগ। তাতে শুদ্ধিৰ দিনা পুৱাতে কাপোৰ-কানি, গাৰু-আঠুৱা, শোৱা খাট, বহা পীৰা, চকী-মেজ, লেম-চাকি আদি কৰি সকলো ভিজাই দিয়া আৰম্ভ হব। তাৰ উপৰি লোৰ কেৰাহী পোৰাৰ পালা, দুৰ্গন্ধত আপোনাৰ নাকত সোপা লাগিব।

কেইদিন মান আগৰেপৰা পৰশুৰাম গুৱালে বাথানৰপৰা খবৰ পঠিয়াই আছিল, "বাবুক আহিব কবা সোনকালে, ম'হৰ পালত কেইবাটাও পহু চৰা দেখা গৈছে।" ময়ে হেলাতে যাব পৰা নাই। গৰমৰ বন্ধ আৰম্ভ হৈছে। ওপৰৰ দুটা শ্ৰেণী ৰখা হৈছে। পঢ়ালে নপঢ়ালেও স্কুলত হাজিৰ থকাটো উচিত। নহলে ছাত্ৰৰ উপস্থিতিও আশানুৰূপ নহবৰ ভয়। শেষত আমতিৰ কেইদিনৰ সুবিধাতে শুদ্ধিৰ দিনত এজন লগৰীয়া লৈ ওলালোগৈ চনপাৰাৰ বাথান। জনীয়া গাঁওৰপৰা বেছি দূৰত নহয়। বৰপেটাৰপৰা বৰ বেছি পাঁচ মাইলমান হব। বাথানৰ ঠাইডোখৰ বৰ সুবিধাৰ, বেঁকী নদীৰ পাৰত। ওচৰতে কৰাৰ কুৰৰ পাৰঘাট। বৰপেটালৈ খবৰ বাতৰি ডাৰৰ বাতৰি ডাৱে পাব পাৰি। তদুপৰি বেঁকীৰ পানী, তাত মানৱ দেহৰ উপকাৰী এবিধ অমূল্য লোণ আৰু কিবাকিবি খনিজ সম্পদ আছে। পানী অতি শীতল। খালে পেটৰ কোনোপিনেদি যায় কব পাৰি। পেট ওপোচাই খাওক, বেঁকীৰ পানীয়ে খন্তেকতে গলাই নিব। পাৰত যাওক, মহ-ডাঁহৰ উপদ্ৰৱ নাপায়। পানী ফটিক জল যেন, কিন্তু ঢল আহিলে বোকাই ভৰ্তি। কাঁচৰ গিলাচত থৈ দিয়ক কিছুপৰ পিছত দেখিব, তলত এধানমান গেদ, ওপৰত ফট্‌ফটীয়া পানী। বেঁকীৰ পানীৰ গুণ কৈ পাৰ নাপায়।

গৈয়েই বাথানত পালোঁ পৰশুৰাম গুৱালক। চোতালত বহি কঁঠাল কাঠৰ ওখ খৰম এযোৰ পিন্ধি জৰী বটি আছে। পৰশু গুৱাল চিধৰী বেপাৰীৰ মুখ্য গুৱাল। চিধৰী বেপাৰীৰ নামটো আচহুৱা যেন লাগিছে নহয়? প্ৰথমে মাক-বাপেকে কি ভাবি এই নামে ল'ৰাজনক মাতিব ধৰিলে কব নোৱাৰোঁ। মোৰ ধাৰণা তেওঁলোকে ভাবিছিল শ্ৰীধৰ অৰ্থাৎ লক্ষ্মীধৰ। পিছত মুখৰ ঘঁহনি খাই হ'ল চিধৰী। তাতে আকৌ লৰজ আহি লগ দিলে 'ঈ'। গৈ থৈ হ'ল 'শ্ৰী'ৰ ঠাইত চি + ধৰ + ঈ = চিধৰী। বৰপেটাত

এনেকুৱা লৰজ হয়। কিয় হয় কব নোৱাৰোঁ। যেনে হৰিদাস+আ=ইৰদাহা। কথা নাছিল তাত, কিন্তু লেখাত সেই নামটো হ'ল গৈ শ্ৰীহৰি। কি কবলৈ আছে আৰু, সেই নামেৰে মাতক বা লেখক মানুহ সেই একেজনেই। তেওঁ আমি দেখাত বুঢ়া, কিন্তু সুস্থ সুগঠিত দেহ। তেওঁ হেনো নিৰক্ষৰ আছিল। কিন্তু মুখতে আছিল বেপাৰৰ ভাগীয়াৰ বিভিন্ন জনৰ দেনা পাওনাৰ হিচাপ। বাথানৰ গুৱাল গৰখীয়াৰ হিচাপ। ক'তো ভুল নহৈছিল।

পৰশু গুৱাল বয়সত চল্লিছমান হব লাগে, দেখাত কিন্তু ত্ৰিশ মান দেখি। ৰং সুদ্ধ বগা গোলাপী, ওখই মধ্যম। দোমাচা ম'হৰ গাখীৰ, মুকলি বতাহ আৰু পানীয়ে দেখনিয়াৰ কৰি ৰাখিছে। চিকাৰত অসীম কষ্ট সহিষ্ণু। হাবিত চলা ফুৰাত সাৱধানী আৰু লক্ষত অব্যৰ্থ। মই বন্দুক হাতত নোলোৱাৰপৰাই শুনি আছোঁ পৰশু গুৱালৰ চিকাৰৰ কাহিনী। হাবিত পহুৰ খোজ চাই বা শব্দ অনুসৰণ কৰি বাট-পথ নোহোৱা হাবিত কোনফালে সোমাই কোনফালে ওলায়গৈ কোনোৱে তত ধৰিব নোৱাৰে। অৱশ্যে সুদা মুখে যে ঘূৰিব এনে নহয়, পাছলোৱা পহু এটা যে মাৰিব মাৰিবই। দেহৰ ক্ষয়-ক্ষতিৰ ফালে চাবৰ নাই। পিন্ধন উৰণতো নায়েই। এখন পানী গামোচা, এটা ফটুৱাই চোলা। জেপ দুখনত কাৰ্টিজ দুটামান আৰু বিড়ি দিয়াচলাই অলপ। চিকাৰত যিবোৰ মৰা হৈছিল, সকলো জাকাল পহু। ইংৰাজীত যাক বোলে swamp deer। এতিয়া সেইবোৰ এই ফালে নিৰ্বংশ হ'ল। কাজিৰঙাত এটা জাক মাত্ৰ দেখিছিলোঁ।

যি সময়ৰ কথা কৈছোঁ তেতিয়া পৰশুৰামৰ বয়স পৰো পৰোৰ ফালে হিচাপ কৰি চালে। কিন্তু মনৰ তেজ, দেহৰ শক্তি, চিকাৰৰ নিচা উৎকট ৰূপে বৰ্তমান। কমিছে বুলিব নোৱাৰি। মোক দেখি উৎফুল্ল হৈ উঠিল আৰু এজনক চাহ-ভাতৰ আদেশ দিলে।

বাগানৰ সকলোৱে তেওঁৰ কথা মানিব লাগিব। তেওঁ যে কেবাজনৰো ওপৰত চৰ্দাৰ। কেইমাইলমান খোজ কাঢ়ি যোৱা হৈছে, ভালকৈ ঘৰত খাই লৈ যোৱা নাই। দুখন পীৰা নামৰ কাঠৰ ওপৰত বহিলোঁ ঠেং মেলি। পৰাশুৰামে কৈ গ'ল—ৰৰ কায়দাটো গ'ল বাবু—ৰৰ কায়দাটো গ'ল। একে লুটিয়ে তিনিদিনমান গুৱালে লগ পাই চিকাৰীক খবৰ দিব কৈ আছিল। শেষত ময়ো গৈ চালো এদিন। আজি দুদিন মানৰপৰা হলে চকুত পৰা নাই। আছে হয়তো কোনোবা ফালে। আজি গুৱাল আহিলে খবৰটো লওঁচোন। কালি ঈশ্বৰক চিন্তি যি হয় কৰা যাব। নদীত নামি হাত মুখ ধুই উঠি চাহ একোবাটি খালোঁ। চাহ মানে বাগানৰ চাহ। পানীতকৈ গাখীৰ বেছি, তাতে গুৰি চাহ আৰু চেনি পগোৱা হৈছে। ৰাতিৰ সাজত গোটা গোটা উহোৱা চাউলৰ ভাত। ডাঙৰ ভখুৰি পুঠী মাছৰ আঞ্জা আৰু ভজাও। যথেষ্ঠ খোৱা হ'ল। খাই উঠি পিছদিনা ক'ত ক'ত চোৱা হব এইবোৰৰ আলোচনা হ'ল। শেষত শুবৰ আগতে পৰশুৰামে অতি বিনয় আৰু সৰু মাতেৰে প্ৰস্তাৱ কৰিলে, "বাবু অলপ অলপ ঘোটা পান কৰিব নেকি?" মই কথাটো একো বেয়া নেদেখিলোঁ। অগত্যা তৈয়াৰী ঘোটা তপতে তপতে কিছু কিছু খাওঁ নাখাওঁকৈ খোৱাই হ'ল। জুতি পাই খালোঁ। পিছতহে ভাবিলো, প্ৰভু সদাশিৱ কি কৰা আৰু তুমিহে জানা। বিছনাত পৰি পৰি ভাবিলোঁ, মৰিলেও বিছনা নেৰোঁ নহলে নিচাই নি ক'ৰবাত নদীতে পেলাব। বিছনাত পৰি পৰি সপোন দেখিলোঁ। সেইবোৰ কৈ আৰু কথা দীঘল নকৰোঁ। মুঠতে কেতিয়া টোপনি আহিল কবই নোৱাৰিলোঁ।

কিমান ৰাতি অনুমান কৰিব নোৱাৰিলোঁ; এবাৰ সাৰপাই উঠিলোঁ। ভাবিলো বুকুৰপৰা গললৈকে জিভা সমেত শুকাই গৈছে। ভাবিলোঁ পানী একলহমান খাই প্ৰাণটো জুৰ কৰো। কিন্তু পানী পাওঁ ক'ত? নদীলৈ নামি যামনে? মৰিব লাগিব দেখোন।

মোৰ চাংখনৰ কাষতে মাটিত এটা গৰুৱালৰ ল'ৰা শুই আছিল। হাত দুখন নমাই তাক ঠেলামাৰি কলো, "হেৰা এঘটি পানী দিয়া, বৰ পিয়াহ লাগিছে।" সি সাৰ পাইকৈ উঠিল, "ধেৎতোৰি, মই কচ্‌ৰী ত," অৰ্থাৎ সি বোলে কছাৰী যাক বড়ো বোলে, মোক পানী দিয়ে কেনেকৈ ? মোৰ জাতি যাব নহয়। সেই উত্তৰ শুনি মোৰ পানী পিয়াহ ক'লৈ গ'ল কবই নোৱাৰিলো প্ৰভু শিৱৰ কৃপাত। তাৰ কথাত হাঁহি উঠিব ধৰিলে। একো ৰকমে থমাব নোৱাৰিলোঁ। কোনোমতে মুখেৰে—'পানী, এঘটি পানী' আৰু সেই—হিঃ হিঃ হিঃ খুক, খুক খুক্‌। পৰশুৰামে বুজিলে এইটো মহাদেউৰ কৃপা। তেওঁ বুজিলে, এই হাঁহিৰ মাজত বেছি মাত্ৰাই পানী সোমালে গলত গাঁঠি লাগিব। সেয়ে অলপ অলপকৈ এটা বাটিত দিব ধৰিলে। ময়ো যাক আকণ্ঠ পুৰাই খোৱা বোলে সেইটো কৰিলোঁ। পেট এনেয়ে ভখুৰি পুঠী-আৰু আহু চাউলৰ ভাতে ভৰি আছে। ভাবিলোঁ আহুৰ খেতিত বানপানী উঠিল, শেহতীয়াকৈ। পকা ধানবোৰ ভখুৰি পুঠীয়ে খাই শেষ কৰিলে নেকি এতিয়া। এনেকৈ নানা কল্পনা জল্পনা সপোন সাঁচিতে ৰাতি পুৰাই গ'ল। উঠোঁতে যথেষ্ট বেলি হ'ল, ৰ'দত চকুকে মেলাটো টান হ'ল। পুৱাৰ চাহ খাই উঠি নিচা আকৌ লাগি বহা যেন লাগিল, মিঠাৰ প্ৰভাৱত। এনেকৈ সাতে পাছে পুৰা বেলাটো এনেই গ'ল, ওলাই যোৱা ন'হল আৰু।

নদীত নামি অবগাহন স্নান কৰি বহুপৰিমাণে প্ৰকৃতিস্থ হলো। সোনকালে ভাত এমুঠি আৰু এবাটি কেঁচা গাখীৰ খাই, এঘণ্টামান দীঘল দিলোঁ। একমান বজাত উঠিলোঁ। পৰশুৰামে উঠি মাত দিলে, "বাবু, যাবৰ হ'লে, গা দাঙিবৰ হ'ল।" ময়ো আৰু পলম নকৰি গুলী আৰু বন্দক সাজু কৰি হাফ্‌পেণ্ট পিন্ধি তৈয়াৰ হলো। ৰাইফলটো দিলো পৰশুৰামৰ হাতত, যদিও তেওঁ সেইটো ব্যৱহাৰ কৰিব নাজানে। Shot Gun টো

মই ললোঁ। আশা, পহু গুলীয়াবলৈ ভাল হব, ৰাইফল যদি মাৰিব লগা হয়, সেই জাতিৰ শব আৰু ক'ত থাকিব হব পায়।

এনেকৈ দুয়ো বীৰ ওলালো সাজু হৈ। মাজে মাজে বৰষুণত মাটি কোমল হৈ আছে। মাজে মাজে চপ্‌চপীয়া পানী। বাথানৰ ওচৰৰ ডোখৰত কিছু দূৰলৈ ওথ জংগল মানে নল বা খাগৰি অতি পাতল। ম'হে খাই বা মহতিয়াই প্ৰায় মুকলিয়ে কৰি পেলাইছে। কিছুদূৰ গৈছোহে, অলপ বনৰ আঁৰত সমুখৰ ফালে জপংকৈ এটা শব্দ হ'ল, যেন জন্তু এটা পানীত পৰিছে। দুয়ো তৎক্ষণাত থামি গালোঁ। সিফালে তীক্ষ্ণ দৃষ্টি দিলো। একো শব্দ নাই। বন্দুক টোৱাই ধৰি, ভৰিৰ শব্দ নোহোৱা কৰি এখোজ দুখোজকৈ আগবাঢ়িলোঁ। সমুখত অলপ মুকলি, মাজে মাজে ওখ খাগৰি গজিছে। বাওঁফালে এটা মৰা সুঁতি, সম্ভৱ বেঁকীয়েই খান্দি এৰিছে। তাত দল গজিছে। দলবোৰ অলপ অলপ ঢৌ-খেলি আছে। এই ঢৌবোৰ তাৰপৰাই আৰম্ভ হৈছে। জপংকৈ শব্দটো তাতে আৰম্ভ হৈছে। হয়তো কিবা জন্তু তাতে জৰকি আছে। মই ভাবিলো, হব পাৰে উদ্‌। মই যাবই খুজিলোঁ, পৰশুৰামে হাতৰ তলুৱা দাঙি ইংগিত দিলে। মই থমকিলো। বন্দুকটো বেয়নেট ফাইটিঙৰ on guard position অত ধৰাৰ দৰে ধৰি ঢৌৰ উৎপত্তি স্থললৈ চাই ৰলোঁ। সেইখিনি দল তেতিয়াও লৰি আছিল সামান্য ৰকমে। পৰশুৰামে মাটিৰ ফালে অলপ নজৰ দি চাই মোক আধুলিৰে এডোখৰ অলপ ভিজা যেন ঠাই দেখুৱাই দিলে। দুখোজমান গৈ চাওঁ যে হয়, কিবা জন্তু এটা শুই থকা চিন আছে। দুই চাৰি ডালমান বন গজিছে, সেই বোৰ পিটখাই আছে। কাষতে দুটা বাঘৰ খোজ, ঘাঁহৰ কাৰণে বৰ স্পষ্ট নহয় যদিও তাত সন্দেহৰ থল নাই আৰু। অথচ বাঘটো জবুকা মাৰি আছে আমাৰ দুয়োৰেপৰা কেইখোজমান আঁতৰত। অৱশ্যে পানীত। পানী কিন্তু সি ভৰিৰে মাটি

ঢ়ুকি পোৱাত। দৰ্কাৰ হলে একেজাঁপে ধৰিব পাৰিব। কি সংঘাতিক। অলপ পিছুৱাই আহি পৰামর্শ কৰিলো, কি কৰা যায়। ইমান ওচৰত পাইছোঁ তাক, এৰি দিয়ানো ভাল হবনে? পহিলৰ চিকাৰ। এলাউলা বিধৰ নহয়, বৰ বাহাদুৰী চিকাৰ, মাৰিব পাৰিলে। পৰশুৰামে কলে—'মাৰক, সাহে সিদ্ধি।' মই কলো—'কিন্তু জন্তুটোৰ যে গাকে দেখা নাই, গুলী যাই নেজতে পৰেনে মুৰতে পৰে। সামান্য ভুল হলে খাই মাৰিব।' পৰশুৰামে কলে, 'যি নহলেও দুটা বন্দুকৰ আগৰপৰানো সাৰিব কেনেকৈ? হওঁক, আজি তাৰে একদিন কি আমাৰেই একদিন।' অগত্যা মই সম্মত হলো। Shot gunটো এৰি Rifle ললো। নিচানৰ কাৰণে সাজু হলো। পোন্ধৰ খোজমান দূৰত জন্তুটো আছে। লৰি থকা দল কেইডালতে আছে নিশ্চয় মুৰটো থাকিব। গুলী লাগিবই। মুৰত নালাগিলেও গাত লাগিলেও ৰক্ষা নাই। ইমান ওচৰত Rifle ৰ গুলী। প্রথম গুলীতে নালাগিলেও দ্বিতীয় গুলীতটো লাগিবই। আৰু সময় নষ্ট কৰিব নোৱাৰি। মই কোনোফালে নাচাই মাত্র লক্ষস্থানলৈ চকু দিছোঁ। সেই মহাভাৰতত অর্জুনে পখী মৰাৰ পৰীক্ষা দিয়াৰ দৰে। এতিয়া ঘোৰা টিপিলেই হ'ল আৰু। হে প্রভু! কিন্তু হঠাতে ইকি! মোৰ নাকে মুখে, গলধনে কিহে আগুৰি ধৰি কামোৰ আৰু কামোৰ। পৰশুৰামে সৰু মাতেৰে কলে, "বাবু, দাউৰক, দাউৰক।" ঘূৰি চাওঁ, মোৰ চাৰিওফালে বৰলে আগুৰি ধৰিছে। পৰশুৰাম ইতিমধ্যে একেজাঁপে দহ হাত নিলগত। আৰু কাণে মুৰে থপিয়াইছেহে থপিয়াইছে। ময়ো অজানিত তাকেই কৰিছোঁ আৰু পৰশুৰামৰ পাছ লৈছোঁ। কিছু দূৰত গৈ দুয়ো থিয় হলো। পিছে বৰল ক'ৰপৰা আহিল! পৰশুৰামে ক'লে, "বাবু, বৰল আপুনিয়েই জোকাই লৈছে। আপুনি বন্দুক নিচান কৰোঁতে আগহাতখনেদি খাগৰা এডাল সামৰি ললে, ওপৰত যে বাহখন আছিল মনকে নকৰিলে।"

সেয়ে এইখন কৰিলে।'' ইতিমধ্যে মই গলেদি পিঠিত সোমোৱা বৰল কেইটা বিচাৰি উলিয়াই পেলালো। বৰলে মোৰ কাণে মুখে গালে ইচ্ছামতে খালে। লগতে সোঁহাতৰ মুঠিৰপৰা কিলাকাণিলৈ খালে। সেইডোখৰ মুকলি হৈ আছিল। শেষত সুধিলো—পিছে বাঘটোৰ কি কৰা যায়। পৰশুৰামে হাত জোকাৰি কলে, "বাপ্পাৰে, বাবু তাক আৰ যাবা নোৰি। বাঘ আৰু বৰল একে।'' অগত্যা তেওঁৰ দিহামতে ওচৰতে কাকড়াৰ গাতা পাই তাৰে পেক্ আনি বৰলে খোৱা ঠায়ে ঠায়ে, গালে মুখে, হাতে গলে সানি ললো। প্ৰাকৃতিক চিকিৎসা, যদিও অনাদৃত হৈ আছে।

তেতিয়াহে বুজিলো পহু কেইটাই কিয় ম'হৰ পালত চৰিছিল আৰু কিয় চোং এৰি গুচি গ'ল। মই আশা এৰিয়েই দিলো। বৰ আক্ষেপ হ'ল মনত, কিয় আগধৰি নাহিলো। কথাতে কয়—'আহু আৰু পহু একে' অৰ্থাৎ আহুধান কোন মুহূৰ্তত পানীয়ে খাই পেলায় আৰু কোন মুহূৰ্তত পহুও নাইকিয়া হয় কব নোৱাৰি।

যি হক গুণি গাথি আগবাঢ়িলো। এতিয়া আমাৰ দুয়োফালে নল খাগৰিৰ হাবি, মাজে মাজে, ফাকে ফাকে আমি আগবাঢ়িছোঁ। হাবি ডাঠ পালে ম'হৰ থুৰে থুৰে বাট লৈছো। এনেতে অকস্মাতে আমাৰ সোঁহাতে গিৰিপকৈ উঠি হৰ-হৰকৈ বন ভাঙি যোৱা শব্দ পালো। পৰশুৰামে কলে, 'তিতাপাইনাৰ পালটো আছে।' মই সুধিলোঁ, 'তিতাপাইনাৰ পাল কি? লগৰীয়াই কলে, 'কম আহক'। ইতিমধ্যে পাঁচ ছয়টামান বনৰীয়া ম'হ আমাৰ আগেদি বেগাই গৈ এটা মৰা সুঁতি পাৰ হৈ যোৱা দেখিলোঁ। মই তৎক্ষণাত ম'হ যোৱা বাটেৰে সেই মৰা সুঁতিৰ পানীত নমাৰ উপক্ৰম কৰিলো। পৰশুৰামে সুধিলে 'নামে কিয়, পানী দ।' মই কলো, 'যাওঁ, ইহঁতকে পাৰো যদি এটাক বহুৱাওঁ।' পৰশুৰামে কলে, 'এঃ কিয় মাৰে, পেৰাটোৰ পৰা সঁচ ভাল হয়।' মই কলো, 'পেৰাটো লাগিলে নামাৰো, কিন্তু ভাল শিং থকা এটা পাৰো যদি বগাৰাও'

এই বুলি পানীত নামিলোৰেই। কেই মুহূৰ্তমান আগতে ম'হ-কেইটা তেনেকৈ পাৰ হৈ গৈছে। পানী পেটৰ ওপৰ হ'ল। জোক পোক নাই। সিপাৰ হৈয়েই ম'হকেইটা চকুত পৰিল কিন্তু সিমান দূৰত ৰাইফলৰ গুলীয়ে বিষমভাৱে খাইল নকৰিব যেন লাগিল। গতিকে ম'হ গৈছে বনৰ কাষেদি, আমি গৈছো একাষৰ মুকলি ভাগটোৰে। মাজে মাজে সিহঁতক চকুত পৰে, মাজে মাজে আঁৰ হয়। সিহঁত সংখ্যা ছটা। এটা প্ৰকাণ্ড পেৰা, তিনিজনী পেৰী, এটা বাছৰা, এটা কাৰা। সুন্দৰ নিপোটল, শিংবোৰ নো কি চাবা, কেনে সুগঢ়ী! আগবোৰ পোনপোনীয়া জোঙা, গুৰিবোৰ শকত। গলত শাখা। খোজবোৰ নিৰ্ভয়। চকু দাঙি চালে জীৱ উৰি যায়। ইয়ে জীয়া যমৰ চাৱনি।

কিয়া জানো, সেইদিনা পানীৰ তলৰ বাঘটোৰ ফাষ চপাৰ পিছৰপৰাই মনত ঘনে ঘনে সেইটোহে পৰি আছিল। তাৰ পিছত তিতা গাইনাৰ পালটো দেখিলো, ইহঁতেও মনটো অধিকাৰ কৰি পেলালে। মনটো লৈ গ'ল সুদৰ্শন সোণালী খটীয়া পহুৰ থপ্-থপীয়া গুৰুনিতম্বৰ ছবি, চকুৰ বেঁকা চাৱনি, বিস্মিত মুখভংগী, কাণৰ সজাগ ভংগীলৈ, কবই নোৱাৰিলোঁ। বৰ অন্য মনস্ক হৈ গলো। চিকাৰত তেনে হব নাপায়। চকু, কাণ, নাক তীক্ষ্ণ আৰু সচেতন, খোজ অংগী-ভংগী সাৱধান নিশব্দ হোৱাই বিধি। কিন্তু সেইবোৰ মই পাহৰি গলো। দেখিলো আমি এডোখৰ পাতল মৰিয়নিৰ মাজেদি যাব লাগিছোঁ। মোৰ মন গৈছে, কেনেবাকৈ ইহঁতৰে এটা মাৰি শিংযোৰ নিব পাৰিলে! বহাঘৰৰ কাঁথিৰ খুটাত লগাই থবলৈ ভাল হব। তাকে ভাবি অলপ অলপকৈ মোৰ খোজ বনৰ কাষ চাপি যাব ধৰিলে। শেষত গৈ ইমান ওচৰেই পালো যে তাৰপৰা ইচ্ছা কৰিলে, গুলীয়াবই পাৰি। এনে অৱস্থাত পৰশুৰামে মোৰ উদ্দেশ্য বুজিব নোৱাৰি ওঁঠটো টিপা মাৰি ধৰি টান সুহুৰি এটা মাৰি দিলে। ম'হ কেইটাই চক্‌খাই

লৰ মাৰিলে হাবিৰ ভিতৰলৈ। কিন্তু পেৰাটোৱে ফেৰ পাতি আগুৱাই আহিল। গুলীয়াবলৈ সোণালী সুযোগ। মনত পৰিল কালীনাগৰ কথাষাৰ "আকাশৰ চন্দ্ৰ সূৰ্য সবে হৈবা সাখী, চান্দোৰ পুতেক লখিন্দৰে মোৰ মুৰত মাৰে লাথি।" মোৰো তেনেকুৱাই হ'ল। মই এনেই সং উদ্দেশ্য লৈ গৈ আছোঁ। তিতাপাইনাৰ পেৰাই মোলৈ শিং পাতি আহে কি কাৰণত? গতিকে আৰু কথা নাই, তৎক্ষণাত ৰাইফল টোৱাই কপাল চাই দিলো ট্ৰিগাৰ টানি। কিন্তু ইকি! পেৰাটো বৰ বেছি পঞ্চাছ গজ দূৰত। ক'ত ঘাৰত ১০-১২ পাউণ্ডৰ খুন্দা প্ৰতিবোধ কৰিম গুৰুম শব্দেৰে বননি কঁপি যাব, সন্মুখৰ চিকাৰ হামকুৰি খাই পৰি মুৰ আফালি ধৰিব, মই দ্বিতীয় গুলীৰ সদ্ব্যৱহাৰ কৰিম, সেইবোৰ একো নাই। ধেহাতকৈ শব্দ এটাহে হ'ল। গুলী গৈ ম'হৰ ওচৰেই নাপালে। অথচ পেৰাই আৰু দুখোজ আগবাঢ়িহে আহিল। হতাশ নহৈ ইবাৰ দ্বিতীয় গুলীটো মাৰিলো। এইবাৰতো আৰু আচৰিত! গুলী নুফুটিলেই। দেখিলো পলায়নেই এতিয়া শ্ৰেষ্ঠ উপায়। পৰশুৰামে চট্‌গানেৰে মহটো খেদি দিব পাৰিলেহেঁতেন, নিদিলে। মাত্ৰ টোৱাই থাকিল। মই ৰাইফলটো ওপৰ মুৱাকৈ ধৰি কিছুপৰ ৰাখিলো। হয়তো কাৰ্টিজটোৱে দম লব পাৰে, পিছ মুহূৰ্ত্ততে ছুটি যাব পাৰে। দেখিলো যেতিয়া সেই ভয় নাই তেতিয়া বন্দুকটো নমাই গুলী উলিয়াই পেলালো। ইতিমধ্যে পেৰাটোৱে অলপ পাছুৱাই অলপ আগুৱাই আহে আৰু তেনে কৰি দুবাৰমান পিছত বনত সোমাই গ'ল।

তেতিয়াহে মোৰ ভাব আহিল ঈশ্বৰে বৰলজাক মেলি দি দয়াহে কৰিলে। যদি সেই দুৰ্বল গুলী বাঘৰ গাত লাগে আৰু একে জাঁপে আহি কামুৰি ধৰে, তেতিয়া কি হ'লহেঁতেন। সঁচা, সিদিনা ঈশ্বৰে যি কৰিলে ভালৰ কাৰণেই কৰিলে। এই কাৰ্যটিয়ে চিকাৰৰ যিকণ মনোবৃত্তি আছিল, সেইকণো উৰুৱাই

নিলে। অগত্যা বাথান পাওঁ পাওঁ মানে গল্প কৰিয়ে যাবৰ ইচ্ছা হ'ল। পৰশুৰামক সুধিলো "তিতাপানীৰ পাল বুলি তুমিনো কি কৈছিলাহে?" "পৰশুৰামে কলে, "সেইবোৰ বহুত কথা দিয়ক বাবু, আমিও শুনা কথাহে।" ইয়াবপৰা কিছুদূৰত বেঁকীৰ সিপাৰে তিতাপানী নামে এখন গাঁও এতিয়াও আছে। এতিয়া তাত আমাৰ মানুহ নাই। তাত অলেখ চৰুৰাৰ ঘৰ। সেই নামে এখন মৌজাও হৈছে। বহু বছৰ আগতে, সেই ডাঙৰ ভূমিকম্পৰ আগতে (বোধহয় ১৮৯৬ চন) তাত ডাঙৰ হিন্দু গাঁও আছিল আৰু এঘৰ বৰ প্ৰবল মানুহ আছিল। মানুহে তেওঁক তিতাপানীয়া চৌধুৰী বুলিছিল। এই তিতাপানীয়াৰ হাতীৰ পিলখানাত হাতী, ঘোঁৰা শালত ঘোঁৰা, গৰুৰ খুটি, ম'হৰ বাথান, বন্দাই-বান্দীয়ে, মাটিয়ে-বাৰীয়ে অন্ত নাই। কেবাটাও সমৰ্থ পুতেক বোৱাৰীয়েক, ধান ভঁড়ালে গোটেইখন জয় জয় ময় ময়। চৌধুৰী মহা ভোগী পুৰুষ। খাও বুলিলে পাকঘৰৰ মজিয়াৰেই কাৰৈ মাছ ওলাই আহে। (ভাবিলো সেইদিনৰ কাৰৈ মাছ একোটা বা কিমানটো আছিল ঐ)। বান্ধনীয়ে চৌধুৰীৰ ভাতৰ চাউলত ইচ্ছা কৰিয়েই দুই চাৰটা ধান এৰে। খাবৰ পৰত তেওঁ ভাতত দুই চাৰিটা ধান পাই আপত্তি কৰে—ধানে সৈতে চাউল বহাইছা কিয়? ওচৰতে গিৰথিনি পাগৰ পলিৰ দুৱাৰেদি কাণ-দাবিয়াকৈ ওলাই ৰঙা ওৰণিখন লৈ কব—'খং নকৰিব, খাবৰ পৰত ঘৰৰ মুৰিমানুহ জনে ধান ধান বুলিলে বোলে আই মহালক্ষ্মী সন্তুষ্ট হয়।' তেওঁৰ ঘৰৰ আগেদি যদি কোনোবাই বিয়া কৰাই নাজানি দোলাত্তকৈ কইনা লৈ যায় তেন্তে মহা অপৰাধ। তেওঁ মানুহ লগাইদি কইনাজনী তেওঁৰ হদত সুমুৱাই আটক কৰি থব। অসহায় কইনা জনীয়ে কি কৰিব, কান্দি কাটি হৰুলি জুৰুলি। অৱশ্যে তেতিয়া সৰু সৰু ছোৱালীয়ে কইনাৰ ভাত দিব লগা নিয়ম আছিল। শেষত বিপাঙত পৰা বৰ পক্ষই সৈমান হৈ ভুল স্বীকাৰ কৰি ক্ষমা

খুজিলেহে ৰক্ষা। তেতিয়া ঘৰৰ বেটী ৰোৱাৰী প্ৰমুখ্যে মহিলা সকলোৱে আগুৰি গীত পদ গাই, উৰুলি জোকাৰ দি, তামোল-পাণে, কলে-গাখীৰে, কাপোৰে-কানিয়ে উপহাৰ দি কইনাক বিদাই দিব। এনেকুৱাই আছিল তেতিয়াৰ দিন আৰু তিতাপানীৰ চৌধুৰীৰ ঘৰ।

সেই চৌধুৰীৰ বিবাট ম'হৰ পালৰ চেৰা এই কেইটা ম'হ। আমি দেখাতে বহুতকেইটা আছিল কিন্ত কি হব, চৰুৱা মৰুৱা, দুৰ্গাপুৰীয়া এইবোৰে মাৰি মাৰি খাই এই কেইটাত পেলাইছে। চৰকাৰে বনৰ পহু মাৰিলে দায় ধৰে। কিন্তু এই হেন ম'হবোৰ মাৰি মাৰি নোহোৱা কৰিলে একো নকৰে। ইহঁতৰ পোৱালি বোৰ যে কি সুন্দৰ হয়। চৰকাৰে ম'হৰ জাত ভাল কৰিবলৈ পশ্চিমৰপৰা জাত আনে, পেৰা আনে। কিন্তু ঠাইৰ জাতটোক মাৰি নোহোৱা কৰিব দিলে। পশ্চিমৰ ম'হে, দিব বহু বহু গাখীৰ, ৰকমে ৰকমে ঘাঁহ দানা খুৱালে। পিছত দুবছৰতে মৰিব থাকে। গোটেইবোৰ বেমাৰৰ বাহা। কিন্তু ইবোৰৰ বেমাৰ নাই। অথাই পানীত ডুবিয়াই হলেও ঘাঁহ-খাৰ আদি খাই থাকে।

তাৰ পিছত কি হ'ল শুনক। তেওঁৰ বাথানাৰ এজন গুৱাল আছিল। তাৰ দৰমহা নাছিল। তেতিয়া টকাৰ দৰমহা নাছিল বুলিবই লাগে। পাৰিয়ালে সৈতে খাব পিন্ধিব পাইছিল, সিমানেই। তাৰ ওপৰত চৌধুৰীয়ে সন্তুষ্ট হৈ তাক দুটা দুৱেনী পেৰী পালৰপৰা বাছি নিব দিম বুলিছিল। কাৰণ গুৱালজনে যেনে ম'হৰ তদাৰক জানিছিল তেনে দাৰু পাতি মন্ত্ৰ-তন্ত্ৰতো পটু আছিল।

কিন্তু শেষত যেতিয়া গুৱালে বাছি বিচাৰি সি দুজনী খুজিলে চৌধুৰীয়ে হেহে৷ নেহে৷ কৰিব ধৰিলে। সেই দুজনীয়ে পালৰ ৰাণী ম'হ। শেষত তেওঁ নিদিয়াই হ'ল। আইন দুটা কিয় তিনিটাকে খোজক তেওঁ দিব। কিন্তু সেই দুটা দিব নোৱাৰে। তেতিয়া বৰ গুৱালে চৌধুৰীৰ পালৰ পৰা এৰা দিলে। কিন্তু

বৰ গুৱাল নহলে সেইজাক কাচৰক বশ কৰি ৰাখিব কোনে? তাকেই দেখা হ'ল। অইন বৰ গুৱাল আহিল কিন্তু কাবো সাধ্য নহ'ল। সেইজাক জীয়া যমক কথা শুনাব। কাষকে চাপিব নোৱাবে। সিহঁতে নামানেই। এনেকৈয়ে ম'হপাল বনৰীয়া হৈ গ'ল। মানুহে কয় বব গুৱালে মন্ত্র কবি বাথানখন বনবীয়া কৰি দিলে।

লাহে লাহে চৌধুৰীৰ দিন বেয়া হৈ আহিল। অভিমানব কাৰণে বৰ গুৱালৰো কাষ চাপিব নোৱাৰিলে। এনেকৈয়ে গোটেই গৃহস্থালীখন পানী উঠি গ'ল। তেতিয়াৰপৰা পালখন এই অঞ্চলত অনাই বনাই ঘূৰি থাকে। সিহঁতে মাজে মাজে মানুহৰ খেতিও খায়, মানুহেও সিহঁতৰ মাংস খায়।

এইবোব কথা হৈ যোৱাব পিছেতই ভূমিকম্পই পূৰে কাৰেমাৰিৰ টুপ, ঠেকাৰপৰা পশ্চিমে তিতাপানী, নয়নবাবী, বঙাপানী, কণৰা, ডঙৰা আদি কৰি গোটেই অঞ্চল দ কবি বহুৱাই দিলে। গাঁওবোৰ ভাঙিব ধৰিলে। তাব পিছতেই আহিল নানা বেমাব আদি। বহু মানুহ মবি শেষ হ'ল। বাকীবোৰ নানান ফালে চিটিকি গ'ল। বছৰে বছৰে বানপানীব উপদ্রৱ হবলৈ ধৰিলে। শেষত জংগল উঠি বন্য জন্তু, চৰাই চিৰিকতিৰ আবাস ভূমি হৈ পৰিল। পুৰণি ৰাইফলৰ গুলী কেইটাই আজি বৰ কাম দিলে। মইতো হত্যাৰ আনন্দত আজি এনেহেন প্রাচীন সম্পদ এটা অনাহকত মাৰি পেলাব, নহলেতো ঘৃণীয়া কৰিবই খুজিছিলো। কি যে আক্ষেপৰ কথা হলহেঁতেন তেতিয়া। আজিও বোলে ম'হ কেইটাই তিতা-পানীব চৌধুৰীৰ নামত সৈমান হয়। কোনোবাই খেদিবব সময়ত যদি কয়, "ঐ তিতাপানীৰ মুইহু, যা ভালক ভালে" ম'হপাল বোলে গুচি যায়। কিন্তু যদি তিতাপানীয়াক গালি পাবে ম'হজাকে খেদি খেদি আহে। জন বিশ্বাস। মই শুনা কথাহে। তথাপি যদি বিশ্বাস কৰিলেহেঁতন।

তিতাপানীৰ কথাই মোৰ মনটো অলপমান ভিজাই পেলাইছিল। সেয়ে সেই বিস্মৃতিৰ গৰ্ভত লীন যোৱা চৌধুৰীৰ কাহিনী এটা মনতে ভাঁহি উঠিল। যদিও চিকাৰৰ সম্পৰ্ক একো নাই মোৰ বোধ হ'ল, সেই বৰলোকজনৰ কথা আজি যেন সন্ধিয়া আকাশৰ উদাসীন বতাহত মাজে মাজে উপচি যায়। অতীতে যেন বিনাই উঠে।

তিতাপানীৰ চৌধুৰীৰ ( সম্ভৱতঃ তেওঁ বৃটিছ যুগৰ মানুহ ) একেজনী ছোৱালী আছিল। ভায়েৰ কেৰাজনো। ছোৱালীজনীৰ লাহে লাহে বিয়াৰ বয়স হ'ল। হয়তো ন বছৰ বা দহ বছৰ। সমান ঘৰত বৰ বিচাৰিব লাগিল। কিন্তু সমস্যা হ'ল তিতাপানীৰ সমকক্ষ বৰ-ঘৰ সহজে মিলে ক'ত? বংশ গৌৰৱ হয়তো আছে, কিন্তু ধন সম্পদৰ বেলিকা। ধন সম্পদ হয়তো আছে কিন্তু পুৰণি ঘৰ নহয়। নতুবা কোনোবা পুৰুষত পিতৃ পক্ষত চেকা আছে। চৌধুৰী মহা নিৰুপায়ত পৰিল। তেওঁৰ দৰে নৰ ব্যাঘ্ৰ পুৰুষ দ্বিতীয় কাকো দেখা নাপালে। বহুত গুণাগথাৰ পিছত তেওঁ বৰপেটীয়া চৌধুৰীৰ পুতেকক জোঁৱাই নিৰ্বাচন কৰিলে। সকলো ফালেদি উপযুক্ত হলেও তিতাপানীয়া চৌধুৰীৰ দৰে অখণ্ড প্ৰতাপী নহয়। মহকুমাত চৰকাৰৰ চকুৰ আগতে তিতা-পানীৰ দৰে ক্ষমতা প্ৰকাশ কৰিবৰ থল ক'ত! কিন্তু উপায় নাই ছোৱালীৰ বয়সতো ঢাকি ৰাখিব নোৱাৰি। দিনবাৰ চোৱা-চিন্তা সকলো ঠিক হ'ল। কিন্তু হঠাতে নাৰদ নামিল। চৌধুৰীৰ ডাঙৰ পুতেকৰ মন ঘূৰি গ'ল। তেওঁ ঘোৰ আপত্তি তুলিলে। চৌধুৰী মহা অসুবিধাত পৰিল। আঙুঠি পিন্ধোৱা হৈছে, কথা দিয়া হৈছে, দিন ঠিক কৰা হৈছে, মানুহক নিমন্ত্ৰণ দিয়া হৈছে। কিন্তু বৰ বোপা অচল অটল। অইন কেইজন পুতেক সম্মত হৈছে। কিন্তু বুকুৱাৰীৰক কেৰে লৰাব পৰা নাই। তেওঁ কৈছে মই এই ভিঠাভ থাকোঁতে কোন বৰপেটীয়া চৌধুৰীৰ পুতেক

সৰুমালাৰ কাষ চাপে মই চাম। মহা অভিমানী চৌধুৰীয়ে আজি কোন মুখেদি কথা ঘুৰায়। কিন্তু এনে ক্ষেত্ৰত কোনোৰে বহিতো থাকিব নোৱাৰে। বিয়াৰ আয়োজন হৈ থাকিল। বুকুমনীৰ নিৰ্লিপ্ত সকলোতে। বৰপেটাত এই বাতৰি কোনোৰে পোৱা নাই। আজিকালিৰ দৰে পকা আলিৰ সুবিধাতো নাই তেতিয়া। বিয়াৰ তাৰিখ আহি পালে। বুকুমনীৰ বোহঘৰত পৰিল। সাত পুৰুষীয়া শৰাধ হৈ আছে। অধিবাস হ'ল। বিয়াৰ কোনো আয়োজন বাদ নপৰিল। অভ্যাগতৰ জলযোগ যথাযোগ্যভাৱে হৈ থাকিল। চৌধুৰীৰ মুখত কোনোৰে ভাবান্তৰ লক্ষ নকৰিলে। শেষত পানী তুলিবলৈ গ'ল আয়তীসকল, কইনাক গা ধুওৱা হ'ল। কিন্তু কোনোৰে ভাবিব পৰা নাই ইয়াৰ পিছত কি!

ইফালে তিতপানী আৰু বৰপেটাৰ মাজমান বাটত বিষম কাণ্ড। হাতীয়ে মানুহে জোৰে ঢোলে সভাৰ থলী যেন হৈছে। বৰ পক্ষ আহি পাইছে। বিধিমতে হেঙাৰ ধৰা হ'ল। হেঙাৰ ধৰাসকলৰ মান একোপধ্যে নাভাঙে। তামোল-পাণে, ভাৰে-ভেটীয়ে শোধোৱা হ'ল। গোলমালত কাৰো কথা কোনোৰে নুশুনে। মাজে মাজে বোধহয় যেন হ'লেই হতাহতি। কিন্তু নাই, আকৌ কথাৰ সুৰ নামি আহে। এইখন খেলিমেলি চলি আছে। এনেতে দূৰত তিতাপানীৰ ফালৰপৰা ছৰিবাৰিৰ মূৰত প্ৰকাণ্ড জোৰা মহলা বান্ধি হাতী এটা আৰু কেইটামান হাতীৰ লগে লগে কিছু মানুহ আহিব লাগিছে। বৰ পক্ষই দেখি প্ৰমাদ গণিলে। হেঙাৰ ধৰা আচলতে ইমান পৰ থাকিব নালাগিছিল। কিয় এনে হৈছে। আৰু বা কি হয় এতিয়া। সকলো নিমাত হৈ ৰ'ল। নতুন সমদল আহি ওচৰ পালে। দেখা গ'ল সুগন্ধিত যোৰ হাতীৰ পিঠিত চাৰিওফালে জলম লগোৱা চিক্‌মিকীয়া ৰালিচন্দা খটোৱা দোলা-জাপিৰ তলত সাত্বিক সাজ-পোছাকে সৈতে গাৰুত আউজি বহি আছে মহা মান্যৱন্ত তিতাপানী চৌধুৰী আৰু তেওঁৰ কোলাত

বহুৰাই হাতেৰে আগুৰি ধৰি আছে বিয়াৰ সাজেৰে সুসজ্জিত আলংকৃতা কইনাজনী তেওঁৰ একমাত্ৰ জীয়েকজনী। চৌধুৰীৰ এই কৌশল মুৰামুৰি সময়ত মাত্ৰ জানিছিল চৌধুৰীয়নীহে। কইনাৰ মোমায়েক আৰু বাকী সকলে মাত্ৰ তেওঁৰ কথামতেহে কাম কৰি আছিল। কাৰো মুখত কথা নাই। হুলস্হুলীয়া দৃশ্য এটা হঠাতে এখন ছবি যেন হৈ গ'ল। তৎক্ষণাত হেঙাৰ উঠি গ'ল। সকলোৱে হৰিধ্বনি দি উঠিল। চৌধুৰীৰ হাতৰ ইংগিতত এই বিৰাট সমদল বৰপেটা অভিমুখে যাব ধৰিলে। বহুত ৰাতি হোৱাত চৌধুৰীয়ে বৰঘৰীয়াৰ চোতালত বিধি ব্যৱহাৰে কইনা সম্প্ৰদান কৰিলে। কোনেকৈ কি হ'ল একো তৰ্কিবকে নোৱাৰিলে। সন্ধিৰ বাঁহ বুধিৰে কটা গ'ল।

ৰাতি বৰবোপাৰ বোৱাৰীয়ে গিৰিয়েকক কিবা অলপ খুৱাবলৈ গৈ কথাৰ চলতে বুজাব ধৰিলে, "চাওঁক, নিজৰ ভনীয়েকৰ মংগল অমংগল আৰু ভবিষ্যত ভাল বেয়া সকলোৱে চিন্তা কৰিব লাগে। আপুনিও তাকে কৰি উচিত কামকে কৰিছে। প্ৰথমে আপুনি একো বেয়া বোলা নাই। সকলো কথা হৈ যোৱাৰ পিছতহে আপুনি অমত কৰিলে। অথচ আপোনাতকৈ যিসকল বেছি জ্ঞানী মাইচানাৰ ভালৰ কাৰণে আপোনাতকৈ কম নুবুজে, তেওঁলোকে শহুৰ শাহু আৰু বাপুসকলকে আদি কৰি কোনোৱে মত সলোৱা নাই। এনে কথাত আপুনি অকলে এনেকৈ নাখাই নবৈ খং কৰি থাকিলে ভাল হবনে? বিয়া এখনৰ কৰিবলগীয়া কামতো সকলো হৈ গৈছে। বাকী মাত্ৰ বৰ বৰণ আৰু সম্প্ৰদান। মাইচানাই কম দুখ পাইছেনে আজি? শহুৰৰ মান ক'ত ৰ'ল। আপোনাৰো দুৰ্নাম হ'ল আৰু মাইচানাৰো কিবা দোষ থকা বুলি কোৱাৰ বাট ওলাল। ভাবিছেনে মাইচানাক বিয়া দিয়াটো সহজ হব আৰু? বৰ পক্ষই লাগিলে আজিয়ে কইনা এজনী বিচাৰি পাব। কিন্তু আমি মাইচানাৰ উপযুক্ত বৰ এটা বিচাৰি পাম নে? ল'ৰাই

দুবছৰ বাট চাব পাৰে, ছোৱালীয়ে নোৱাৰে।" বৰবোপা গিৰিপ কৰে উঠিল, "তেন্তে উপায় ?" বোপাৰ বোৱাৰীয়ে ক'লে, "উপায় ঈশ্বৰে কৰিব, আপুনি এতিয়া অলপ কিবা মুখত দি সুস্থ হওঁক। তোমালোকেনো মোক এই কথা আগেয়ে কোৱা নাছিলা কিয় ?" "মোৰ কথাতহে আপুনি ঘুৰিল হয়নে ?" ৰবোপাই তৎক্ষনাত বিছনাৰপৰা উঠি গৈ দুটা ঘোঁৰা সজাব দি লগত এজন মানুহ ওলাব কৈ আহিল। বোবাৰীয়ে এই ৰাতি ঘোঁৰা কিয় লাগে বুলি সুধিলে। বুকুমবীৰে কলে, "যদি তেওঁলোকে ইয়াৰ কথা জানি বৰ সাজি নাহে, তেন্তে ?" সেয়ে মই নিজে যাব লাগে। "বোৱাৰীয়ে ক'লে," এই ৰাতিখন ইমানদুৰ আপুনি যোৱাৰ সকাম নাই। তেওঁলোকেও একো গম নাপাব, কিন্তু তেলব ভাৰত যদি কিবা শুনি গৈছে ?" যাওক ঈশ্বৰৰ কাম ঈশ্বৰে কৰিব। উত্তৰত ভেকাহি মাৰি গিৰিয়েকে কলে, "পাছত মাত দি নুঠিবাচোন ঈশ্বৰক এওঁ বান্ধি থৈছে, এওঁৰ কথা মতেহে চলিব।" তেওঁ আৰু পলম নকৰিলে। অলপ কিবা মুখত দিলেনে নাই, পদুলিমুখত ঘোঁৰা সজোৱা আছিল, এজন লগৰীয়াৰে সৈতে পবন সঞ্চাৰে দুয়ো ছুটি গ'ল।

সন্ধিৰ বাঁহ সুকলমে বাগৰি পৰিল। ইমান পৰে মই কিবা কল্পনাৰ ৰাজ্যত চৰি আছিলো বোধহয়। আকাশৰ তৰা আৰু হাবিৰ মাজেদি দেখা অস্তগামী সূৰ্য ৰশ্মি মোৰ চকুত পৰিব পৰা নাছিল। মই আপোন মনে বাথান মুখেহে গৈ আছিলো, সেই অভিমানৰ উদ্দেশ্য পাহৰি।

পৰশুৰামে ক'লে, "বাবু, আহক ঘুৰি, এই জংগলখিনিৰ কথাটো চাই যাওঁ।" মোৰ মনৰ খক্‌খকীয়া ধাবটো তেতিয়া আৰু পৰি গৈছে। মই লাহেকৈ ক'লো, "বাবু, বলা তেনেহলে।" দুয়ো সেইপিনে বাট ললো। পোৱা মাইলমান গৈছোঁহে, সমুখত হাবিৰ মাজত এডোখৰ মুকলি ঠাই, জংগল আঠুমান হব, কঁাহিবনো

হব পাৰে। খাগৰিৰ কোমল গজালিও হব পাৰে, আমাৰ সোঁহাতে শুনিলো খুচ খুচ কৰি কিবা জন্তুৱে বন ভঙা শব্দ। দুয়ো ঠাইতে ঘাঁহৰ তলত বহি মূৰ লুকুৱালো। দুই মিনিটো নহ'ল, লাহেকৈ হাবিৰ কাণেদি ভুমুকি মাৰিলে এটা সৰুকৈ গজলীয়া খটীয়া পহু। আৰু অলপ ৰলোঁ, পহুটো ইবাৰ আধামানলৈ ওলাই আহিল। পৰশুৰামে মোলৈ চালে, অৰ্থ, আপুনি গুলীয়াব খোজে নেকি? মই জানো চিকাৰত পৰাপক্ষত বন্দুক ধৰিব জনা মানুহে বন্দুকটো আনক এৰি দিব মন নকৰে। মই পৰশুৰামক চকুৰ ইংগিতেদি বুজালো, তুমিয়ে মাৰা। পৰশুৰামৰ হাতক মই সন্দেহ নকৰো। আৰু মোৰো মন তিতাপানীৰ উপন্যাসৰ ৰাজ্যত বিচৰণ কৰি আছে। বন্দুকৰ শব্দৰ লগে লগে পহুটো জাঁপ মাৰি উঠি ধপাচ্‌কৈ মাটিত পৰিল আৰু ঠেং আছাৰিব ধৰিলে। দুয়ো লৰি আহি ওচৰ পালোঁ।

সূৰ্য মাৰ গলেই। বাথান বৰ বেছি দূৰত নাই। দুয়োৰে হাতে হাতে বন্দুক। আকলে পহুটো নিবলৈ টান হয়। অগত্যা গাত গা লগাই থিয় হৈ পহুটো দুয়োৰে কান্ধত সমানে তুলি ললোঁ। মই ললোঁ পাছৰ ভাগটো, পৰশুৰামে ললে আগ ভাগটো। লৈ লাহে ধীৰে খোজ দি সাজে মধ্যমে বাথান ওলালোঁ। পিঠিৰ বোজাটো তিতাপানীৰ কাহিনীবোৰে পাতলাই আনিছিল কিন্তু।

মহীপাল যোৰাৰ পিছৰেপৰা তিতাপানীয়া চৌধুৰীৰ দিন বেয়া হৈ আহিল। দিক্‌পাল যেন পুতেক বিলাকৰ এজন এজনকৈ মৃত্যু হ'ল। চাকৰৰ অভাৱত মাটিবোৰ চন পৰিব ধৰিলে। হাতী কেইটাৰ কোনোটো মৰিল, কোনোটো ধাৰত গ'ল। বিপুল গৃহস্থালী দুই এবছৰতে খাস্তাং হ'ল। শেষত এজনী বোৱাৰীয়েক আৰু এটি মাত্ৰ পুত্ৰ সন্তানক বৰপেটীয়া চৌধুৰীয়ে

লৈ আহিল। তেৱেঁই আছিল সেই অভূতপূৰ্ব বিয়া খনৰ বৰ। এই লেখকৰ নিকটতম ভাগী, সম্পৰ্কত জেঠা। এই তিতাপানীৰ বংশধৰ জনৰ নাতিসকল এতিয়াও বৰপেটাত বৰ্তমান আৰু তেখেতসকলৰ বংশধৰ সকলে এই ম'হৰ অৱশিষ্ট কেইটাৰ খবৰ পোৱা নাই বোধহয় এতিয়া নিশ্চিহ্ন হৈ গ'ল নতুবা অভয়াৰণ্যত নহলেও মোৰ মানস বনত কিন্তু আছেই।

ইয়াৰ বহুদিন পিছত এদিন ৰঙাপানীলৈ যাওঁতে বাটত সেই তিতাপানীৰ ভিটা পাইছিলোঁ। সেইবোৰত এতিয়া বৰুৱাৰ বিপুল খেতি। □

# পাঠশালাত চিকাৰৰ স্মৃতি

অকল মোৰেই নে আনবো হয় কব নোৱাৰোঁ, এসময়ত মোব জীৱনটো গুৰি বঠা ভাঙি যোৱা নাৱৰ দৰে হৈ পৰিল। তেনে সময়তে বোধহয় ১৯২৯ চনত বজালী হাইস্কুলত সহকাৰী হেড্মাষ্টৰৰ বাব লৈ পাঠশালাত থাকিবলৈ আহিলোঁ। সেই সময়ত দেশৰ অৱস্থা বৰ বেয়া, ঘোৰ অৰ্থ সংকটত পাঠশালা এখন বিধ্বস্ত নগৰ যেন হৈ গৈছিল। আগৰ ধানৰ গুদাম আৰু গাদীবোৰত মানুহ-দুনুহ নাছিল, সুবিধা মতে যাৰ ইচ্ছা থাকিব পাৰে। ধানৰ কাববাব একমাত্ৰ ৺কাশীনাথ দাসৰেই তেতিয়া একপ্ৰকাৰ ভালকৈ চলি আছিল। ময়ো তেওঁৰ ওচৰতে ঘৰ এটাত থাকিবলৈ ললোঁ।

স্কুলব অৱস্থা একো নাই, লগ-সংগও বৰ কম। বেছিভাগ সময় যায় ৺কাশীনাথ দাসব দোকানত, খোৱাও বহুত সময়ত তাতেই হয়। লগ সংগও গোট খায় তাতেই। দুই চাৰিদিনব পিছত দেখিলো তামোলৰ বাৰীবিলাকত যথেষ্ট বনকুকুৰাৰ বাহ। চোতালৰ কাষৰে ধানখেৰৰ পুঁজিত ঘুলি পকাই থাকে, চোতালত মেলি দিয়া ধান খায়, খেদা মাৰিলে উৰা মাৰি পাগঘৰৰ লগালগি বাঁহত বহেগৈ, মানুহক ভয়েই নকৰে, বৰং কব গলে, মানুহেহে ভয় কৰে। বাস্তৱত সিহঁতব চুৰাই সংক্ৰমিত হয় বুলি দুবে দুবেহে থাকে। কথাতো সিহঁতব জাতিটোৰ উল্লেখ নকৰে যেনেকৈ আজিকালি বহুতে জাতিটো প্ৰকাশ কৰিব কব নোখোজে। সিহঁতক বৈৰ বুলিহে বুজায়।

মই দেখিলোঁ, পইচা দি মাছ কিনি খোৱাতকৈ বাৰীবিলাকব ফালে একোটা পুৰা-গধূলি পাক মাৰিলে এটা বা দুটা সুন্দৰ চৰাই গোটাব পাৰি। প্ৰথমে আৰম্ভ কৰিলো চোখুটিব পিনে। দেখিলোঁ

চিকাৰৰ আনন্দ পূৰামাত্ৰাই। অতি অলপ আয়াসতে এটা বা দুটা চৰাই পোৱা হয়, তাৰে এটা মানুহৰ প্ৰয়োজন সুন্দৰকৈ চলি যায়। চৰাইবোৰ দেখি মোৰ প্ৰথমতে ধাৰণা হৈছিল, সেইবোৰ পোহনীয়া, কিন্তু পিছত দেখিলোঁ। সেইবোৰেই মই বিচাৰি ফুৰা আনন্দৰ সম্ভাৰ। যেতিয়া এইটো জনাজনি হৈ গ'ল যে, 'নতুন যে মাষ্টৰ-বাবু আহিছে, তেওঁ সৰ্বভক্ষ, ইফালে বামুণো বোলে, কি হ'ল দিনকাল।' কাৰণ সেই সময়ত মোৰ বন্ধু শ্ৰীগৰ্গ শৰ্মাই ৰহস্য কৰি মোক তেওঁৰ ৰিজাৰ্ভত থকা এদাল নবগুণ আৰু সাবিত্ৰী গ্ৰন্থিযুক্ত লগুণ পিন্ধাই বামুণ ৰূপ দি থৈছিল। বহুসময়ত মই শুদা গাৰেই বাহি এটা যঁতৰত সূতা কাটি থাকিছিলোঁ, তাকে দেখি নিচিনা মানুহে ধৰি লৈছিল মোক বামুণ বুলি, অথচ মই যে নীলবৰ্ণ শৃগাল কোনোৱে সন্দেহ নকৰিছিল। এই কাৰণেই কেতিয়াবা কোনো কোনোৱে, মই বন্দুক লৈ ওলালে বাটত জনান্তিকে কৈ মোৰ গতি নিৰ্দেশ কৰি দিয়ে, 'সেই অমুকাথেৰ বাৰীত ৰাজহাঁহ যেন একোটা আছে আটাহত কাণ ফালে।' মই একো নুসুধি মুখৰ ফালে চালেই আঙুলিয়াই দেখুৱাই দি হয়তো কয়, 'সেই ওখ গছজোপাৰ তলেদি গলেই আগতে ওলাব ৰঙা-চিঙা পৰি' ইত্যাদি। মই আৰু কষ্ট কৰি অনাই-বনাই ফুৰিব নালাগে। অলপ সময়ৰ ভিতৰতে ঘূৰি আহিব পাৰোঁ। লাহে লাহে গোটেই পাঠশালা অঞ্চল জুৰি মোৰ বনা কুক্কুট ভোজনৰ কথা ওলাই গ'ল। সমাজৰ বিপৰীতে ধনী বুলি বোধহয় কমেইহে নাক কোঁচাইছিল কাৰণ কুকুৰাবোৰে বাৰীত অবাধে বসতি কৰি বংশ বৃদ্ধি কৰি, চোতাল, পাগঘৰৰ মুধা আদিলৈ উঠা-নমা কৰি প্ৰচলিত সংস্কাৰত আঘাত দিয়াতো কোনোৱে ভাল চকুৰে নাচাইছিল। তদুপৰি আহিন-কাতি মাহত তামোল-পাণৰ গুৰিত গোবৰ দিলে সেইবোৰ ভাৰিৰে খিচৰি জৰ্বলি ছিটিছন কৰি পেলাইছিল। অথচ এইবোৰৰ প্ৰতিবিধানৰ উপায় কমেইহে আছিল। একমাত্ৰ

উপায় আছিল, কেতিয়াবা বাৰীত কুকুৰাই উমনি লৈ থকা দেখিলে ওচৰৰ মুছলমান গাঁৱত খবৰ দিয়ে, আৰু কোনোবা এজনে আহি আছৰাজাল মাৰি মৰমৰ কুকুৰাজনী কণীৰে সৈতে ধৰি লৈ যায়। অৱশ্যে দুই এজনে যে বন্দুকৰ সাহায্যও নলৈছিল তেনেও নহয়। মোৰ এজন 'মামাৰ এটা একনলীয়া কাৰ্টুচৰালা বন্দুক আছিল। তেওঁৰ গাঁৱৰ দুজনমান কলেজীয়া ডেকাক অনুগ্ৰহীত কৰিবলৈ বাৰীৰ ভিতৰতে গুলীয়াই মাৰি দিছিল এইমাত্ৰ, নহলে তেওঁ সেইবোৰ নুচুইছিলেই। যিহ'ক যদিও পখী-ভোজনত মোৰ খ্যাতি হৈছিল, তথাপি মই সেইবোৰ অনা সাধাৰণতে কোনোৱে নেদেখি-ছিলেই! বাৰীত চৰাইটো মাৰি এখন গামোছাত বান্ধি কঁকালত মেৰাই লওঁ। চৰাইটো লওঁ পিঠিৰ ফালে, তাৰো ওপৰত থাকে কামিজৰ নামি থকা পাছ ডোখৰ। চাইকেলত উঠিলে বতাহৰ কোবত সেইডোখৰ ফুলি উঠে, গতিকে তলত থকা চৰাইৰ টোপোলাটো লোকৰ চকুত নপৰিবৰেই কথা। এইবোৰ অভিযান হয় শনিবাৰ-ৰবিবাৰে, কোনো বন্ধৰ দিন আদিতো ই চলিছিল। মোৰ লগত মাজে মাজে খাবলৈ বহিছিল পাঠশালাৰ দুই এজন বন্ধু, লগৰীয়া শিক্ষক ভুবন দাস, আৰু কোনোবা আহিছিল নেকি পাহৰিলো। তেতিয়া পাঠশালাত মাংস নোখোৱা অভিযান এটা চলিছিল। এইটো সমাজৰ নেতৃস্থানীয় সকলৰ মাজত। কিন্তু তাৰে মাজৰপৰাও মই এজন সংগোপনে ভকত কৰি লৈছিলো। ৰামনাথ শৰ্মা ঘোৰ নৈষ্ঠিক আছিল, তেওঁক কোনোমতে ভাত খুৱাব নোৱাৰিলোঁ। কিন্তু বন্ধুবৰ ৰত্ন তালুক-দাৰৰ লগত মই একে গুৰুৰ শিচ আছিলো। তেওঁ মোতকৈ বহু বিষয়ত আগবঢ়া আছিল। কিন্তু তথাপি তেওঁৰ শুদ্ধাচাৰী ককায়েকে হেনো তেওঁলৈ নিৰ্দেশ দিছিল 'মাষ্টৰ বাবু'ৰ লগত খোৱা লোৱা নক'ৰিবলৈ। বন্ধুবৰে কিন্তু সেইমতে নচলিছিল। সমাজৰ সেই সময়ৰ মুখ্য নেতা সন্তৰাম চৌধুৰী, নৰেশ্বৰ শৰ্মাই

দেখিও নেদেখিছিল সেইবোৰ। বেদান্তবাগীশ ডাঙৰীয়াৰ মনোভাব মই জানিবৰ সুযোগ নহৈছিল। পূৰ্ণানন্দ চৌধুৰীক কোনোৱে বোলে মোৰ কথা কৈছিল, তেওঁ ক'লে, যেয়ে গছত উঠে সেয়ে নামিবৰ বাটটো নাজানি থাকেনে? মাষ্টৰবো তেনেকৈ কিবা যুক্তি আছে হয়তো।'

এইবিলাকতো বাহিৰৰ কথা। আন এটা ফালৰ পৰা বাধা আহিল ডাঙৰ। চৌধুৰীপাৰা মোৰ মামাহঁতৰ গাঁও। তাৰপৰা জনোৱা শুনিলো, মই যেন সেইবোৰ বাৰীত নোসোমাওঁ, মানুহে তেওঁলোকক নিন্দা কৰে। আৰু এটা গুৰুতৰ বাধা অনুভৱ কৰিলোঁ। মই তালৈ গলেই সাধাৰণতঃ কিঞ্চিত চিৰাৰ জলপান গ্ৰহণ কৰো। এদিন মামা এজনৰ পুতেক এটাই হঠাতে কৈ পেলালে মোৰ চিৰা খোৱা বাতিটো ধুই মামাৰ জীয়েক এজনীয়ে বোলে গা ধুইছে। কাৰণ, মই খাদ্যাখাদ্য বিচাৰ বিহীন দুৰাচাৰ। মই খুব হাঁহি কথাটো উপভোগ কৰিলোঁ। আৰু কেতিয়াবা তালৈ গলে ধেমালি কৰি সেই ভনীজনীক সেই গা-ধোৱা কথাটো কৈ ৰহস্য কৰিছিলোঁ। অৱশ্যে জলপান গ্ৰহণ কৰাত ত্ৰুটি নকৰিছিলোঁ।

এবাৰ বজালীত চিকাৰ কৰা চৰাই কেইটামান বৰপেটালৈ নি তাত মোৰ ঘৰত পতা নিখিল ভাৰত কুক্কুট সেৱী কংগ্ৰেছ'ৰ সভাত ভকত সেৱা পাতিছিলোঁ। সভ্যসকল সন্তুষ্ট হৈছিল যদিও মত প্ৰকাশ কৰিছিল যে বন্য কুক্কুটবিধ গৃহপালিত জাতিৰ দৰে কোমল আৰু চৰ্বিযুক্ত নহয়। কিন্তু তেওঁলোকে সৰ্বান্তঃকৰণে বজালীৰ এই অপূৰ্ব সম্পদৰ মংগল কামনা কৰিছিল। মই পাঠশালা এৰি অহাৰ পিছত শুনিছোঁ, ৰাতিপুৱাতে ঘৰৰ কাষত 'লংকা ক'ত' ধ্বনিত অতিষ্ঠ হৈ কোনো কোনো লোকে বোলে কৈ উঠিছিল, "হায় হায় এই সময়ত মাষ্টৰবাবু নাথাকিল তহঁতৰ বাবে।" আৰু তাকেই শুনি বোধহয় বন্ধু ভুবন দাসে ধেমালি কৰি কৈছিল এদিন "তই এটা প্ৰাতঃস্মৰণীয় পুৰুষ হৈছহে প্ৰসন্ন।" পিছত মই সেই

দিব্য পক্ষীৰ খা-খবৰ লওঁতে তেওঁ কৈছিল, যে আজিকাল প্ৰায় নোহোৱাৰ নিচিনাই হ'ল। কনজিউমাৰ বহুত হ'ল। অবশ্যে তেৰেঁা তাৰবাবে কম দায়ী নাছিল, কাৰণ, ইতিমধ্যে তেওঁ এটা Greener Coৰ দুনলী বন্দুক কিনি লৈ সকলোফালে দংশি দিছিল।

এদিন ৰত্ন মিষ্টাৰে সংবাদ দিলে যে পোমাৰা নদীৰ ঘাটত বৰকৈ ঘৰিয়াল উঠে, সহজে মাৰিব পৰা যায়। মই বৰকৈ পতিয়ন যোৱা নাছিলো, কাৰণ, ইমান সৰু নদীত ঘৰিয়াল উঠা কথা বৰ বিশ্বাসযোগ্য নহয়, তথাপি গলো আৰু। এনেকুৱা বিলাক বিষয়ত তেওঁৰ লগ এৰিব নোৱাৰি। গলো ৰাইফলটো পিঠিত বান্ধি। অলপপৰ বাট চোৱাৰ পিছতে দেখিলো এটা ঘৰিয়াল, মৰাকাঠ এডোখৰ ভাঁহি অহা যেনেকৈ ভটিয়াই' আহি আছে; ওচৰত বালিচৰ নাই, ইফালে ব'দো পৰি আহিছে, সি গৈয়েই থাকিবৰ ভাব। গতিকে গুলী মৰাই ভাল হব ভাবি আগ ভৰিৰ সন্ধি চাই এটা গুলী মাৰিলো। গুলী গৈ ভৰিৰ জোৰাত নপৰিল কিজানি কাৰণ ঘৰিয়ালটো এবাৰ ভাঁহে, এবাৰ তল যায়, এনেকৈ গৈ আছিল। ৰাজহাড়তো আঘাত কৰিব নোৱাৰিলো কিন্তু গুলী পায়েই ঘৰিয়ালটো ফেঁট দি উঠিল আৰু পৰিল, এনেকৈ পানীখিনি তেজৰঙা কৰি তুলিলে তাল-আফাল কৰি। কিন্তু ঘৰিয়াল নৰল, দ্বিতীয় গুলী মাৰিব সুবিধা নাপালো। কাৰণ তাৰ গতি অতি চঞ্চল হৈ পৰিছিল। এনেকৈয়ে সি কব গ'লে এক প্ৰকাৰ নাচি নাচি দুবলৈ ভটিয়াই যাব ধৰিলে। দ্বিতীয় গুলী মাৰিবৰ সুবিধা বিচাৰি অলপ বাট পাবে পাবে গলো হয়, কিন্তু অলপ গৈয়েই সি তল পৰি গ'ল আৰু একো চিন নাপালো। মোৰ গুলীয়াওঁতেই ভুল হৈছিল। ঘৰিয়ালক পানীত গুলীয়াই ৰখা অসাধ্য। গুলীয়াব লাগে বামত থাকোঁতে যাতে সহজে পানী ঢুকি নাপায়। মই মাৰিলো খকৰ মকৰতে পানীৰ ওপৰতে, ঘৰিয়াল ক'ত ৰয়।

আন এদিন ৰত্ন মিষ্টাৰে বাতৰি দিলে, তিতকাত নে ক'ত পাঠশালাৰ ওচৰতে ক'ৰবাত বাঘে দামুৰী নে ছাগলী কিবা খাইছে। জংগল নাই, আছে সাধাৰণ বাৰী। পৰামৰ্শ হ'ল, ৰাতি গছত উঠি ছাগল বান্ধি টৰ্চ লৈ চুপা পতা। ৰাতি অলপ সোনকালে খাই-বৈ মংগলুকাৰ সহায়ত, সুবিধাজনক গছ এজোপাত তক্তা এখনেদি চাং পতা গ'ল। ৰত্ন মিষ্টাৰ আৰু মংগলুকাৰ দুয়ো এগৰাকী বুঢ়ীক বুজাই-বঢ়াই এজনী পাঠী ছাগলী খুজি আনি গছৰ ওচৰতে বান্ধিলে। মিষ্টাৰে সৈতে মই চাঙত উঠি চুপা বহুৱালোঁ। মংঙলুকাই গৈ ওচৰতে ক'ৰবাত খোৱাৰ দিহা কৰিলে।

মানুহে খাই-বৈ শুইছে মাত্ৰ, কতো সাৰ-সুৰ নাই। আমি একাগ্ৰমনে বাঘৰ খোজৰ শব্দৰ কাৰণে কাণ থিয় কৰি আছো। হঠাতে ছাগলীজনীয়ে বে-বেকৈ প্ৰাণৰ কাতৰে বেবাই ঘূৰিব ধৰা শব্দ পালো। ভাবিলো, বাঘৰ শব্দ পাই ছাগলীয়ে এনে কৰিছে। কিন্তু বাঘৰ শব্দ ক'ত! ছাগলীৰ ঘৰমৰি শব্দই বেছি চোন, সন্দেহ হ'ল। কথাটো কি চাবলৈ টৰ্চ পেলাই দিয়াত দেখা গ'ল, এটা মস্ত হাড়ীয়া শিয়ালে আহি ছাগলীজনীক আক্ৰমণ কৰিছে। গছৰ ওপৰৰপৰা শিয়াল খেদিব গ'লে মানুহৰ শব্দ শুনি যদি বাঘ পলায়, নহা হয়, আৰু গুলী মাৰিলেও শিয়ালে ছাগলীয়ে দুয়োটা মৰা পৰে। নিৰুপায় হৈ দুয়ো অগত্যা চাঙৰপৰা কিবা প্ৰকাৰে নামি পাঠীজনীক ৰক্ষা কৰিলো। কথা কাণ্ডৰ পৰিণতি দেখি বাঘ চিকাৰ সম্প্ৰতি পৰিহাৰ কৰাই শ্ৰেয় বুলি ঠিক কৰিলো। বুজা গ'ল বাঘ মহাশয় ওচৰত নাই। নহলে শিয়ালৰ ইমান পৰাক্ৰম হব নোৱাৰে। শেষত দুয়ো নিজৰ দুৰ্বুদ্ধিক ধিক্কাৰ দি ছাগলীজনী মঙলুকাৰ হাতত গতাই দি সেই ৰাতি জাৰত কঁপি কঁপি পাঠশালাত আহি বিছনাত পৰিলো। পিছদিনাখন ভাটিবেলা, যোৱা-ৰাতি হৈ যোৱা ঘটনা আলোচনা প্ৰসংগত খবৰ পালো যে বুঢ়ীৰ ছাগলীজনী শিয়ালৰ হতুৱাই খুৱোৱাৰ বাবে মিষ্টাৰ' আৰু

মঙলুকা—বেচেৰা নির্দোষ নিষ্কাম পুৰুষ দুজনক উৰাই ঘূৰাই গালি বৰষিছে আৰু লগতে এই দুৰ্ভগীয়া অচিন কাঠৰ ঠোৰাজনৰ ওপৰতো তাৰে ছিটিকনি বাৰুকৈয়ে পৰিছে। মই অৱশ্যে এই দুৰ্ভাগ্যত কাতৰ নহৈ আফচোছ কৰিলো যে সেইটো ছাগলী নহৈ পাঠা হোৱা হলে মানুহবোৰৰ ভোগতে লগাব পাৰিলোহেঁতেন।

ইয়াৰ পিছত এদিন খবৰ পালো, ভোগপুৰ নে খুটাৰ গুৰি এনে কিবা গাঁও এখনত বাঘ আগুৰিব জাল পাতিছে। তালৈ মই বন্দুক লৈ যাব লাগে। দুজন মানুহ আহি মোক মতলীয়া কৰি দিলে। সিদিনা শনিবাৰ। বন্দুক এটা পিঠিত বান্ধি, তৎক্ষণাত চাইকেলত উঠি মানুহ দুজনৰ পাছ ললোঁ। বেছি সময় নালাগিল, বাঘ আগুৰা বাৰীত আহি সোমালো। এটা ঘৰৰ পাছ ফালৰ কাঁথিৰ ওচৰৰপৰাই কেবাখন জাল তৰি থৈ জালৰ দুয়োমূৰে হাতত বাঁহৰ টাঙোনৰপৰা জোং-যাঠিলৈকে লৈ মানুহ সাজু। ঘৰৰ ভিতৰত মাইকী মানুহ, কাঁথিৰ কাষত ল'ৰা-ছোৱালী পৰ্যন্ত বাদ যোৱা নাই। বাঘৰ ভয় যেন কাৰো মনতেই নাই। দেখি মোৰ ভাব হ'ল, সঁচাকৈ আমাৰ মানুহ ভীৰু নহয়। দেখিলো এফালৰপৰা বহু মানুহে জোং টাকোন লৈ মাটিত কোবাই শব্দ কৰি জালৰ ফালে বাঘ বলাই আনিব লাগিছে। মোক মানুহ দুজনে ঠিক জালৰ মাজখণ্ডৰ আগৰ গছ এডাল দেখুৱাই উঠিব কৈ পাচুৱাই গ'ল। মই গছত উঠিবৰ চেষ্টা কৰাত কোনো কোনোৱে খৰধৰ লগাই চিঞৰি কলে—"ইচ! ইচ! উঠক উঠক সময় নাই।" মই দেখিলো চাক দিয়া মানুহবিলাক জালৰপৰা বেছি দূৰত নাই। কিন্তু অদ্ভুত কথা হ'ল, তন্মুহূৰ্ততে বাঘ আহি একে জাঁপে জালত পৰি লুটি খাই পৰিল আৰু তৎক্ষণাৎ জালত মেৰ খাই বাগৰি আহি মোৰ ভৰিৰ আগত ওলালহি। মই পাচুৱাই আহিব লাগিছিল, কিন্তু নাহিলো। মোৰ হাতত ৩ ইঞ্চিৰ এল, জি কাৰ্টিজত এম আৰু

লিখেল বল এটা সাজু হৈ আছে। এক মুহূৰ্ততে বাঘৰ লাওখোলা উৰি যাব। মাত্ৰ মই সেই কামৰ বাবে বন্দুক টোৱাই চাই আছো। কাৰণ কোনোবাই আটাহ পাৰি কৈছে 'নুগুলিয়াব, নুগুলিয়াব।' অথচ বাঘ জালত মেৰ খাই মোৰ আগত বাগৰিছে, বন্দুকৰ নলেৰে খুচি দিব পাৰি। মই নুগুলিয়াই সেই অৱস্থাতে থিয় হৈ থাকিলো। ভাবিলো, গঞ্জাই হানি-খুচি বাঘটো মাৰিব। কিন্তু কি সাংঘাটিক, হঠাত দুই ফালৰ গছৰ ওপৰৰ পৰা ঠং ঠং কৰে দুটা গুলী আহি বাঘটো অচল কৰি পেলালে। এটা গুলী মোৰ কাণৰ কাষেদি ভোঁ-ভোঁৱাই যোৱা যেন লাগিল। ভাগ্যেই মোক ৰাখিলে। ভাবিলো মোৰেই নিৰ্বুদ্ধিতা। মই কালৰ মুখলৈ যোৱাৰ আগতে আন বন্দুক তাত আছেনে আৰু ক'ত ক'ত আছে তাৰ সম্ভেদ লব লাগিছিল। মোৰ সময় নহ'ল। বুজিলো, তেওঁলোকৰ জালত পৰা বাঘটো মোক গুলীয়াব দি মই মৰা নাম কিয় তুলিব? পিছে এটা কথা, চিকাৰত গৌৰৱ কৰা কথাটোৱে প্ৰধান নহয়। যাৰ বন্দুকৰ আগত জন্তু পৰে, প্ৰথম গুলীটোত তাৰহে অধিকাৰ। এনেবোৰ নিয়ম পালন নকৰা বাবে বহুত দুৰ্ঘটনা হয়। বাঘটো সুন্দৰ ফুটকী বাঘ আছিল। জালত পৰা বাঘ এটা গুলীয়াই একো গৌৰৱ নাই। পিছত মোৰ মানুহ এজনে ক'লে যে সেই গাঁৱৰে কোনোবা এজনে হেনো বাঘটো মৰাৰ গল্প কৰি কৈছিল—'সেই বামুণৰ ল'ৰাটোৰ বৰ সাহ দেখিলো।' তেওঁ সুধিলে, 'তাতনো কোন বামুণৰ ল'ৰা আছিল? মই কব নোৱাৰা বুলি কলো যদিও, বুজিলো এটাও গুলী খৰচ নকৰাকৈ কোনে সেই পুৰস্কাৰ পালে।

ইয়াৰ পিছত এদিন প্ৰস্তাৱ আহিল পহু চিকাৰৰ, পাটাছাৰ-কুছিৰ ফালৰ ভদ্ৰলোক এজনে আয়োজন কৰিছে। হাতী আৰু নাও দুয়ো বিধৰ ব্যৱস্থা আছে, নিশা শেষ প্ৰহৰতে যাত্ৰা কৰিব লাগিব লেচেৰা গাঁওলৈ, নাৱেৰে। গতিকে ৰাতিৰ আগ পৰতে গৈ ডুবি গাঁওলৈ সোমাই যোৱা বাটৰ ওচৰত এটা ঘৰত খাই বৈ

সকলোটি থাকিব, মই পাঠশালাৰপৰা শেষ ৰাতি গৈ সকলোৰে সৈতে লেচেৰালৈ যাত্ৰা কৰিম। সেইমতে সিদিনা অতি সোনকালে খাই বৈ শুই থাকিলোঁ, যাতে সোনকালে উঠি ৰাতিতে ডুবিব ৰাহিব ওলাব পাৰোঁ। সাব পাই উঠি বাহিৰলৈ চাই দেখোঁ, ফৰিংফুটা জোনাক। ভাবিলোঁ, ৰাতি শেষ, যাব লাগিল। তৎক্ষণাত চাই-কেলখন লৈ কেম্প ওলালোঁ। কিন্তু কি অদ্ভুত, শোৱাতো কোনো নায়েই, দীঘল মজিয়াখনত ভাত-আঞ্জা বাঢ়ি থোৱা আছে, পাতত কোনো বহা নাই। চোতালত দলব সকলো বহি আছে। উদ্যোক্তা-জনক ভাত খাবলৈ সকলোৰে বুজাব লাগিছে, অথচ তেওঁ মান্তি হোৱা নাই। নানা প্ৰকাৰ অসংলগ্ন আৰু ঘাচি ধৰা ল'ৰাৰ দৰে অসমীয়া কথা কৈ আছে। তেওঁৰ মাত পানীলগা মানুহৰ দৰে গেৰগেৰীয়া। মই কাৰণটো বুজিবলৈ বেছি সময় নালাগিল। ক'ৰবাত কিবা খাই আহি এইখন কাণ্ড কৰি পেলাইছে। কিন্তু সকলোৰে আচৰিত হ'ল ইমান সোনকালে মই যোৱা দেখি। মই স্বীকাৰ কৰিলোঁ, আগ ৰাতিক শেষ ৰাতি বুলি ভুল কৰা বুলি। কোনো কোনোৱে মই উদ্যোক্তাজনৰ অসংযত ব্যৱহাৰ দেখিলে বেয়া পাম, তাকে তেওঁক বুজাই সাম্য কৰিবলৈ চেষ্টা কৰিব ধৰিলে। শেষত তেওঁ ভাতৰ পাতত বহিবলৈ সন্মত হ'ল, কিন্তু ময়ো লগতে বহি চাউল সিজোৱা গ্ৰহণ কৰিব লাগিব। ঘটনা যাতে আৰু বেয়াৰ পিনে ঢাল নাখায় তাৰ বাবে অগত্যা পাতত বহি খোৱাৰ অভিনয় কৰি তেওঁক শান্ত কৰি শুৱাই থোৱাৰ দিহা কৰি, এখন কেনভাচ চকীত গাটো থৈ বাকীখিনি ৰাতি কটাই দোকমোকালি হওঁতে নহওঁতে গৈ নাৱত উঠি শুভযাত্ৰা কৰিলোঁ। লেচেৰা গাঁও পাওঁতে বেছি পৰ নালাগিল। হাতী দুটা তাতেই আছিল। এটা ডাঙৰ, এটা সৰু, নকৈ ধৰা, বনৰীয়া স্বভাৱ কিছু কিছু আছেই। সৰুটোৰ ওপৰত বোধহয় মণ্ডলুকা উঠিল, ডাঙৰটোৰ ওপৰত মই, ৰত্ন মিষ্টাৰ আৰু উদ্যোক্তাজন উঠিছিলো নেকি ? নাৱত কোনো কোনো উঠিল,

মানুহ কেবাজনো হ'ল দলটোত। চাৰিওফালে পানী আৰু জংগল। আমি পিতামবৰবাৰী বোলা এখন বাৰীত সোমালো। গোটেইখনতে ওখ নল-খাগৰি আদি। হাতীত থিয় নহলে জানোৱাৰৰ চিন ধৰা টান। ঠাইডোখৰত ঘূৰি-পকি ভালকৈ চোৱা হ'ল, কতো একো চকুত নপৰিল। গোটেইখন হাবিয়ে গাজমৰা, কতো এডোখৰ মুকলি ঠাই নেদেখিলো। দহমান বাজি গ'ল, হঠাতে কিবা জানোৱাৰ এটা বেগাই যোৱা চকুত পৰিল। বুজিলো সেইটো পহুৰেই হব। হাবি লৰি গৈছে মাত্ৰ কেইডালমানহে। তেনে ক্ষিপ্ৰ গতি পহুৰ নহৈ নোৱাৰে। অগত্যা চালিৰ ওপৰত নিৰ্ভৰ কৰি মাৰিলোঁ এক জাঁই গুলী। লগে লগেই হাবিৰ ওপৰলৈ জাঁপ মাৰি ওলাই আহিল এটা প্ৰকাণ্ড জাকাল পহু। চালি কিন্তু চলি থাকিল, হাতীয়ে পাছ ললে। মাজে মাজে হঠাতে পহুটো বৈ দিয়ে, চালি বন্ধ হয়, বুজা যায় পহুটোৰ বিষমভাৱে জখম হৈছে। হয়তো এটা গুলী লাগিলে বৈ যাব। মাৰোঁ এটা গুলী কিন্তু পহুটোত পৰা নেদেখোঁ, আকৌ চালি লৰিব ধৰে, আকৌ পাছ ধৰোঁ, শেষত একো নাচাই মাত্ৰ চালিতে গুলিয়াব ধৰিলোঁ অধৈৰ্য হৈ। পিছত কিছুমান বেলি এইখন খেলা চলাৰ পাছত পহুটো পৰি গ'ল। সেইখিনিত অলপমান মুকলি। দেখা গ'ল, সেইটোতো জাকাল পহু নহয়, এইটো উজ্জ্বল সোণবৰণীয়া ভেলেঙ্গী। বুজিলোঁ, আমি জাকালটো ভুলতে ক'ৰবাত এৰি, এইজনী বেলেগ পহুৰ পাছ ললোঁ। অগত্যা পহুটো নাৰেদি তেতিয়াই পাঠশালালৈ পঠিয়াই দিলো। ইফালে দুপৰীয়াৰ লঘোণ, ৰাতিৰ অনিদ্ৰা, পুৰাও চাহ এটোপা পেটত নপৰাতে হাতীৰ পিঠিত থিয় হৈ ইমান পৰ এই উৎকণ্ঠা আৰু পৰিশ্ৰম। স্থিৰ হ'ল আৰু এপাকমান দি ঘৰমুখে গতি কৰাই ভাল। গুলীৰ ফালেও আধ্যা। মাত্ৰ কেইফেৰমান চাৰা গুলী। তাকেই কৰা গ'ল। আমি ঘৰমুৱা হলোঁ।

এনেতে হঠাত হাতীৰ আগৰপৰা কিবা এটা উঠি চালি দিব

ধৰিলে। থিয় হৈ ভালকৈ নজৰ দিয়াত শিংজোৰা দেখাই গ'ল। বুজিলোঁ, প্ৰথমে গুলীওৱা পহুটো। কিন্তু চাল দিছে যদিও সি কথমপিহে খোজ দিছে, পৰে পৰে অৱস্থা। অলপ দেখা যেন পালেই মনৰ দাহত চাবাকে এক জেব মাৰো বুলি ভাবিলো। আমি কিন্তু পাছ এবা নাই। খেদি খেদি একেবাৰে হাবিৰ কাণলৈ নিছো। হাবি তেনেই পাতল। দেখিলো, সি ফোপাইছে, জিভা মেলি দিছে। মাজে মাজে বৈছে। কিন্তু পৰি যোৱা নাই। ইফালে আমাৰ হাতত নাই ডাঙৰ গুলী। হাতীৰ ওপৰত আমি অস্থিৰ হৈ কি কৰোঁ, কি নকৰোঁ কৰিছোঁ। মণ্ডলুকাই বোধহয় মিত দাখনকে মাৰি পঠিয়াইছে, কিন্তু লগাব পৰা নাই। মিণ্টাৰেতো উত্তেজিত হৈ প্ৰস্তাৱ কৰিলে "দিয়ক বন্দুকৰ নলীটো খুলি, ইয়াক কোবাই বগৰাওঁ।" মই কিন্তু ইমান মতলীয়া নহলো। শেষত এটা চাবা গুলীকে মূৰত মাৰিলো। পহুটো বাগৰিল। লগে লগে আমাৰ কোনোবা এজন বোধহয় মণ্ডলুকাই জাঁপ মাৰি নামি গৈ পহুটোৰ ওপৰতে বহি ললে। কিন্তু বন্দুকৰ ঘন ঘন আৱাজ শুনি ওচৰৰ গাঁৱৰ বহু মানুহে জোং যাঠি লৈ জংগলডোখৰত আগুৰাৰ দৰে কৰিছে, পহুটো কাঢ়ি নিয়াৰ আশাত। বত্ন মিণ্টাৰে হাতীৰপৰা চিঞৰিব ধৰিলে, "খবৰদাৰ, পহুটোৰ ওপৰত খাপাৰ নামাৰিবা।" কিন্তু তথাপি এটা মানুহে কাষ চাপি আহি খাপাৰৰ জোংটো বহুৱাই দিবৰ চেষ্টা কৰিলে। উদ্দেশ্য পহুটো তেওঁলোকৰ বুলি প্ৰমাণ কৰা। মণ্ডলুকাই কিন্তু সেইটো হব নিদিলে। পহুটো যে আমি মৰা, তাৰ প্ৰমাণ গুলীবোৰে দি আছিল। তেতিয়া গাঁৱলীয়া বাইজে কব ধৰিলে, "আমি এনেকৈ পহুটো আগুৰি আছো। পহু আমাৰ। তেওঁলোকৰ কেনেকৈ হব।" এই গোলমালৰ সময়ত এটা বিপদে দেখা দিলে। সবুটো হাতীয়ে একোবাৰ মানুহ জাকক হেঁচা মাৰি ধৰিবই খোজে। কোনোমতেহে তাক শাসন কৰা হ'ল। ফলত

গাঁৱলীয়া মানুহবোৰে বৌছিকৈ আগবাঢ়িব নোৱাৰিলে, হাতীতো হাতীয়ে, লগতে বন্দুকো। ভয়ৰ কাৰণ নহলে কিজানি পহুটো কাঢ়িয়ে নিলে হয়। তেতিয়া দুয়োপক্ষে এটা মীমাংসা হ'ল— যে পহুটো বাচি বাচি গাঁৱে পতি ভাগ কৰা হব, লগতে ছাল মূৰা সমন্বিতে হাতী, চিকাৰী, বন্দুক আদিৰো ভাগ থাকিব। সেয়ে হ'ল। এখন চোতালত বহি আয়োজন সম্পূৰ্ণ কৰা হ'ল। আমাৰ ভাগ হাতীত তোলা হ'ল। মই দুখে ভাগৰে এখন চাৰিত বহি কোনোবাৰ ঘৰ এটাৰ বেৰত আউজিলো। মাংসৰ এই আক্ৰোশৰ কথা ভাবি বহি বলো আনকি স্বয়ং ৰত্ন মিষ্টাৰেও ঘটনা দেখি বিৰক্ত হৈ মাজে মাজে কৈছিল, "এই মাংসৰ লোভটো কি জঘন্য ব্যাপাৰ।" দুয়ো মনে মনে ভাবিলো। পাঠশালাত যে মাংস নোখোৱা দল হৈছে, হব পায়। কিন্তু সেইবোৰ খন্তেকীয়া। ৰত্ন মিষ্টাৰে গাঁওবিলাকৰ খবৰ জানে, তেওঁ ভাগে ভাগে ব্যাধৰ দৰে মাংসৰ ভাগ দি যাব ধৰিলে। কিন্তু লাহে লাহে দেখা গ'ল, গাঁৱৰ সংখ্যা বাঢ়িব ধৰিলে আৰু মাংসৰ ভাগ টুটিব ধৰিলে। শেষত মাংস শেষ হ'ল। কেইখনমান গাঁওৰ মানুহে আপত্তি তুলিলে যে তেওঁলোকৰ ভাগত মাংস নপৰিল। ৰত্ন মিষ্টাৰে কলে, "আমি প্ৰথমেই গাঁও চাই ভাগ কৰিছো আৰু সেই হিচাপে সকলোকে ভগাই দিছোঁ। এতিয়া তোমালোক নতুনকৈ আহিছা। ভাগ আমি ক'ৰপৰা উলিয়াম ? পহু এটাহে আছিল, নতুনকৈ পহুতো সৃষ্টি কৰিব নোৱাৰি। এই জবাবত কাৰো মাত মাতিবৰ থল নোহোৱা হ'ল। লগে লগে আমি হাতীত উঠি প্ৰস্থান কৰিলোঁ। এনেবিলাক কথা কাৰ্যই সেই সময়ৰ নীৰস জীৱনো কিছু পৰিমাণে ৰসাল কৰি ৰাখিছিল। □

# সোণালী পহুৰ সন্ধানত

সৰুতে পিতাৰ হাতত দুটা ৰাইফল আৰু এটা Shotgun দেখি আৰু তাৰ লগৰীয়া চিকচিকীয়া কাৰ্টুচবোৰ দেখি, ময়ো ডাঙৰ হলে, তেনে বন্দুক কাৰ্টুচ লম বুলি বৰ আশা কৰিছিলোঁ। পিছত দেখিলো সময়ৰ লগে লগে অসমত বন্দুক লোৱা এক ডাঙৰ ব্যাপাৰ হৈ পৰিছে। পুলিচ মহৰী আদি কিমানজনক যে কিমান খাতিৰ কৰিব লাগে। কলিকতালৈ আহি যেতিয়া University ৰপৰা সংগঠিত Territorial force-অত যোগ দিলো তেতিয়া হঠাতে এটা খবৰ শুনি চমক খাই উঠিলো। মোৰ লগৰীয়া 'গেটফ্' নামে এজন খাচীয়া ল'ৰাই কলে যে এই ফোৰ্চৰ মেম্বাৰে খুজিলেই বন্দুকৰ লাইচেন্স পোৱাৰ অধিকাৰ আছে। আমাৰ গোৰা চিপাহীৰ rank আমাক Private বোলে, দেশী সৈনিক Sepoy বোলে ইত্যাদি ইত্যাদি। কেইদিনমান পিছত উক্ত বন্ধু-জনে সঁচাকৈয়ে এটা দুনলী বন্দুক কিনি আনিলেই। মোৰ গা নাচি উঠিল। মই পোন খুন্দাই গৈ অনুদা পদ্মপাতিছাৰৰ কাষ চাপিলোঁ। তেওঁ ওচৰতে হেৰিছন ৰোডৰ (এতিয়া মহাত্মাগান্ধী ৰোডৰ) হোটেল এটাত থাকে। তেতিয়া পুৱা ৮-৩০ মিনিটমান হৈছে। টোপনিৰ পৰা উঠিছেহে। মস্ত এক টিপট চাহ আৰু ৰুটি, মাখন পাৰ কৰিব লাগিছে। বন্দুক সম্পৰ্কে তেওঁক সোধাত কলে, "লৈ থোৱাহে লৈ থোৱা। অসমত বন্দুক এটা লবলৈ গলে বহু জঞ্জাল আছে। শেষত হয়তো নাপাবাই। এই সুবিধাতে লাইচেন্সখন ললে আৰু কাকো খাটিৰ কৰিব নলগা হব।" মই কলোঁ, "যদি বেংগলৰ লাইচেন্সৰ বন্দুক অসমলৈ নিব নিদিয়ে।"

তেওঁ কলে, "তেনে হব নোৱাৰে। বৃটিছ ইণ্ডিয়াৰ যেই সেই প্ৰদেশৰ বন্দুক যেই সেই প্ৰদেশলৈ নিব পাৰিবা। লাগিলে বদলাই লবা, নিয়াৰ বাবে চাৰি অনা দি এখন Journey licence লৈ লবা। লেঠা মৰিল।" ময়ো তাকেই ঠিক কৰিলো। দুদিনমান কলিকতাৰ পুলিচ কমিছনাৰলৈ আমাৰ unit-ৰ Captain-ৰ জৰিয়তে এখন চাধা কাকতত দৰ্খাস্ত লিখি ডাকত পঠিয়াই দিলোঁ। সাতদিন নগলেই পুলিচ কমিছনাৰৰপৰা চিঠি আহিলে, মোৰ লাইচেন্স মঞ্জুৰ হৈছে। সোনকালে আনিবগৈ লাগে। কিন্তু লাইচেন্স লোৱাৰ ১৫ দিনৰ ভিতৰত বন্দুক কিনিব লাগিব। এইটো এক মস্কিলৰ কথা হৈ পৰিল। টকাতো নাই হাতত। ঘৰৰ পৰানো সহজে দিবনে? ভাবিবলৈকে টান পাব, বন্দুকৰ লাইচেন্স পোৱাৰ কথা এজন কলেজৰ ছাত্ৰই তাতে আকৌ কলিকতাত। তথাপি বৰ টানকৈ লিখিলো, বন্দুক কিনিব নোৱাৰিলে মোৰ পঢ়াত মনেই নবহিব। কি কৰো ঠিকনা নাই। বহু বুজনিৰে ঘৰৰপৰা এখন চিঠি আহিল। উত্তৰত কিন্তু মোৰ একে জবাব, কি কৰো ঠিক নাই। শেষত এখন ৩০০ টকাৰ insure আহিল। তেতিয়া ডাক বিভাগে এতিয়াৰ দৰে স্বৰাজ পোৱা নাছিল। সেয়ে ১৫ দিনৰ ভিতৰতে সহজতে কলিকতাৰপৰা চিঠিৰ আদান প্ৰদান কৰিব পৰা গৈছিল।

কলিকতাৰ ভাল বন্দুকৰ দোকানবোৰত চালোঁ। H'less বন্দুকৰ দাম ৮০০।৯০০ টকাৰ কমেই নাই। বোম্বাইত খবৰ কৰিবলৈও ইফালে সময় নাই। বোম্বাইৰ বন্দুকৰ বজাৰ তেতিয়া কলিকতাতকৈ ভাল। অগত্যা উপায় নেদেখি এটা ঘোঁৰা থকা বন্দুককে কিনি পেলালো।

বৰপেটালৈ আহি কেইদিনমান কুপ্তি, কায়ম আদি মাৰি হাতৰ কুট্‌কুটি মাৰিলো। মাজে মাজে কাউৰ গুলিয়ায়ো ৰং

চালো। চাৰা গুলি টকাত ৫ টাকৈ, জাৰ্মাণ গুলি formdia পেকেট ৩ টকাকৈ পোৱা গৈছিল।

বৰ হেপাহ আছিল পহু চিকাৰৰ। ভাবিছিলো হাবিৰ কাণেদি সোণবৰণীয়া পহু দেখা দিব, চুপি চুপি গৈ হাবিত লুকাই গুলী মাৰিম, পহু বাগৰি পৰিব। এনেবোৰ কল্পনাই মোক মতলীয়া কৰি ৰাখিছে। এনেতে এটা চিকাৰ যাত্ৰীয়ে মোক লগ দিলে। সেই সময়ত জনীয়া গাঁৱৰ ওচৰত বৰ ভাল চিকাৰ হোৱা বুলি শুনা গৈছিল। তেতিয়া বেঁকীৰ একধাৰা পানী আহি জনীয়া গাঁৱৰ মাজেদি সোমাইছে, গাঁও ভাঙিবৰ উপক্ৰম। যিসকলে পাৰিছে বৰপেটাত আহি নতুন পাৰা পাতি ঠাই লৈছে নোৱাৰাবোৰে বাট চাইছে। গাঁৱৰপৰা কিছুদূৰত ম'হৰ ডাঙৰ বাথান, কাষেদি বেঁকীৰ এক অলপ ডাঙৰ সুঁতি এটা পৰিছে। কোনফালে কেইটা সোঁত বৈছে ধৰিব নোৱাৰি।

যিহক এখন ডাঙৰ নাও চিকাৰীসকলে সাজু কৰিলে, খোৱাৰ সাজ-সৰঞ্জাম সকলো ললে। চিকাৰী ওলাল তিনিজন, লগতে মইও। মই অৱশ্যে শিক্ষা নবিচহে। হাবিত পহু দেখাই নাই। নাইবা কেনে ঠাইত চিকাৰ হব একো কব নোৱাৰো।

চিকাৰী এজন হ'ল গৰ্গৰাম দাস। তেওঁ ঢাকাৰ মেডিকেল স্কুলত শিক্ষিত। বন্দুকটোৰ জোৰা কিছু লৰে, ওপৰৰ ৰং চিবিচ কাগজ ঘঁহি উঠাই পেলাইছে। দ্বিতীয় চিকাৰীজন শ্ৰীৰামচন্দ্ৰ, ব্যৱসায়ত কমাৰ শিল্পী, বন্দুকটো নিখুঁত। আৰু কোনোবা এজন আছিল। তেওঁৰ একনলী কাৰ্টুচওৱালা বন্দুক। মোৰটো দুনলী একেবাৰে নতুন অৱস্থা। মই বাকী কেইজনৰ আগত শিশু মতি, মাতে বাপা বুলিহে। বাৰিষাৰ সময়। নাও সহজ গতিৰে বাই নিছে। এইবোৰ চোৱাং কথাহে : আমি কেইজনে ছৈৰ তলত সোমাই থাকিলোঁ। বৰপেটাৰ বাহিৰ হৈ নাযাওঁ মানে। নহলে বৰপেটাত তৎক্ষণাৎ জনৰৱ হৈ যাব প্ৰসন্ন চৌধুৰী চিকাৰলৈ গ'ল।

গতিকে এই সাৱধান অৱস্থা। অইনৰ হলে কথা নোলায়, মোৰ কিন্তু তৎক্ষণাৎ ফাটি ফুটি যাব। এনেকৈয়ে বৰপেটাৰ গাতে লাগি থকা সোণকুছিৰ পথাৰৰ মাজেৰে নাও যাব ধৰিলে, পথাৰত পানী আঠুৰো ওপৰ। হঠাৎ সংগীসকলে পানীৰ শব্দতে গম পালে পহু। তৎক্ষণাৎ জাঁপমাৰি ছৈৰ তলৰপৰা ওলালো। বন্দুকটো সাজু কৰি দুটা ৩ ইঞ্চিৰ বল কার্টিজ ভৰাই দেখিলো মুকলি পথাৰখনৰ মাজতে এটা মস্ত জাকাল। মোৰ জ্ঞান হেৰাই গ'ল। তৎক্ষণাৎ point blank এটা গুলী এৰি দিলো। নালাগিল। দেখিলো পহুটো একেজাঁপেৰে গৈ বনৰ কাষ পালে। তেতিয়া তৎক্ষণাৎ ২য় গুলীটো এৰি দিলো। নালাগিল। পহু বন ভাঙি গৈ কোনোবা লংকা পালেগৈ। সংগীসকলে কলে, "ছিঃ ছিঃ কিয় গুলীয়ালে ? সি থমকিলহেঁতেন এতিয়াই, তেতিয়া চাই চিন্তি মাৰিব পৰা গলহেঁতেন নহয়!" মোৰ কিন্তু আক্ষেপ নাই। গ'ল গ'ল এটা পহু ; আৰুতো আছে নহয় জইনাৰ পথাৰত। গৈ পালো জাইনাল বাথান ; গধূলি তেতিয়া। বাথানৰ ঘৰৰপৰা সুধিলে এজনে আনিছাহনা বন্দুক ? উত্তৰ দিলে মোৰ সংগী কোনোবা এজনে—অ' আনা হৈছে সাতডাল। মই ভাবো কি কয় এইটোৱে! বন্দুকতো ৩টা। বন্দুকক ডাল বোলে কিয় ? দীঘল বস্তু বুলি, যেনে বাঁহডাল, টোকোনডাল ইত্যাদি। কিন্তু 'বন্দুকডাল' কয়নে ? আৰু সিও বৰপেটাৰ বিচক্ষণ মুখত। সাতডাল কেনেকৈ হব পাৰিলে ? ৩টা দুইনলী ৬ হয়গৈ, এটা একনলীয়ে হ'ল গৈ সাত। অদ্ভুত গণন পদ্ধতি।

ৰাতি মাছে গাখীৰে গধূৰ খানা। চাউল কিন্তু উখোৱা আহু। "চাৰা গুলীকা মাফিক"। তেতিয়া বেঁকীৰ সুঁতিটো বৈছে মাত্র। পাৰ একহাত মান ওখ হব। দুয়োফালে এখন বহল পথাৰ। জংগল নায়েই, ম'হবোৰ ওচৰতে শুই আছে। অলপ নিলগত এজোপ সৰু আঁহত গছেই হব পায়। পুৰা চাহ

একোবাতি খাই, সৰু নাও এখনত আমি তিনিও ধনুৰ্দ্ধৰ উঠি বহিলোঁ। আগে পাছে দুজন নাওবোৱা বীৰ। কিছু বাট গৈয়ে এডোখৰ ডোবা যেন ঠাই পালো। পচা পানী। অলপ দ, কিন্তু কাটি নিয়া নলৰ মূৰাই ভৰি আছে। এনেতে এজনে কৈ উঠিল, "সেয়া চাওক, পহু।" দেখো সোঁহাতে কিছু ওখ ঠাইত দুজনী সোণৰ হৰিণীয়ে ঘাঁহ খাই চাই আছে। মাত শুনি একে জাঁপে আহি পানীত পৰিল। বন্দুক তুলিবৰ সময়ে নাপালো। সংগী-দুজনে চাই ৰ'ল। বন্দুক নুতুলিলে। মই দেখিলো গুলী এৰিলে নাৱৰ আগুৱালজন মৰে, সি দিগিদিক নাপাই নাওহে চলাইছে, পাছত যে তিনিটা বন্দুক অৰ্থাৎ ছয়টা বন্দুক সাজু হৈ আছে, সেইফালে ভবাই নাই। মই ৰব নোৱাৰি নাৱৰপৰা জঁপিয়াই পানীত নামি গুলী মাৰিলো দুটা দুয়োলৈ বুলি। পহুই পাছলৈ মূৰ ঘূৰাই দ পানীত পৰি কল কলকৈ সাঁতুৰি ঠাইতে বনৰ আঁৰতে নোহোৱা হ'ল। পানীত নমা মাত্ৰকে কৰঙণত কিমান যে দীঘল দীঘল জোঙা মহে বিন্ধিব ধৰিলে তাৰ সীমা নাই। তেতিয়া মোক নাৱত তুলি ললে। সকলোৰে মুখত কিমান আফচোচ। কিমান সমালোচনা শুনিলো, কি কম! বুজিলো আচল চিকাৰ এনেহে, বিজুলী সঞ্চাৰে সকলো কাম। ধীৰে সুস্থিৰে একো নহয়। আগেয়ে ভাবিছিলো পহু থাকিব বনৰ কাণত ঘাঁহ খায়। মই দূৰতে দেখি মিলিটাৰীত শিকা Lying load নিয়মে মাটিত পেট পেলাই চেপেটা পৰি তেতিয়া নিচান কৰি গুলী এৰিম। ঘপকৰে পহু বাগৰিব। এয়ে চিকাৰ। কিন্তু আজি দেখিলো, কথা এনে নহয়। যেনে তেনে অৱস্থাত, চকুপচাৰতে নিচান কৰিয়েই হক বা নকৰিয়েই হক গুলী চলোৱা। ইয়াত যথেষ্ট অভ্যাস, ধৈৰ্য, সহিষ্ণুতা আৰু শক্তিৰ প্ৰয়োজন। তাতো সাৱধানতা, গুলীৰ লাইনত কি পৰে। ভৰিৰ আগত খালেইনে, জোঙেইনে, সাপেইনে আৰু বা কি পৰি যায়। সকলো পিনে

হুচিয়াৰ; যেনে হুচিয়াৰ বনৰ চিকাৰ বা বাঘ আদি চিকাৰী জন্তুবোৰ।

ভাটিবেলালৈ ওলালো কাদাং বিললৈ। মস্ত বিল আছিল। এতিয়া বেংকীয়ে পলস পেলাই মাৰিব লাগিছে। শুনিলো বৰ ভয়ানক ঠাই। এটা সৰু সুঁতিয়েদি আমাৰ নাও সোমাল, প্ৰবল সোঁত। দুকাষে ৰঙা ৰঙা কুঁহিয়াৰৰ দৰে পোন নল খাগৰি থিয় হৈ আছে। মই ভয়েই কৰিছো নাও ডুবি যায় বুলি। লগৰীয়া সকলৰ ভয় নাই। আমি গৈছো দুজন পহলং অৰ্থাৎ বন্দুকধাৰী। সিজন শ্যামা দাস, কমাৰ; ভাল গাঠলু মৰদ। মোতকৈ দুই শ্ৰেণী ওপৰত বৰপেটা হাইস্কুলত পঢ়িছিল। এতিয়া মোক বোলে বাপা। এঠাইত নাও ৰাখিলে। পানী কিছু বহল। মাজত এটা দ্বীপৰ দৰে অকণমান ঠাইত কিছু নল খাগৰি। নাৰৰীয়া গুৰিয়ালজনে নাৰৰ কড়িত দীঘল দি শুলে, ভাবিলো বাঘে টানি নিবই পাৰে, কি দুঃসাহস। এনেতে আগফালে সেই দ্বীপটোৰ সিকাণে কিবা মড় মড় শব্দ। চাওঁ যে এটা পেৰা ম'হে পানীত মুখ ডুবাই খাব খাইছে। শ্যামা ককাইক দেখুৱালো, কি কৰা যায়। তেওঁ বন্দুক তুলিলে। মই দেখিলোঁ পানী কম। খুব থাওনি হব। গুলীয়ালে মৰিবই। কপাল পাতি আছে। ভয় খালো, মূৰেই ফাটক বা যিয়েই নহক, একে চোচাই আহি নাৰত হেঁচা মাৰি ধৰিব, পিছতহে মৰিব। কিন্তু কাকাই নেৰে, বন্দুক তুলি নিচানেই কৰিলে কপাল চাই। ক'লে বোলে আজি তাৰেই একদিন কি মোৰেই একদিন। ইমান বলবান গুলীৰ আগত সি সাৰিব নোৱাৰে! গতি বিষম দেখি বন্দুকটো থাপ মাৰি ধৰিলে। ইতিমধ্যে পেৰাটোৱে মূৰ তুলি চাই পাছ হুহকি গ'ল আৰু এবাৰ আগুৱাই আহিল। এনেকৈ দুবাৰ মানৰ পাছত সি উভতি বিভংগে দৌৰ মাৰি নেদেখা হৈ গ'ল। মই উশাহলৈ বৰ্তিলো। প্ৰথম যাত্ৰা এনেকৈ বিফল হ'ল। পিছদিনা পুৱা আকৌ স্বস্থানে প্ৰস্থান কৰা গ'ল। □

# চোৰাং চিকাৰ

চিকাৰৰ কথা কওঁতে মনত পৰে প্ৰথমে পূৰ্বকালৰ মৃগয়া আৰু চিকাৰ একেশ্ৰেণীৰে বস্তু। মৃগয়া আছিল ৰাজকুলৰ বিলাস আৰু চিকাৰ কলিকালৰ ৰজা-জমিদাৰ আৰু ধনৱন্তসকলৰ বৈষয়িক গতানুগতিক জঞ্জালৰপৰা আঁতৰি মুকলি মনে কৰা ৰং-ধেমালি। আমি জনাত চিকাৰ কৰিছিল কোচবিহাৰৰ মহাৰজাই, গৌৰীপুৰৰ ৰজা বাহাদুৰে। তেওঁলোকে প্ৰথমেই উপযুক্ত লোকৰ হতুৱাই চিকাৰ-ক্ষেত্ৰ ঠিক কৰি তাত কেনে ধৰণৰ জীৱ-জন্তু কি পৰিমাণে পোৱাৰ সম্ভাৱনা তাৰ সকলো বা-বাতৰি লৈ বিশেষকৈ শৰত-বসন্তৰ দৰে ভাল বতৰত সেই ঠাইৰ মনোৰম অঞ্চল একোডোখৰ নিৰ্ধাৰিত কৰি, বাট-পথ আদি সুগম কৰি থকা-মেলাৰ অস্থায়ী ঘৰ নিৰ্মাণ কৰি সুবিধামতে নিৰ্মল পানীৰ নৈ আদিৰ পাৰত একোডোখৰ ঠাইত নগৰৰ সকলো সুবিধাৰ ব্যৱস্থা কৰি লৈ যথেষ্ট সংখ্যক হাতী-ঘোঁৰা, জংগল পিটি, জানোৱাৰ খেদি উলিয়াই চিকাৰীৰ আগত পেলাই দিয়ে। তেতিয়া হাওদাৰ ওপৰত আয়াসেৰে বহি, বন্দুক-ৰাইফল আদিৰে সু-সজ্জিত হৈ থকা ভাগত ক'ত চিকাৰীয়ে গুলী চলাই জন্তুৰ বধ-কাৰ্য কৰি কৃতিত্ব আৰু আনন্দ উপভোগ কৰিব। হাওদাত বেলেগ বেলেগ জন্তুত ব্যৱহাৰ কৰা বেলেগ বেলেগ বিধৰ বন্দুক-ৰাইফল আদি সজাই থব আৰু সেইবোৰ মাৰিবৰ সময়ত গুলী আদি ভৰাই সাজু কৰি ৰাখিবলৈ আৰ্দালিও থাকিব। ৰ'দ বেছি হলে, বা গৰম বেছি হলে খাবলৈ ছোডা আদি পানীয়, গিলাচ আদিৰে। তৈয়াৰ থাকিব, ফ্লাস্কত সুন্দৰ তপত চাহ

থাকিব আৰু তাৰ লগত খাবৰ কাৰণে বিস্কুটৰ টিন থাকিব, যাতে লাগ বুলিলেই অৰ্দালীয়ে আগত যোগান ধৰিব পাৰে। এই সকলোবোৰ কাৰ্য যিমান নিঃশব্দে হব পাৰে হব লাগে। বনত চিকাৰীসকলে নিৰ্দিষ্ট ঠাইৰ সন্মুখত একোডোখৰ মুকলি বা পাতল হাবি ৰাখি খাপ লৈ থাকে। জন্তু লাহে লাহে জংগল পিটোৰা মানুহৰ ভয়ত যেতিয়া চিকাৰীৰ বন্দুকৰ আগত ওলায় তেতিয়া সেই ঠাইৰ দায়িত্বত থকা চিকাৰীয়ে প্ৰথমে গুলী মাৰিব। একেলগে সকলো চিকাৰীয়ে গুলীওৰা নিষেধ। প্ৰথম গুলী ভ্ৰষ্ট হলেহে দ্বিতীয়জনে চেষ্টা কৰিব। দিনৰ চিকাৰ অন্ত হলেহে বাহৰলৈ ঘূৰি অহা হয়। গৌৰীপুৰৰ ৰজা-বাহাদুৰৰ চিকাৰৰ অভ্যাস আছিল। যিদিনা বাঘ মৰা হয় সিদিনা পোলাও নামৰ সু-খাদ্যৰ ব্যৱস্থা হয়। তাৰপিছত হয়তো মৃদু মদিৰাৰ লগত গীত-বাদ্য উপভোগ। চিকাৰৰ কাৰণে তেওঁলোকৰ নতুন নতুন কাপোৰ সাজ-পোছাক প্ৰস্তুত হয়। 'চানপ্ৰুফ' বুলি এটা ৰঙৰ কাপোৰেই বেছি সময়ত ব্যৱহাৰ হৈছিল। চিকাৰৰ পিছতেই কাপোৰ-কানি ধোবাৰ হতুৱাই ধুৱাই লোৱা হয়। এদিনৰ পোছাক নোধোৱাকৈ দ্বিতীয় দিনা ব্যৱহাৰ কৰা নহয়। বন্দুকবিলাকো যেতিয়াই তেতিয়াই ঘঁহি-পিহি চাফ-চিকুণ কৰি নতুন যেন কৰি সজাই-পৰাই ৰখা হয়। তাৰকাৰণে উপযুক্ত লোক নিৰ্দিষ্ট কৰা আছে। চিকাৰৰ কেম্পত ঔষধ-পাতিৰ লগত উপযুক্ত ডাক্তৰ, বিছনা আৰু আনুষংগিক নাৰ্ছ আদিৰ ব্যৱস্থা থাকিব। সকলো পিনে চাফ-চিকুণ ৰখাৰ ব্যৱস্থা নিখুঁত হব লাগিব। নগৰৰ ভাগ্যৱন্ত সকলৰ ড্ৰয়িং ৰুমৰ দৰে সাজ-সঁজুলি নিখুঁতভাৱে দিহা কৰা হয়। বিজুলী সৰবৰাহৰ বাবে নিজা ডায়নামো থাকিব পাৰে। সুবিধা অনুসৰি ওচৰৰ নগৰ আদিৰপৰাও বিজুলী সংযোগ কৰা হয়। এইবোৰৰ বহু কাম ঠিকাদাৰৰ জৰিয়তে আয়োজিত হয়। চিকাৰ এনেকুৱাই বিলাস-

সম্ভোগৰ বস্ত। সৌ সিদিনালৈকে বৃটিছ যুগত সম্ভোগ কৰিছিল পৰাসকলে। আজি স্বাধীন যুগত সেই সকলো অন্তৰ্ধান হৈছে। আগতে কোচবিহাৰৰ নিমন্ত্ৰণীত বিলাতৰপৰা লৰ্ড আদি আহি এনেবোৰ বিলাস উপভোগ কৰিছিল। বিলাতী চিকাৰীসকলে চাইছিল বাঘ চিকাৰ কৰি গৌৰৱ অৰ্জন কৰিবলৈ। আগেদি ১৪ আখনাৰ জাকাল পহু দৌৰি গলেও গুলী নচলাইছিল। বাঘ মাৰিব পাৰিলে, তপতে তপতে ছাল চেলাই টেনিং কৰি যাতে ষ্টাফিং কৰি তেওঁলোকৰ ড্ৰয়িংৰুমত সজাই থব পাৰে তাৰবাবে টেক্সি ডাৰ্মিষ্টো ৰাখিছিল।

সেই আছিল তেওঁলোকৰ চিকাৰ। আমিও দেখাক দেখি চিকাৰ কৰিছিলোঁ। আমিও পৌৰাণিক ধৰণে আসুৰিকভাৱে কাৰ্টুচ্‌ৱালা ১২ বোৰৰ বন্দুক কান্ধত পেলাই বা পিঠিত ওলোমাই খোজ কাঢ়ি ঢুকি পোৱা ঠাইৰ জংগলত বা নাৱেৰে খোৱা-লোৱা বস্তু-বাহানি কেৰাচিনৰ টিনকে কাটি টেমাৰ নিচিনা কৰি ভিতৰত চাউল বা দালি, আলু-পিয়াঁজ, নিমখ-তেল, চাহ-চেনি লগতে হাঠা নামৰ এক প্ৰকাৰ নিকৃষ্ট বিস্কুট, কিছুমান তামোল-পাণ, বিড়ি-তামাখু এনেবোৰেই আছিল আৰু যদি ওচৰৰ বাথানত গৈ বহোঁ তেন্তে ম'হৰ উৎকৃষ্টতম দৈ, যাক গুৱালী কথাত খাউদা বোলা হয়, এই দৈৰ ভোগ্য বস্তুবিলাক ম'হৰ গৰাকীয়ে নাপায়, পায় গুৱাল-গৰখীয়াই বা সম্মানিত অতিথিয়ে। ৰাতি শুবলৈ লোৱা হয় কাঠৰ পাত লগাই গুৱালৰ চাঙত ; তাত পতাই থাকে ধূলি-বালি মিহলি কঠা আৰু তেল চামনি ধৰা কট্‌কটীয়া গাৰু। কেতিয়াবা আঠুৱা একোখনো থাকে। গুৱাল ভাইহঁতৰ জোঁক, পোক মহ-ডাঁহলৈ পৰোৱাই নাই এদিন এনেও হৈছিল যে হাবিতলীয়া বাটেদি যাওঁতে চীনাজোঁক এডালে এটা চকুৰ তলে-ওপৰে ধৰি চকু মেলিব নোৱাৰা কৰি থৈছিল। পিছত চকুৰ বিপদৰ কথা কোৱাত এজন বন্ধুৱে আচল কথাটো ধৰি, জোঁকডাল এৰুৱাই সেই বিপদৰপৰা

উদ্ধাৰ কৰে। সেইবিধ প্ৰাণীলৈ মোৰ যথেষ্ট ভয় আছিল। সিদিনা নাৰেদি গৈ আছো বেঁকীৰ সমীতিয়েদি, কাষত বালি পৰিছে। একহাতমান ওখ গৰা। গোটেইখন কাঁহিবনে ঢাক খাইছে। আগৰ কড়িৰ পৰা নাৱৰীয়াজনে কাঁহিবনলৈ আঙুলিয়াই নাওখনত ভৰিৰ অলপ দোলনি দিলে। মই সম্পূৰ্ণ মহে আছো, আগুৰাবলৈ চালো। তেওঁ চকু দুটা বহলকৈ মুখেৰে কিবা ইংগিত দিয়া যেন পালো। মনতো নাচিয়েই থাকে পহুৰ সপোনৰ বাবে। মুখখন মেলা যেন দেখি ভাবিলো ৰাঙাই বুলিছে নেকি ? মই লাহেকৈ পাৰত খোজ দি কাঁহিবনৰ তলে তলে চাপৰি চাপৰি যাব ধৰিলোঁ। অলপ গৈ দেখিলোঁ জন্তুটো য'ত থাকিব বুলি আশা কৰিছিলোঁ তাত একো নাই। কেইহাতমান আগতহে দেখো লৰিছে। মই গুমুৰাই থিয় হৈ ইফালে-সিফালে চাই এই দেখি বন্দুক টোৱাই আগ বাঢ়িলোঁ। কি সেইটো কব নোৱাৰিলোঁ। আনকি খোজো নাচালো। খোজত মাটি কঁপি উঠা যেন পাইছো। কেইগজমান যোৱাৰ পিছত দেখো পাছফালে দুজন সংগী খাপাৰ দুপাত লৈ লৰি আহি ওচৰ পাইছে। ক'লে, "বাবু ফিৰক ! ফিৰক ! সেইটো কি গম পাইছেনে নাই ? সেইটো বাঘ। দেখিছেনে খোজত মাটি কেনেকৈ কঁপি উঠিছে।" তললৈ চাওঁ বালিত দিব্য ঢেকীয়াপতীয়াৰ খোজ। ভাগ্য ভাল সি খেদা নামাৰিলে। ৰাম ! ৰাম ! ইতিমধ্যে বেলি হেৰাই গ'ল। এটা দীঘল উশাহ লৈ অগত্যা গাঁওমুৱা হলো। তেতিয়াহে চকুৰ জোকখৰা আৱিষ্কৃত হ'ল। কপালৰ গুণত জোকে চকুৰ ভিতৰত একো নকৰিলে। সেইদিনা এনেকৈয়ে বাঘৰ যুদ্ধত মোৰ glorious retreat হ'ল। ফলত প্ৰাণৰক্ষা পৰিল। সংস্কৃত বাক্য 'ইদৃগ বিনোদঃ কুতঃ'; আমি বুলিছিলো 'ইদৃগ বিপদঃ কুতঃ।' মোৰ চিকাৰ কথাটো আছিল জাতে-পাতে বে-আইনী। পহুৰ আছিল close season কিন্তু সকলো season তে আমি পহু বুলিলে বলিয়া হৈছিলোঁ। কি খৰালি, কি বাৰিষা। এই বতৰত নাৱৰ

চিকাৰ বৰ প্ৰশস্ত আছিল। খৰালিতো খৰালিয়ে। হাঁহ আদি পখীৰ ক্ষেত্ৰটো তেনে বিধি ব্যৱস্থা আছিল। কোনে চায় সেইবিধ বধ্য নে অবধ্য। দেখিলেই গুলীওৱা হয়। ফলত হয় পখী উৰি যায় নহয় Mass massacre। চিকাৰ আগত পৰিলে, কাৰ জ্ঞান থাকে হিচাপ কৰিবলৈ। পহু মতা নে মাইকী, পখীবোৰ কি কি জাতৰ, বিধে বিধে মাৰিব পৰা আৰু নোৱৰা বিধৰ। পানীত থাকিলে যেন তেন উৰাত বৰ সহজ নহয়। এনেয়েনো চোৰাং চিকাৰ বুলিছোনে? আমি মাৰি বনৰীয়া জন্তুৰ কি হানি কৰিলোহেঁতেন। চৰকাৰে জন্তুৰ আবাসভূমি বনমাত্ৰকে মানুহক মেলি দি জন্তুক হাতে মাৰিব নিদিয়া দেখুৱাই ভাতে মৰাব দিহা কৰিছে। জন্তু থিয় হবৰ ঠাই নাই। চিকাৰীয়ে কিহক মাৰে বা নামাৰাকৈ থাকে। এই ব্যৱস্থাবোৰৰ কথা বেছিকৈ ক'লে ৰাজনীতিত পৰিবগৈ কথা। চৰকাৰে জীৱ-জন্তু সংৰক্ষণৰ নামত অভয়াৰণ্যৰ ব্যৱস্থা ৰাখিলেও তাতে যে সুবিধামতে চিকাৰ কৰা নহয় এনে নহয়। সুবিধা চাই তাতো সোমোৱা হৈছিল। সেইবোৰ যি কৰা হৈছিল, হৈছিল আৰু। কিন্তু গাৰ ফালে চাব নোৱৰা অৱস্থা! সদায় ভৰি হুলে-জোঙে বিন্ধি একাকাৰ কৰিছিল। তাতে আকৌ শিলগুটিৰ ওপৰত খোজ দিয়াত তলুৱাত খোচ খাই দুৰৱস্থা। আঠুলৈকে বন-খেৰ বিৰিনাই তলুৱা কাটি ঘা কৰি দিছে। পানী লাগিলে জীৱটো ওলাই যোৱা যেন লাগে। সেইবোৰ আৰু মাজে-মাজে পকি উঠে। সেইবোৰৰ একমাত্ৰ ঔষধ কেৰাচিন তেল সানি দিয়া। আল্লিয়ে কাটিলে ঔষধ-এমুঠা আল্লিৰে ভৰিখন জাৰি দিয়াৰ দৰে কোবাই দিয়া, লগৰীয়া সকলৰ মতে তিনি দিনত শুকাই যাব লাগে। ইফালে টোপনিত ছাৰি, বৈঠাখিনি গুৰাৰ ওপৰত পাতিলৈ তাতে দীঘলে গাটো টঙাই লোৱা। খোৱাৰ ফালেও তেনেকুৱাই কঠুৱা। ৰাথানত থাকিলে চাহ আৰু গাখীৰ ভাল পোৱা হয়। এয়ে যি। তাৰ ওপৰত

চিকাৰৰ বিফলতা, উদ্বেগ, ভয় আদিৰ প্ৰভাৱ। বন্দুকটো হাতত লৈ মানুহৰ বেছি চলকৰ নোহোৱা বাটে-বাটে নগৰৰ বাহিৰ হওঁ স-পাৰিষদ আৰু অভীয়া ঠাইমুখে খোজ লওঁ ৰদ-বৰষুণ একো নাচায়। অৱশ্যে চাওঁ কোনো লগুণধাৰী নাইবা কুযাত্ৰাৰ মানুহ যেন আগত নপৰে! কোনো বাথানৰ ওচৰ পালে গুৱাল গৰখীয়াই দূৰৰপৰাই আমালৈ নজৰ দি, কৰ্তব্য ঠিক কৰে, কোন দিনালৈ অভিযান চলাব লাগিব। বাথান পালে নদীত নামি হাত-মুখ ধুই সুস্থ হৈ একোবাটি গাখীৰত পগোৱা চাহ খাই উপযুক্ত সংগী লগত লৈ জংগল সোমাই যাওঁ। গুৱাল সহায় থাকিলে মাখা-ম'হলৈ ভয় নাথাকে। প্ৰথমে অচিনাকি মানুহক খেদি আহিব, কিন্তু গুৱালৰ নাম কৈ ঠেউকা জোকাবিলে ফুৰফুৰীয়া হৈ পৰে। আমাৰ কিন্তু জীউ আত্মা পৰমাত্মা উধাই থাকে। এনেবোৰক আমি চিকাৰ বুলি আত্ম-প্ৰসাদ লাভ কৰিছিলোঁ। লগৰীয়া বয়োজ্যেষ্ঠসকলে কৈছে,—'বাবু আপুনি কোমল শৰীৰৰ মানুহ, আপুনি এই পহলগুৰ চিকাৰৰ উপযুক্ত মানুহ নহয়, আপোনাক লাগে হাতী।' পিছে আমি জানো আগে নিজৰ মাংস দিব লাগে তেহে পৰৰ মাংস খাব পায়। সঁচা কথা যিমান মাংস দিছিলো সেই পৰিমাণে মাংস খাব নাপালোঁ। তথাপিও মাংস দিও মনৰ যি সন্তোষ পাইছিলোঁ তাক প্ৰকাশ কৰিব নোৱাৰোঁ। এনে সংস্কৃত শ্লোক 'স্থান বিনোদ কুতঃ'। এই বিনোদ সকলো সুখজনক বিনোদৰ বহু ওপৰত। চিকাৰত হাতী হলে বহুত সুখ, কিন্তু তাতে বহুত লেঠা আছে। হাতীটো কাঠৰ মহলত কাঠ টনা হাতী হব নালাগিব। সেইটো হব লাগিব চিকাৰত অভ্যস্ত ওস্তাদ মাউতৰদ্বাৰা পৰিচালিত। এবাৰহে যি হৈছিল। বৰপেটাৰপৰা দূৰত পহু বিচাৰি গলোঁ। পহু নাপাই এটা গাহৰিকে মাৰিলোঁ। গুলী খাই সেইটোৱে এনে চিঞৰ-বাখৰ লগালে তাৰ ওচৰলৈ হাতীটো নোযোৱা হ'ল বৰং নিজেই আটাহ পাৰি উভতি দৌৰিবৰ উপক্ৰম

কৰিলে। তেতিয়া মই বুদ্ধি দিলো, গাহৰিটোত জৰী লগাই, হাতীৰ গাৰ ৰছীত গাঠি দিয়া হওক। সেয়ে হ'ল। হাতী চলিব ধৰিলে আৰু লগে লগে পাছে পাছে মৰা বৰাটো খৰং-মৰংকৈ বন ভাঙি চুচৰি আহিব ধৰিলে। সেই শব্দত হাতীয়ে চক খাই উঠিল। ভাবিলে সেই কুলক্ষণীয়া চিঞৰ দিয়া কিবাটোৱে তাইক পাছে পাছে খেদি আহিছে। আৰু পাৰেমানে দৌৰিব ধৰিলে। মাজে মাজে হঠাৎ বৈ যায় আৰু পাছলৈ ঘূৰি ঘূৰি চায়। মাউতে হানি খুচি ৰাখে। ওপৰত বহি থকা টান হৈ পৰে। সময়ে সময়ে হামখুৰি খাই পৰাৰ উপক্ৰম হয়। এনেকৈ লৰি-ধাপৰি বেতবাৰী গাঁও পাই চিনাকি মানুহ এঘৰত জিৰালোঁ। হাতীটোক কলগছ এডাল দি শান্ত কৰা গ'ল আৰু এই ছেগতে বৰাটোক জৰীৰপৰা এৰুৱাই দিয়া হ'ল। বাকীখিনি বাট শান্তিৰে আহি ঘৰ পাই উশাহ পালোঁ।

দিন যোৱাৰ লগে লগে হাবি বন নোহোৱাই হৈ আহিল। আগেয়ে জাবাবাৰি, নিচানপাবা, ববৰালা, চাপৰাজইনা, চুণপোৰা, কৰাৰকুৰ এইবিলাকত পহুৰ ভিহিৰ। কিন্তু কিছুদিন পিছৰপৰা সকলো চাফা হ'ল, বৰ বৰ ১২।১৪ আখনাৰ নল-হৰিণাবোৰ নিৰুদ্দেশ হ'ল, কালশৰ ফুটুকী পহুবোৰ নোহোৱা হ'ল। আগেয়ে বেঁকীৰ পাৰত অপৰ্যাপ্ত খাটীয়া পহুৰ কথা শুনিছিলোঁ। কিন্তু সেইবোৰলৈ মন নুঠিছিল। তুচ্ছ জ্ঞান কৰিছিলোঁ। কিন্তু উপায় নাপাই সেই বেঁকীৰ ফালেই যোৱা হলোঁ। লাহে লাহে খাচৰ সীমাত নাথাকি গেমৰ ভিতৰলৈ মন মেলা হলোঁ।

গেমত তেতিয়া ভাখৰু নামে এজন ৰেঞ্জাৰ আছিল। তেওঁ জাতিত কছাৰী, লেখা-পঢ়াত সামান্য, অসীম কষ্ট-সহিষ্ণু, কিন্তু গেমৰ বনসম্পদ ৰক্ষাত বৰ বিশ্বাসী। চোৰাং চিকাৰীৰ পক্ষে

তেওঁ বাঘতকৈও ভয়ানক। পিছত এবাৰ কমিউনিষ্টৰ গোলমালত তেওঁক কোনোবাই হত্যা কৰে।

যিহওক কেইজনমান বিশ্বাসী কৰতীয়া বেকীৰ পাৰত কাঠ ফালিবলৈ গ'ল। সিহঁতে নদীৰ পাৰতে বহা বান্ধি থাকে। নদীৰ সিপাৰে গৰাৰ তলৰ শিলৰ ভেটাত গজি থকা শেলাই খাবলৈ পহু নামি আহে দিনতে। ইপাৰৰপৰা কৰতীয়াহঁতে চাই থাকে। কি কৰিব। লাহে লাহে জংবাহদুৰ নামৰ এজন বনৰীয়াৰ লগত এওঁ-লোকৰ বন্ধুতা হ'ল! নিৰ্জন বনভূমি, মানুহে মানুহৰ লগ বিচাৰিবই। জংবাহাদুৰে হিন্দুস্থানী মানুহ, নেপালী ছোৱালী বিয়া কৰাইছিল। আন কিজনতো ঘোৰতৰ চোৰাং চিকাৰী আছিল। এজন ফিৰিংগী জন্মৰ ডেকাৰ দলভুক্ত হৈ। পিছত বন-বিভাগে বুধি কৰি তাকেই গেমৰ কামত নিযুক্ত কৰি বন্দী কৰি পেলালে। লাহে লাহে ফিৰিংগীৰ দল এৰা পৰিল। সিহঁতৰ উৎপতীয়া স্বভাৱত জংবাহাদুৰেও ত্যক্ত হোৱা যেন বোধ হৈছিল।

জংবাহাদুৰৰ চিকাৰৰ নিচা কমিছিলহে, যোৱা নাছিল। কৰতীয়া বন্ধুহঁতৰ মুখে মোৰ চিকাৰৰ বাতিকৰ কথা শুনি জংবাহাদুৰে মোক যাবৰ কাৰণে বাতৰি দিলে। মই গলোঁ। কৰতীয়াৰ বহাত দেখা হ'ল। ঘৰটোৰ খুটাবোৰ শিশু বা শিমলি গছৰ ডালৰ খুটা। ছালখন খেৰৰ, বেৰবোৰ তক্তাৰ আতাল তক্তাৰ, ভেটীটো তক্তাৰ। এক কথাত log cabin। তাৰপৰা কিছু দূৰত ফতিমা চাহ বাগিচা। মদৰ দোকানী থাকিবই। কুলি লাইনৰপৰা চাহৰ গাখীৰ; হাটৰপৰা চাউল পাত। খোৱা থকাত ভাল। লাহে লাহে এদিন দুদিনকৈ গেমৰ ভিতৰ সোমোৱা হলোঁ। খেৰণিত ঠেং চিৰাচিৰ হ'ল, শিলৰ ওপৰত খোজ দিয়া সহজ হব বুলি ভাৱিছিলোঁ, পিছে নহয়। ভৰিৰ তলুৱাৰ বিষত প্ৰাণ যায়। ৰবৰৰ জোতা হলে আৰু একো কষ্ট নহয়। এজন কৰতীয়াৰ বাপেক-জনক এদিন তাতে লগ পালোঁ। আমি সকলোৱে একে পাগতে

খাওঁ, চাহো তাতেই হয়। সিদিনা এজন ফৰেষ্টৰ কৰ্মচাৰী তালৈ আহিছিল। ভাত খাই গ'ল দুপৰীয়া। কিবা আঞ্জা নে ভাত লগাত কোনে জানো ক'লে—চৰুৰপৰা নিজেই লবলৈ। সেই মতে মানুহজনে খালে। বুঢ়ায়ো খালে। কিন্তু পিছত কিবা সূত্ৰে জানিলে যে মানুহজন মাছুৰৈ ভকত। বুঢ়াই উস্ উস্ আস্ আস্ কৰি যেনে আক্ষেপ কৰিব ধৰিলে মোৰ হাঁহি উঠি গ'ল। মই হাঁহি পেটত সুমুৱাই মুখত বিজ্ঞতা দেখুৱাই কবৰ চেষ্টা কৰিলো যে নজনাত একো দোষ নাই আৰু বিদেশত নিয়ম নাস্তি ইত্যাদি কিন্তু শৰণ ভজন লৈ সাধনাৰ উচ্চ খাপলৈ উঠা বুঢ়াক বুজাব নোৱাৰিলোঁ। বুঢ়াই লঘোণ দিলে আৰু পিছ দিনা পুৱাই বৰপেটালৈ গ'ল উদ্ধাৰ পৰাচিত হবলৈ। বুঢ়াৰ শক্তিও বৰ কম নাছিল। এদিন গধূলি গৈ দেখিলোঁ বহাত বুঢ়া জ্বৰ হৈ পৰি আছে। গধূলিৰপৰা ঢল অৰ্থাৎ বোকা পানী উঠি আমাৰ চিকাৰলৈ যোৱা নষ্ট কৰিলে। বেঁকী পাৰ হোৱা নহ'ল। অগত্যা ওচৰৰে হাবি-বননিত টৰ্চ লৈ বিচাৰোতে পালো এটা পহু। ৰাতি সেইটো থাকিল এনেয়ে। পিছ দিনা কাটি কুটি খোৱাৰ দিহা হ'ল। জেঠমহীয়া ৰ'দৰ বতৰ বাহিৰ হলেই গা ঘামি যায়। সেই বতৰত বুঢ়া উঠি বহিল। জ্বৰ বোলে এৰিছে। বেঁকীৰ হিমশীতল পানীত নামি বুঢ়াই গা-পা ধুই ললে আৰু বাহিৰত মুকলি ৰ'দত ৰন্ধাৰ যোগাৰত লাগিল। কাৰণ পৰাচিত হৈ আহি মানুহজনে আগৰ পাগত নাখাই বাহিৰত নিজে ৰান্ধি খোৱা হৈছিল। দেখিলোঁ সেই ৰ'দত বুঢ়াই বহি শুদা গাৰেই পহুৰ মাংসৰ আঞ্জা আৰু ক'লা জহা চাউলৰ ভাত বহাইছে। পিঠিৰে ঘাম বৈ গৈছে। সেই সুখত বুঢ়াৰ খোৱা হৈ গ'ল। ধন্য বীৰ।

খৰালিৰ সময়ত যেতিয়া বনত জুই লাগিব ধৰে সেই সময়ৰপৰা বহাগৰ বৰষুণত চখলা অৰ্থাৎ নতুন বন উঠাৰ সময়লৈ বেঁকীৰ ভিতৰলৈ চিকাৰ চলে। তাৰ পিছলৈ কিন্তু বৰ দুৰুহ হৈ পৰে।

তেতিয়া আৰু হাতী নহলে আমাৰ দৰে অলপ ধতুৰাৰ পক্ষে তালৈ যোৱা বৰ টান। ঠাইবোৰো ঠায়ে ঠায়ে ন'ল খাগৰিৰে ভৰা। হাতীৰ ওপৰত থিয় হৈহে ঠায়ে ঠায়ে জন্তুৰ চালি ধৰিব পাৰি। মাজে মাজে পাতলীয়া গছ, ঠায়ে ঠায়ে জাৰণি, সেইবোৰ হয় চিচু নতুবা অকচি, নতুবা খৈৰা, শিমলা ইত্যাদি বহুবিধ গছৰ জাৰণি। সেই-বোৰৰ তলৰ পিঠিত ছাঁত পহুৰ আগেৰে অহা যোৱা কৰিব লাগে জন্তুৰ অহা যোৱা থুৰ বিলাকেৰে। হাবিৰ জমা হোৱা ধূলিয়ে উশাহত নাকমুখ ভৰি যায়। পুৰি গলে অহা-যোৱা মস্কিল। আধা পোৰা খাগৰিবোৰ আছেই। খোজ দিলে ছাই উৰিব ধৰে, গাৰ ঘঁহনি লাগি পোৰা বনবোৰ জোকাৰ খায়। ফলত চিকাৰীৰ মুৰৰপৰা ভৰিলৈকে ক'লা পৰি যায়। নাকেদি ছাই-ধূলি উৰি অন্তৰখনো ক'লা পৰে, মানুহজনক চিনিব নোৱৰা হয়, দাঁতবোৰ জিলিকে, চকু দুটাও দেখিবলৈ কিবা একাকম হৈ যায়। গছবোৰত জুই লাগি গাবোৰ পুৰি ঠংঠঙীয়া হৈ ৰাতি দেখা ক'লা ভূত একোটা যেন হৈ থাকে। এনে অৱস্থাত গছত উঠি দূৰলৈ জানোৱাৰ নজৰ কৰিব লাগে। যদিহে জন্তু চকুত পৰে নামি আহি পৰম সন্তৰ্পণে আগবাঢ়িব লাগে। নতুবা বন্দুকৰ পাল্লাৰ ভিতৰত থাকিলেতো ভালেই। অহা যোৱা কৰিবলৈ ভাল, লাইন ধৰি যাব পাৰিলে। লাইন মানে চকীদাৰ আদি অহা-যোৱা কৰিবলৈ ফৰেষ্টৰ ওচৰৰ গঁৱাৰ হতুৱাই আলিৰ দৰে একোটা দীঘল দীঘল হাবি কাটি লোৱা বাট। এই খাটনিৰ বাবে মানুহবোৰে পায় হাবিৰপৰা মৰা গছৰ খুটা আৰু নাঙল আদি।

এই হাবিত চলাচল কৰাত আন মানুহ লগ পোৱা বিপদৰ কথা। জন্তু-ৰখীয়া চকীদাৰ হব পাৰে, নাইবা গড়-ৰখীয়া গুণ্ডাও হব পাৰে। চকীদাৰক বন্দুক দেখুৱালে পলাব কিন্তু গুণ্ডাৰ লগত সেইটি নহব। সিহঁতেই বৰং আগধৰি গুলী চলাব আৰু বন্দুকটি কাঢ়ি নিব। পিছে বন নুপুৰিলে সাধাৰণতে কাৰো

লগত সাক্ষাৎ হবৰ বিশেষ ভয় নাথাকে। যি অটব্য জংগল, কেইটামান মানুহ তাত ওকণি সদৃশ। দেখা হবৰ ভয়। নদীখনৰ বুকুত য'ত জিবোৰা যায় আৰু খোৱা লোৱাৰ দিহা কৰা হয়। সিহঁতৰ কিছুমান আছে হেনো গুৱালপাৰাৰ ফালৰপৰা, মানাহ পাৰ হয় কাঠৰ ভুৰ বান্ধি, লগত ভাল ৰাইফল থাকে, সেইবোৰ হেনো কোনোবা ধনী আৰু প্ৰতিপত্তি থকা লোকে যোগান দিয়ে। এতিয়া শুনিছো 'গেমৰ' ৰক্ষাৰ ভাল ব্যৱস্থা হৈছে। বন্দুক আৰু হাতী কেইবাটাও থাকে, কিন্তু শিকাৰ বন্ধ হোৱা নাই।

এদিন গেমত সোমাইছো, ঠায়ে ঠায়ে একোটা অঞ্চল পুৰি গৈছে। ছায়ে আমাৰ প্ৰত্যেককে একোটা ৰাতিৰ ভূত যেন কৰিছে। পুৰা ন মান বাজিছে। মই এডাল গছত ধৰিলোঁ কিবা চকুত পৰেনে চাবলৈ। চাৰিওফালে চালো কতো একো নাই। তলত থকা এজনে ক'লে, 'সেইটো পহু'। মই চালো পহু ক'ত ? মানুহ জনে ক'লে, 'সেইটো নহয়, গছৰ আগত !' মই ভাবিলো গছৰ আগত ক'ত ? সাৱধানে আৰু এখোপ উঠি গৈ দূৰলৈ চাব ধৰিলো। একো দেখোন নাই। সুধিলো 'ক'তহে ক'ত পহু' ? উত্তৰ পালো, 'কিয় দেখা নাই। সেইটো। আপোনাৰ আগতে।' ভাবিলো মোৰ ওপৰতে ? আগতে গছৰ ওপৰত কয় কি ? আগেয়ে বোলে গছৰ ওপৰতে, এতিয়া বোলে মোৰ ওপৰতে ! অদ্ভূত কথা। মই বিমোৰত পৰি ক'লো, 'আহাছোঁ ওপৰত উঠি, দেখুৱা ক'ত পহু !' মানুহজনে এচপৰা মাটি ওপৰলৈ দলি মাৰি দি দেখুৱাই দিলে যে হয়। পহু আছে গছৰ আগতে আৰু মোৰো ওপৰত। পিছে আমি তাক মাৰিবও নোৱাৰো খাবও নোৱাৰো। কথাটো হ'ল কোনোবা দুৰন্ত চিকাৰীয়ে পহুটো মাৰি প্ৰয়োজনীয় মাংসবোৰ কাটি লৈ জকাটো টানি গছৰ ওপৰত তুলি মূৰটো ডালৰ ঠেকনাত লগাই থৈ গুচি গৈছে। সেয়ে ব'দে-ৰতাহে শুকাই খৰখৰীয়া হৈ আছিল, পিছত বনপোৰা জুইত ডেৰা

পোৰা হৈ ওলমি আছে। দেখাত প্ৰথম দৃষ্টিত গছৰ ডাল বা বগাই উঠা লতা যেনেই পায়। গোন্ধ-ভাপ একো নাই এতিয়া। নাড়ী-ভূঁৰু কেতিয়াবাই পেলাই দিয়া হৈছে। হতাশ হৈ নামি আহিলো। এই কু-কাণ্ডটো কোনে কৰিলে ? ধাৰণা হ'ল ই কোনো গুণ্ডাৰ কাম। কেবাদিন ধৰি চিকাৰ কৰি লৈ মাংসবিলাক কাটি লৈ গৈছে আৰু বনৰক্ষী বিষয়াক বিদ্ৰূপ কৰিবলৈ এই ধেমালি কৰিছে। পিছে যাক লক্ষ্য কৰি এই কাম কৰিছে তেওঁলোকৰ ওচৰলৈ এই বিদ্ৰূপ গ'ল নে নাই কব নোৱাৰে। মোৰ বোধ হ'ল মোৰ গাতহে ই লাগিল। যাৰ ভাগ্যত যি লিখন !

আন এদিনৰ কথা। ঘৰৰপৰা গ'লো দুপৰীয়াতে চাইকেলেৰে। আড্ডা যেতিয়া পাওঁ তেতিয়া বেলি ভাটি দিছে। কথা হ'ল তাৰ-পৰা বাগিচাৰ ভিতৰেদি গৈ ওচৰৰে এডোখৰ ঠাইত চাই ৰাতি গুচি আহিম। সময় এনেয়ে নষ্ট কৰা বেয়া। ভাল হেৰুৱাৰ নালাগে। খোৱাৰ বাবে আটাৰ ডাঠ ৰুটি আৰু মাংস অলপ। ওলালো সন্ধ্যা লগাৰ লগে লগে। ভৰিত জোতা নাই, ভাগৰো আছে কিছু কিছু। বাগিচাৰ কাষৰ কুলি লাইনত সোমাই দৰকাৰী খবৰ আদি লৈ ওলালো। এজন যোৱাৰ কথা আছিল। যাব নোৱাৰিলে। বেচেৰা বেছ নিৰ্ভৰযোগ্য অৱস্থাত নাছিল। উদ্দেশ্য কৰি যোৱা ঠাইত একো নেদেখিলোঁ। আগুৱাই গৈ গৈ বহুতখিনি পালো। কাৰো গাত উলটিবৰ হুচ নাই। গৈয়ে আছো। মই সেইবোৰ ঠাইৰ বাট-পথ নিচিনো, বিশেষকৈ ৰাতি। এজনে কলে, আমিতো গাতিয়েদি পাক মাৰি আহিব পাৰোঁ। গাতি এটা ফৰেষ্টৰ বিট। এজন চকীদাৰ থাকে, আমাৰ বন্ধু। কথা মতেই কাম। দহমান বজাত বিট ঘৰ পালো। জাৰ তেতিয়াও আছে। চোতালত এবোজা বন আছিল। তাকে জ্বলাই ভৰি-হাত সেকিলো। মাত দিয়াত মানুহজন লাহে ধীৰে উঠো নুঠোকৈ ওলাই আহিল। দেখিলো ৰাগী আছেই কিছু। কিন্তু বন্ধুৰ অনুৰোধ। কি কৰে এতিয়া !

সাজু হ'ল। এযোৰ মোজা পিন্ধিলে, ফেৰালৈ আগুৰে। কাপোৰৰ জোতা। দুৰ্জয় মৰদ। জাতিত কছাৰী বা মেছ। ব্যৱহাৰত অতি সুন্দৰ। নামটো পাহৰিলোঁ। বন্ধুজন সেই নিৰাশ্ৰয় ঠাইত সস্ত্ৰীক বাস কৰে। দুয়ো অসীম সাহসী যেন লাগিল। এজন ল'ৰা আছিল বোধ হয়। আমি চাৰিজনৰ লগত পাঁচজন হ'ল। ইফালে সিফালে টৰ্চ দি চাই গৈছো। ক'তো একো নাই। ইবাৰ মোৰ লগৰীয়া তিনিজন পাছত থাকিল। চকীদাৰ আৰু মই আগত। যিমানে যাওঁ একো নপৰে চকুত। একোটা জাৰণিৰ উদ্দেশ্যে যাওঁ, ক'ত—একো নাই। সংগীজনো যে চলিছে ভীষণ বেগত। এনেয়ে বলিষ্ঠ লোক, খাই-বৈ হৃষ্ট-পুষ্ট হৈ আছে, তাতে তলভাগ সুৰক্ষিত। মোৰ সেই সুবিধা একো নাই। তথাপি সমানে চলিছোঁ। কিন্তু পিছলৈ দেখিলো নতুন অসুবিধা। ঠায়ে ঠায়ে ভালুকৰ গাঁত। আমাৰ চকু দূৰত, ভৰিৰ আগত কি আছে কব নোৱাৰো। হুবুক হুবুককৈ পৰি গৈছো। কেতিয়াবা মই, কেতিয়াবা চকীদাৰ বন্ধু। সদা ভালুকেই ভালুক। শেষত এটা ওখ প্ৰকাণ্ড পৰিত্যক্ত আলিত উঠিলোঁ। ওপৰৰপৰা টৰ্চ মাৰিলে বহু দূৰলৈ নজৰ কৰিব পাৰি। সেইটো বোলে বহুদিন আগতে এজন 'ভাইচৰয়' চিকাৰলৈ অহা-যোৱা কৰিবলৈ বন্ধা আলি, ভৱানীপুৰৰ লগত সংলগ্ন। এতিয়া। জংঘল হৈ গৈছে, কাৰণ খহি গৈছে। কিন্তু তাৰ ওপৰতো দেখিলো ভালুকৰ ভীষণ ৰাজত্ব। এতিয়া অৱশ্যে আমাৰ পতন কম হ'ল। একোটা গাত দেখিলো মোৰ এক'কাল সমান দ'। সকলোবোৰেই নতুন। মনত পৰিল দুষ্যন্তক মাধব্যই কোৱা কথা মতে "নবপালিকা লোলুপস্য ভল্লুকস্য সুখ বিবৰে" নপৰিলেহে ৰক্ষা! যেনেহে লাগিছে, হওক লাগিলে ভালুকেই কিবা এটা আগত পৰক, কিন্তু কি শূন্যোবাশিত ভৰি দি ওলাইছিলোঁ। এটা অমংগলীয়া শিয়ালো চকুত নপৰিল। চিকাৰত আমাৰ মতে ইটো প্ৰাণী বৰ কুলক্ষণীয়া। আগত যদি

পাৰিলহে, তেন্তে আৰু আগ নাবাঢ়িবাই। ভাং এচিলিম খাই শুই থাকিবা। গৈ গৈ এখন সৰু নদী পালো। নদী বুলিব নোৱাৰি জানহে। বাৰিষা হয়তো নদী। নাম 'ভাতগালি'। ভূগোলত নাম নাই, হজুৰা বনুৱাৰ মুখত আছে নেকি? ই বোলে সৰুপেটাৰ ওচৰ। আমি গৈছিলো ববপেটা বোডৰ বাৰ মাইলমান উত্তৰৰপৰা। পালোগৈ সৰুপেটাৰ ওচৰ। সকলোৱে তাতে হাত মুখ ধুই বিড়ি ধঁপাত খাই ওলোটা মুখে খোজ দিলো। পুৰা ৰাতি তেতিয়া চকীদাৰ বন্ধুই বাটতে আমাৰপৰা বিদায় ললে। অকলে ঘৰ ওলালগৈ, আমি আগবঢ়াই যোৱাৰ প্ৰস্তাৱ নাকচ কৰিলো। তেওঁ-লোকৰ কি দিন-ৰাতি আছে, শুদাহাতে বাঘ-ম'হ-হাতী আদিক ভেটে। পিছত শুনিছো মানুহজনে বোলে মোক বৰ খাতিৰ কৰিছে। তেওঁৰ লগতে সমানে পাল্লা দিয়া দেখি। বহুদিন পিছত এদিন ছাত্ৰ সমন্বিতে মঠনগুৰিলৈ বনভোজ খাবলৈ যাওঁতে বাঁহবাৰী অফিচত মানুহজনৰ লগত সাক্ষাৎ হৈছিল। দুয়ো দুয়োকে চিনি পোৱা যেন লাগিল: চাই আছো ভেবা লাগি। পিছত মই কলো, "তোমাক চিনা যেন লাগে দেখোন।" উত্তৰ দিলে, "এদিন ৰাতি লগ পাইছিলো নেকি?" চাৎ কৰি মনত পৰি গ'ল সেই ৰাতিৰ কথা। হাতত খামোচ মাৰি ধৰিলো, "তুমি!" "হয় বাবু, আছো অৰু"। বৰ আবেগৰে বিদায় ললো। এতিয়া যে সেইদিন নাই! ৰবৰ সময়ো নাই।

কথাৰ আঁত হেৰুৱা যেন পাওঁ। বেঁকীৰ পাৰৰ ৰঙা ৰ'দ পাতলকৈ বিয়পি গ'ল। ওচৰতে থকা তক্তা এখনত কাপোৰ পাৰি থোৱা বিছনাত দীঘল দিয়া মাত্ৰে কি হ'ল আৰু কব নোৱাৰো। দহমান বজাত চকু মেলিলোঁ। কোনোবাই যেন ভুজালুকৰ জুলাহে দিছে। বাতৰি পালো যোৱা কালি ৰাতি জংবাহাদুৰে খবৰ দি গৈছে। আজি চাৰিবজাত আমি যেনে তেনে ফুলগুৰি বিটত যেন উপস্থিত হওঁ। তেওঁ তাত সেই সময়লৈ থাকি আমাক

কোনোবা এফালে লৈ যাব। গতিকে আয়োজন হব লাগিছে, ইতিমধ্যে যিমান সোনকালে ওলাব পাৰি সিমানেই ভাল। লৰালৰিকৈ গা ধুই, ভাত খাই সাজু হলো। আমি পাঁচজন আৰু এজন নেপালী যোবাব কথা। কিন্তু অহাত পলম কৰিছে। যাব লাগিব প্ৰায় বাৰমাইলবো ওপৰ। বাট ভাল নহয়, লগত আছে মোনাত সামান্য বচদ ভৰাই লোৱা ভাব এখন। বন্দুকতো বন্দুকেই। এজন ফিৰিংগী বন্ধুৰ ৰাইফল এটাও। বন্ধুজন নাযায় কিন্তু। বহুত পলমকৈ নেপালীজন আহি পালে। লগত দুই-তিন বটল মদো। ‘মাধৱ মাধৱ’ বুলি বেঁকী পাৰ হৈ লাইন ধৰি কাহীতামালৈ বাট পোনালো। কাহীতামাৰ ফৰেষ্টৰ অফিচ, তাৰ ওচৰত আছে চিচু গছৰ আকাশলংঘা ঝাৰ এটা। অতি মনোৰম ঠাই। ছাঁত পহু শুই থাকে বুলি শুনিলো। তাৰপৰা উত্তৰ মুখে খোজ ললো। সেই অঞ্চলত চিচু গছেই বেছি। বাঘো বহুত যেনেই লাগিল। কাষে কাষে বাঘে শৌচ কৰিছে। শৌচৰ লগত পাক খাই থকা পহুৰ ছালৰ টুকুৰাও মাজে মাজে চকুত পৰিল। হাবি এৰাই আন এটা লাইন পালোঁ। কিন্তু দুখৰ বিষয় বোধহয় চাৰি বজাত আমি ফুলগুৰি বিট লব নোৱাৰিম। এই লাইনৰ দুকাষে ভুমুকি মৰা পহুৰ সংখ্যা ধৰিব নোৱাৰি। ফৰিং যেনেকৈ চিটিকে ; পহুও তেনেকৈ চিটিকি গৈছে। মাৰিলে কমেও দহ-পোন্ধৰটামান মাৰিব পৰা যায়। কিন্তু নিম কেনেকৈ ? ইফালে সময় টুটি গৈ আছে। পহু এটাও যদি মাৰি লওঁ, আমাৰ খোজ কচাত বাধাহে হব। তেতিয়া হয়তো সেই ঠাইতে ৰাতি খপিব লাগিব। কিন্তু ইমানতো ফুলগুৰিৰ ওচৰ পাব নোৱাৰিলে শেষত মুখ আন্ধেৰী লাগিলেই। আমি অন্ততঃ বেঁকীৰ পাৰ ওলাবৰ কাৰণে ব্যগ্ৰ হৈ পৰিলোঁ। মাজে মাজে শিলনিত বেঁকীৰ পানীৰ ঝৰ-ঝৰণি শব্দ শুনো। কিন্ত অলপ আগবাঢ়িলেই শব্দ নুশুনা হওঁ। শেষত লাইনৰ বাট

হেৰুৱাই পেলালোঁ। কিন্তু দিশ লক্ষ্য কৰি আগুৱাইছোঁহে আগুৱাইছোঁ। এনেতে মিলিল এটা ঘটনা। অলপ দূৰত আমি যোৱা বাটত এটা কলাকৈ মস্ত কিবা জন্তু থিয় হৈ আছে। নেপালীজন আছিল পাছত। ভাবখনো তেতিয়া তাৰেই কান্ধত। সিয়েই প্ৰথমে ক'লে, 'হাতী'। আৰু সি তাত নায়েই। ভাৰখন পেলাই থৈ উলটি বিভংগে দিলে দৌৰ অ' সেইহে বৰ সাহ! মই শাৰীটোৰ দ্বিতীয়তে। হাতত ৰাইফলটো সাজু হৈ আছে। মই তৎক্ষণাৎ সাজু হলো। আগৰজনে লাহেকৈ হাতত ধৰি কাণে কাণে ক'লে, 'মস্ত পেৰা!' মই ৰাইফলটো টোৱালো মানুহজনে বন্দুকত ধৰিলে। মই বলো। কলে। "লাইনৰ ওচৰত আছোঁ, ইয়াতে ম'হটো মাৰিলে বৰ হাহাকাৰ হব। সি এনেয়ে যাব।" সেই বুলি মুখত আঙুলি ভৰাই এটা সুহুৰি মাৰিবলৈহে পালে! ম'হটোৱে বন ভাঙি ভিৰাই মাৰিলে দৌৰ। লগে লগে আমাৰ চাৰিও ফালৰপৰা কেইবাটাও ম'হে চকাচৰে ভঙা দি হুৰহুৰকৈ দৌৰিব ধৰিলে। পাঁচ মিনিট মানলৈ সেই শব্দ কাণত বাজিয়ে থাকিলে। গোটেই জাকেই যে সেই হাবি খণ্ডত সোমাই চৰি আছিল; কোনে জানে? পেৰাটো যদি আগত নাথাকে আমিতো হুৰমুৰকৈ সিহঁতৰ মাজতেই সোমাওঁ। আৰু তেতিয়া কাক ক'ত যে শিঙৰ ওপৰত তুলি ওফৰালেহেঁতেন কোনে জানে। এই ৰিষ্টটো কাটি যোৱাৰ পিছত আমি বাস্তৱৰ ফালে চকু দিলোঁ। জংবাহাদুৰক লগ ধৰাৰ আশা গ'ল। এতিয়া ভাবিলো বেঁকী পাৰ হৈ ফুলগুৰিৰ বিট ঘৰত ৰাতি যাপন কৰা আৰু পাৰিলে দুই এপাক চোৱা। আন্ধাৰ ঘনহৈ আহিছে। টৰ্চ মাৰি বাট উলিয়াইছোঁ। জোনাকী পৰুৱাৰ দৰে পহুৰ চকু ধৰাও পৰিছে, তেনেই কাষে কাষে। দেখিলো হাতৰ পহু এটা ধৰি লোৱাই ভাল এনেকৈ কাষ চাপিছে যেতিয়া। আজি ইমান পহু লগ পাইছোঁ। কিন্তু কালি হয়তো ইয়াত এটাও নেদেখিম। ই দেৰবান বস্তু। সকলোৰে

একোটা ৰাখাল আছে। সেয়ে ইহঁতক ৰাখি থাকে। দিন-দৈৰ যাব ঘাটি থাকে, সিহে মৰে। অগত্যা ঠিক হ'ল, এটা মাৰি লোৱাই ভাল। মাৰিলো গুলী। পৰিল এটা সুন্দৰ পঠা। দুডাল খাপাৰ জোৰা লগাই, ভাৰ বান্ধি কোনোমতে সেইটো লোৱা হ'ল। বাট এমাইল মান। নিওঁতে দুজনকৈ পাল পাতি তিনিবাৰ মান পালা বদল কৰি গৈ গৈ শেষত বেঁকীৰ পাৰ পালোগৈ। এজন ভাৰীয়ে কান্দি গ'ল গছৰ মুৰাত উজুটি খাই। দেখা গ'ল আমি যাওঁ বোলা জাগাতে ওলাইছোঁ। এতিয়া নদী পাৰ হলেই হ'ল। নৈৰ বুকুলৈ গৰা খহনীয়াইদি নামি গলো। পানী নাই বুলিলেই হ'ল। পানীৰ মাজে মাজে গোটা শিলৰ ভেটা, তাতে পানীৰ তীব্ৰ সোঁতে কোবাই বিষম শব্দ তুলিছে। একাঠুমান পানী হব, কিন্তু মাজে মাজে একোটা গভীৰ সোঁত। চেঁচা পানী, প্ৰবল ধাৰ। পাৰ হব নোৱাৰি টৰ্চেদি চায়ো বাটৰ একো নিৰ্ণয় কৰিব পৰা নগ'ল। অগত্যা তাতে সেই বালি আৰু শিলৰ ভেটাতে ৰাতি ৰোৱাৰ ঠিক হ'ল। এডাল প্ৰকাণ্ড মৰা গছ বালিত পৰি আছিল। সেইডাল বাতি জ্বলাই ৰখাৰ ব্যৱস্থা হ'ল। সৰু সৰু কাঠ কিছু আনি গছডালত আউজাই দিয়া হ'ল। কিছু জমাত থোৱা হ'ল। তেতিয়া এসোপা জাঁজি আনি সৰু শ্ৰেণীৰ কাঠৰ তলত যুগুত কৰা হ'ল। জাঁজিত এটা দিয়াচলাই মাৰি দিলে, একাদিক্ৰমে গোটেইবিলাক কাঠত জ্বুই লাগিব। এইবোৰ সকলো দিহা কৰি, তিনিটা শিলৰ উধান কৰি একখোলা চাহৰ যোগাৰ কৰা হ'ল। ৰুটি, মাখন আৰু ৰঙা চাহ। গাখীৰৰ বটলটো ভাৰ পেলাই দৌৰোতে ক'ৰবাত পৰিল। অগত্যা তাৰেই পেটৰ পোৰণি মাৰ নিয়াই অলপ জিৰাই শতাই দুই এপাক চাই আহিলোঁ, কিন্তু কি আচৰিত, কতো একো জন্তু নাই। অলপ আগতে দেখা ইমানবোৰ জন্তু ক'লৈ গ'ল। সঁচাকৈ কিবা আমি নজনা শক্তিয়েহে ইহঁতক চলাই লৈ ফুৰে হব পায়। নহলেতো ইহঁতৰ

জাতিয়েই নিৰ্মূল হৈ গ'লহেঁতেন। মন কিন্তু মোৰ হতাশ। আনবোৰৰ কিন্তু একো নাই। ৰাতি একমান বজাত উভতিলোঁ। যোগাৰ কৰি থোৱা জুইকুৰা জ্বলাই দি, ওচৰে-ওচৰে শিলৰ ওপৰতে আটাই কেইটা প্ৰাণীয়ে পৰি ৰলো। বিপৰীত জুই জ্বলিল। তাৰ আগত কোনো জন্তু আহিবৰ সম্ভাৱনা নোহোৱা হ'ল। টোপনি ভাল নহ'ল। মাজে মাজে উঠি জুইকুৰাৰ তদ্বিৰ কৰো আৰু দূৰত বহি জুই পুৱাওঁ। ওচৰততো ৰ'বই নোৱাৰি। এনেকৈয়ে ৰাতিটো গ'ল। ৰাতি মাত্ৰ দূৰত মাজে মাজে শুনিলো, একোটা পহুৰ আতংকৰ চিঞৰ, হাতীৰ আটাহ আৰু বাঘৰ গৰ্জন। এনেকৈয়ে পুৱে পোহৰ হ'ল।

দেখিলো সিফালে অলপ নিলগতে ফুলগুৰিৰ বিট ঘৰ। পাৰ হোৱা বাটটোৰো সন্ধান পালো। চক্‌চকীয়া তৰাং পানীত শিল-বোৰ ওলাই আছে। আমি ভালকৈয়ে গতি কৰিলো। পাৰিলে ভাত সাজ খাওঁ। কিন্তু বন্ধা বাচন কেইটা ক'ত যে লুকুৱাই থৈছে, কব নোৱাৰিলোঁ। ক'ৰবাত বালিত পুতি থৈ যায় চকীদাৰবিলাকে। আমাৰ লগত এটাহে এলুমিনিয়ামৰ চচ্‌পেন। তাৰে একো সুবিধা নহয়। লগত আছে সামান্য পৰিমাণৰ চাউল, দালি, লোণ। জংবাহাদুৰে সকলোকে জোৰাকৈ মঠনগুৰিৰপৰা সেইবোৰ আনি-লেহেঁতেন। দিহা হ'ল পহুটো বাচি লৈ অলপ ৰন্ধা যাওঁক। তাতে চাউল দালিখিনি পেলাই পোলাওৰ সস্তা সংৰক্ষণ কৰি খোৱা যাওক। সেয়ে হ'ল। পহুটো দাঙি নদীৰ মাজত শিলৰ বহল ভেটা এটালৈ নিয়া হ'ল। নহলে পাৰত বচা-কুটা কৰিলে বালিও মিহলি হব আৰু চিন বৈ যাব পাৰে। বৰ সাৱধানে চলিব লাগে তাত, আনকি মাৰি উঠা কাৰ্টুচ্‌টোও পেলাই দিব নালাগে। জেপত ভৰাই আনিব লাগে। কোনোবা ওপৰৱালাই দেখিব লাগিলে তলতীয়া কৰ্মচাৰীৰ বদনাম।

পহুটোৰ ছাল বাচিব ধৰিছেহে, আধামান হওঁতে নহওঁতেই

ক'ৰপৰানো ইমানবোৰ শগুণ উৰি আহি আমাক আগুৰি পেলালে। ইমান শগুণ একেলগে লোকালয়ত দেখাই নাছিলোঁ। তাৰ ওপৰতো সিহঁতৰ কি আক্ৰমণমুখী লক্ষণ। আমাক গ্ৰাহ্যই নকৰে। হেঁচি ধৰি যেন পহুটো খায়। উপায়ান্তৰ নেদেখি আমি দুটাই খাপাৰ ধৰি কোবাই কোবাই এই লেতেৰা পখীবোৰক খেদি থাকিলো, তেহে কোনোমতে পহুটো কেইটামান টুকুৰা কৰিব পৰা গ'ল। যিখিনি অৱশেষ নাড়ী-ভুৰু আছিল তাক নিমিষতে শেষ কৰি পেলাই কৰ পখী ক'লৈ গ'ল একো চিনেই নাথাকিল। সেই হেন ঠাইত ইমান শগুণ কেনেকৈ থাকিব পাৰে ভাবি আচৰিত হলো। কিবা ভৌতিক কাণ্ড যেনহে লাগিল। পহুৰ ওপৰত মানুহৰ যেনে আক্ৰোশ ইহঁতৰো তেনেই যেন লাগিল। ইহঁত যেনিবা সোঁশৰীৰে তাত খাপ লৈ বৈ আছে। আমি জানিবা মনটোৱে তাতে আছো জনাকৈ বা নজনাকৈ। তফাৎ এই মাত্ৰ।

তেতিয়া আমাৰ খোৱাৰ পালা। পুৰা এবাৰ বঙা চাহ বুটিৰে চলিছে। এতিয়া পোলাওৰ আয়োজন : চাউল, দালি অলপমান আৰু মৃগ মাংস কিছু মিলাই বন্ধা হ'ল, মাখনখিনি দিয়া হ'ল ঢালি। কিন্তু লোণৰ টোপোলাটো কি হ'ল। বোধহয় সিয়ো গাখীৰৰ বাটেই ললে। সেই অপূৰ্ব খাদ্য চুচি চেলেকি খাই গাৰ বল বান্ধি উঠিলোঁ। সেই ঠাইত সু-পৰিচিত এজনক মঠনগুৰিলৈ জং-বাহাদুৰৰ কিবা খবৰ পায়নে আনিবলৈ পঠালে। কিন্তু একো খবৰ নাপালে। আমি এপাক মাৰি চালোঁ। কতো একো নাই। একমান বজাত লাহে ধীৰে ঘৰমুৱা হলো। ৰ'দত ক'লা, গাত বিফলতাৰ অৱসাদ, হঠাতে দূৰত হাবিৰ মাজৰপৰা গিৰিপ কৰে এটা কাঠ খোৱা জাকাল উঠি লৰ মাৰিলে। হাতত ৰাইফলটো আছিলেই সাজু, মাৰিলো তৎক্ষণাৎ গুলী এজাঁই। নালাগিল। ভাবিলো গ'ল আৰু। পিছ মুহূৰ্ততে তাৰেপৰাই আৰু এটাই দিলে লৰ। অপ্ৰস্তুত হৈ থাকিও মাৰিলো দ্বিতীয় গুলীটো। হ'ল মিচ্!

কিহে পালে ! আজি কিবা হৈছে। নিজত বিশ্বাস নোহোৱা হ'ল। তাৰ পিছত আৰু এটাই মাৰিলে লৰ। কি কাণ্ড। মাৰিলো Point Blank আৰু এজাঁই। এইবাৰো মিচ্। নিজৰ ওপৰত ধিক্কাৰ হ'ল। মিছায়ে বন্দুক ধৰিছোঁ। ক্ষোভত মতলীয়া হৈ বায়ুবেগে লৰি যোৱা পহুটোলৈ আৰু এটা গুলী মাৰিলোঁ। ক'ত লাগে ! এনেই ঘামি আহিছিলো, আৰু ঘামিলো, ৰাইফলটো আছিল ৰিপিটাৰ অৰ্থাৎ একেৰাহে পাঁচফেৰ গুলী চলাব পাৰি। কিন্তু পিছত ভাবি চালো, সেইটোৰ জোৰা ঢিলা আছিল। গতিকে বাৰুদৰ বিস্ফোৰণত নিচান লৰে আৰু ৰাইফলৰ সামান্য ব্যতি-ক্ৰমতে গুৰুতৰ ভুল হৈ যায়। অযত্নত ৰখা ৰাইফলে এনেকুৱাই কাম দিয়ে। গধূলি হওঁ হওঁ পৰত আহি বাহ৷ ওলালো। বাতিও ভাবি ভাবি উত্তৰ উলিয়াব নোৱাৰিলো। ভুল বন্দুকটোৰ নে মোৰ নিচানৰ !

কেতিয়াবা আকৌ চিকাৰ এনে সহজ হয় যে কল্পনাই কৰিব নোৱাৰি। আমি জানিছিলো আগেয়ে নিজৰ মাংস দিব লাগে, তেহে পৰৰ মাংস খাব পাৰি। তেনে অৱস্থাত সহজ চিকাৰ যে কেনে লাগিব পাৰে, তাক কোৱাৰ কামেই নাই। সিদিনা এটা হাতীৰ ব্যৱস্থা হৈছিল। সুন্দৰ বতৰ। ফুৰিবলৈ যোৱাৰ দৰে গ'লোঁ। লগত কোনো নাই, মাত্ৰ হাতী চলাইছে হাতীৰ গৃহস্থই। বন বেছি উঠা নাই। বহাগ মাহ পৰাই নাই। বৰষুণো নাই। অ'ত ত'ত ঘূৰি পকি চাইছো একো চকুত নপৰে। সূৰ্য অস্ত গ'ল, গৈ গৈ মজলীয়া ধৰণৰ বৰ্নান পালো। অলপ দূৰত এজোপা আমলখি। গছৰ আগটো ফলে ভৰি থাকে। তেতিয়া একো নেদেখি। আছে যদি দুই এটা ফল। হাতীটো ৰাখি অলপ চাইছো নজৰ কৰি, একো নাই এনেতে হাতীয়ে কাণ জোকাৰিলে, শব্দ শুনা মাত্ৰেই আমলখিৰ তলত অপূৰ্ব দৃশ্য। এটা পহুৰ মূৰ দাং খাই উঠিল আমালৈ বিস্মিত হৈ চালে। আৰু ক'ত ? সেই মুহূৰ্ততে

ৰাইফলৰ গুলী এটা ছুটী গ'ল। বনৰ শোভা লুটি খাই পাৰ গ'ল। হাতী চপাই দিলো। দেখিলো আগ দপনাৰ কাষেদি ধৰ্ ধৰ্‌কৈ তেজ ওলাব লাগিছে। আমলখি আৰু ভোমোৰা গছ, তাৰ গুটি খাবলৈ পহু যাবই, যদি সেই হাবিত থাকেহে।

আন এদিনৰ কথা নাপাহৰোঁ। আগতিৰ সময়। গৰম হৈ উঠিছে বতৰ। বন্ধু এজনে লগ ধৰাত মনটো লক্ লকাই উঠিল। খাগ্‌ৰাবাৰীত গৈ এজন চিনাকি মানুহৰ দোকান ঘৰত গৈ আড্ডা পাতিলো। মানুহজনে বৰ গল্প জমাব পাৰে। বহু পুৰণি কথা জানে। হাতী ঠিক হ'ল এটা প্ৰকাণ্ড মখনা। সুন্দৰ চিকাৰী হাতী। একোতে চক্ নাখায়। গুলী মাৰি দিয়া বাঘ এটাৰ মূৰত গছকা মাৰি শেষ কৰি এৰিছে। মাউতে থমাবই নোৱাৰিলে। যিহওঁক এদিন ভাটিবেলা ঈশ্বৰক চিন্তি ওলালো বন্ধুৰ লগত শিঙিমাৰী জাবলৈ। এক প্ৰকাৰ ডাঙৰ দীঘল গধুৰ মানুহ। গাদীৰ বহুখিনি তেৱেঁই আগুৰিলে। মাউতৰ পাছতে মই চেপা খাই বহিছোঁ বন্দুকটো লৈ। প্ৰথমে বেঁকীৰ সুঁতি এটা পাৰ হলো। হাতীৰ পেটৰ তলতে ব'ল পানী। কেইদিনমান ধৰি বৈ বৈ বৰষুণ হৈ আছে। ইফালে ব'দো চোকা হৈ আছে। হাবিৰ দ-বোৰত চপচপীয়া পানী জমা হৈ আছে। বন-খেৰবোৰে মূৰ তুলি উঠিছে। খোজ-কঢ়া কষ্টকৰ হ'লহেঁতেন। মহা সুখে হাতীত বহি ঠেং ওলোমাই গৈ আছোঁ। কতো একো নাই। জংগল দেখি জানোৱাৰ ওলাব ওলাব যেন লাগে। হাতী চলাইছে যিজনে তেওঁ এনেয়ে ইয়ালৈ অনা নাই আমাক। এইখিনি বিশ্বাস আছে, কাৰণ তেওঁ নিজেই এই হাবিৰ গুমৰ ভালকৈ পায়। হঠাৎ চকুত পৰিল ওচৰতে এযোৰ শিং। দুই-চাৰি খোজকৈ আগবাঢ়ি গৈ আছে। ঘূৰি ঘূৰি দুই এবাৰ চাইছে। হাতীয়েও পাছ ধৰিছে। শেষত জানিবা বন্দুকৰ পাল্লাত পৰিল। গুলী মৰাৰ লগে লগেই পহুটো ওপৰলৈ জাঁপ মাৰি ঢপকৈ পৰি গ'ল। দেখাত বিশেষ ডাঙৰ যেন নালাগিল

যদিও শিং ডাঙৰ যেনেই লাগিছিল। ডাঙৰ শিং হলেও পহুৰ আকাৰ সৰু হব পাৰে কেতিয়াবা। কলো এইটো গোটে গোটে নিয়া যাওক। হাতীগিৰিয়ে ক'লে, গোটে গোটে নিব ? হাতীত কেনেকৈ তুলিব। নামি গৈ দেখো প্ৰকাণ্ড শৰীৰ। অগত্যা কাটি ডোখৰ ডোখৰ কৰি নিয়াটো ঠিক হ'ল। মাটিত পানীজোক সোপা সোপে। ইফালে কাটিবলৈও উপযুক্ত অস্ত্ৰৰ অভাৱ। মিত্ৰদা এখন মোৰ হাতেই কাটি গ'ল। কোনোমতে ছালখনে সৈতে কাটি লোৱা হ'ল। পহুটো গোটে গোটে নিব খুজিছিলো ছালখনৰ আশাত ! সিও গ'ল। নদীৰ পাৰত আহি দেখো পানী বাঢ়ি আহিছে। প্ৰবল ধাৰ আহি হাতীৰ গোটেই গাত ঢলি পৰিছে। ওলোমাই লোৱা পহুৰ ডোখৰবোৰ ভিজি গ'ল। সাৱধানে ঠেং কোঁচাই সৰু চিকাৰী গাদীখনত বহিলোঁ। ভাব হ'ল হাতীটোক বগবাই দিয়ে নেকি, যিহে পানীৰ কোব। পাৰ পালোহি। পিছদিনা পুৱাই গৰুগাড়ী এখনত উঠি বৰপেটা ৰোডলৈ আহিলো, কথা আছিল বাছত উঠিম বৰপেটালৈ। কিন্তু দেখা গ'ল বাছত পুলিচ কেইবাজনো। সোনকালে দ্বিতীয় বাছো নাই। অগত্যা দুপৰীয়া দুইমান বজাত গৰু গাড়ীৰেই বৰপেটালৈ আহি ৰাতি বাৰমান বজাত ঘৰ পালোঁ। ৰাতি পিতলৰ থালি আৰালদি মাংসবোৰ ঢাকি থলো পাকঘৰৰ মজিয়াতে। পুৱা উঠি দেখো ভীষণ কাণ্ড। গোটেইটো ঘৰ মাখিয়ে ভৰি গৈছে। বিৰাট ভন্ ভননি। যেন বৰমৌ জাকহে উৰিছে। প্ৰমাদ গণিলো। সেই গৰম ! ইফালে ছয়ত্ৰিছ ঘণ্টা হৈছে গাড়ীত থৈলাত সোমাই আহিছে। গোটেইখিনি কিয়া হৈ গৈছে। দেখিলো মানুহক বিলাই দিয়াই মংগল। তাকেই কৰা হ'ল। কাৰণ আমাৰ বহুতো মানুহে পহুৰ বিষয়ত সাধাৰণ কিয়ালৈ আপত্তি নকৰে। পানী মৰা প্ৰণালী এটিৰে তাৰ গোন্ধ ভাপ মাৰিব পাৰি অৰ্থাৎ কমে। ভাবিলো — পাপৰ ফলত এনেকুৱা হ'ল।

পিছে চোৰাং চিকাৰৰ আগ্ৰহ কেৱল যে মাংসবেই লোভ সেইটো

বোধহয় নাছিল। কাৰণ এতিয়াতো দাঁত সৰিল, চুলি পকিল। এনে অৱস্থাত মাংসৰ খক্ আৰু নায়েই বুলিব লাগে, কিন্তু কিছুমান কথাই এতিয়াও বেঁকীৰ অৱণ্যলৈ মন টানি নিয়ে। বেঁকীৰ শীতল বতাহত যেন এটা সুদূৰৰ সংগীত। খবালিৰ আৰ্চি যেন পানী, নাওখনত উঠিলেই অনুভৱ হয় কিয় জানো নাৱৰ বুকুত চেন্ চেন্‌কৈ এটা শব্দ। যেন কোনোবা জলকুঁৱৰীৰ পাতালপুৰীত আগ্ৰহে বহাই দিছে। পানীৰ দুয়ো কাষে জ্বলিত যে কিমান বঙৰ বিচিত্ৰ মণি-মুকুতাৰ দৰে সৰু সৰু শিলৰ শাৰী। যেন কোনো খুব সুন্দৰীৰ চুচৰি অহা অন্তহীন দীঘলীয়া চেলেঙ এখনৰ ফুলাম পাৰি দুটা। আগবাঢ়ি গলে ঠায়ে ঠায়ে শিলৰ ভেটাত উঠা পানীৰ ৰুৰ্ৰুনি গান কৰি উঠে। বতাহত ক'লৈ ভাহি আহে কব নোৱাৰি। আৰু উজাই গলে পানীৰ সোঁত ঠাকে ঠাকে নামি আহিছে। দীঘলহৈ নামি অহা গোটা শিলৰ ঠাক এটাৰ ওপৰেদি নিজৰাৰ দৰে পানী নাচি নাচি আহিব লাগিছে। উপায় ? নাৱৰীয়াসকল নামি নাৱৰ দুয়ো বাৰে ধৰি গাৰ সৰ্বশক্তি ঢালি দি ওপৰ মুখে নাৱখন টানি নি ওপৰ খাপৰ সমান পানীত, পেলাই দিয়ক। যেন পানামা খালৰ Lock এটাত জাহাজ এখন হাতেদি হেঁচি তুলি দিলে। তাত হলে পানীয়ে যন্ত্ৰৰ বলত দাঙি তুলি দিয়ে। এনেকৈ কেইবা ঠাকো যোৱা বিপদ সংকুল কথা। নাওখন ফালি যাব নতুবা পানীয়ে মোটোকাই বগৰাই দাঙি পেলাব পাৰে। তথাপি সেই বিপদৰ মাজেদি যোৱা এটা অদ্ভুত আনন্দৰ কথা। পাৰত উঠি লিহ্‌লিহীয়া নতুন বনৰ ওপৰেদি হঠাতে হৰিণ-হৰিণী দেখা দিব। প্ৰথমে ব'লাগি চাই হঠাতে পিঠি দি বেগাই যাব আৰু এবাৰ ঘূৰি চাব, এনেকৈ বন্দুকেৰে ঢুকি নোপোৱাকৈ গৈ থাকিব পিছত চকুত পৰিব মাত্ৰ দুয়ো তপিনাৰ মাজৰ নিপোটল বগাখিনি। নগৰীয়া নিতম্বিনীয়েও দেখি হিংসা কৰিব। আপোনাৰো চকুৰপৰা গৈ মনত লেও খাই থাকিব। মাজে মাজে

মনত নাচি থাকিব। বনৰ মায়া কোন লুকাল কোনে জানে। কেতিয়াবা বনৰ আঁৰেদি বনৰ ৰজাই লাহেকৈ ভুমুকি মাৰিব। পিছ মুহূৰ্ততে নাই। খেদি নাহে বুলি ৰিজাৰ্ভৰ বনবজাসকলৰ এটা সুখ্যাতি আছে। ম'হবোৰ পানীত পৰি থাকে। কেতিয়াবা দূৰতে নাওখন দেখিলে গিৰিপকৈ থিয় হৈ উঠি শিং জোকাৰি থিয় হয়। তাৰপিছত বন ভাঙি কোন যে উৰি যাব।—হাঁহৰ দৰে শব্দহে কাণত পৰে। এই জীয়া যমৰ মাকক ধৰি আগৰ মানুহবোৰে গাখীৰ খাইছিল। গছৰ সৌন্দৰ্যই মন ভুলাই ৰাখে। বেলা গৈ থাকে, কব নোৱাৰি। অকচি গছৰ হালধীয়া ফুলে ডাল কেইটা সোণালী কৰি ৰাখে অদলৰ ৰঙা ফুল, দুদুকুৰি গছৰ ৰঙা ফুলে আকাশৰ বৰণ চৰায়। তাৰ উপৰিও কপৌ ফুল, ভাটৌ ফুল আদি বিবিধ ৰঘুমলা ৰূপে সম্ভাৰ। খৈৰাৰ জাৰণিত নতুন পাতৰ ওপৰত জিলমিলীয়া পাতল ওৰণি। কেতিয়াবা অকস্মাৎ একোজাক ৰঙা ঠোঁটৰ হাঁহ শিলনিৰ ওপৰত সপোনৰ দৰে এই আছে এই নাই। এনে বিধৰ কিমান যে সৌন্দৰ্যৰ আকৰ। সেই ঠাইলৈ গলেই উৰ্ভতিৰলৈ পাহৰা যায়। এইবোৰেই বোধহয় এতিয়া অতীতৰ কথাবোৰ ভাবিবলৈ চোৰাং চিকাৰ অভিযানৰ গুপুত ধাৰণ বুলি প্ৰতীয়মান হয়।

কিন্তু লগৰীয়াবিলাকৰ সেইটো নহবৰ যথেষ্ট কাৰণ বিদ্যমান আছিল। মুকলি অঞ্চলৰ হাবি-বন ক্ৰমে চৰুৱাবোৰে খাস্তাং কৰিব লাগিছে। তাত আৰু শিকাৰ টান হৈ গৈছে। ইফালে বহু চিকাৰী, কিন্তু ঠাই কম। জন্তুবোৰ চৈতান হৈ পৰিছে, ইত্যাদি নানা কাৰণত ৰিজাৰ্ভলৈ চকু দিয়ে। কেৱল সাধাৰণ শ্ৰেণীৰেই যে লুব্ধ চকু সেই নিষিদ্ধ অৰণ্যৰ ওপৰত এনে নহয়। বিশ্বাসী লোকে কৈছে এজন ডাঙৰ মন্ত্ৰীয়ে বোলে—পাঠশালাৰ ফালৰ কেইজনীমান নাচনী ছোৱালী নি বিলাস ভোগ কৰিছিল, সেই অঞ্চলৰ এজন প্ৰতিপত্তিশালী লোকৰ সহায়ত। নাচনী কেইজনী অৰশ্যে যাক

আজিকালি শিল্পী বোলা হয় সেই শ্রেণীৰ। কিন্তু সেই ঠাইলৈ যাবলৈ সাধাৰণৰ প্ৰয়োজনীয় অনুমতি নাচনী কেইজনীৰ নাছিল। এনেকুৱাবিলাক বাতৰিয়ে সাধাৰণতে মানুহৰ মন বিদ্ৰোহী কৰি তোলে আৰু তাৰপৰাই আইনভংগৰ কথা আহি ওলায়। ৰাজ্যৰ আইনৰ গৰাকীসকলৰো সেই চকুই। পিছে অতি সন্তৰ্পণে সেই কাম কৰা হয় হাতী, মটৰ আৰু বনৰক্ষক কৰ্তাসকলৰ সহযোগিতাত। তাৰেই গল্প এটা কৈ থওঁ এই চেগতে। আগৰ কিছু কথা ইংৰাজ শাসনৰ দিনৰ। এতিয়াৰ দিনৰ গল্প এইটো। এদিন এজন গভৰ্ণৰ যাওক সেই অভয়াৰণ্য চাবলৈ। লগত যাব তেওঁৰ বৰ বৰ বিষয়াবিলাক, ধৰক আয়ুক্ত, আৰক্ষী আদি ওপৰ মহলৰ বিষয়াবিলাক আৰু ডাঙৰ বিষয়ববীয়া কেইজনমান আৰু মিলিটেৰীয়ে নে সশস্ত্ৰ পুলিচেই এনেকুৱা লোকসকল। বিধে-বিধে কেম্প, হাতী মটৰ আদিতো থাকিবই। নদীৰ গৰাৰ ওপৰতে খেৰৰ ঘৰ আদি সজোৱা হৈছে। কাষতে ভূটানৰ মনোমোহা দৃশ্য। কেম্পৰ ওচৰত কিন্তু সুন্দৰ গছ-বন একো নাই। সুন্দৰ যি নৈৰ সুঁতিটোৱেই। যথেষ্ট গভীৰ প্ৰবল সোঁত নিৰ্মল পানী। —দিনৰ চিক্‌মিকীয়া ৰ'দ, ৰাতি ফিৰ্‌ফিৰীয়া বতাহ। অথচ ৰাতি শুবলৈ উমলগা। সেই পানী এচোল স্বৰ্গীয় চৰবৎ।

ওপৰ মহলৰ এজনৰ লগত মোৰ অলপ বন্ধুতা আছিল। তেওঁ এদিন এই আয়োজনৰ পক্ষ লৈ সুধিলে মোৰ যাবৰ মন আছে নে? এনেই বুঢ়ী নাচনী। এনে সুযোগ সহজে পোৱা টান। লগতে আৰু এটা টোপ আগবঢ়ালে, "মন কৰে যদি চিকাৰো কৰিব পাৰিব। মই জাঁপ মাৰি উঠিলো—শিকাৰ! ইয়োনো সম্ভৱ নে? সম্ভৱ সকলো। হাতী বন্দুক লাইট, মটৰ যি দৰকাৰ সকলো থাকিব। কোনো ভয় নাই। এনেকুৱাতনো মই সম্মতি নিদি পাৰো নে? তৎক্ষণাৎ ৰাজী হলো আৰু যাত্ৰাৰ শুভক্ষণৰ বাবে দিন গণিব ধৰিলো।

বেছিদিন চাব নালাগিল। এসপ্তাহমানৰ ভিতৰতে এদিন মহা

পয়োভৰে সেই বন ৰাজালৈ যাত্ৰা কৰা হ'ল। বনৰ সীমাত সোমোৱাৰ লগে লগে দেখা গ'ল প্ৰথম শ্ৰেণীৰ গাড়ীৰ বাবে বাট ভাল নহয়। মাজে মাজে একোটা ঠেকেচাতে আধ্যা পেলাব খোজে। ভালেই ভালেই গৈ ঠাই পালো। স্বাধীনহৈ ফুৰা এক কথা আৰু এনেই ফুৰা এক কথা। এদিন বতাহ সমুৰাই লোৱা নাও এখনত গভৰ্ণৰৰ লগত গলো, নৈয়েদি উজাই। পানী সমান, শিলৰ ঠাক উজাব নালাগে। এদিন হাতীৰে গলো নুনমাটি চাবলৈ। বাট কষ্টকৰ হলেও হাতীৰ পিঠিত কষ্ট নাই। সুন্দৰ টিলা একোটা : চাৰিওফালে নাইবা কাষেদি একোটা নিজৰাৰ দৰে পানীৰ ধাৰ। ক'ৰবাত শুকাই আছে, ক'ৰবাত বৈ ৰতী। শেষত গৈ নুনমাটি পালো। ভূটানৰ পাহাৰ খহি বগা বালিৰ দৰে মাটি ওলাইছে। হাতী, পহু, গঁড়, ম'হ আদিয়ে সেই মাটি খাবলৈ আহে। হাতীবোৰে কেনেকৈ এনে থিয় গৰাব দৰে বাটেৰে পিছলি নামি আহে, আৰু তেনেকৈ উঠি যায়। খোজ আৰু চুচৰি যোৱা দেখিলে বিশ্বাস কৰিবলৈ টান লাগে। তলৰ সমতলত ম'হে লেটি লোৱাৰ দৰে বোকা পানীৰে ভৰা সৰু সৰু ঠাই কিছুমান। সেই-বোৰত গঁড়ে পৰি পৰি গা শীতল কৰে। গঁড়ৰ খোজ 'চিত্তনৰ টেক্‌কাৰ' দৰে পৰি আছে বোকাত। বিশেষজ্ঞক এই মাটিৰ চপৰা আনি দেখুৱাত তেওঁলোকে কয়, এইবোৰ নুনৰ মাটি নহয়। এই-বোৰ ছাই জাতীয় মাটি আৰু বালিৰ মিহলি গঠন। কিন্তু বেঁকীৰ পানীত এনে কিছুমান নিমখ জাতীয় বস্তু আছে, যিবোৰ মানুহৰ পক্ষে অতি উপকাৰী। যিসকল নাৱৰীয়াই বেঁকীত চলাচল কৰে, তেওঁলোকেও কয় এই পানী খালে পেটৰ অসুখ নহয় : থাকিলেও ভাল হয়, ভোক লাগে ৰপ্‌ৰপকৈ। ৰ'দ আৰু বতাহে কিন্তু সোন-কালে ছাল ক'লা কৰি দিয়ে। এটা কথা উল্লেখ নকৰিলে কিন্তু মোৰ কোৱা কথা বৈ যোৱা যেন লাগিছে। কথাটো গভৰ্ণৰ ডাঙ-ৰীয়াৰ confidential clerk জনৰ। তেওঁ গভৰ্ণৰৰ কিবা গোপন

কথা থাকিলে তাৰ বৰ্ণনা-লেখক। আন সকলোৱে কথাই বতৰাই মাজে মাজে হাঁহিছে দেখিছো। কিন্তু লগত থকা কাকতীজনে হুঁহা আমি কোনোৱে নেদেখিলোঁ। মৰামুৱা যি সেয়ে। এদিন নদীত নামি সকলোৱে গা ধুবলৈ গৈছে। যেয়ে পাৰে সাঁতোৰ মেলিছে, যেয়ে নোৱাৰিছে থ উনীত নামি ডুব মাৰি স্নানকাৰ্য সমাপন কৰিছে। confidential জনেও সাৱধানে চাবোন মাৰি মাৰি গাধুই পানীৰ যুৱলিত উঠি, কাপোৰ কানি সলাই, এঢলীয়া যুৱলিৰ শিলৰ ওপৰেদি সন্তৰ্পণে খোজ কাঢ়ি গৰাৰ ওপৰলৈ উঠি যোৱা ঘাটটোলৈ আহিব লাগিছে। আমি বহুতেই তেতিয়াও পানীতেই।

এনেতে দৈৱগতিত এটা ভিতৰুৱাল শিলত পিছল খাই কটি ঠেকেচা খাই পৰি গ'ল। কাৰোবাৰ তেনে অৱস্থা হলে সহানুভূতি দেখুৱাটোৱেই উচিত কিন্তু সদায় উচিতো কৰাটো নহয়; সকলোৱেই প্ৰায় হাঁহি দিয়ে, আমিও হাঁহি দিলো। এইটো তেওঁৰ ভাগ্যত সামান্য পিছল মাত্ৰ, তেৰোঁ মিচিককৈ হাঁহিটো মাৰি নিজৰ অপ্ৰতিভ অৱস্থাটো পাতলাই লব পাৰিলেহেঁতেন। কিন্তু তেনে একোকে কৰা দেখা নগ'ল। যেন একোৱে হোৱা নাই। এনেভাবে তেওঁ নিজকে সামৰি কাপোৰৰ বোকা বালি-ধূলি যি অলপ লাগিছিল সেইখিনি ধুই লাহে ধীৰে ওপৰলৈ উঠিব ধৰিলে। আমাৰ ৰহস্যখিনি বাৰুকৈয়ে প্ৰবাহিত হ'ল। এই সন্ধিক্ষণত আমাক এজনে ৰক্ষা কৰিলে। তেওঁ হ'ল Publicity Director জন। তেওঁ কবলৈ ধৰিলে—'He is the fittest person to be confidential clerk. He has even laughed confidentially; ভিতৰুৱাল কাকতীৰ উপযুক্ত মানুহ তেওঁ। তেওঁ আনে নেদেখাকৈ হাঁহিছে। ঠিকেই কৈছে, দুয়ো দুয়োৰে বিষয়ত উপযুক্ত। এজন confidential, গোপনীয়; আনজন publicityৰ, অৰ্থাৎ চৰকাৰৰ বৰঢ়লীয়া।

এনেকৈ ৰংগে-ৰসে দিন গ'ল। কাইলৈ পুৰা বাহৰ ভাঙিব। দুপৰীয়া বন্ধুজনে আহি জনালে, "আজি ৰাতি খাই-বৈ উঠাৰ পিছত তৈয়াৰ থাকিব, কিন্তু এটা কথা গভৰ্ণৰৰ যিজন শৰীৰ ৰক্ষক তেৰোঁ যাব। আপুনি দ্বিতীয় স্থানহে লব লাগিব চিকাৰত।" মোৰ মনটো দমি গ'ল। গভৰ্ণৰৰ শৰীৰ ৰক্ষক বন্দুকৰ বিষয়ত শিক্ষিত লোক। তেওঁৰ আগত আমি কি! আগতে চিকাৰ কৰি পেলাব। মোলৈ কিবা থাকিব জানো; চোহাটো থাকিব। তথাপি ওলালো আৰু বোলে।

গভৰ্ণৰে সোনকালে পাটীত পৰে। অলপ পিছত বন্ধু আহি মোক উলিয়াই নিলে। গাড়ীৰ ভিতৰতে বন্দুক গুলী ইত্যাদি মোক চমজাই দিলে; শৰীৰ ৰক্ষকজন ডেকা মাৰাঠী বিষয়া। হাত এটা চুটি। কেইবাটাও গুলী মাৰিব পৰা ধুনীয়া ৰাইফল। দীঘলে দুইহাতৰ বেছি নহব। মটৰ বেগাই দৌৰিব ধৰিলে বাঁহবাৰীৰ ফৰেষ্ট অফিচ মুখে। গাড়ীৰ ভিতৰত বন্ধু, গা-ৰখীয়া, Publicityৰ বিষয়াজন আৰু মই। মোৰ মন ভাল নহয়। কথা কোৱাই নাই। তেওঁলোকেও কথা কোৱা নাই। প্ৰায় এঘাৰ বজাত বাঁহবাৰী পালো, দুটা হাতীত গাদী বন্ধা হ'ল। হাতী ফৰেষ্টৰ। গাড়ী এৰি এটা হাতীত উঠিলোঁ মই আৰু Publicityৰ বিষয়াজন আৰু গা-ৰখীয়া বিষয়াৰ লগত উঠিল বন্ধুজন। লাইট ললে মাউতে। মোৰ হাতত shotgun এটা। সেইটো কাৰ কব নোৱাৰিলোঁ। কিন্তু বন্দুক ভাল। H' less! হাতত লৈয়েই গম পালো। ৰাতি এঘাৰমান হব, দুয়োটা হাতী লৈ হাবিত সোমালোঁ। নল-খাগৰিৰ পাতল বন। কাৰো মুখত কথা নাই। আমাৰ হাতী পাছে পাছে গৈ আছে। এবাৰ দেখিলো আগৰ হাতীৰ লাইটত পহুই চকু দিছে। আমি তৌতিয়া নিচেই কাষতে। কিন্তু ক'ত গুলীৰ শব্দ শুনিম, শুনিলো চিকাৰীয়ে সুধিছে—Where is deer? ক'ত পহু? মানুহৰ মাত শুনাৰ

লগে লগেই পহু গ'ল। মোৰ মনে আতংকিত কৰিব ধৰিলে। এনেকৈ আৰু দুপোক মান ঘূৰিলো। আকৌ পহুৰ চকু! কিন্তু গুলীতো নুশুনিলো। আন্ধাৰত মাথোঁ চিকাৰীয়ে মূৰটোৰে ভুমুকি দিয়াহে দেখিলো। পহু পলাল ইবাৰো। বন্ধুৰে দেখিলে কথা বিষম। হাতী দুটা পাথাত লগাই পৰামৰ্শ কৰাত লাগিল। গা-ৰখীয়াক গুলী নকৰাৰ কাৰণ সোধাত ক'লে—তেওঁ বোলে পহু দেখাই নাপায়। গুলী চলাব ক'ত ?' লাইটৰ চিকাৰ তেওঁ আগেয়ে কৰিছে নে সোধাত তেওঁ কলে—কৰিছে, কিন্তু এনেকৈ নহয়, এটা হেৰিকেন লেম্প জোকাৰি জোকাৰি পহু আগুৰাই আনি গুলী কৰে। এনে কিবাবোৰ কলে। মোৰ ঘোৰ সন্দেহ হ'ল। ডেকা জনে ভোদা অসমীয়াক জাল নেদেখা বৰাক জাল দেখুৱা কথাহে কৈছে। বন্ধুৰো সেয়েই ধাৰণা হ'ল। তেতিয়া সৰ্বসম্মতিক্ৰমে বন্দুক লৈ মই আগবাঢ়িব লগা হ'ল। বন্দুক ধৰিলো মই, কিন্তু আশা নেদেখিলো। আগতে দুবাৰ চক খাই গৈছে। পহুৰে তাৰ উপৰি মানুহৰ মাততো শুনিছেই। যিমানেই সৰুকৈ কোৱা নহওক বাতিৰ শব্দ, ইফালে পহুৰ কাণ! তথাপি নিৰাশাত আশা কৰি আকৌ দুৰলৈ হাতী চলোৱা হ'ল। বেছিপৰ যাব নালাগিল। তিৰ্ বিৰ্‌কৈ এযোৰ চকু! বন্দুকৰ ৰেঞ্জত। ঈশ্বৰক চিন্তি মাৰিলো গুলী। মাউতে ক'লে লাগিছে বাপেকে। হাতীয়ে বন ভাঙি দিয়াত ওলাই পৰিল সুন্দৰ খটীয়া এটা। পাছৰ হাতীটোত সেইটো তুলিব দি আমি আকৌ আগবাঢ়ি গলো। ইবাৰো লগ পালো এটা অলপ মুকলিতে ঘাঁহ খাই আছিল। লাইটত চকু তুলি চাইছে। কিন্তু কি দেখিলে গম পোৱাৰ আগতে এজাঁই গুলী গৈ সকলো ভাবনা চিন্তাৰ অন্ত পেলাই দিলে। এনেকৈ আৰু এটা মৰা পৰিল। তেতিয়া মাউতে ধৰিলে আৰু এটা মাৰিব লাগে। এইটো সি হালাল কৰিব। বন্ধুক লগা কেইটা পহু হৈ গৈছে। মাউতক যদি আৰু এটা মাৰি দিয়া যায় তেতিয়া সি

কাৰোবাক নহয় কাৰোবাক বিলাব। লগতে গোমৰ ফাক হৈ যাব। গতিকে মোক ইংৰাজীতে আৰু গুলী মাৰিব হাক দিলে। সেই মতেই কাম হ'ল। পহু তিনিটা মটৰৰ পাছ ফালৰ বাকচত সুমুৱাই দি বায়ু বেগে আহি কেম্প পালো। এটা ভৰোৱা হ'ল, আৰক্ষীৰ গাড়ীত আৰু এটা থাকিল বন্ধুৰ গাড়ীত। Publicityৰ বন্ধুৰ বৰ আনন্দ, যে তিনি-চাৰি ঘণ্টাৰ ভিতৰতে তিনিটা পহু। কোনোৱে কিবা গম পালে যদিও সকলো নিমাতেই যেন দেখা গ'ল। ৰাতি পুৱাৰ লগে লগে কেম্প ভগাৰ আয়োজন হব ধৰিলে। সোনকালে এসাজ নিৰামুহীয়া ভাত খাই সকলো দিহা-দিহি গলো। সাধুটো কাকো কোৱা নাই, আৰু নকওঁ বুলিয়ে ভাবি আছোঁ। □

# শেষ চিকাৰ

এই আখ্যানটো যে কেতিয়াবা লেখিবলগীয়া হব পাৰে ভাবিবই পৰা নাছিলোঁ। তথাপি আজি লেখিবলগীয়া হ'ল। মনত দুখেই লাগিছে। কিন্তু এই দুখৰ মাজতো কিছুমান কথা আছে, যাক ভাবি সুখ লাগে। এনেহে লাগে যেন সেই দুখৰ দিন কেইটা আৰু আহক, মই ৰৈয়া নাপাওঁ। সময়ত কান্দিও আনন্দ পোৱা যায়।

জীৱনৰ শেষ পৰ্যায়ত এখন আওহতীয়া গাঁৱত থাকিবলগীয়া হ'ল। গাঁও বুলিলে গাঁওৱেই। নগৰীয়া সম্পৰ্ক মুঠেই নাই। আনকি কিতাপতো ইয়াৰ নামেই শুনা নাছিলোঁ কেতিয়াও। সৰু ৰেল ষ্টেচন এটাৰপৰা কেইমাইলমান আঁতৰ। যান-বাহনৰ সুবিধা মুঠেই নাই। কেৱল ধাননি, মাজেদি কেঁচা আলি এটা। আগৰ বুঢ়ীবিলাকে কাজিয়া কৰোঁতে নিজৰ নিৰ্দোষিতা উল্লেখ কৰিবলৈ কৈছিল, “আমি কাৰো কেঁচা আলিত ভৰি নিদিওঁ, মৰ আইহেহ।” বোধহয় বুজাইছিল ধাননিৰ আলিৰ কথা। কিন্তু আজি মই মানুহ গৰু চলাচল কৰা কেঁচা আলিতে ভৰি দিলোঁ। পিছে পৰাবিলাকে বাইকেলেদিয়েই চলাফিৰা কৰে। খেতিয়ক ৰাইজে কিন্তু ম'হৰ গাড়ীহে চলায় আৰু খেতিয়ক ৰাইজৰ কথা কিয় স্বয়ং যমৰজাৰ টেকেলাবোৰৰো বাহন ম'হহে। নহলে বাৰিষা খৰালি সকলো বতৰতে ধৰ্মৰাজৰ থানাৰ কাম চলিলেহেঁতেন কেনেকৈ। তাত মাত্ৰ অসমীয়া ... প্ৰাণী কেইটামানৰহে বাস। অৱশ্যে এতিয়াও পৰিয়াল পৰিকল্পনা সভ্যতাই তাত পূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। সন্তৰ ... গাঁৱৰ ওচৰতে মুছলমানৰ বস্তি আছে। সেয়ে তাত ৰঙা ত্ৰিভুজ

প্ৰচাৰ হোৱা নাই। মোৰ পক্ষে তাত মহৰ গাড়ীৰ ব্যৱস্থা কৰাৰ সুবিধা হোৱা নাছিল। কাৰণ মই চাইকেলেৰেই অহা-যোৱা কৰি আছিলোঁ। দুৰ্ভাগ্যক্ৰমে তাকো এৰিব লগা হ'ল। এনেয়ে মানুহে হাহাকাৰ কৰে মোৰ বয়সত বোলে চাইকেলত উঠা ভাল নহয়। মই গ্ৰাহ্য কৰা নাছিলোঁ। কাৰণ গাৰে কৰিব পাৰক নোৱাৰক মই মনেৰেই বহুকাম কৰিবলৈ আগ বাঢ়িছিলোঁ। কিন্তু ৰাইজৰ বাইক এষাৰ আছে, "ৰাইজৰ হাহাকাৰত বোলে গড়ুৰৰো পাখা খহে।" সেয়ে হ'ল মোৰো। চাইকেলৰপৰা পৰি বাওঁহাতৰ কিলাকুটিৰ ঠিক তলতে হাড় এডাল ভাঙি গ'ল। পাখি নহলেও হাততো আছে। হাত এমাহৰ পিছত সম্পৰ্ণৰূপে ভাল হ'ল। ইবাৰ ভাগিল বাওঁফালৰ গলৰ ওচৰৰ কলাৰবোন। পৰিলো এজন শহুৰেকৰ খাতিৰত অহা কেঁচা ডাক্তৰৰ পালাত। নানা প্ৰবন্ধে তেওঁ দিলে হাড় ডোখৰ জোৰাই বেণ্ডেজ কৰি। তাত আৰু আঠা লগাই পকা কৰি দিব নোৱাৰে। যিহক এক্স-ৰে কৰা হ'ল বান্ধি তোলাৰ পিছতহে। সেইখন কিন্তু মোক আৰু নেদেখুৱালেই। আন এজন ডাক্তৰে বেণ্ডেজটো চাই সেইটো একো বেণ্ডেজেই হোৱা নাই বুলি মত দিলে। ছাৰ্জনক দেখুৱালোঁ। তেওঁ সেই বেণ্ডেজটো বদলাবৰ হুকুম দিলে। ইবাৰ কিন্তু আগৰ ডাক্তৰজনে সেইটো কাম আন এজনৰ হাতত দিলে। তেওঁ কলে বোলে হাড় জোৰা লাগিব, কিন্তু এক ইঞ্চিমান জপা-ওপৰাকৈহে, হাড়ৰ মুখে মুখে নলাগিল। এই বিসংগতিৰ বাবে বাওঁখন কান্ধ দুই ইঞ্চিমান ... হৈ গ'ল। বোধহয় হাতখনৰ বলো কমিল। যিহক এনেহে ... গম ঠাই এই গাঁওখন আৰু এনেহে দুৰ্বল হ'ল মোৰ হাতখন।

... এখন গাঁওতে গৈ মই বাহ ললো এঘৰ প্ৰতিষ্ঠাবান মানুহৰ ...হীৰূপে। আলহী অৱশ্যে হয়, কিন্তু ঘৰৰ পৰিয়ালৰূপে ...লাই ভাল হব। সেই ঘৰতে থাওক দুজনী ছোৱালী, প্ৰৱেশিকা পৰীক্ষা দিব। কেইদিন মানৰ পিছত বহু লাজ আৰু সংকোচৰ

মূৰত মোৰ ওচৰত পঢ়িবলৈ সম্মত হ'ল। সাধ্যমতে ময়ো পঢ়ুৱাবলৈ আৰম্ভ কৰিলোঁ। পিছত লাহে লাহে অনুভৱ কৰিলো, তেওঁলোকৰ ঘৰতে আছোঁ, পঢ়ুৱাইছোঁ, কথা-বতৰা মুকলিভাৱে কোৱা-মেলা কৰিছোঁ, অথচ সম্পৰ্ক একো নাই। এই কেনে কথা। এনেতে এদিন তেওঁলোকৰ মোমায়েকৰ ল'ৰা এজন আহিল। অলপ কথাতে ল'ৰাজন বৰ আপোন হৈ পৰিল। সিয়েই প্ৰথমে কৈ উঠিল, "ছাৰ, আপুনি আগৰ জনমত আমাৰ কোনোবা আছিল।" মোৰ মনত কথাষাৰ বৰকৈ লাগিল। ভাবিলো হয়তো এই ভাবৰ উচ্ছ্বাসৰ মূলত কিবা সত্য থাকিবও পাৰে। এই কথাষাৰৰ ভিতৰ মহলত গৈ ওলাল। মোৰ ছাত্ৰী দুজনীৰ মাকেও বোলে কলে, মোক দেখি তেওঁৰ এজন বহুদিন আগতে পৰলোক হোৱা ককায়েকলৈ মনত পৰিছিল। মই শুনি মনে মনে ভাবিলো, সম্পৰ্ক বিচাৰি পাইছো। মই ভালপোৱা সম্পৰ্কটোৱেই। সেইটো আৰু কাকো সদৰি কৰি নকলো। তেজৰ সম্পৰ্কই সম্পৰ্ক নহয়, মই ভাবো মনৰ সম্পৰ্কহে আচল সম্পৰ্ক। এতিয়াও কিন্তু ছোৱালী দুজনীৰ নাম কোৱা হোৱা নাই। ভুলেই হৈছে। কওঁ ডাঙৰজনীৰ নাম ৰাগিণী, সৰুজনীৰ নাম নলিনী। এই ভিতৰুৱা গাঁওৰ মাজত অলপ নতুন জাতৰ নাম শুনি আচৰিত হ'বলগীয়া নহ'ব। আমাৰ ছোৱালীৰ নামৰ প্ৰমোচন কেবাখন শ্ৰেণীৰ ওপৰত উঠিছে আজিৰ দিনত। গাঁওৰ ফালেও তাৰ প্ৰভাৱ নপৰা নহয়। তথাপি সাবিত্ৰী, জয়ন্তী, কৌশল্যা, ৰোহিনী, লক্ষ্মী, কামলা, মালতী, প্ৰভা ইত্যাদি এতিয়াও আছে। নগৰত নামে বহু ওপৰ শ্ৰেণী পাইছে। যেনে অজন্তা, ইলোৰা ইত্যাদি। এলিফাণ্টা অৱশ্যে শুনা নাই।

এনেতে প্ৰৱেশিকা পৰীক্ষাৰ ফল ওলাল। নলিনী পাছ হ'ল। কলেজ আৰু হোষ্টেলৰ ঠাইৰ কাৰণে ময়ো গৈ কৰ্তৃপক্ষৰ ওচৰ চাপিলোঁ। কলেজৰ ছিট পোৱা বৰ টান নহয় কিন্তু ছোৱালীৰ হোষ্টেলৰ ঠাই বৰ সহজ নহয়। যিহক কোনো মতে সেই সমস্যাও

সমাধান হ'ল। নলিনীক হোষ্টেলত গতাই দি আহিবৰ সময়ত নলিনীয়ে মোক লাহেকৈ সুধিলে, "আপোনাক মই ইয়াত কি বুলি পৰিচয় দিম ?" ময়ো লাহেকৈ কলোঁ, "কিয় ? মামা বুলি" মই কলোহে, নলিনীয়ে নিশ্চয় তাকেই কৈছে। নলিনীক কলেজত থবলৈ যাওঁতে এজন ভদ্রলোকৰ লগত চিনাকি হ'ল। তেওঁ কলেজৰে মুখ্য কৰ্মচাৰী শ্ৰীযুত চৌধুৰী। সেয়ে তেওঁৰ লগত প্ৰথম দেখাদেখি। সুপুৰুষ বুলিলে যি ধাৰণা হয় তেওঁ তেনে। নিয়মিত ওখ, সুগঠিত শৰীৰ, স্বাস্থ্যৰ সকলো লক্ষণেই বৰ্তমান। উজ্বল চকু, দৃষ্টি গভীৰ, প্ৰফুল্ল মুখ, রুষ্ট হলে বোধহয় ভয় লগাও হব পাৰে নেকি ? বয়সে সামান্য পৰিমাণে ৰং সানিব ধৰা বুলি কলে বোধহয় ভুল নহব। কিন্তু চকুৱে মুখে, সৰ্ব অবয়ৱয়তে যৌৱনৰ পূৰ্ণ প্ৰভাৱ স্পষ্ট হৈ আছে। দুই চাৰি কথাৰ পিছতে দুয়োৰে কথা আগবাঢ়ি গৈ চিকাৰৰ বিষয়ত উপনীত হ'ল। দেখিলো আগতে ভাল দিনত যেতিয়া চিকাৰৰ ক্ষেত্ৰ সুগম আছিল, তেতিয়া মোৰ যেনে নিচা আছিল, এই দুৰ্দিনত চিকাৰ যেতিয়া নিষিদ্ধ গণ্ডিত সোমাইছে, এতিয়াও ভদ্রলোকৰ সেই উদ্যোগ, দুঃসাহস আৰু নিচা আছে। তাৰ কাৰণে গম পালো ধন ভগনলৈ ভ্ৰুক্ষেপ নাই। অন্যান্য অসুবিধাৰতো কথাই নকওঁ। ধৰক গুলীৰ দাম, হাতীৰ ভাড়া ৰচদ পাতি, টেক্সি আদিৰো ভাড়া, সবাৰো উপৰি বিপদ। মোৰ মন স্বাভাৱিকতে গোপনে তেওঁলৈ টান খাই গ'ল। কাৰণ সাপেহে সাপৰ ঠেং দেখে। চৌধুৰীৰ অৱশ্যে ঠেং আছে, কিন্তু মোৰ ঠেং কেতিয়াবাই ক্ষয় হৈ গৈছে।

শেষত তেওঁ প্ৰস্তাৱ কৰি বহিল, মোক লৈ এদিন চিকাৰলৈ যাব। মই আপত্তি কৰিলোঁ। সেইবোৰ কাম এতিয়া মই এৰিয়েই পেলাইছোঁ। বহু ফালৰ বহু অসুবিধা, বিপদ-বিঘিনি বহুত। মই থকা ঠাইৰপৰা চিকাৰৰ ঠাই বহুত দূৰ। সহজে জনাজানি হৈ যাব বোৱা বাটতে, কোৱা চিলাৰ মুখে মুখে। তদুপৰি নিজৰ

বন্দুক লৈ সেইবোৰ ভয়লগা ঠাইলৈ যাব নোৱাৰোঁ। গুলী নায়েই চকুতো বিতচকু লগোৱা অৱস্থা। হাতো মাজে মাজে কঁপে, অভ্যাস কমি যোৱাৰ কাৰণে। বিনা নিচানে গুলী চলোৱা হাত আৰু নাইকিয়া হৈছে। কিন্তু চৌধুৰীৰ সনির্বন্ধ অনুৰোধ এৰিবলৈ টান পালোঁ। চিকাৰ নহ'ক অৰণ্য ভ্ৰমণেই হব। অগত্যা সম্মত হলোঁ। কাৰণ মৰিলেও নেৰে ধনঞ্জয় বায়ু।

ইয়াৰ পিছত দুদিন তেওঁৰপৰা খবৰ পালো, কিন্তু কিবা কিবি অসুবিধাত যোৱা নহ'ল। তাৰ পিছত পূজাৰ প্ৰায় আগে আগে আকৌ আহ্বান আহিল। এইবাৰ আৰু ৰ'ব পৰা নগ'ল। এদিন নাৰায়ণক স্মৰণ কৰি কেইমাইলমান বাট খোজ কাঢ়ি ৰেলত উঠিলোঁ। পুৱাতে দুজনী হাতী আগতীয়াকৈ পঠাই দিয়া হৈছে। সিহঁতে জংগলৰ ওচৰৰ গাঁও এখনত ৰৈ থাকি আমালৈ বাট চাব। গাঁওৰপৰা মই আৰু মোৰ বন্ধু এজন গলো। দুয়ো গৈ এটা ষ্টেচনত নামি চৌধুৰীক লগ পালো আবেলি পৰত। তেতিয়াই চাউল, দাইল, আলু, লোণ, তেল, চিৰা, বিস্কুট, চাহ, চেনি আদি সকলো যোগাৰ-পাতি টেক্সি এখনত ভৰাই লোৱা হ'ল। বন্দুকে চৌধুৰীৰ নিজৰটোকে ললো। সেইটো greener single barrel shotgun সুন্দৰ পাতল, ভাল নিচান। ময়ো তেনেকুৱা এটা বন্দুকেই যোগাৰ কৰিলোঁ। কিন্তু লগৰীয়াবোৰে কলে, সেইটোৰ striking pin টো বেয়া, কেতিয়াবা কেতিয়াবা গুলীৰ কেপত গৈ খুন্দা নামাৰে। ফলত গুলী নুছুটে। গতিকে সেইটো এৰিব লগা হ'ল। অলপ সময় পিছতে বন্ধুসকলে আন এটা বন্দুকৰ দিহা কৰিলে। এইটো দুনলী কাৰ্টিজৰালা, ভাৰতত তৈয়াৰী। এটা কেতিয়াও নেদেখা ব্যৱস্থা দেখিলো ইয়াত এইটো ঘোঁৰা লগোৱা বন্দুক, অথচ আছে safety catch। যিটো সঞ্জুক থাকে মাত্ৰ ঘোঁৰা নথকা বন্দুকবোৰতহে। ঘোঁৰা থকা বন্দুকত ঘোঁৰা নমাই থলেই safety থাকে। বেলেগ safety catch ৰ দৰকাৰ

নাই। এইটো বন্দুকত ঘোঁৰা তুলি আকৌ safety catch : টানি গুলীয়াব লাগিলে এনেয়ে কিছু পলম হয়। তাতে আৰু এদিনীয়া মানুহৰ হাতত খকৰ-মকৰ লাগি নিচানৰ ঠিক নাথাকিবৰ সম্ভৱ হৈ পৰে। অসমীয়া মানুহৰ বন্দুক সাধাৰণতে যি অৱস্থাত থাকে, ইয়াবো অৱস্থা তেনেকুৱাই পালোঁ। যিহক উপায় আৰু নাই। তাকে লৈয়েই মটৰেবে যাত্ৰা আৰম্ভ কৰিলোঁ। তেতিয়া চাকা পাটত বহিছে। কেইমাইল গলো ধৰিব নোৱাৰিলোঁ। বাটত এখন হাট খোলাত হাতী দুটা লগ পালোঁ। মাউতক দুমাইলমান আগত এঘৰ বড়ো মানুহৰ ঘৰলৈ যাব কৈ আমি আগুৱাই গলোঁ। আন্ধাৰ বিষম, কোনোমতে টৰ্চেদি বিচাৰি ঘৰটো উলিওৱা হ'ল। তেতিয়া ৰাতি বোধহয় ন বাজি গৈছে। চোতালত গাড়ী লৈ আমি এটা বাহিৰা ঘৰৰ কোঠাত সোমালোঁ। সৰু কোঠা বহা-মেলাৰ বাবে আছে এখন সৰু খাট আৰু এখন বেঞ্চ। এফালে কিহবাৰ কিছুমান ঠানি আৰু পাত, সম্ভৱ ছাগলীৰ কাৰণে। বহিবলৈ বৰ অসুবিধা। গোটেইখন ধূলিময়। উপায় কি তাতে নবহি বা দীঘল নহৈ। তাত নামিয়েই কুকুৰা বিচাৰি মানুহ পঠোৱা হ'ল। আৰু লগে লগে ভাত বহোৱাৰ দিহা হ'ল। সেই ৰাতিখন নতুনকৈ পাগ জুৰি কুকুৰাৰ পাখি পেলাই ৰন্ধা-বঢ়া কৰোঁতে ৰাতি ১১ মান বাজি গ'ল। ইতিমধ্যে মই সেই ধূলিময় খাটখনতে পৰি থাকোঁতে সৰু-সুৰাকৈ টোপনি এটা আহিল। প্ৰায় ১২ মান বজাত খাবৰ হ'ল। ভাত সিজিছে ভালকৈ, আঞ্জাৰ ভিতৰত মাত্ৰ মাংসৰ আঞ্জাই। মচলাৰ কোনো প্ৰমাণ পোৱা নগ'ল। মাত্ৰ কেঁচা তেলৰ সোৱাদে আঞ্জাখন অপূৰ্ব কৰি পেলাইছে। সম্ভৱ তেল নপকাতে মাংস বহাই দি চেঁচা পানী ঢালি উহোৱা হৈছিল। তথাপি ভোকে সুপক্ক মচলাৰ কাম কৰি পেলালে। ৰান্ধনি সম্ভৱতঃ আমাৰ দলৰে দ্বিজ জাতীয় মানুহ। খোৱাৰ পিছত আৰু জিৰণিৰ সময় পোৱা নগ'ল। সকলো যোগাৰ-যাতি সামৰি-সুতৰি হাতীত

উঠিবৰেই হ'ল। কোনোৰে গম নোপোৱাকৈ চিকাৰ বাৰী সোমাব লাগে।

দুদিনমান আগতে টান বৰষুণ হৈ গৈছে। বাটে-পথে পথাৰে দোঙা দোঙে পানী। সাৱধানে কিছুবাট গৈ জংগলৰ সীমা পোৱা গ'ল। দেখিলো শাৰী পাতি জুই জ্বলি আছে। বাথান হলেও হব পাৰে। কিন্তু মঁহৰ শুতিমধুৰ ঘন্টাৰ মাত ক'ত? কাকো একো প্ৰশ্ন নকৰিলো। মাতিৰ আৱাজ সেই নিৰ্জন ঠাইত তৎক্ষণাৎ বহুদূৰ পায়। আৰু বিশেষকৈ এইবোৰ কামত মৌন ব্ৰতেই শ্ৰেয়ঃ পন্থা। সেইবোৰ লেমৰ পোহৰ নিশ্চয় নহয়। কাৰণ ইমানবিলাক লেম জ্বলাই ৰাখিবৰ প্ৰয়োজন তাত কাৰ কি হব পাৰে। সহজে পোৱা কাঠৰেই সেইবোৰ ধুনি হোৱাই সম্ভৱ। লাহে লাহে এটা এটাকৈ সেইবোৰ জুই নুমাই আহিব ধৰিলে। আমাৰ হাতীয়েও সেই ফাকে ফাকে নিঃশব্দে গৈ জংগল সোমাল। জংগল মানে গোটেইখন কাঠনি। তাৰ মাজে মাজে ৰাট উলিয়াই হাতী যাব ধৰিলে। গৈ আছে গৈ আছে, বাটৰ আৰু অন্ত নাই। চিকাৰৰ ধান্দাত চকুই টোপনি নাজানিলে। জানিব খুজিলেও গছৰ ডালৰ কোবত আৰু ভাঁৰত কাউৰী কাটাৰ আঁচোৰত কৰিবাৰ টোপনি পলাই কোনোবা লংকা পাইছে। অলপ-অচৰপ জাৰো যে নালাগিছে এনেও নহয়। এনেকৈয়ে ৰাতি ঢলফাট দিয়াত এখন পৰ্বতৰ নিচেই তলত এটা ডাঙৰ নিজৰাৰ বুকুত উপস্থিত হলো। দুয়ো ফালে পাহাৰ, মাজত শিলনিৰ মাজে মাজে হিমশীতল পানীৰ ধাৰ নাচি নাচি ফেনৰ লহৰী তুলি ভৈয়ামৰ পিনে লৰি গৈছে। ইয়াৰেপৰাই আমাৰ অভিপ্ৰেত মৃগয়া-ক্ষেত্ৰ। চৌধুৰীয়ে কলে ইয়াৰে কাষত কেইদিনমান আগতে তেওঁ দুটা শৰপহু বগৰাইছিল। এটা হাতীত তুলি নিলে, এটা নোৱাৰি এৰি গ'ল। মাউতে কথা দিছিল পিছত ঘূৰি আহি সেইটোও নি যথাস্থান পোৱাব। কিন্তু কিয় জানো নিনিলে, সম্ভৱ সেইটো অন্য মানুহক বেচি দিলে।

কাৰণ "স্বভাৱে মানৱ জাতি, মাংসৰ লুভীয়া অতি, তাতে খায় অপৰে আগত।" কথাই আছে।

ঠাইডোখৰ ভূটান পাহাৰৰ ঠিক তলতেই বোধহয়। তৰাই অঞ্চল বুলিলে যি বুজায় সেয়ে। সমতল ভূমি দেখিবলৈকে নাই। মাত্ৰ এটাৰ পাছত এটাকৈ যেন ক্ষয় পোৱা টিলাৰ সমষ্টি। আমি হাতী ৰখোৱা ঠাইখনক এটা ঘুলি বুলিলেও হানি নহয়। গোটেইখন ভঙা নভঙা শিলেৰে আগুৰি আছে। হাতী বৈঠ দিবলৈ ভাল থলেই নাই। শিলবিলাক নিয়ৰতে তিতি কলা পৰি পিছল হৈ আছে। খোজ দিলেও ভৰি ক'ত পৰে তৰ্কিব নোৱাৰি। মাতালৰ দৰে ঢলং পলং কৰে। তদুপৰি ৰাতিটো হাতীৰ পিঠিত দোলনি খাওঁতে কঁকাল আৰু ভৰিৰ অৱস্থা বৰ্ণনাতীত হৈ গৈছে। সিদিনাৰ বগা বঙালবোৰে কম কথাতনো হাতীত উঠাতকৈ খোজ কঢ়াটোকে পছন্দ কৰিছিল নে? তাতে চাৰিওফালে আকাশখন কুঁৱলীৰে ঢাক খাই আছে। ওপৰত সূৰ্যৰ পোহৰ পৰিলেও অলপ বেলি হলেহে তাত বেলিৰ ৰশ্মি পৰিব পাৰে। এই টিলাবোৰৰ ওপৰবিলাকত কাঠনি আছিল। কিন্তু গাডোখৰ এক প্ৰকাৰ লতাই ছাটি ৰাখিছিল। হাতীৰ খোজত হয় কৌতিয়াবা শিল বাগৰি গৈছিল, কিন্তু গোটেইবিলাক লতা জোকাৰ খাই যদি ক'ৰবাত দুটা এটা প্ৰাণী সোমাই আছে সকলোকে উজাৰ খুৱাই দিছিল। কিন্তু পলাতক জন্তুক চকুত পৰিব নিদিয়াকৈ সৰুৱাই দিছিল। কম ঠাইহে অলপ মুকলি, য'ত চিকাৰ চকুত পৰিব পাৰে। শগৰা হলেতো মুস্কিলেই। ভাগ্যত থাকিলে পৰ্বতপৰা নামি অহা শৰ দেখা যাব পাৰে। কিন্তু "প্ৰতি ডুবেনো সিন্ধি শেলুক পায় নে?" এই ঠাইডোখৰ অলপ ঘূৰি-পকি চাই আমি দুয়োটা হাতী দুফালে নিয়াৰ পৰামৰ্শ কৰিলো। চৌধুৰী গ'ল এফালে, মই আনফালে। চৌধুৰীৰ হাতীত গ'ল চাহ আদিৰ যোগাৰখিনি আৰু লগত সেইজন মানুহ যি সেই ঠাইডোখৰৰ অন্ধি-সন্ধি পায়।

মোৰ সাৰথি হ'ল মাউত জনেই। চৌধুৰীৰ হাতত তেওঁৰ নিজা greener বন্দুক আৰু মোৰ হাতত সেই আচহুৱা বন্দুকটো।

সেইদিনা বতৰটো আছিল গোমা। মাজতে এবাৰ কিনকিনীয়া বৰষুণো হৈছিল এটা সময়ত। মূৰ কপাল মুখ হাত ভৰি অলপ ভিজি আৰু শুকাই গৈছিল। মচিবলৈ মনত পৰা নাছিল। আমাৰ হাতীয়ে ঘূৰিপাকি টিলা বগাই উঠি নামি গৈহে আছে, কিন্তু একোৱে চকুত পৰা নাই। এটা টিলাৰপৰা আন এটা টিলালৈ যাব লাগিলে কাষে কাষে বৈ যোৱা সৰু একোটা নিজৰা পাৰ হব লাগে বহু ঠাইত। তাৰবাবে উঠা নমা কৰোঁতে হাতীৰ পিঠিত আয়াসত যোৱা সকলে ৰছিত ধৰি জীৱটো ৰাখিবলৈ যত্ন কৰা এলাপেচা বিধৰ নাছিল। আমাৰ অৱস্থাটো অনুভৱ কৰি বেচেৰী অসহায় হাতীজনীলৈও সহানুভূতি হৈছিল। কোনো কোনোবাৰ প্ৰায় থিয়ৈ থিয়ৈ নামি যাব লগা হৈছিল। তেতিয়া যে দেহৰ অৱস্থা! কম কথাতনো ইংৰাজবোৰে হাউদা নোহোৱাকৈ হাতীৰ পিঠিত উঠিবলৈ বাঘৰ সমান ভয় কৰিছিল নে! আমাৰো কংকালকে আদি কৰি গাৰ কিছু অংশৰ বেদনাৰ কথা কলেও অনুমান কৰা টান। এই জান-জুৰিবোৰ পাৰ হওঁতে হওঁতে দেহাৰ আধ্যা পৰিল। মনে কৰ ধৰিলে, পহু নামাৰোঁ নামাৰোঁ। তথাপি কথা নাছিল, যদি স্বৰ্ণমৃগৰ দৰ্শন পালোহেঁতেন এবাৰলৈ।

বেলি এঘাৰ বাজি গ'ল। ৰাতি এঘাৰমান বজাৰপৰা হাতীৰ পিঠিৰ দোলনি অথচ পুৱাৰপৰা এতিয়ালৈ হাতীৰ উঠা নমা, জহলা পাৰ হোৱা ইত্যাদিৰ যন্ত্ৰণা। ইপিনে এগিলাচ তপত চাহ পেটত পৰা নাই। কানীয়াই কানি নাপালে যি অৱস্থা হয় সেয়ে। চাৰিওফালে চকু দি গৈছো, ক'ত অকণমান সোণালী ৰং দেখো। ক'ত দুটা বিস্ময়াবিষ্ট আয়ত নেত্ৰ দেখো। ক'ত দুখন চেগুনৰ পাতৰ দৰে বহল কাণ দেখো। লাগিলে থমকি নথাওকেই, গুৰু নিতম্বৰ বগা আঁক লবুৱাই লৰিয়েই যাওক। মন বৰ হাতাশ হৈ

গ'ল। সীতা হৰণৰ আগ মুহূর্ত্তত সীতাই বাৰে বাৰে বনৰ বাটেদি দূৰলৈ চাইছেহে চাইছে, কিন্তু ক'ত "দদর্শ শ্যামলং বনং, নচতু ৰাম লক্ষ্মণৌ" বুলি বাল্মিকীয়ে ঠিকেই বৰ্ণাই থৈছে। মই দুৰ্ভগীয়াৰ সেয়েই হ'ল। বহু বাঞ্ছিত পহু নাই। পহু মানে বৈষ্ণৱ কবিৰ ভাষাত প্ৰিয়তম। এই পহুও মোৰ সেই পহুৰেই হ'ল।

এনেকৈ ঘূৰোঁতে ঘূৰোঁতে মনত পৰিল এটা প্ৰবচন · "ডাংকাৰ বিলত মাছ মাৰিব নাযাবা" কথা সঁচা। সেয়া ঢৌ ঢৌ। একো নাই। এনেতে গৈ গৈ এডোখৰ সমান ঠাই পালোঁ। ওপৰত পাতল কাঠনিৰ ডাল পাত আৰু তলত চাপৰ হাবি। হঠাতে মাউতে উচপিচাই কৈ উঠিল, "সেইটো সেইটো মস্ত গাহৰি। মাৰ! মাৰ!" ভাল চিকাৰী মাউতে এনে ক্ষেত্ৰত ইংগিত বিনাকাৰণে একো নকৰে। কবলৈ গলে হাতীৰ চিকাৰত মাউতৰ গুণতে চিকাৰ হয়, মাউতৰ দোষত চিকাৰ পণ্ড হয়। সুবিধাজনকভাৱে চিকাৰীৰ চকুত পৰিলে অৱশ্যে কথা বেলেগে। মাউতৰ এনে ইংগিতে এনে সময়ত চিকাৰীৰ দৃষ্টি আকৰ্ষণ কৰে। এইজনে কিন্তু তেনেই উত্ৰাৱল হৈ উঠিল। যেন সিয়েই জাঁপ মাৰি গাহৰিটোক গৈ খামুচি ধৰিব। হাতীটো যে গুলী মাৰিবৰ কাৰণে সুবিধা কৰি দিব লাগে, সেইটো নাই। মাত্ৰ 'উঃ! উঃ! মাৰ মাৰ!' এনে অৱস্থাত গৈ গাহৰি এটা ডাঙৰ গছৰ গুৰিৰে আঁৰ হৈ গ'ল। চকুত পৰিল মাত্ৰ তাৰ তপিনাখনহে। মাউতৰ উচপিচনিত অগত্যা তাকে লক্ষ্য কৰি গুলীয়াৰ লগা হ'ল। ইবাৰ লাগিল বন্দুক। এটা অচিনাকি বন্দুক, তেল বা গ্ৰীজ দিয়া নাই বহুকাল। ঘোঁৰা দুটা মস্ত টান। তাতে আকৌ safety catch ঠেলিব লাগে। এনে বন্দুক জীৱনত দেখা নাছিলোঁ। ভাল চিকাৰীসকলে বোলে নিজে ব্যৱহাৰ কৰা বন্দুক সদায় পুৰা হাতত লৈ অলপ কেইটামান কছৰত কৰে। কল-কব্জাবোৰ চলাই চায় যাতে ব্যৱহাৰটো স্বাভাৱিক হয়।

ওজনটো সহজ হৈ যায়। আমাক military শিক্ষা দিওঁতে চাহাব-সকলে ৰাইফল হাতত দিয়াৰ আগতে এনেকৈ কেবাদিনো অভ্যাস কৰাইছিল। সেইকাৰণেই ভাল চিকাৰীসকলে সদায় নিজৰ বন্দুকহে ব্যৱহাৰ কৰে। আজি এইক্ষেত্ৰত এই বন্দুকটোৰ ঘোঁৰা টানোতে আৰু safety catch ঠেলোতে নিচান লৰি গ'ল। ফলত গুলি নালাগিল। গাহৰি অদৃশ্য হ'ল। মাউতৰ ইঃ ইঃ আঃ অঃ আৰু হেৰোৱা গাহৰিটোৰ মহিমা বৰ্ণনা কৰাই সাৰ হ'ল। মই অৱশ্যে লক্ষ্যভ্ৰষ্ট হোৱাত যদিও বেয়াই পাইছিলোঁ তথাপি এটা বিদেশী কাৰ্টুজ এনেই যোৱাতহে বেছি দুখ পাইছিলোঁ। আগৰ দিনত এনে গাহৰি অনাহকত কত মাৰি হাতৰ খজুৰীতি গুচাই পেলাই থৈ গৈছিলোঁ। এতিয়া অৱশ্যে সেইবোৰ বহুতে মাৰি ভাল দামত বেচে। ৰবপেটাৰ ওচৰেপাজৰে অৱশ্যে তেনে সুযোগ নাছিল। হাট আদিতে আছিল যদিও মোৰ সেইবোৰত ইচ্ছা নহৈছিল। মই বিচাৰিছিলোঁ বনৰ সৌন্দৰ্য হৰিণ মৰাৰ আনন্দ উপভোগ।

এনেকৈ কিছু ঘূৰা-পকাৰ মাজতে শুনিলো এটা বন্দুকৰ আৱাজ। অনুমান হ'ল চৌধুৰীৰ গুলী, কিন্তু সন্দেহো হ'ল আন কোনোবা চোৰাং চিকাৰীৰ গুলী বুলি। আমাকো এক পক্ষে তেনেকুৱা বুলিয়েই ভবাৰ থল আছিল। কাৰণ মই নাজানিছিলোঁ কাৰ এলেকাত আমি সোমাইছিলোঁ। ভাৰতৰ নে ভূটানৰ হয়তো no man's land হলেও হব পাৰে। কাৰণ তেনেকুৱা ঠাইতে এবাৰ এনেবিধ মানুহ লগ পাইছিলোঁ।

ঘটনাটো এনেকুৱা। এবাৰ ঠিক এনেকুৱা ঠাই এখনতে আমি চিকাৰ বিচাৰি গৈ আছোঁ। ঠাইডোখৰ সমতল, জংগলো চিকাৰৰ পক্ষে সুবিধাজনক। গৈ আছোঁ, এনেতে দেখিলোঁ গছৰ তলত মুকলি ঠাই এডোখৰত দুখনমান সৰু সৰু চাং। তলত জুই ধৰা চিন। কাষতে দীঘলীয়াকৈ এখন গছ-বিৰিখ প্ৰায় নোহোৱাৰ

নিচিনাই টকলা পাহাৰ। ভাগ্যৱন্ত হোৱা হলে তাৰে ওপৰত চাংঘৰ নতুবা তিনিমহলীয়া ঘৰ কৰি জীপ, হাতী, বন্দুক, কুকুৰ আৰু ভোগৰ বিবিধ বস্তুৰে দিহা ৰাখি অৱসৰ বিনোদনৰ ব্যৱস্থা কৰিলোহেঁতেন। কিন্তু এটা ডাঙৰ 'কিন্তু' থাকিল মাজতে। পিছে সেইবোৰ যে কাৰো ভাগ্যত নিৰ্মিলিবগৈ কোনে জানে? যেনে মঠনগুৰিত সজা ভুটানৰ নতুন জিৰণি ঘৰ। যাওক সেইবোৰ। চাংবোৰৰপৰা বুজা গ'ল, কোনো দূৰৰ চিকাৰী ৰাতি তাত থাকেহি আৰু চিকাৰৰ মাংস জুইত সেকি ধোঁৱাদি সহজে যাতে কিয়া বা পচি নাযায় তাৰ ব্যৱস্থা কৰে। হঠাতে কিছু দূৰত দেখা গ'ল দুজনমান মানুহ। এজনৰ গাত কাপোৰ নাই বুলিলেই হয়, পিঠিত ফটা ফটুৱাই চোলা আৰু ভপিনা ঢাক খোৱা আঢ়েহতীয়া গামোচা এখনত ৰাহিৰে। আনজনৰ সিওমান নাই। টিকা দুটা সম্পূৰ্ণ উদং। দুয়ো ডোখৰ টিকাকে বেলেগাই ৰাখিছে মাত্ৰ এডোখৰ লেংটিৰ কাপোৰে। মনুষ্য মূৰ্তি দুটা দেখিলোহে, কিন্তু চকামকাকৈ কেনিবা যে লুকাল ততকে ধৰিব নোৱাৰিলোঁ। মাউতে কিন্তু লাহেকৈ এটা সুহুৰি মাৰি হাতেৰে ইংগিত দিলে। পিছ মুহূৰ্ততে লাহেকৈ হাবিৰপৰা ভুমুকি মাৰি দেখা দিলে এটা ওঠৰ বিশ বছৰীয়া বড়ো ডেকা। হাত বাওঁদি মতাত আগুৱাই হাতীৰ কাষলৈ আহিল। মাউতৰ লগত সিহঁতে দোৱানত অলপ কথা পাতিলে। বুজা গ'ল সিহঁতৰ বিড়ী শেষ হৈছে, আছে যদি এমুঠামান দিলে ভাল হয়। আমাৰ ভৰালীয়ে মোনা খুচৰি এমুঠা বিড়ী উলিয়াই দিলে। তেতিয়াহে মোৰ চকুত পৰিল সিহঁতৰ বন্দুকটো। সেইটো একনলীয়া কাৰ্টুজৰালা। গাত কেবাটাও টিনপাতৰ বান্ধ, দুই এটা বেতৰো বান্ধ আছিল নেকি? সেইটো যে চোৰাং অস্ত্ৰ তাত সন্দেহ নাছিল। লাইচেঞ্চ থকা বন্দুকত ইমানবোৰ গাঠি-গুঠনি থকাটো সম্ভৱ নহয়।

এনেকৈ হাতীৰ হেলনি দোলনি খাই, গুলী মিছ কৰি, চিকাৰ

নাপাই, হতাশ হৈ, পেটত পুৰাৰ তপত চাহ এগিলাচ নপৰাকৈ গৈ গৈ দেখিলোঁ বাৰ বাজি গৈছে। এনেতে দূৰত গম পোৱা গ'ল চৌধুৰীৰ হাতী। দেখিলোঁ এটা শগৰা পহু মিলিছে। চৌধুৰীৰ মন কিন্তু প্ৰফুল্ল নহয়। ববকৈ আশা কৰা শৰপহু জোৰৰ এটাও নামি নাহিল। মোৰো মন চেঁঙালে। কিন্তু মন গৈছে প্ৰথমে এগিলাচ আকণ্ঠ পূৰ্ণ কৰা চাহ আৰু পিছত কেই গৰাহমান সুদাই নিকাই ভাত। চৌধুৰীহঁতে কলে তেওঁলোকে বোলে ইতিমধ্যে চাহ পান সমাপান কৰিছেই। ভাবিলোঁ দুৰ্কপাল মোৰ।

অগত্যা কিছু দূৰ আহি এটা জুৰিৰ কাষতে অলপ মুকলি পাই, তাতেই খোৱা-লোৱাৰ কথা ভবা হ'ল। বচদ-পাতি উলিয়াই হাতী দুটাক মেলি দিয়া হ'ল। আমি মাটিত বহি অংগ-প্ৰত্যংগ বিলাকক আয়াস দিলোঁ। জুই ধৰি ৰন্ধাৰ কথা ভবা হ'ল। কিন্তু আমাক মানে মোক কলিয়ে পাইছিল। শ্ৰীবৎস ৰজাৰ পোৰা মাছেও পানী পাই সাঁতুৰি গৈছিল। ইয়াতো সেয়েই হ'ল। কোনে জানো কলে যে ভাত বহালে বহুত সময় লব। তাতকৈ পলম নকৰি এখোলা চাহেৰেই কাৰ্য সমাপন কৰানো কি বেয়া? কিছু বেছি সময় চাব পৰা যাব। সোনকালে বোলি পাৰিবই। বতৰো ভাল নহয়। দিনো চুটি। চাহৰ লগত চিৰাতো আছেই। সকলোৱে তাতেই মত দিলে। ময়ো অগত্যা ৰাইজ মৰিলে মেধিয়েও চকুকে মুদিলো। পেটে পেটে মোৰো সহন শক্তি সম্বন্ধে কিছু গৰ্ব নথকা নাছিল সেই সময়ত। পিছত কাৰ্য ক্ষেত্ৰত দেখা গ'ল চাহত গাখীৰ নাই, ইফালে চিৰাও ভিজাই ধুই লোৱা নহ'ল। শুদ্ধ কাঁচা চিৰা বোধ-হয় বাচি বা জাবিও লোৱা নাই। একো কথা নাই। অন্যান্য বীৰসকলে তাকেই পৰম পৰিতোষ সহকাৰে আত্মা ঈশ্বৰৰ পূজাত লগালে। মোৰ কথা বেলেগ হ'ল। বঙা চাহ মই বিষবৎ বৰ্জন কৰো। তাতে কেঁচা চিৰা, সিও কম নহয়। গিলি থলেই নহয়, চোবাবও লাগিব কিঞ্চিৎ। ব্যাপাৰ বৰ সহজ বোধ নহ'ল। অগত্যা

মই কেইখনমান থিন এৰোৰুট বিস্কুট লৈয়েই ৰঙা চাহেদি গল ভিজালো। আশা কৰিলোঁ উদৰাগ্নিয়ে যথাযথ কাৰ্য কৰিব। কিন্তু নকৰিলে, পিছত বুজিলোঁ।

তেতিয়া গৈ গৈ তিনিয়ে বাজিল। আকৌ 'জয় কৃষ্ণ' বুলি হাতীত উঠিলোঁ, কিন্তু নিজে বন্দুক নধৰিলোঁ। চৌধুৰীক এইবাৰ মোৰ হাতীত ললো। মোৰ হাতৰ বন্দুকটো আনটো হাতীত কোনোবাই ললে। গা দুৰ্বল বোধ কৰিলে বন্দুক নধৰাই ভাল। চিকাৰ চোৰাৰ দিহা এইবাৰো দুই ফালেই কৰিলো একে-লগে নকৰি। কথা থাকিল এটা বিশেষ নদীৰ পাৰত দুয়োটা হাতীয়ে লগ লাগি ঘৰমুৱা হ'ম। বাট চিনি পোৱা মানুহজন আনটো হাতীত ৰ'ল।

এনেকৈ গৈ গৈ এবাৰ অলপমান হাবিৰ অলপ জোকাৰণি চাই চৌধুৰীৰ বাঘ বুলি সন্দেহ হ'ল আৰু অলপ পাছ লগাৰ পিছত ওলালোগৈ এটা গাহৰি থকা বাহৰ ওচৰত। বুজা গ'ল, সেইটো এটা সৰু গাহৰি পোৱালি। সময় কিন্তু বৈ থকা নাই। আমি গৈ গৈ সেই বিশেষ নৈখনৰ বুক ওলালো। এইখিনি যাত্ৰাত কিন্তু যেনে বাট ধৰিব লগা হ'ল, সেইটো কিন্তু এক কথাত অতি ভয়াবহ। এই নদীবোৰ কিন্তু আচল অৰ্থত নদী নহয়। পৰ্বতৰ পানী বোৱা সুঁতি বিশেষ। বালিৰ মাজে মাজে ভঙা শিল, খাটি granite য়েই হব। Boulder নহয়। বৰষুণ থাকিলে ওপৰত পানী ভবি আছে, নহলে মাজে মাজে জিৰজিৰীয়া জলধাৰা। মাজে মাজে দুয়োকাষে ওখ টিলা একোটা, হাতীয়ে তলমুৱা হৈ খুপি খুপি নামি পাৰ হয় আৰু ওপৰমুৱাকৈ উঠে। আৰোহীৰ গা মূৰ শিৰশিৰাই যায়। অতি কষ্টেহে গাদীত ব'ব পাৰি। কংকালৰ ওপৰত কিযে কষ্ট নহয়। মাজে মাজে কুৰুংবোৰৰ কাণে কাণে একোটা গোবাট যেন ঠায়েদি হাতীয়ে খুপি খুপি যোৱালৈ চাই প্ৰাণত যে কি সংশয় মিলে! তাতে আকৌ অৰশ

গাৰে। সেইবোৰ বাটেৰেই বোলে ভোটবিলাক অহা-যোৱা কৰে। এইবোৰৰ মেপ নাই। সম্ভৱ এনে বাটেৰেই চীনাসকলে আমাৰ সৈন্যক নৰ্কাৰবৰ চৰ্কাৰ কৰিছিল। দেখা গ'ল সূৰ্য ৰঙা পৰি আহিছে। অলপ বেলি কৰিলেই আন্ধাৰে হেঁচি ধৰিব। মই বন্দুক এৰি দিয়াৰ পিছৰপৰাই গছৰপৰা ওলমি থকা কেইবিধমান অৰ্কিদ টানি লোৱাত মন দিলো, যদিহে হাতীৰপৰা ঢুকি পোৱাত থাকে।

এতিয়া অত্যুৎসাহী চিকাৰীসকলেও বুজি পালে যে এতিয়া আৰু কোনো আশা নাই। দিশ লক্ষ্য কৰি হাতীয়ে জংগল ভাঙি ভাঙি গৈ সেই প্ৰস্তাৱিত নৈৰ বুকু পালে। নৈৰ শিলাময় বুকু এতিয়া শুকাইছে। মাজে মাজে মাত্ৰ একো সোঁতা পানী। বিহ হেন ঠেকি। সন্ধ্যাৰ ৰ'দৰ লেশ মাত্ৰও নাই। আকাশ বিষণ্ণ। গাত ঠান্ডা লাগি আহিছে। আমি তিনিওজনে নামি পানী খালো আঁজলি ভৰাই। সন্মুখত দুৰ্গম কাঠনি আন্ধাৰে সৈতে মিলি আছে। পাছফালে থাক থাক ভুটানৰ গিৰিমালা। গোটেই ওপৰত ৰঙা পোহৰৰ মুকুট পিন্ধি ববফৰ টিং দুটা এটা, সেই ছাঁয়া যেন পোহৰত। সেইবোৰৰ ৰূপ বৰ্ণনাতীত। আমি চিন্তিত মনে বাট চালো সিটো হাতীলৈ। কিন্তু হাতীটো চকুত নপৰিল। অগত্যা আমাৰ দলপতি চৌধুৰীয়ে দিহা দিলে আৰু বেছি পৰ বাট নাচাবলৈ। কাৰণ বাট চিনা মানুহ আমাৰ হাতীত নাই। তেওঁ যদিও আগেয়ে আহিছে দূৰৈমান তথাপি এনে সময়ত বাট উলিয়াব নোৱাৰি আন্ধাৰত ৰাতি হলে বিপদ হব। আমিও অগত্যা তাকে সাব্যস্ত কৰিলোঁ। চৌধুৰী প্ৰথমে উঠিল, পিছত উঠিলোঁ মই। মোৰ পাছতে উঠিল আন এজন। মই নাম নাজানো। তেওঁ চিকাৰৰ ব্যাপাৰত আচহুৱা, মাত্ৰ ৰং চোৱাহে। হাতীত উঠাতো কিমান সক্ষম সন্দেহ। চিকাৰৰ হাতীত এনে সংগী লোৱাটো অনুচিত। মই বহিবলৈ ভালকৈ পৰাই নাই, তৃতীয়জন

উঠা মাত্রেই হাতী 'মাইল' হ'ল, মানে থিয় হ'ল। মাউতে দমবাই নোৱাৰিলে। উঠিব খোজাজন লগে লগে পিছলি গ'ল, কিন্তু পানীত পৰা মানুহে খেৰ-কুটাডালকো আশ্ৰয় বুলি খামুচি ধৰাৰ দৰে, সেই বিপদত তেৰোঁ মোক পাছফালৰপৰা দুয়ো হাতেৰে খামুচি ধৰিলে। কিন্তু হলে হ'ব কি, মৱোতো গৈ কথমপি বহিছোহে। থিতাপি লব পৰা নাই। ফলত দুয়ো চিত খাই মাটিতে পৰি গলো। তেওঁ তলত, মই ওপৰত। তেওঁ নিজেও মজিল, মোকো মজালে। ফলত মোৰ মূৰটো গৈ শিল এডোখৰত পৰিল। লগে লগে বাওঁফালে পাছ মূৰত, এডোখৰ ঠাই ফুটি তেজ বব ধৰিলে। তাৰ পিছত কি হ'ল আৰু কব নোৱাৰিলো। চৌধুৰীয়ে তৎক্ষণাৎ হাতীৰপৰা নামি আহি মোক বোলে পানীৰ কাষলৈ নি মূৰত পানী ঢালিব ধৰিলে। কিমান সময় পানী ঢালিলে কব নোৱাৰিলোঁ। পিছত অনুভৱ কৰিলো হিম শীতল পানীৰ পৰশত মই কৈ উঠিলো, 'পানী নিদিব, কাপোৰ ভিজিব।' পিছত তেওঁ কৈছে তেতিয়াহে তেওঁৰ গাত জীৱ আহিল। নহলে মই মৰা বুলিয়েই ভাবিছিল বোলে। ভয় হৈছিল জানোবা কিবা গুৰুতৰ পুলিচ কেছত পৰে। অলপ পৰ পিছত সেই চেঁচা পানীৰ প্ৰভাৱত মোৰ চেতনা ঘূৰি আহিল। কিন্তু স্মৃতি বিভ্ৰম হব ধৰিলে। তেতিয়া দুজনমানে মোক ধৰি হাতীত তুলি দিলে। চৌধুৰী মোৰ ঠিক পাছতে বহিল যাতে পৰি যাবৰ উপক্ৰম হলে যেন তেওঁৰ সবল হাতৰ মুঠি মই এৰাই যাব নোৱাৰোঁ। মোৰ মনত পৰিল, মইতো চিকাৰলৈ আহিছিলোঁ, কিন্তু বোধ হ'ল মই যেন সপোন দেখিব লাগিছোঁ। চিনেমাৰ ছবিৰ দৰে এটাৰ পাছত এটাকৈ ছবিবোৰ যেন ঝিম ঝিমকৈ মোৰ মনৰ চকুত উপস্থিত হৈ গৈছে। বোধ হ'ল আমি চিনেমাত jungle shooting লৈ আহিছোঁ। সন্মুখত যেন দেখিছোঁ সৌবোৰ হৰিণ দৌৰিছে, বাঘ দৌৰিছে আৰু ক'ত কি। মনত তেতিয়া এনে এটা আচ্ছন্ন অৱস্থা

যেতিয়া বাস্তৱ আৰু কল্পনা এক হৈ মনৰ চকুত ধৰা দিয়ে। এনে অৱস্থাতেই বোধহয় গ্ৰীচত Delphyৰ oracleৰ পুৰোহিতৰ মুখেদি ভৱিষ্যতবাণী ওলাইছিল। যিহক লাহে লাহে স্মৃতি জাগাৰিত হব ধৰিলে অলপ অলপকৈ। চৌধুৰীকে মই নানা প্ৰশ্ন কৰিব ধৰিলোঁ। যেনে আমি ক'লৈ আহিছিলোঁ, এতিয়া ক'লৈ যাম, বন্দুকটো ক'ত, কিবা চিকাৰ পোৱা হৈছে নে ইত্যাদি ইত্যাদি। চৌধুৰীয়ে যথাযথ উত্তৰ দি গৈছে, কিন্তু মই একো তত ধৰিব পৰা নাই। মনততো ৰাখিবই পৰা নাই।

কিন্তু দেখা গ'ল সেই আন্ধাৰত জংগলৰ মাজে মাজে ফিৰিবৰ বাট উলিয়াব পৰা নাই মাউতে। দুৰ্বাৰমান দিশ ভুল কৰি হাতী কোনোবা ফালেও যোৱা বুলি কোৰা-মেলা কৰিব ধৰিলে। আগত্যা চৌধুৰীয়ে দিহা দিলে হাতীক ইচ্ছামতে বাট ধৰিবলৈ এৰি দিবলৈ। কাৰ্যত সেয়ে হ'ল। হাতীয়ে জংগলৰ মুকলি সুৰঙা বিচৰালৈ বাট পোনাই লব ধৰিলে। দুই এবাৰ গছৰ ডালত লাগি কপালত দুখো পালোঁ। এবাৰতো চকুতো কোব লাগিল। ভৰিত কাউৰী কাঁটাই আঁচুৰি একাকাৰ কৰিলে। হাতীৰ যি বাট সি মানুহৰ পক্ষে অগম্য। কিন্তু হলে কি হব। নিলাজ মন। সেই সংকটৰ মাজতো গানৰ মায়াই সকলো দুখ-কষ্ট পাহৰাই দিলে। মনত পৰিল তাহানিৰ এটি মধুৰ গান—

এখনও আছে ৰজনী
তুমি যেয়োনা এখনি!
পথ বিজন, তিমিৰ সঘন
কানন কণ্টক তৰু গহন,
আঁধাৰ ধৰণী,
তুমি যেয়োনা এখনি।

এই গানটোৰ চিত্ৰৰূপ দিছে ভাৰতীয় চিত্ৰকলাৰ গুৰু স্বৰ্গীয় অবনীন্দ্ৰ নাথ ঠাকুৰে। সেইখন এতিয়াও শান্তিনিকেতনত সংৰক্ষিত হৈ আছে। এনেকৈয়ে চিন্তা-ভাবনাৰ নিজৰাৰ পাৰত

ফুলি উঠা কল্পনাৰ কল্পলোক লাহে লাহে হৈ অহা যেন লাগিল আৰু শেষত কঠিন ঘটনাৰ হিম প্ৰবাহ নামি আহিব ধৰিলে। অলপ অলপকৈ প্ৰকৃত অৱস্থা আৰু পৰিবেশেৰে ঘূৰা হৈ আহিলোঁ। লগৰীয়া কেইজনে আনকি খোদ মাউতেও সম্ভাৱনা প্ৰকাশ কৰিলে যে আজি আৰু মুকলি ওলোৱা নহবই পাৰে। হয়তো কোনোবা এটা জুৰিৰ পাৰত ৰাতি কটাব লাগিব। একোবাৰ ভাবিলো, লোকৰ মাংসৰ লোভ কৰিলে এনেকৈ নিজৰ মাংস দিব লাগে। একোবাৰ ভাবো, নহয় ইতো একো দুখ নহয়। ইতো বনদেৱীৰ নিমন্ত্ৰণ। কত দিন বেঁকীৰ বালিত এই নিমন্ত্ৰণ উপভোগ কৰিছোঁ আৰু হয়তো এই শেষ নিমন্ত্ৰণ। একো কথা নাই। ভাবিলোঁ চিকাৰৰ বাসনা ইয়াতেই শেষ। এইমানে গীতাৰ নিৰ্ণয়। হাতীয়ে ইতিমধ্যে অকাই পকাই জংগল ভাঙি, মাজে মাজে থমকি বোধহয় বাটৰ উমান লৈ যাব ধৰিছে। কাৰো মুখত কথা নাই। সকলোৰে মুখত ধান দিলে আখৈ হোৱাৰ অৱস্থা।

হঠাৎ দূৰত ৰিণিকি ৰিণিকি নাগাৰাৰ মাত কাণত পৰিল। হয় বাইজে নামৰে আয়োজন কৰি মানুহ গোট খুৱাবৰ চেষ্টা কৰিছে নতুবা বাথানত ম'হ থুপ খুৱাবলৈ গুৱালে নাগাৰা বজাইছে। সকলোৰে গালৈ বিজুলী যেন সঞ্চাৰ হ'ল। হাতীৰ বেগ বঢ়াই দিলে মাউতে ইমান সময় নিশ্চেষ্ট হৈ থকাৰ পিছত। কিছুদূৰ তেনেকৈ চলাৰ পিছত হঠাতে দূৰত একশাৰী জুই চকুত পৰিল। আহিবৰ দিনাখনো ৰাতি এই শাৰী জুইয়ে চকুত পৰিছিল। মোৰ বোধ হ'ল এইবোৰ হাবিৰ কাণৰ জুই নহয়। বোম্বাইৰ সাগৰৰ পাৰৰ আলি মেৰিন ড্ৰাইভৰ কাষত 'কুইনছ নেকলেচ' নামেৰে জনাজাত হোৱা নিয়ন লাইটৰ শাৰী। এই আলিটো হাৰডালৰ দৰে ঘোৰ খাই থকা। সেইকাৰণে সেইটো নামেৰে অভিহিত। দেখা গ'ল আৰু আগবাঢ়ি গলে জুইৰ শাৰীৰ মাজেদি যাব লাগিব। কোনো-

বাই হয়তো দেখিবই। ৰাতিতো বেছি হোৱা নাই, মানুহ শোৱাই নাই। গতিকে আৰু অলপ ৰাতিলৈ বাট চাব লাগিব। হেন জানি হাবিৰ কাণতে হাতী চপাই বাট চালো। কিবা পোকে কামুৰিছে, চকুৰ আগত চগাৰ দৰে কিবাবোৰে উৰি উৰি আমনি দিছে। ধৈৰ্যৰ পৰীক্ষা হব ধৰিলে সকলোৰে। লাহে লাহে এটা দুটাকৈ পোহৰবোৰ নুমাব ধৰিলে। মাউতে কলে, "এতিয়া আৰু সৰকিব পৰা যাব"। মোৰ এক প্ৰকাৰ উশাহ অহা যেন পালো। হাতীয়ে ধীৰে গম্ভীৰে খোজ ধৰিলে আৰু গৈ গৈ এখন মুকলি পথাৰত ওলালোগৈ। এটা গাঁৱলীয়া বাটৰো সন্ধান পোৱা গ'ল। কিন্তু এটা সন্দেহৰ কাৰণ দেখা গ'ল। বাটৰ ওচৰতে এঘৰ মানুহৰ চোতালত এটা পেট্ৰোমাক্স জ্বলাই দুজনমান মানুহ থিয় হৈ আছে। কি বিশ্বাস! হয়তো আমাৰ কাৰণেই খাপ লৈ বৈ আছে। তথাপি অলপ আঁতৰেদি হাতী নিশব্দে আগুৱাই গ'ল। পোহৰত থকা মানুহবোৰে আন্ধাৰেদি পাৰ হৈ যোৱা হাতীটো তৰ্কিবই নোৱাৰিলে হব পায়। তাৰ পিছতো আমাৰ আড্ডালৈ যোৱা বাট উলিয়াব নোৱাৰি এঘৰ মানুহক চোতালৰপৰা জগাবলৈ বাধ্য হ'ল মাউতে। আমি কলো যে আমি চৰকাৰী কামত গুৱাহাটীৰপৰা আহিছিলোঁ। এতিয়া ঘূৰি যোৱা বাটৰ মোৰ উলিয়াব পৰা নাই। কিন্তু মানুহজন আমাতকৈ সিয়ান। সুধিলে "কিবা সুবিধা হ'ল নে?" আমি আৰু লুকোবৰ বাট নেদেখি মাজতে কৈ থলো "এবা হোৱা নোহোৱাৰ ভিতৰতে একৰকম।" তেতিয়া তেওঁ আৰু একো নকৈ আমাক বাটৰ দিহা দি ঘৰ সোমাল। আমি একৰকম সকাহ পাই ওলাই আহিলোঁ। কিন্তু অলপ দূৰ আগতে আকৌ বাট হেৰুৱালো। দেখিলো বহুত নিলগত এশাৰী জোৰৰ পোহৰ। আমি আগবাঢ়ি গৈ লগ ধৰাত বুজিলো তেওঁলোক বড়ো মানুহ, ক'ৰবালৈ যাত্ৰাগানৰ আখৰা চাবলৈ গৈছিল। তিৰোতাও কেইজনীমান আছিল লগত। তেওঁলোকে বাট এৰি

ৰোৱা ধানৰ মাজলৈ নামি গৈছিল আৰু পাৰে মানে হাঁহিছিল। তেওঁলোকে বাট পোনাই দি পাছে পাছে যাবলৈ কলে আৰু অলপ যাওঁতেই এঘৰৰপৰা মানুহ এজন ওলাই আহি মাত দিলে, "অ", তহঁত এতিয়াহে আহি পালি, সিহঁতে তহঁতক বাট চাই আছে, যা বেগাই যা।" আমাৰ মনে মনে ভয়েই হৈছিল আনটো হাতীৰ কথা ভাবি। বেছি পলম নহ'ল, আড্ডাত দেখো টৌপ্নি বৈ আছে। মই ভাবিছিলোঁ, টৌক্সি নহা হলেই ভাল আছিল। জিৰণিৰ বৰ প্ৰয়োজন বোধ কৰিছিলোঁ। কিন্তু দেখিলো অৱস্থা বিষম। খোৱা-বোৱাৰ কোনো দিহা নাই। চাহ এটোপাৰো কোনো আশা নাই। বৰষুণত বোকাই-পানীয়ে চোতাল একাকাৰ। ঘৰৰ ভিতৰতো অলপ গা টঙাব পৰা ঠাই নাই। বেঞ্চ এখন ধূলিৰে ভৰি আছে। তাতেই লাং খাই পৰিলো কিছুপৰ। মূৰত এতিয়া কোনো বিকাৰ নাই। লাগে মাত্ৰ তপত খাদ্য আৰু গাৰ আৰাম। কিন্তু এটাও নিমিলিল। চৌধুৰীয়ে আদেশ দিলে আৰু পলম নকৰি বস্তু-বাহানি গাড়ীত তুলি যাত্ৰা আৰম্ভ কৰিব লাগে। বৰষুণত কেঁচা ৰাস্তা জোকৰ পিঠি যেন হৈছে। ইফালে বতৰৰো গতি ভাল নহয়। কাম সেইমতেই হ'ল। গাড়ী চলিব ধৰিলে। টোপনিৰ হেঁচাত কোন বাটে কেনেকৈ আহিছোঁ তং ধৰিব নোৱাৰিলোঁ। মাত্ৰ এবাৰ দেখিলোঁ এখন দলঙৰ আগত কিছুমান ল'ৰাই গাড়ীখন ঠেলি আগুৱাই দিব লাগিছে। পিছল মাটিৰ কাৰণে তেনে কৰিব লগা হৈছে। এনেকৈয়ে আহি আহি শেষত এক মান বজাত আমাৰ প্ৰথম ৰেলষ্টেচন পালোঁ। তাতো খোৱা-বোৱাৰ সুবিধা বিশেষ একো নহ'ল। সেই অসময়ত কোনো-মতে এপিয়লা চাহ আৰু অলপ চেঁচা পৰা ভাত উদ্বস্থ কৰি এজন বন্ধুৰ বিছনাখন দখল কৰি ঢেলাপোণা দি নিদ্ৰাসুখ উপভোগ কৰিলোঁ। ৰাতিতো বৰষুণতে গ'ল। গা দুৰ্বল বোধ কৰিব ধৰিলোঁ। ঘাড়, পিঠি আদিৰ বিষ আৰম্ভ হ'ল। কপালতো বিষ

িহ লাগিব ধৰিলে। পুৰা উঠাত বৌলিয়ে হ'ল। ন মান বজাত ৰেলত যাব পৰা যায়, কিন্তু ৰেলৰপৰা নামি খোজ কাঢ়িবতো নোৱাৰিম মই থকা গাঁওলৈ। কাজেই টেক্সিখনকে লৈ যোৱা ঠিক হ'ল। তালৈ যোৱাৰ পৰত শুনিছিলোঁ যিজনী ছোৱালীক কলেজত ভৰ্ত্তি কৰি দিবলৈ যাওঁতে এই চিকাবৰ সূত্ৰপাত হৈছিল সেই নলিনীৰ গা অসুখ। গতিকে একেলগে ঘৰলৈ লৈ যোৱাই ভাল হব। কাৰণ দুদিন পিছতে পূজাৰ বন্ধ আৰম্ভ হবই। তেতিয়া কেইমাইলমান বাট খোজ কাঢ়ি যাবই লাগিব। বাট আৰু বতৰ দুয়ো আশাপ্ৰদ নহয়। গতিকে আধা ঘণ্টাৰ জাননী দি নলিনীকে হোষ্টেলৰপৰা উলিয়াই আনিবলৈ গাড়ী গৈ দুৱাৰত হাজিৰ হলো। পিছদিনা তেওঁলোকৰ নিৰ্বাচন, লগে লগে খোৱা-লোৱাও বোধহয় আছিল। অনিচ্ছা সত্বেও বেচেৰী সংগিনীসকলৰপৰা বিদায় লব লগা হ'ল। উপায়তো নাই, দুৱাৰত গাড়ী প্ৰস্তুত। অতি নিৰানন্দময় বতৰৰ মাজেদি আহি ঘৰ পালো। তেতিয়াহে দেখিলো চোলাটোত ঠায়ে ঠায়ে তেজৰ দাগ। সেইবোৰ সলাই হাত ভৰি মুখ আদি ধুই, তপতে তপতে কেইটামান ভাত মুখত পেলাই, বিছনাত কাপোৰ কানি লৈ শুই পৰিলোঁ। মাধৱদেৱ পুৰুষে কৈছে নাম ঘোষাত "মেঘাচ্ছন্নে নোহয় দুৰ্দ্দিন" বুলি। সিদিনাৰ দিনত সূৰ্যতো নায়েই, তাৰ উপৰিও ইমান যে আন্ধাৰ সেইটো নাভূত-নাশ্ৰুত বোধ হ'ল। গধূলি মূৰ দাঙিব খোজো তীব্ৰ মূৰৰ বিষ। কপালখন যেন ফাটি যাব খোজে। চকুদুটা যেন মেলিবই নোৱাৰি, ইফালে সৰ্বাংগে বিষম বেদনা। হাতীত উঠি দোলনি খোৱাৰ প্ৰতিক্ৰিয়া। এগিলাচ চোকাকৈ চাহ খাই আকৌ শুই বলো। মোক ৰাতিৰ বাবে আৰু কিবা লঘু পথ্য খাবৰ বাবে মোৰ এই অভিভাবিকা দুগৰাকীয়ে কিমান যে মৰমেৰে সাধ্য সাধনা কৰিলে, তাক আৰু মোৰ কথাৰে লেখি মাধুৰ্য কমাবৰ মন নাই। সেইবোৰ মোৰ স্মৃতিতে

বোধহয় সঁগুত হৈ থাকিলে ভালে থাকিব। মোৰ অৱস্থা দেখি দুয়োজনী ছাত্ৰী ৰাগিণী আৰু নলিনীয়ে ভিক্‌চ এটেমা আনি কপালত পিহি দিব ধৰিলে। লেম্পটো চকুত লাগে বুলি কমাই দিয়া হ'ল। লাহে লাহে মূৰৰ বিষত ঔষধখিনিয়ে ক্ৰিয়া কৰা যেন লাগিল। এক প্ৰকাৰৰ সন্মোহিত অৱস্থাই যেন মোক আগুৰি ধৰিলে। যেতিয়া দৈহিক অৱসাদ বেছি হয় তেতিয়া মোৰ মানসিক চেতনা বেছি হোৱা যেন পাওঁ। ক'ৰপবানো কি স্বপ্নময় ভাববোৰ উৰি উৰি দেখা দিয়ে। সেই কোমল পোহৰত পৰিচৰ্যাত নিমগন ৰাগিণী আৰু নলিনীক কিবা অশৰীৰী মূৰ্তি যেন লাগিব ধৰিলে। চকু মেল খালেই। ওৱৰ্ডচ্‌ৱাৰ্থৰ অলপমান কবিতালৈ মনত পৰি যাব ধৰিলে—

In truth together do you seem
Like something fashioned in a dream,
Such forms as from their covert peep
When earthly cares are bid to sleep.

ক্ৰমে চিলমিলকৈ নিদ্ৰাৱলীয়ে চকুদুটাত মায়া মাৰিব ধৰিলে। শৰীৰৰ সকলো দুখ-বেদনাই যেন মোক এৰি ক'ৰবালৈ যাব ধৰিলে। মই কাণেদি একো নুশুনো, চকুৰেও একো নেদেখো। মৰণে আঁকোৱালি লোৱাৰ লগে লগে যেনেকৈ পাৰ্থিৱ চেতনাবোৰে এটা এটাকৈ বিদায় লয় আৰু তাৰ ঠাই লব ধৰে কিছুমান অভূত-পূৰ্ব অপাৰ্থিৱ অনুভূতিয়ে, মোৰে তেনে কিবা হোৱা যেন লাগিল। মই যেন অবসন্ন হৈ Keatsৰ বৰ্ণনাৰ লগত মিলি যাব ধৰিলো—

Darkling I listen : and for many a time
I have been half in love with easeful Death
Called him soft names in many a mused rhyme,
To take into the air my quiet breath,
Now more than ever seems it rich to die,
To cease upon the midnight with no pain,

While there art pouring forth thy soul abroad,

In such an ecstasy !

এনেকৈ সঁচিতে সপোনে মিলি কেনেকৈ যে মোক কোনোবা অলকাপুৰীলৈ উৰুৱাই নিলে গম নাপালোঁ। শেষ ৰাতি এবাৰ সাৰ পাই দুয়োৰে নাম ধৰি এবাৰ মাতিলোঁ। কোনো সঁহাৰি নাই। মোক টোপনিৰ কোলাত সঁপি দি দুয়ো কেতিয়াবা আঁতৰি গৈছে। প্ৰথম পখীৰ মাতৰ লগে লগে দুখৰ জনগো আকৌ মোক সাৱটি ললে। দেখিলো বৰষুণ থামি গৈছে, কিন্তু সূৰ্য্যও নাই, ব'দৰো প্ৰকাশ নাই। সেই বুলি মানুহৰ সংসাৰতো আৰু বৈ নাথাকে। ঘৰৰ মানুহ উঠিল, লগে লগে মোৰো বেদনাবিলাক অলপ অলপকৈ জাগি উঠিল। আগৰ দৰে প্ৰবল নহয় কিন্তু তথাপি কম নহয়। তথাপি মুখ ধোৱা আৰু আন আন নিত্যকৰ্ম আদিতো কৰিব লাগিব। ভয় ভয়কৈ উঠি গলো মুখ ধুবলৈ। কোনোমতে ধুলো আৰু। কিন্তু ইকি বিপদ ! বাতি (বমি) আহিল। বিস্বাদ পানী আৰু বিজল কিছুমান। মুখ চকু আৰু এবাৰ পখালি কোনোবা এজনীৰ সহায়ত আকৌ বিছনাত পৰিলোঁ। ভাবিলো বাতি অহাৰ পিছত অলপ সকাহ পাম।

অলপ সময় বিছনাত দীঘল হৈ পৰি থাকি সাহ কৰি নিত্য কৰ্মসমাধা কৰিবলৈ আগবাঢ়িলো চোতালেদি বাৰীৰ ফাললৈ। বাট তেনেই পিছল হৈছে। দুয়োজনী পৰিচৰ্য্যাকাৰিণীয়ে কাষে কাষে গ'ল। তেওঁলোকৰ সহায়তে ভালে ভালে চিৰিয়েদি ওপৰলৈ উঠি গলো ঠিকনাশালীলৈ। অলপ পিছতে দুলাৰ মেলি ওলাইছোহে হঠাতে আকৌ সেই বাতি। আকৌ বাহু কুমভ টিপা মাৰি ধৰিলোঁ। বাগিণী আৰু নলিনী ওচৰতে আছিল। দুখোকমান চিৰি উঠি গৈ মোক দুয়োহাতে ধৰি নমাই আনিলে। এনেয়ে মোৰ বৰ কাইকুতি উঠে। কিন্তু আজি দুয়ো কাষলাতিত হাত দি ধৰাতো তেনে একো অনুভৱ নকৰিলোঁ। ৰক্ষা। হাত-ভৰি ধুবৰ বাবে

নাদৰ পাৰত বলো। হাত মুখ ধুবলৈ নতুন পানী তুলি দিলে। কিন্তু সেইখিনি সময়ো থিৰে ৰব নোৱাৰিলো। মুৰটো নাদৰ ওখ বাৰত থৈ কোনোমতে থিয় হৈ বলো। সেই অৱস্থাত নলিনীয়ে পানী ঢালি দিলে আৰু ৰাগিণীয়ে ভৰি দুখন ধুৱাই দিলে। মই মনৰ ভিতৰত বৰ অস্বস্তি বোধ কৰিলোঁ। কিন্তু নিৰুপায়। ভৰি নুধুলেও নহয়, ইপিনে নিজেও ধুব নোৱাৰোঁ। শেষত দুয়ো দুকাষে ধৰি পিছল চোতালেদি শোৱা কোঠালৈ ঘূৰাই আনিলে। পাক ঘৰৰপৰা পৰিয়ালৰ আন আন মহিলাসকলে মোক তেনেকৈ শোভাযাত্ৰা কৰি নিয়া দেখি অনুকম্পাৰ দৃষ্টিপাত মৰ্মে মৰ্মে অনুভৱ কৰি তলমুৱা হৈ আহিব ধৰিলে। এদিন ময়েই চিকাৰৰ ক্ষেত্ৰত সগৰ্বে কল্পনা কৰিছিলোঁ, “আমিতো ৰবিন হুড, মেগ্ৰিগৰ, ৰডাবিক চু”। আজি মোৰ সেই শক্তি ক'লৈ গ'ল। বিছনাত পৰি কিছুপৰ পৰি থাকি সথৰ্থি বলো বুলিব লাগে। মূৰৰ বিষে কিন্তু এৰা নিদিলে। ভিকচৰো প্ৰভাৱ সাময়িক যেনহে লাগিল। কিন্তু মোৰ যি মূৰৰ বিষ ইয়াৰ উৎপত্তি স্থান পেটৰ পিত্তৰ লগত। ভাবিলোঁ মূৰত পানী ঢালি চোৱা যাওক। কিছু পিছত তাকেই কৰা গ'ল। কাথিত এখন বেঞ্চত চিৎ হৈ পৰিলোঁ। এজনীয়ে মূৰটো ধৰিলে, আনজনীয়ে পানী ঢালিব ধৰিলে। বহুখিনি পাতল পালো মূৰটো। তাৰ পিছত মূৰৰ জখমডোখৰ আগুৰি থকা চুলিখিনি এওঁলোকৰ ডাঙৰ বায়েকে কেঁচি ধৰি কাটি দি ঘা ডোখৰত কিবা বগা গুৰা লগাই দিলে। এখেতৰ লগত মোৰ কথা-বতৰা প্ৰায় নাছিল বুলিলেই হয়। কিন্তু অৱস্থাই সেইটো সহজ কৰি দিলে কিছু পৰিমাণে।

ইমানখিনি হোৱাতো কিন্তু ঔষধ-পাতিৰ চিন্তা মোৰ মনলৈ অহা নাই। ৰাগিণী আৰু নলিনীয়ে ভাবিলে চিকাৰলৈ গৈ কষ্ট কৰা আৰু হাতীৰপৰা পৰাই মোৰ এইবোৰ হৈছে। মই জানো সেই শুদা পেটত ৰঙা চাহেই প্ৰধানকৈ এইবোৰ কৰিছে। তাৰ উপৰি

অনিদ্রা আৰু হাতীৰ ওপৰৰ গা জোকাৰণি, এইবোৰে সহায় কৰিছে। কিন্তু বাগিণী আৰু নলিনীয়ে মুৰত হাত বুলাই বুলাই কব ধৰিলে, "ছাৰ, আপুনি আৰু চিকাৰলৈ যোৱা এৰক! এই বয়সত আৰু সেইবোৰ কাম ভাল নহয়।" মই কলো, "এবোতো সকলোৱে, ময়ো এদিন এৰিব লাগিব। কিন্তু চিকাৰেই মোৰ এই অসুখৰ কাৰণ নহয়। চাওঁচোন ভাবি-চিন্তি।" উত্তৰ আহিল, "ভাবি-চিন্তি কি লাভ, জানেই দেখোন চিকাৰ বিচাৰি কিমান দূৰ যাব লাগে, কিমান বিপদৰ মুখত পৰিব লাগে আৰু আজিকালি দেখোন চিকাৰ দোষৰ কথাই হৈছে। আপোনাৰ ইমান বয়স হৈছে। গোটেই জীৱনটোৱে দেখোন হাবিয়ে জংগলে ঘূৰিলে, এতিয়াও হেপাহ পলোৱা নাই নে?" মই কলো, "পলাইছেই বুলিবা, আগৰ সেই দিনকাল নাই। বন, জন্তু দুয়োটাই নাই। আছে মাত্ৰ এই নিলাজ মনটো। সেয়েহে কেতিয়াবা সুবিধা পালে অলপ অচৰপ ভাগ লওঁ।" তেওঁলোকে ক'লে, "এতিয়া তেন্তে তাকো এৰিব লাগে! এনেকৈ ফুৰিলে কোন দিনা কি বিপদত পৰে কোনে জানে? তাৰ উপৰিও গুলীৰ দাম। ভাবি নাচায় কিয়? আমি আপোনাক কি বুজাম। নুবুজাক বুজাব পাৰি, বুজাকতো নোৱাৰি। মাংসতো কিনিয়ে খাব পাৰি।" তেওঁলোকৰ অনুৰোধ এৰাব নোৱাৰি মই সহজ হৈয়েই দিয়া ভাল বুলি ভাবিলো। অনুভৱ কৰিলো ই স্নেহৰ দাবী। অস্বীকাৰ কৰিবলৈ মনে নকলে। ভাবিলো ইয়াৰ ভিতৰৰ গভীৰ আন্তৰিকতা। ইমানখিনি নহলেওতো কিজানি চলিলহেঁতেন। শেষত কলোৱেই ফুটাই, "বাৰু এৰিলো তেনেহলে, নাযাওঁ চিকাৰলৈ। পিছে এটা কথা, তোমালোকৰ ঘৰৰ আগৰ বাৰীখনত কেতিয়াবা ভোজ গছত হাইতাল পৰে। তালৈ হলে দুই এক ফেৰ গুলী মাৰিব দিব লাগিব। চোৱা, হব নে?" দুয়ো দুয়োলৈ চাই অলপ হাঁহি মাৰিলে। অলপ পলমে সুধিলে, "সঁচা নে"? মই কালো, "সঁচাইতো, মই কেতিয়াবা

মিছা কৈছোনে তোমালোকৰ আগত ?" দুয়ো উত্তৰ দিলে, "হব বাৰু আপুনি কোৱাটোৱেই হ'ব। হাতীত উঠি হলে হাবিলৈ যাব নোৱাৰিব।" মই নাযাওঁ বুলি কলো শেষত। মই অলপ তভক মাৰি লৈ আকৌ বিষয়টো মুকলি কৰিলোঁ। কলোঁ, "পিছে মোৰ হলে এটা কথা থাকি গ'ল, কওঁ নে ?" নলিনীয়ে অনুমতি দিলে, "কওক কি কথা।" মই কওঁনে নকওঁকৈ উত্থাপন কৰিলো, "বিষয়টো সামান্য। তোমালোকে মোক মাজে সময়ে হাইতাল গুলীয়াবলৈ অনুমতি দিয়াৰ দৰে আৰু এবাৰ মাত্র এটা বিশিষ্ট চিকাৰৰ বাবে অনুমতি খুজিছোঁ। মাত্র এদিন, তাৰ বেছি নহয়। যাৰ বাবে মই ইমান কষ্ট কৰি ৰাইফলটো ঘৰৰপৰা বৈ আনিছোঁ। মাউত এজনৰ লগত কথা হৈছোঁ ইত্যাদি ইত্যাদি। ৰাগিণীয়ে সুধিলে, "কি বিশিষ্ট চিকাৰ সেইটো ?" মই অতি সৰুকৈ কলো যে এনে তেনে। দুয়ো জিকাৰ খাই একবাক্যে কৈ উঠিল, "ও নাই ছাৰ, তেনে কথা হবই নোৱাৰে। আপুনি এতিয়াই চিকাৰ এৰিলো বুলি কৈ আকৌ তাকেই কৰাৰ কথা কৈছে, যিটো সকলোতকৈ ভয়ানক তাকেই কৰিবলৈ বিচাৰিছে। ই কেনে কথা।" মই অপৰাধীৰ দৰে সেমেনা সেমেনিকৈ কলো, "মাত্র এদিনৰ কথাহে কৈছোঁ।" তেওঁলোকে গহীনহৈ কলে, "আমিনো কি ক'ম কওক, আপোনাকতো ধৰি ৰাখিবৰ অধিকাৰ নাই আমাৰ। কৰক আপোনাৰ যি মন যায়। আমাৰ অনুৰোধনো আপুনি ৰাখিব কিয় ? আমিনো আপোনাৰ কি ? মিছাকৈহে আমি আপোনাক আমাৰ বুলি ভাবো।" বহুতো অভিমান প্রকাশ কৰিলে। মোৰ কবৰ কথা হেৰাই গ'ল। ভাবিলো স্নেহতেই অভিমানৰ জন্ম। স্নেহৰ বন্ধন এৰাব নোৱাৰি বালক শ্রীকৃষ্ণই দেহৰ বন্ধন লৈছিল যশোদাৰ হাতত। মোৰ এই বয়সত এই ছোৱালী দুজনীৰ বন্ধন মানি নলবব সাধ্য নহ'ল। কলো, 'বাৰু এৰিলো তেনে চিকাৰ। এয়ে শেষ কথা।" ৰাগিণীৰ হাতত ধৰি কলো,

"মই এই শপত খাইছো।" ৰাগিণীয়ে আঁতুৰ বিতুৰকৈ হাতখন এৰুৱাই লৈ কলে, "নাই নাই, শপত খাব নালাগে। আপোনাৰ কথাই হৈছে। আমি বিশ্বাস কৰিছো।" মই কথাটো ডাঠ কৰিবলৈ আৰু কলো, "ভাল হলে এদিন গোসাঁই ঘৰত গৈ তোমলোকৰ সাক্ষাতত গৈ চিকাৰৰ নিচা পৰিহাৰ কৰি আহিম। হব নে কোৱা?" "বাৰু সেইটো যি কৰে কৰিব, এই গাৰেতো তালৈ যাব নোৱাৰিব। গতিকে কিবা অলপ খাই গাটো অলপ ভাল কৰি লওক। মোৰ কিন্তু তেতিয়া একো পেটলৈ নোযোৱা অৱস্থা। জানোচা আৰু বাতি আহে। এই অস্বীকাৰ কৰিলোঁ। ইফালে ডাক্তৰী ঔষধো খাব নোখোজোঁ। তেওঁলোক বিমোৰত পৰিল। ঘৰলৈকো একো খবৰ দিবলৈ হাক দিছোঁ। আগেপিছে এনে হলে লোক হোমিওপ্যাথিৰ ঔষধে গুণ দিয়ে। এতিয়া তাৰেই দিহা কৰিব কলো। ওচৰতে এজন শিক্ষকে এই চিকিৎসা কৰে। তেওঁৰেই ঔষধ অনা হ'ল। ঔষধৰ গুণতেই নে অক্লান্ত পৰিচৰ্যাতে গা অলপ ভাল পোৱা যেন পালোঁ। দুয়োজনীয়ে এজনীৰ পিছত এজনীকৈ মোৰ কান্ধ, মূৰ, পিঠি মালিচ কৰি যন্ত্ৰণাৰ উপশম কৰি ৰাখিলে। তেওঁলোকৰ পৰিচৰ্যাৰ ঋণ মই কেনেকৈ শুজিব পাৰো কব নোৱাৰোঁ।

যিহক সাঁজ পৰি যোৱাত ৰাগিণীয়ে কলে, মাকে বোলে সুধিছে কলাখাৰেদি বিষোৰ ঠাইবিলাক মালিচ কৰি দিব। বেদনা কমিব বুলি কৈছে। মই ৰাজী হলো। এবাৰ পচতীয়া পাতৰ ভাপেদি সেকি বৰ ভাল পাইছিলোঁ। সেইমতে এবাটি কলাখাৰ আনি পিঠিত ঘঁহি ঘঁহি দিয়া হ'ল। অলপ ভাল পোৱা যেন লাগিল। হেন সময়ত নলিনীয়ে প্ৰস্তাৱ আনিলে মাকৰপৰা কলা খাৰেদি কেইগৰাহমান ভাত খাব লাগে। একো নোখোৱাকৈ থকাটোও অসুখৰ এটা ডাঙৰ কাৰণ। মই সম্মত হলোঁ। কিন্তু ভয় কৰিলোঁ বাহি ভাত খালে যদি বাতি আহিব ধৰে। বৰ কুকাণ্ড

হৈ পাৰিব। ৰাগিণীয়ে উপায় দিলে "আপুনি শুৱক শুৱাই থাকক, উঠিব নালাগে যদি ভয় কৰোঁ। মই খুৱাই দিওঁ।" তেনেকৈয়ে ব্যৱস্থা হ'ল। মোৰ গলত কেঁচুৱা ল'ৰাক গাখীৰ খুৱালে গলত বিব্ বান্ধি দিয়াৰ দৰে এখন গামোচা ভাজ কৰি বান্ধি দিলে। মই পাৰি বলো। কাষত মেজখনত লেম্পটো থৈ মুখত পোহৰ পৰাকৈ ৰাখি সাৱধানে অলপ অলপকৈ খাব সনা ভাত খুৱাই দিবলৈ ধৰিলে ৰাগিণীয়ে। আৰু শালিকা পোৱালিয়ে আধাৰ খোৱাৰ দৰে বাবেপতি মুখ মেলি দিবলৈ ধৰিলো মই। আস্বাদ হেৰাই যোৱা জিভাত সেই কলাখাৰেৰে দি পিটিকা ভাত চাৰিদিনমান লঘোনৰ পিছত টলব টলৰকৈ অমৃত প্ৰায়সৰ দৰে জিভাই দি সৰ্বাঙ্গিবলৈ ধৰিলে। ইয়াৰ তুলনাত পহুৰ মঙহৰ সোৱাদ ক'ৰবাত পৰি ৰ'ল। মোৰ এনে সোৱাদ লাগিছিল যেন গোটেই বাটি ভাতকে খাই পেলাম। কিন্তু খুৱাই দিয়া গৰাকীয়ে হাক দিলে। জানোচা কিবা দুৰ্গুণ কৰে। অগত্যা ভোজন পৰ্ব তাতেই সামৰিব লগা হ'ল। খাই উঠি গাটো বৰ ভাল পালোঁ। শুৱৰ কাৰণে সাজু হৈ এফলীয়া হৈ শুলোঁ। আৱাসৰ কাৰণে ৰাগিণীক পিঠিত আকৌ খাৰ ঘঁহি দিবলৈ অনুৰোধ জনালো। ইফালে তেওঁৰ যে খাবৰ সময় হৈছে। তালৈ মনকে নকৰিলো। স্বাৰ্থপৰ মানুহ। ৰাগিণীয়ে বিনাআপত্তিতে মোৰ পিঠি আৰু কান্ধ পিহি থাকিল। কেতিয়াযে টোপনি আহিল গমেই নাপালোঁ। কিমান ৰাতি সাৰ পালো কৰই নোৱাৰিলোঁ। ৰাগিণী কেতিয়াবাই আঁতৰি গৈছে। লেম্পৰ ঢিমিক ঢামাক পোহৰত দেখা সেই Highland girl-জনীৰ ছবিলৈ মনত পৰিল। কিন্তু ছবি নাই, মাত্ৰ গাত সেই পৰিচৰ্যাৰ মৰমৰ পৰশখিনি লাগি আছে।

ৰাতিপুৱাল। বোধ হল মই এটা নতুন গা আৰু মনৰ সকলো গ্লানি আঁতৰি গৈছে। কিন্তু মূৰৰ বিষটো অলপ অলপ আছে। সেইখিনি যাবলৈ অন্ততঃ তিনিদিনমান লাগিল। লাহে লাহে গা

ভাল হৈ আছিল। ৰাগিণীহঁতৰ অনুৰোধ আৰু মৰমৰ দাবীত চিকাৰলৈ যোৱাটো এৰা পৰিল। বন্দুক আৰু ৰাইফল ল'ৰা-তিৰোতাৰ নামে হস্তান্তৰ কৰি দিলোঁ। মই মাত্ৰ Retainer হৈ ৰলোঁ। ৰবিঠাকুৰৰ 'বিদায় অভিশাপ' কবিতাটোৰ শেষখিনি মনত পৰে : দেৱযানীয়ে কচক অভিশাপ দিছে—

সে বিদ্যা তোমাৰ,
সম্পূৰ্ণ হবেনা বশ, তুমি শুধু তাৰ
ভাৰবাহী হয়ে ৰবে, কৰিবেনা ভোগ,
শিখাইবে পাৰিবেনা কৰিতে প্ৰয়োগ।

আজি আলমাৰীত মোৰ অতি মৰমৰ সেই পুৰণি সংগী অস্ত্ৰ দুটা দেখো। যদিও ব্যৱহাৰ নকৰে। তথাপি মনে আকৌ সেই এৰি অহা দিন আৰু উদ্দাম স্বাধীন দিনবোৰলৈ মোক উৰাই লৈ যায়। আকৌ সেই ৰোগশয্যালৈ মনত পৰে। ভাবিলে কিযে ভাল লাগে সেই অতীত মাধুৰীবোৰ। মাজে মাজে বিস্ময় অনুভৱ কৰোঁ। কি শক্তিৰ বলত ক'ৰবাৰ কোনোবা এই ছোৱালী দুজনীয়ে মোৰ ইমান প্ৰিয় প্ৰবৃত্তি এটা জলাঞ্জলি দিয়ালে। নিৰ্মমতাৰ আনন্দক মৰমে জয় কৰিলে।

অতীতৰ সেই সুন্দৰ সোঁৱৰণি মনত পৰালৈকে লেখিলোঁ। এষাৰ কথা উল্লেখ নকৰিলে অলপ ত্ৰুটি হৈ যাব। বিশেষ কাৰণত এই স্মৃতিৰ অপৰিহাৰ্য অংগ ছোৱালী দুজনীৰ নামত অলপ ভাঁজ দিব লগা হ'ল, এয়ে যি……। □

# সমাপ্ত

Published in:

http://blogasom.blogspot.com

For more eBooks like this and other updates keep on visting Blog Asom.